

দৈনিক

# বাতৰি কাকত

সত্য আৰু ন্যায়ৰ সপক্ষে

PUBLISHED SIMULTANEOUSLY FROM GUWAHATI & JORHAT

RNI REGD. NO. ASSASS/2003/15035 • E-paper: centralread.com • email: dainikbatorikakot@gmail.com



VOL XXIII, No. 183 ত্ৰিবিংশ বছৰ, সংখ্যা- ১৮৩, ২ জুন, মঙলবাৰ, ২০২৬, ১৮ জেঠ, ১৯৪৫ শক, BATORI KAKOT, Tuesday, 2 June, 2026, Guwahati Edition / গুৱাহাটী সংস্কৰণ মূল্য ঃ ৭.০০ টকা


নলবাৰীত লাভ জেহাদৰ ভয়ংকৰ পৰিণতি

# আছু নেতাৰ হত্যাকাৰী আছিফ খান নিহত

## মুকালমুৱাৰ চৰত আৰক্ষীৰ এনকাউণ্টাৰ ঃ হাস্পতাললৈ অনাৰ পথত মৃত্যু গুলীবিদ্ধ আছিফ

**মুকালমুৱাৰ পৰা আজিজ আলী, ১ জুন ঃ** নলবাৰী জিলাৰ মুকালমুৱাৰ গংগাপুৰত ৰবিবাৰে সন্ধিয়া প্ৰায় ৭.৪০ বজাত সংঘটিত ভয়াবহ পৰিকল্পিত হত্যাকাণ্ডৰ ঘটনাত থিতাতে নিহত হয় ছাত্ৰ নেতা মাধুৰ্য বৰ্মন। আনহাতে, ৰ'জ আলী ওৰফে আছিক আলীৰ উপৰ্যুপৰি আক্ৰমণত গুৰুতৰভাৱে আহত হয় ছাত্ৰনেতাজনৰ সম্পৰ্কীয় ভগ্নীও। ঘটনাৰ বিৱৰণী ■ এঘাৰ পৃষ্ঠাত



## মূৰ-মুখ-ৰাজহাড়ত উপৰ্যুপৰি আক্ৰমণ মাধুৰ্য বৰ্মনক হানি-খুঁচি মুমূৰ্ষু কৰি পলায়ন দুই পাষণ্ডৰ

# জি এম চি এইচত জীৱন-মৃত্যুৰে যুঁজিছে নলবাৰীৰ মৃদুমুদ্ৰাই





## দেওবাৰে ফুট গধূলিতে আছিফ বাহিনীয়ে চোকা অস্ত্ৰৰে আঘাত কৰিছিল যুৱতীগৰাকীক

**নলবাৰীৰ পৰা মজিবুৰ ৰহমান, ১ জুন ঃ** জি এম চি এইচ হাস্পতালত মৃত্যুৰে যুঁজিছে নলবাৰীৰ মৃদুমুদ্ৰাই। যুৱতীগৰাকীৰ দেহত ৪-৫ স্থানত আছে গুৰুতৰ আঘাত। মূৰৰ পাছফালে আছে গুৰুতৰ আঘাত। লাওখোলা আৰু মগজুত পাইছে যথেষ্ট গুৰুতৰ আঘাত। ৰাজহাড়ৰ কাষত ছুৰীৰ দুটা গুৰুতৰ আঘাত আছে যুৱতীগৰাকীৰ। ছুৰীয়ে আঘাত হানিছে যুৱতীগৰাকীৰ হাওঁফাওঁত। এই কথা জনাইছে ■ এঘাৰ পৃষ্ঠাত

## আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উজলিল অসম দুটাকৈ সোণ-ৰূপৰ পদক অৰ্জন



**বাতৰি কাকত, নগাঁও, ১ জুন ঃ** আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া ক্ষেত্ৰত পুনৰ জিলিকি উঠিল অসমৰ খেলুৱৈ। 'ইউনিভাৰ্চেল যোগ কনফেডাৰেচন' Universal Yoga Confederationৰ উদ্যোগত আৰু নেপালৰ কাঠমাণ্ডুস্থিত 'দ্য চেলিব্ৰেশ্যন স্কুল'ৰ সহযোগত যোৱা ৩০ আৰু ৩১ মে'ত অনুষ্ঠিত হৈ যায় দ্বিতীয় সংখ্যক কমনৱেলথ যোগাসন প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰা অসমৰ দলটোৱে ৫টাকৈ সোণৰ পদক আৰু দুটাকৈ ৰূপৰ পদক বুটলি সমগ্ৰ দেশৰ ভিতৰতে এক উজ্জ্বল নিদৰ্শন দাঙি ধৰে। প্ৰতিযোগিতাখনত অসমৰ তিতিক্ষা মধুকল্যই ব্যতিক্ৰমী প্ৰদৰ্শন আগবঢ়াই সন্মানীয় 'চেম্পিয়ন অৱ দ্য চেম্পিয়নছ' খিতাপ ■ এঘাৰ পৃষ্ঠাত

## নগাঁৱৰ চকলাঘাটত পথ দুৰ্ঘটনাত নিহত এজন

**বাতৰি কাকত, নগাঁও, ১ জুন ঃ** নগাঁৱৰ চকলাঘাটত সংঘটিত হৈছে এক ভয়ংকৰ পথ দুৰ্ঘটনা। এই দুৰ্ঘটনাত এজন লোক নিহত হোৱাৰ লগতে আন এজন গুৰুত্বৰভাৱে আহত হৈছে। জানিব পৰা মতে, জাজৰিৰ পৰা চকলাঘাট অভিমুখে তীব্ৰ গতিৰে গৈ থকা এখন স্কুটিয়ে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত বাগৰি পৰাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। ইফালে দুৰ্ঘটনাত থিতাতে নিহত হোৱা লোকজনৰ ■ এঘাৰ পৃষ্ঠাত

আৰক্ষীৰ বিস্ফোৰক অভিযোগ দাখিল চিকিৎসাধীন যুৱতীৰ মাতৃৰ

# দীৰ্ঘদিনে মৃদুমুদ্ৰাক নিৰ্যাতন চলাই আহিছিল ৰোজ আলীয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ, নলবাৰী, ১ জুন ঃ** নলবাৰীৰ শিহৰণকাৰী ঘটনাৰ দুই অভিযুক্তৰ এজন অৰ্থাৎ ৰোজ আলী ওৰফে আছিফ খান আৰক্ষীৰ গুলীত নিহত হোৱাৰ বিপৰীতে আনজন অভিযুক্ত অদ্যপি পলাতক। পূব কালাকুছি গাঁৱত ঘৰ ২ অভিযুক্তৰ। উল্লেখযোগ্য যে মৃত্যু হোৱা মাধুৰ্য বৰ্মন পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক আছিল। ঘটনা সন্দৰ্ভত মুকালমুৱা আৰক্ষীয়ে অব্যাহত ৰাখিছে তদন্ত। আহত মৃদুমুদ্ৰা ডেকাৰ মাতৃৰ ভাষ্য অনুসৰি, দীৰ্ঘদিনৰ পৰা ৰোজ আলীয়ে আতিশয্য চলাই আহিছিল মৃদুমুদ্ৰাৰ পৰিয়ালক। জানুৱাৰীত মৃদুমুদ্ৰা ডেকা ঘৰত আহি ছুৰী দেখুৱাই ভাবুকি দিছিল ৰোজ আলীয়ে। হত্যাকাৰীক ফাঁচীৰ দাবী মৃদুমুদ্ৰাৰ মাতৃৰ। ৰোজ আলী আৰু হিতেশ আলীয়ে আক্ৰমণ কৰা বুলি কৈছিল মৃদুমুদ্ৰাই। স্কুলত পঢ়ি থকা সময়ৰে পৰা ৰোজ আলীয়ে ভাবুকি দি আহিছিল মৃদুমুদ্ৰাক। প্ৰেম প্ৰত্যাখ্যান কৰাৰ বাবেই ভাবুকি দিছিল মৃদুমুদ্ৰাক। ■ এঘাৰ পৃষ্ঠাত

# অসমৰ ক্ৰীড়া ক্ষেত্ৰ সম্পৰ্কে কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মাণ্ডব্যৰে বৈঠক মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ১ জুন ঃ** সোমবাৰে পুৱা কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মাণ্ডব্যক সাক্ষাৎ কৰি জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে অসমৰ ক্ৰীড়া আন্তঃগাঁথনি অধিক শক্তিশালীকৰণ আৰু অসমৰ শ্ৰমিক ভাই-ভনীসকলৰ বাবে অধিক অনুকূল পৰিৱেশ গঢ়ি তোলাৰ বিভিন্ন বিষয়ত এক আলোচনাত মিলিত হয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। অসমত ক্ৰীড়া আন্তঃগাঁথনি শক্তিশালী কৰা আৰু শ্ৰমিক কল্যাণমূলক ব্যৱস্থা অধিক উন্নত কৰাৰ বিষয়ত বিস্তৃত আলোচনা কৰা হয়। ইফালে, সামাজিক মাধ্যম দ্ধত মুখ্যমন্ত্ৰী ড° শৰ্মাই পোষ্ট কৰি কয় যে বিজেপিৰ 'সেৱা প্ৰথম' দৰ্শনৰ সৈতে সংগতি ৰাখি কেন্দ্ৰীয় ■ এঘাৰ পৃষ্ঠাত



## মুছলপুৰত ইউপিপিএলৰ এমচিএলএসহ সমিতিৰ সমূহীয়া পদত্যাগ

**বাতৰি কাকত, মুছলপুৰ, ১ জুন ঃ** বিটিচি আৰু বিধানসভা নিৰ্বাচনত শোচনীয় পৰাজয়ৰ পাছতে ইউপিপিএল দল এৰিছে নেতা পালিনেতাই। সোমবাৰে বাক্সা জিলাৰ মুছলপুৰ পৰিষদীয় সমষ্টিৰ ইউপিপিএল দলৰ এমচিএলএ তথা ইউথ ইউপিপিএলৰ মুছলপুৰ জিলা সমিতিৰ সভাপতি ৰাকেশ ব্ৰহ্মসহ সকলো প্ৰাথমিক, ব্লক কমিটিয়ে আনুষ্ঠানিকভাৱে পদত্যাগ কৰে। ইফালে, ইউপিপিএল দলৰ বিগত দুটা নিৰ্বাচনত হোৱা শোচনীয় পৰাজয়ৰ পাছতে এই সিদ্ধান্ত লোৱাৰ কথা সদৰী কৰে ৰাকেশ ব্ৰহ্মই। জনসেৱাৰ স্বাৰ্থত শাসনাধিস্থিত দলৰ লগত থাকি ৰাইজৰ সেৱা কৰি যাব বুলিও মন্তব্য ৰাকেশ ব্ৰহ্মৰ। আনহাতে, দুই এদিনতে সতীৰ্থসহ বিজেপি দলত যোগদান কৰাৰ ইংগিত দিয়ে ■ এঘাৰ পৃষ্ঠাত

# উপ-ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণনক সাক্ষাৎ মুখ্যমন্ত্ৰী শৰ্মাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ১ জুন ঃ** অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনক সাক্ষাৎ কৰি অসমৰ উন্নয়নৰ গতিপথৰ বিষয়ে অৱগত কৰে, একে সময়তে ৰাজ্যখনক 'বিক্ষিত অসম' হোৱাৰ দিশত তেওঁৰ অবিৰত পথ প্ৰদৰ্শন বিচাৰে। ভিপি এনক্লেভত অনুষ্ঠিত হোৱা বৈঠকৰ সবিশেষ এক্সত এটা পোষ্টত শ্বেয়াৰ কৰি শৰ্মাই কয় যে উপ-ৰাষ্ট্ৰপতিগৰাকীক সাক্ষাৎ কৰি 'অসম বৃদ্ধিৰ কাহিনী'ৰ বিষয়ে অৱগত কৰি তেওঁ সন্মানিত হৈছে। আজি ভাৰতৰ মাননীয় উপ-ৰাষ্ট্ৰপতিক অসমৰ বৃদ্ধিৰ কাহিনীৰ বিষয়ে অৱগত কৰিবলৈ আহ্বান জনাই সন্মানিত হৈছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে কয়। উপ-ৰাষ্ট্ৰপতিগৰাকীক জনজীৱনত নম্ৰতা, কঠোৰ ■ এঘাৰ পৃষ্ঠাত



মীন উন্নয়ন নিগমৰ দুৰ্নীতি ঃ সংবাদমেলত অনুসূচিত জাতি ছাত্ৰ সন্থাৰ বিস্ফোৰণ

## মীন উন্নয়ন নিগমত দুৰ্নীতিৰ দস্তাবেজ ৫-৬ লাখ টকা লৈ ২১৭ জনক দিছিল অবৈধ নিযুক্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ, ১ জুন ঃ** অনুসূচিত জাতিৰ লোকসকলৰ বাবে ৰাজ্য চৰকাৰে মীন বিভাগৰ দ্বাৰা ৰূপায়ণ কৰা আঁচনিত সংঘটিত কমেও প্ৰায় ১০০ কোটি টকীয়া কেলেংকাৰীৰ তদন্তত সন্তুষ্টি প্ৰকাশ কৰিছে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে। ইতিমধ্যে কেইবাগৰাকী বিষয়াক গ্ৰেপ্তাৰ কৰা হৈছে ■ এঘাৰ পৃষ্ঠাত

# বিধায়ক ৰমাকান্ত দেউৰীক তদন্তৰ আওতালৈ অনাৰ দাবী

## দুৰ্নীতিৰ আচল ৰৌমাছ আছিল তদানীন্তন অ' এছ ডি পদ্মকান্ত হাজৰিকা




**বাতৰি কাকত, ৰহা, ১ জুন ঃ** ৰহা প্ৰেছ ক্লাবত সোমবাৰে সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাই এক সংবাদমেল আয়োজন কৰে। সংবাদমেলত সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি দীপাংকৰ দাস, সাধাৰণ সম্পাদক মৃদুল দাসৰ লগতে বহু কেইগৰাকী ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে অসম মীন উন্নয়ন নিগমত সংঘটিত বৃহৎ দুৰ্নীতি কাণ্ডত তদানীন্তন বিশেষ কৰ্তব্যৰত বিষয়া পদ্মকান্ত হাজৰিকাক দুৰ্নীতি নিবাৰক শাখাই গ্ৰেপ্তাৰ কৰাৰ ■ এঘাৰ পৃষ্ঠাত

দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচী ঃ পৱিত্ৰ পৰিৱেশেৰে মুখৰিত চৌদিশ

# লেটেকুপুখুৰীত মাধৱদেৱৰ ৫৩৮সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ পালন

**বাতৰি কাকত, ঢকুৱাখনা, ১ জুন ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰপন্ন শিষ্য, একশৰণ নামধৰ্মৰ অন্যতম স্তম্ভ আৰু অসমীয়া সমাজ-সংস্কৃতিৰ মহান পথপ্ৰদৰ্শক মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৫৩৮ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ আজি তেওঁৰ পৱিত্ৰ জন্মস্থান লেটেকুপুখুৰীত ভক্তি, শ্ৰদ্ধা আৰু আধ্যাত্মিক পৰিৱেশৰ মাজেৰে দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰা হয়। পুৱা ঊষা কীৰ্ত্তনৰ জৰিয়তে শুভাৰম্ভ হোৱা কাৰ্যসূচীৰ আৰম্ভণিতে পৰিৱেশ নিকাকৰণ কাৰ্য সম্পন্ন কৰা হয়। ইয়াৰ পিছতে মাধৱদেৱ জন্মস্থান পৰিচালনা সমিতিৰ সভাপতি তথা উত্তৰ ■ এঘাৰ পৃষ্ঠাত



দেৱৰ্ষি নাৰদ জয়ন্তী উপলক্ষে বক্তৃতানুষ্ঠান

# ঈশান দৰ্পনৰ সম্পাদক নৱ ঠাকুৰীয়ালৈ দেৱৰ্ষি নাৰদ জয়ন্তী বঁটা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ১ জুন ঃ** দেশ তথা সমাজৰ প্ৰতিকুল পৰিস্থিতিত ৰাইজক সজাগ আৰু সতৰ্ক কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে সংবাদ মাধ্যমে। বহুক্ষেত্ৰত সংবাদ মাধ্যমে চৰকাৰ বিৰোধী ভূমিকা গ্ৰহণ কৰি সুস্থ গণতন্ত্ৰ চলাই নিয়াৰ ক্ষেত্ৰত বিশেষ কৰ্তব্য পালন কৰে। বিশ্বৰ প্ৰথমগৰাকী সাংবাদিক দেৱৰ্ষি নাৰদ ■ এঘাৰ পৃষ্ঠাত



# নগাঁৱৰ চাপনলাত ‘প্ৰকৃতি শিবিৰৰ’ সামৰণি

**বিশেষ প্ৰতিনিধি, নগাঁও, ১ জুনঃ** ভাৰত চৰকাৰৰ পৰিবেশ বন আৰু বতৰ পৰিবৰ্তন মন্ত্ৰণালয় সহযোগত, অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিবেশ পৰিষদৰ উদ্যোগত আৰু পাঁচবাৰকৈ ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত স্বেচ্ছাসেৱী অনুষ্ঠান গ্ৰাম বিকাশ পৰিষদৰ ব্যৱস্থাপনাত নগাঁও জিলাৰ চাপানলাৰ বাঘেঘাটিস্থিত হাতিবন্ধু কেম্পত ৩০ আৰু ৩১ মে’ত দুদিনীয়াকৈ আয়োজন কৰা প্ৰকৃতি শিবিৰৰ সফলভাবে সামৰণি পৰে। চালনা আঞ্চলিক বন বিষয়াৰহে শিবিৰৰ শুভাৰম্ভণী অনুষ্ঠানত উপস্থিত থাকে খণ্ড বন বিষয়া এ কে নজমুল আহমেদ আৰু তেওঁ শিবিৰৰ শুভাৰম্ভ কৰে। প্ৰকৃতিবিদ জয়ন্ত কুমাৰ শৰ্মা, বিশিষ্ট সমাজকৰ্মী তথা গ্ৰাম বিকাশ পৰিষদৰ মুখ্য উপদেষ্টা চিৰাজউদ্দিন আহমেদ, এফ জি চিনিয়ৰ চেকেগুৱাৰী স্কুলৰ অধক্ষ্য মোচাৰফ হুছেইন কবিৰ, প্ৰকৃতিবিদ আৰু শিক্ষক ভবেন্দ্ৰ বৰুৱা, চাপানলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা পাৰুল গায়ন, সমাজসেৱীকা আৰু উদ্যমী মহিলা আনোৱাৰা খাতুন, চিকিৎসক চাফিয়ানা আহমেদকে ধৰি বহু কেইজন প্ৰকৃতিপ্ৰেমি উক্ত অনুস্থানত উপস্থিত থাকে। নগাঁও জিলাৰ দহখন বিদ্যালয়ৰ চল্লিশগৰাকী ছাত্ৰ আৰু ১০ গৰাকী শিক্ষকৰ সৈতে মুঠ পঞ্চাশ গৰাকী অংশগ্ৰহণকাৰীকলৈ আয়োজন কৰা এই শিবিৰত বহুকেইটা দিশ সামৰি প্ৰশিক্ষণ প্ৰদান কৰা হয়। বিশেষকৈ প্ৰকৃতি আৰু মানুহৰ মাজত কেনেকৈ সু-সম্পৰ্ক স্থাপন কৰিব, বন্যপ্ৰাণী সুৰক্ষা আৰু সংৰক্ষণ, জৈৱ বৈচিত্ৰ সংৰক্ষণ, পক্ষী পৰিদৰ্শন, সংৰক্ষিত অঞ্চল সম্পৰ্কে, বন্যপ্ৰাণী আৰু পৰিবেশ, ফটোগ্ৰাফী আদি বহু বিষয় সামৰি লোৱাৰ লগতে তথ্যচিত্ৰ প্ৰদৰ্শন, বনাঞ্চল পৰিদৰ্শন আদিৰো ব্যৱস্থা কৰা হয়। এই শিবিৰৰ আয়োজন কৰাত নগাঁও বন সংমণ্ডলৰ অধিনস্থ চালনা আঞ্চলিক বনবিষয়া, চাপানলা খণ্ড বনবিষয়া, প্ৰকৃতিবিদ বিনোদ দুলু বৰা আৰু হাতিবন্ধু কেম্প কতৃপক্ষৰ সহযোগ অতি উল্লেখনীয়। শিবিৰত অংশগ্ৰহণকাৰী সকলক প্ৰকৃতিৰ মনোৰম পৰিবেশৰ মাজত থকাৰ ব্যৱস্থা, সুৰক্ষাৰ ব্যৱস্থা, চিকিৎসাৰ ব্যৱস্থা, খাদ্যৰ ব্যৱস্থা আদিকে ধৰি প্ৰায় সকলো ধৰণৰ সুবিধাও প্ৰদান কৰা হয়। প্ৰকৃতিবিদ তথা হস্তীমানৱ খ্যাত বিনোদ দুলু বৰায়েও অংশগ্ৰহণকাৰীসকলৰ লগত মতবিনিময় কৰে আৰু হাতীবন্ধু নামৰ ৰজতকমল বটাঁপ্ৰাপ্ত তথ্যচিত্ৰ খন প্ৰদৰ্শনৰ ব্যৱস্থা কৰে। ৩১ তাৰিখে দিনৰ ১২ বজাত নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মা প্ৰকৃতি শিবিৰত উপস্থিত হয় আৰু উপস্থিত ছাত্ৰ আৰু শিক্ষকসকলৰ লগত মতবিনিময় কৰে। তেওঁৰ ভাষণত প্ৰকৃতি সুৰক্ষাৰ দায়িত্বযে আমাৰ সেই কথা উপস্থিত সকলোকে সোঁৱৰাই দিয়ে, জিলা আয়ুক্ত, দেৱাশীষ শৰ্মাৰ প্ৰত্যক্ষ নেতৃত্বতে এক সজাগতামূলক ভ্ৰমণ তথা ট্ৰেকিং কাৰ্যসূচীও অনুষ্ঠিত হয়। প্ৰকৃতিৰ বুকুত অনুষ্ঠিত মুকলি বাৰ্তালাপত আয়ুক্তগৰাকীয়ে নৱপ্ৰজন্মৰ শিশুসকলক জীৱনৰ প্ৰকৃত মূল্যবোধ সন্দৰ্ভত এক গভীৰ আৰু অনুপ্ৰেৰণাদায়ী দিক-দৰ্শন প্ৰদান কৰে। এই বিশেষ ভ্ৰমণকালত আয়ুক্ত গৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক সমাজৰ এজন দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি উঠিবলৈ আহ্বান জনায়। উচ্চ শিক্ষিত বা প্ৰতিষ্ঠিত হ’লেও কেনেকৈ সদায় মাটিৰ বালিৰ মানুহ হৈ সৰলতা বজায় ৰাখিব লাগে, কেনেকৈ প্ৰকৃতিৰ সৈতে সুসম্পৰ্ক বজায় ৰাখিব লাগে আৰু সমাজৰ প্ৰতি নিজৰ কৰ্তব্য পালন কৰিব লাগে, সেই বিষয়ে তেওঁ বিশদভাৱে বুজাই দিয়ে। পাহাৰ ভ্ৰমণৰ জৰিয়তে প্ৰকৃতিৰ গুৰুত্ব অনুধাৱন কৰাই দি তেখেতে পৰিৱেশ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখা আৰু বন্যপ্ৰাণ তথা প্ৰকৃতি সংৰক্ষণত যুৱ প্ৰজন্মক সক্ৰিয় ভূমিকা ল’বলৈ উৎসাহিত কৰে। একেদৰে সমাজৰ পৰা ধঁপাত সেৱনৰ দৰে মাৰাত্মক কু-অভ্যাস সম্পূৰ্ণৰূপে নিৰ্মূল কৰাৰ বাবে প্ৰতিগৰাকী শিক্ষাৰ্থীকে একো একোজন সজাগতাৰ দূত হ’বলৈ তেওঁ আহ্বান জনায়। তেখেতে গুৰুত্বসহকাৰে উল্লেখ কৰে যে কু-অভ্যাসৰ বশৱৰ্তী হৈ কোনেও যাতে নিজৰ অমূল্য জীৱন আৰু পৰিয়ালৰ ভৱিষ্যত বিপন্ন নকৰে। ক্ষন্তেকীয়া নিচাৰ বাবে যাতে কোনো শিশু বা যুৱক-যুৱতী বিপথে পৰিচালিত নহয়, তাৰ বাবে নিজকে সজাগ কৰাৰ লগতে সমাজৰ আন দহজনকো এইসমূহ ভয়াবহ প্ৰভাৱৰ পৰা মুক্ত কৰি ৰাখিবলৈ এই মঞ্চৰ পৰা তীব্ৰ আহ্বান জনোৱা হয়। অৱশেষত বিয়লি ৩.৩০ বজাত এই দুদিনে জড়িতহৈ থকা বিশিষ্ট ব্যক্তিসকল আৰু সংবাদকৰ্মী সকলৰ উপস্থিতিত শিবিৰৰ সমাপ্তি হয়। গ্ৰাম বিকাশ পৰিষদৰ মুখ্য উপদেষ্টা চিৰাজউদ্দিন আহমেদ আৰু প্ৰকৃতিবিদ তথা শিক্ষক ভবেন্দ্ৰ বৰৱায়ে অংশগ্ৰহণকাৰী মাজত মানপত্ৰ বিতৰণ কৰে। শেষত শিবিৰ সফলভাবে পৰিচালনা কৰাত সহযোগ কৰা প্ৰতিজন ব্যক্তিলৈ গ্ৰাম বিকাশ পৰিষদৰ তৰফৰ পৰাও সলাগৰ শৰাই আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

# নলবাৰী কাণ্ডক লৈ বীৰ লাচিত সেনা-জাতীয় সংগ্ৰামী সেনাৰ তীব্ৰ প্ৰতিক্ৰিয়া

**ষ্টাফ ৰিপ’ৰ্টাৰ, শিৱসাগৰ, ১ জুন ঃ** নলবাৰী কাণ্ডক লৈ শিৱসাগৰত বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আজি শিৱসাগৰত শৃংখল চলিহাই সাংবাদিকৰ আগত কয় যে - ‘আক্ৰমণ হ’লে প্ৰত্যাক্ৰমণ হ’বই ।প্ৰত্যাক্ৰমণ কি হ’ব আমি সময়ত সময়ত জনাম।’ ইয়াৰ লগতে তেওঁ কয় যে—‘বিজেপি চৰকাৰ হোৱাৰ পাছৰ পাছতেই দুজনকৈ খিলঞ্জীয়া লোকক হত্যা কৰিলে এক বিশেষ সম্প্ৰদায়ৰ লোকে। ইয়াৰ বাবে হিমন্ত বিশ্ব শৰ্মাৰ গৃহ বিভাগ সম্পূৰ্ণৰূপে ব্যৰ্থ । নিৰ্বাচনৰ পূৰ্বে আমি এই কথাবোৰ ক’লে আমাক কোনো ৰাজনৈতিক দলৰ দালাল বুলি সকলোৱে উপহাস কৰে। ইতিমধ্যে মই বীৰ লাচিত সেনাৰ সভাপতি আৰু মুখ্য সচিবৰ লগত আলোচনা কৰিছো। শেষ কথা। দোষীৰ এনকাউণ্টাৰ হ’বই লাগিব। আমি প্ৰতিবাদ কৰিম। জংগী প্ৰতিবাদ কৰিম। চৰকাৰে কি কৰিব। চৰকাৰৰ কথা । কিন্তু আমাৰ এটা মাৰিছে। আমি কিন্তু দুটা মাৰিম। চৰকাৰে পাঁচ দহ লাখ টকা ক্ষতিপূৰণ দি দায়িত্ব সামৰিব। আমি কিন্তু হাত সাৰটি বহি নাথাকিম।এই ঘটনা বাংলাদেশত হোৱা নাই অসমত হৈছে। গতিকে কোনো আপোচ নহ’ব। মূঠৰ ওপৰত আক্ৰমণ হ’লে প্ৰত্যাক্ৰমণ হ’বই।’ আনহাতে, আজি শিৱসাগৰত জাতীয় সংগ্ৰামী সেনাই শিৱসাগৰত আহ্বান কৰা সংবাদমেলত সম্বোধন কৰি নলবাৰীত সংঘটিত বৰ্বৰ কাণ্ডৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আজি জাতীয় সংগ্ৰামী সেনাৰ কেন্দ্ৰীয় সভাপতি চিতু বৰুৱাই সাংবাদিকৰ আগত কয় যে - নলবাৰী কাণ্ডৰ এজন ঘাটকক অসম আৰক্ষীয়ে এনকাউণ্টাৰ কৰা বাবে ধন্যবাদ জনাইছো। অসমীয়াই প্ৰতিজন মিঞাক পিটি পিটি অসমৰ পৰা খেদাই পঠাওক। এইখন অসমত আমাৰ বাই ভনীসকলক প্ৰেমৰ প্ৰস্তাৱ দি তাক মানি নল’লে হত্যা কৰিব। তাক কোনোপধ্যে মানি লোৱা নহ’ব। মাত্ৰ কেইটামান দিনৰ ভিতৰত মিঞাই কেইবাজনো খিলঞ্জীয়া লোকক হত্যা কৰিলে। মৰিকলঙত এগৰাকী মহিলাক হত্যা, কোকোৰাঝাৰত খিলঞ্জীয়া লোকক হত্যা। আকৌ বিগত দিনটোত মাধুয্য বৰ্মন নামৰ অসমীয়া চফল ডেকাজনক মিঞাই হত্যা কৰিলে। এতিয়া অসমীয়া জাতি হাত সাবটি বহি থকাৰ সময় নহয়। প্ৰতিজন অসমীয়া জাগিবৰ হ’ল। জাতীয় সংগ্ৰামী সেনাই পূৰ্বৰে পৰা যি মিঞা বিৰোধী সংগ্ৰাম চলাই আছিল সেইখন সংগ্ৰাম এতিয়া অধিক কঠোৰ হ’ব। অসম আৰক্ষীয়ে এই কাণ্ডৰ সৈতে জড়িত এজনক এনকাউণ্টাৰ কৰিলে। আমি অসম আৰক্ষীক ধন্যবাদ জনাইছো। কিন্তু এই কাণ্ডৰ জড়িত আনটো মিঞাকো আৰক্ষীয়ে এনকাউণ্টাৰ কৰিব লাগিব।’ জাতিক বচাবলৈ হ’লে সংগ্ৰাম অধিক কঠোৰ হ’ব লাগিব বুলি সংবাদমেলত স্পষ্টকৈ মত প্ৰকাশ কৰে সংগঠনটোৱে। আনহাতে শিৱসাগৰ জিলাৰ কোৱামৰা সত্ৰত বাঘবৰৰ পৰা অহা মিঞাই মাটি ক্ৰয় কৰা সন্দৰ্ভতো জাতীয় সংগ্ৰামী সেনাই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ লগতে মাটি ক্ৰয় কৰা মিঞাক শেষ সকীয়নি প্ৰদান কৰে ।ক্ৰয় কৰা মাটি মালিকক ঘূৰাই দি শিৱসাগৰ ত্যাগ কৰিবলৈ কঠোৰ সকীয়নি প্ৰদান কৰে জাতীয় সংগ্ৰামী সেনাই। অবৈধ মিঞাৰ বিৰুদ্ধে কঠোৰৰ পৰা কঠোৰ ব্যবস্থা গ্ৰহণ কৰিবৰ বাবে সংগঠনটোৱে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনায়।

# নগাঁৱত শ্বহীদ অনিল বৰাৰ মহাৰজত জয়ন্তী বৰ্ষ অনুষ্ঠানত ড° শৰৎ বৰকটকী




**বাতৰি কাকত, ৰহা, ১ জুন ঃ** মাতৃভাষা মাধ্যম আন্দোলনৰ শ্বহীদ অনিল বৰাৰ মহাৰজত জয়ন্তী বৰ্ষ উপলক্ষে আজি অকণিৰ সাহিত্য সভা, নগাঁও জিলা সমিতিয়ে এটি গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ জৰিয়তে ভাষা- সাহিত্য আৰু শিশুশিক্ষাৰ ক্ৰমবিকাশত ঐকান্তিক আৰু নিৰবচিন্নভাৱে অৰিহণা আগবঢ়োৱা তিনিগৰাকী সুযোগ্যা শিশু সাহিত্যিকক ‘শিশু শিক্ষা সাহিত্য বঁটা’ৰে সন্মানিত কৰে। এই উদ্দেশ্যে নগাঁও জিলা সাহিত্য সভা তোদী স্মৃতি ভৱন প্ৰেক্ষাগৃহত বিয়লি ২-০০ বজাত অনুষ্ঠিত সম্ভ্ৰমপূৰ্ণ অনুষ্ঠানটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰি চামগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ইন্দ্ৰজিৎ বেজবৰুৱাই আমাৰ ভাষাটোৰ বাবে বুকুৰ শোণিত ঢালি, জীৱন দি, শ্বহীদ হোৱা অনিল বৰাদেৱৰ দৰে ব্যক্তিক আৰু ব্যক্তিবৃন্দক আমি শ্ৰদ্ধাৰে মনত ৰখাটো উচিত বুলি উল্লেখ কৰিও আমি শ্বহীদক যথাৰ্থ সন্মান দিবলৈ পৰা নাই যেন বুলিও ড°বেজবৰুৱাই তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে । অকণিৰ সাহিত্য সভা, নগাঁও জিলা সমিতিৰ সভাপতি নবীন কলিতাৰ সভাপতিত্বত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ সভাখনিৰ লগত সংগতি ৰাখি নগঁঞা কবি হেমেন্দ্ৰ শৰ্ম্মাৰ ‘হৃদয়ৰ অনুভূতি’ শীৰ্ষক কাব্যগ্ৰন্থৰ উপৰি নতুন প্ৰজন্মৰ গল্প লেখিকা জ্যোতিৰ্ময়ী বৰুৱাৰ ‘ভাগৰুৱা সপোন এটাৰ সপোন’ নামৰ গল্প সংকলনখনি আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। গ্ৰন্থ উন্মোচনী সভাখনিৰ আৰম্ভণিতে সুৰৰ পানচৈ শিল্পী সমাজৰ জ্যেষ্ঠ শিল্পী প্ৰণতি বৰাই পৰিবেশন কৰা ভক্তিমূলক গীতেৰে শুভাৰম্ভ হোৱা সভাখনিৰ আঁত ধৰে অকণি সাহিত্য সভা, নগাঁৱৰ সম্পাদক কবীন পাটৰে। অনুষ্ঠানটিত বিশিষ্ট গল্পকাৰ শিৱানন্দ কাকতিয়ে লেখিকা জ্যোতিৰ্ময়ী বৰুৱাৰ ‘ভাগৰুৱা সপোন এটাৰ সপোন’ শীৰ্ষক গল্পসংকলনখনি উন্মোচন কৰি জ্যোতিৰ্ময়ী বৰুৱাৰ গল্প সমূহ তথাকথিত সূত্ৰ নিৰ্ভৰ নিৰ্মাণ গল্প নহয়। বৰং তেওঁ নিজে দেখা আৰু অনুভৱ কৰা চৌপাশৰ পৃথিৱীত তেওঁৰ নিজৰ ভাৱ আৰু চেতনাৰে প্ৰকাশ কৰিব বিচাৰে তেওঁৰ গল্পৰ মাধ্যমেৰে। চৌপাশৰ পৃথিৱীখনতকৈ ডাঙৰ পাঠশালা একো হ’ব নোৱাৰে। এই পৃথিৱীৰ পাঠশালাখনতেই তেওঁ আহৰণ কৰিব খুজিছে পৃথিৱীৰ জ্ঞান, যিবোৰে গল্পৰ একো একোটা বাট বিচাৰি ফুৰিছে, তেওঁ সেই বাট দেখুৱাবলৈ যত্ন কৰিছে আৰু বহু ক্ষেত্ৰত সফল হৈছে বুলি মন্তব্য কৰে। আনহাতে কবি হেমেন্দ্ৰ শৰ্মাৰ কাব্যগ্ৰন্থ ‘হৃদয়ৰ অনুভূতি’ উন্মোচন কৰি নগাঁও জিলা সাহিত্য সভাৰ সভাপতি তথা নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে কবিতা হৈছে হৃদয়ৰ ভাষা । যি অনুভূতি বহু সময়ত গদ্যৰে প্ৰকাশ কৰিব নোৱাৰি, কবিতাই সেইখিনি সুৰ, শব্দ আৰু চিত্ৰকল্পৰ মাজেৰে জীৱন্ত কৰি তোলে। সুখ-দুখ,প্ৰেম-বিৰহ, আশা-নিৰাশা,সমাজ-জীৱনৰ নানা অনুষংগ- এই সকলোবোৰ অনুভৱৰ সংমিশ্ৰণেই কাব্যৰ জগতক সমৃদ্ধ কৰে বুলি মন্তব্য কৰাৰ লগতে ড° বৰকটকীয়ে ‘হৃদয়ৰ অনুভূতি’ নামটোৱেই যেন বহু কথা কয় । এই নামৰ মাজতেই আছে অন্তৰৰ স্পন্দন, জীৱনৰ অভিজ্ঞতা,মানুহৰ মানবীয় বোধ আৰু হৃদয়ৰ স্পৰ্শ বুলিও ভাষণ প্ৰসঙ্গত উল্লেখ কৰে। অকণি সাহিত্য সভাৰ সঞ্চালক দুলাল বৰা, দীপজ্যোতি বৰা, দীজেন্দ্ৰ নাথ হাজৰিকা, ধৰ্দেৱ গোস্বামী, অশোকৰাম ভট্টাচাৰ্য, মনোজ কুমাৰ শৰ্মা, গৌৰী বল্লভ গোস্বামী, সাংবাদিক প্ৰাঞ্জল বৰদলৈ, জয়ন্তী বৰা, লখিমী মহন্ত, জেউতি হাজৰিকা, মালা কাকতি, কবিতা দাস প্ৰমুখ্যে শতাধিকৰো অধিক লোক উপস্থিত থকা মনোজ্ঞ অনুষ্ঠানটিত চলিত বৰ্ষৰ বাবে তিনিগৰাকীকৈ বিশিষ্টা শিশু সাহিত্যিক ক্ৰমে মীনা বৰা, ড°নমিতা কলিতা আৰু বিনু লস্কৰ ঠাকুৰীয়াক অকণিৰ সাহিত্য সভা, নগাঁৱৰ ফালৰপৰা ‘শিশু শিক্ষা সাহিত্য বঁটা’ প্ৰদান কৰা হয় । এই বঁটা গ্ৰহণ কৰি ‘আইৰ অ আ ক খ’, ‘ভাষাৰ ধেমালি’, ‘শিশুৰ নিচুকনি আৰু ওমলা গীত’, ‘লকডাউনৰ সময়ত মইনাহঁত’, ‘শব্দৰ কৰণি’, ‘শুভাশিস’ আদি শিশু গ্ৰন্থৰ স্ৰষ্টা মীনা বৰাই নিজৰ অনুভৱ ব্যক্ত কৰি সমাজৰ ভৱিষ্যত, সমাজৰ সম্পদ, সমাজৰ আশা শিশু সকলৰ ভাল হওঁক, কুশলে থাকক বুলি মন্তব্য কৰে । শিল্পী মুকুতা ৰাজাই পৰিবেশন কৰা গীতেৰে শিশু শিক্ষা সাহিত্য বঁটা প্ৰদান অনুষ্ঠানটি শুভাৰম্ভ হয়। অনুষ্ঠানটিত অকণি সাহিত্য সভাৰ ব্যতিক্ৰমধৰ্মী অন্য এক অনুষ্ঠান ‘দোকানী নথকা কিতাপৰ দোকান’ শীৰ্ষক বিভিন্নখন গ্ৰন্থ সমৃদ্ধ দোকানখন উদ্বোধন কৰে জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকাই। আনহাতে শিশু শিক্ষা সাহিত্য বঁটা গ্ৰহণ কৰি বৰদোৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নমিতা কলিতাই নিজৰ মনৰ কথাৰে শিশুৰ মানসিক আৰু বৌদ্ধিক পুষ্টি সাধনৰ বাবে শিশু উপযোগী সাহিত্যৰ গুৰুত্ব সন্দৰ্ভত মত ব্যক্ত কৰাৰ বিপৰীতে আনগৰাকী বঁটা প্ৰাপক বিশিষ্ট লেখিকা বীনু লস্কৰ ঠাকুৰীয়াই অকণি সাহিত্য সভা নগাঁৱৰ এই পদক্ষেপৰ শলাগ লোৱাৰ লগতে এই কাৰ্যই শিশু অনুৰাগী লেখক-লেখিকাসকলক দায়িত্ববোধৰ প্ৰতি অধিক দায়বদ্ধ কৰি তুলিব বুলি মত ব্যক্ত কৰে । অন্তৰ পৰশা অনুষ্ঠানটিত শিল্পী প্ৰফুল্ল বৰাই সুধাকণ্ঠৰ এটি গীত পৰিবেশন কৰি সভাগৃহ সজীৱ কৰি তোলে।

# মহানগৰীৰ মঠঘৰীয়াৰ বাসগৃহত দিলীপ কুমাৰ মহন্তৰ কবিতাপুথি ‘আধৰুৱা’ উন্মোচন



**গুৱাহাটী, ১ জুন ঃ** মহানগৰীৰ ২নং মঠঘৰীয়াত দেওবাৰে বন্তি প্ৰজ্জ্বলনেৰে দিলীপ কুমাৰ মহন্তৰ সহজ-সৰল ভাষাৰ বাস্তৱমুখী কবিতা পুথি ‘আধৰুৱা’ আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। সাহিত্য আৰু কবিতাৰ লগত জড়িত কৃতী শিক্ষক মুকুল গোস্বামীদেৱৰ লগতে বিশিষ্ট ব্যক্তিসকল উপস্থিতি থাকে।




# ধুবুৰী ভোলানাথ মহাবিদ্যালয়ত আলোচনা সত্ৰ-স্মৃতিচাৰণ সভা

**ষ্টাফ ৰিপ’ৰ্টাৰ, ধুবুৰী, ১ জুন ঃ** ধুবুৰী ভোলানাথ মহাবিদ্যালয় শচস্বায়ত্তশাসিতঞ্চ, ভাষা-সাহিত্য চ’ৰা, অসমীয়া বিভাগৰ উদ্যোগত আৰু ধুবুৰী জিলা সাহিত্য সভাৰ সহযোগত আজি স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ‘অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ’ বিষয়ৰ ওপৰত এখন আলোচনা সত্ৰ অনুষ্ঠিত হয়। একেটা অনুষ্ঠানতে অসমীয়া সাহিত্য, সংস্কৃতি তথা গৱেষণা ক্ষেত্ৰৰ মহীয়সী ড° নিৰ্মলপ্ৰভা বৰদলৈ, সমন্বয়-সম্প্ৰীতিৰ সাধক সাহিত্যিক লুম্মেৰ দাই আৰু ধুবুৰী জিলা সাহিত্য সভাৰ প্ৰচাৰ সমিতিৰ কাৰ্যকৰী সভাপতি, সমন্বয়-সম্প্ৰীতিৰ বাৰ্তাবাহক, সমাজসেৱক আবু ছালেহৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি এক মিনিট মৌনতা অৱলম্বন কৰে। সভাৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ‘চিৰ চেনেহী মোৰ ভাষা জননী’ গীতেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° পলী বেজবৰুৱাই আঁত ধৰা অনুষ্ঠানটোত সভাপতিত্ব কৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মাই। উদ্বোধনী ভাষণ প্ৰদান কৰে বিশিষ্ট অধিবক্তা তথা সমাজসেৱক নুৰুল ইছলাম চৌধুৰীয়ে। তেওঁৰ ভাষণ প্ৰসংগত ভাষাৰ কেতবোৰ তাত্ত্বিক দিশৰ ব্যাখ্যা কৰে। ধুবুৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তৰণী কান্ত ৰায়ে অসমীয়া ভাষাৰ কিছুমান বৈশিষ্ট্যৰ উল্লেখেৰে ভাষাটোৰ প্ৰতি সজাগতা বৃদ্ধিৰ আহ্বান জনায়। ভোলানাথ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কিশোৰ কুমাৰ সাহে ছাত্ৰ-ছাত্ৰীৰ এনে প্ৰচেষ্টাৰ শলাগ লৈ বক্তব্য আগবঢ়ায়। সাহিত্যিকসকলৰ অৱদানৰ বিষয়ে আলোকপাত কৰি ভাষণ প্ৰদান কৰে ধুবুৰী জিলা সাহিত্য সভাৰ সভাপতি আনোৱাৰ হুছেইন, উপ-সভাপতি খাদেম আলী, অসম সাহিত্য সভাৰ বিষয়ববীয়া আজাদ আলী আহমেদ, জিলা সম্পাদক আব্দুছ ছালাম আদিয়ে। সভাপতিৰ ভাষণত ড° উপেন্দ্ৰজিৎ শৰ্মাই ড° নিৰ্মলপ্ৰভা বৰদলৈ, লুম্মেৰ দাই আৰু সমাজসেৱক আবু ছালেহৰ বহুমুখী অৱদানৰ বিষয়ে বিশদভাৱে আলোকপাত কৰে। ইয়াৰ পিছত অসমীয়া বিভাগৰ অধ্যাপক-অধ্যাপিকাসকল ক্ৰমে ড° কৰুণা কান্ত দাস, ড° অলকা শৰ্মা, দেৱশ্ৰী ৰায়, মনালিছা বেগম আৰু ছাইফুল হাচানৰ পৰিচালনাত আলোচনা-পত্ৰ পাঠ অনুষ্ঠান আৰম্ভ হয়। সৰ্বমুঠ ২৯খন আলোচনা-পত্ৰ ছাত্ৰ-ছাত্ৰীসকলে পাঠ কৰে আৰু অধ্যাপক-অধ্যাপিকাসকলে পত্ৰসমূহৰ পৰ্যালোচনা আগবঢ়ায়। অনুষ্ঠানৰ শেষত প্ৰমাণ-পত্ৰ বিতৰণ কৰা হয়। শলাগ জ্ঞাপন কৰে ধুবুৰী জিলা সাহিত্য সভাৰ সম্পাদক আব্দুছ ছালাম আৰু ভাষা-সাহিত্য চ’ৰাৰ সভাপতি ড° অলকা শৰ্মাই। অনুষ্ঠানটোত বহলপুৰ শাখা সাহিত্য সভাৰ সভাপতি ধৰ্মেশ্বৰ ঠাকুৰীয়া, জিলা সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ সদস্য আব্দুৰ ৰহমান, প্ৰাক্তন ছাত্ৰী সুস্মিতা দেৱ নাথ, অনি ৰায়, ৰাইহানা ইছলামৰ লগতে স্নাতকোত্তৰ শ্ৰেণীৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। জাতীয় সংগীত পৰিৱেশনেৰে সভাৰ সামৰণি পৰে।

# বি এইচ বি মহাবিদ্যালয়ত সজাগতা

**সঞ্জীৱ দাস, ভৱানীপুৰ, ১ জুন ঃ** বি এইচ বি মহাবিদ্যালয়ৰ কেৰিয়াৰ কাউন্সিল চেলৰ উদ্যোগত আৰু মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ আৰু এছিয়ান এছাম একাডেমিৰ যুটীয়া সহযোগত আজি মহাবিদ্যালয়ত মুখ্যমন্ত্ৰীৰ উৰা জাহাজ আঁচনিৰ সজাগতামূল অনুষ্ঠান সম্পন্ন হয়। অনুষ্ঠানটো উদ্বোধন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নয়নজ্যোতি দাসে ছাত্ৰ-ছাত্ৰীৰ কেৰিয়াৰক বিশেষ এক পৰ্য্যায়লৈ উত্তৰিত কৰিবৰ বাবে অসম চৰকাৰে লোৱা এই অগতানুগতিক পদক্ষেপৰ শলাগ লয়। অধ্যাপক বিশ্বজিৎ জেকাই আঁত ধৰা অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে উপস্থিত থাকে এছিয়ান এছাম একাডেমিৰ ৰাজ্যিক সমন্বয়ক ৰঞ্জন শৰ্মাই সমল ব্যক্তি হিচাপে উপস্থিত থাকি তেওঁ আঁচনিটোৰ উদ্দেশ্য, সুবিধা আৰু ছাত্ৰ-ছাত্ৰীৰ কৰ্মসংস্থান তথা কেৰিয়াৰ গঠনত ইয়াৰ গুৰুত্বৰ বিষয়ে বিশদভাৱে আলোকপাত কৰে। অনুষ্ঠানত উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন কেৰিয়াৰ সুযোগ, দক্ষতা বিকাশ আৰু ভৱিষ্যৎ পৰিকল্পনাৰ ক্ষেত্ৰত দিহা-পৰামৰ্শও আগবঢ়োৱা হয়। অধ্যপক হিৰন্ময়ী কলিতাৰ শলাগৰ শৰাইৰে অনুষ্ঠানৰ সামৰণি পৰে।

# ধিং শতদল শাখা সাহিত্য সভাৰ উদ্যোগত শেৱালি কবি ৰত্নকান্ত বৰকাকতী স্মাৰক কৃতী শিক্ষাৰ্থী বঁটা-গ্ৰন্থ উন্মোচনী



**বাতৰি কাকত, ধিং, ১ জুন ঃ** নগাঁও জিলাৰ ধিং শতদল শাখা সাহিত্য সভাৰ উদ্যোগত আজি ধিং ৰত্ন ভৱন প্ৰেক্ষাগৃহত দিনযোৰা কাৰ্যসূচীৰে বিগত বৰ্ষসমূহৰ দৰে এই বৰ্ষৰো ধিং পৰীক্ষা কেন্দ্ৰৰ অন্তৰ্গত উচ্চ আৰু উচ্চতৰ মাধ্যমিক অসমীয়া বিষয়ত সৰ্ব্বোচ্চনম্বৰ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক শেৱালি কবি ৰত্নকান্ত বৰকাকতী স্মাৰক কৃতী শিক্ষাৰ্থী বঁটা প্ৰদান কৰাৰ লগতে উদীয়মান কবি ৰাজু শইকীয়া ৰচিত ‘কাঁচিয়ালি’ কবিতা পুথি উন্মোচন কৰা হয় । কাৰ্যসূচী অনুসৰি পুৱা ১০.৩০ বজাত শেৱালি কবি ৰত্নকান্ত বৰকাকতী দেৱৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পন কৰে নগাঁও জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক মৃগাংক বৰাই। পুৱা ১১.০০ বজাত ধিং শতদল শাখা সাহিত্য সভাৰ ‘আকাশ’ আৰু ‘কুঁহি’ উপ সমিতিৰ দ্বাৰা অসম সাহিত্য সভাৰ আৰম্ভণি গীত ‘চিৰ চেনেহী মোৰ ভাষা জননী’ পৰিবেশন কৰা হয়। দিনৰ ১১.৩০ বজাৰ পৰা অনুষ্ঠিত মুকলি সভাৰ সভাপতিত্ব কৰে ধিং শতদল শাখা সাহিত্য সভাৰ সভাপতি হৰগোবিন্দ শইকীয়াই। মুকলি সভা উদ্বোধন কৰে ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান হাজৰিকাই আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ধিং শতদল শাখা সাহিত্য সভাৰ সম্পাদক যুৱৎ কুমাৰ কলিতাই । সভাত মুখ্য অতিথি নগাঁও জিলা আয়ুক্ত উপস্থিত থাকি উদীয়মান কবি ৰাজু শইকীয়া ‘ কাঁচয়ালি’ কবিতা পুথি উন্মোচন কৰি ছাত্ৰ-ছাত্ৰী উদ্দেশ্যি বহুমূলীয়া গুৰুত্ব পূৰ্ণ ভাষণ প্ৰদান কৰাৰ লগতে সভাত উপস্থিত সকলোৰে সৈতে একেলগে সুধাকণ্ঠৰ মানুহে মানুহৰ বাবে গীতটি পৰিবেশন কৰে। সভাত বিশিষ্ট অতিথি হিচাপে নগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত কমলজীৎ শৰ্মা উপস্থিত থাকি অধ্যয়ন কালত বহু ঘাত প্ৰতিঘাত জীৱনলৈ আহে তাৰ বাবে মানসিক ভাবে ভাঙি পৰিব নেলাগে মনত দুগুণ উৎসাহ লৈ আগুৱাই যাবলৈ চেষ্টা কৰিব লাগে বুলি ছাত্ৰ-ছাত্ৰীক উদেশ্যি ভাষণ দিয়ে। নিৰ্দিষ্ট বক্তা জজহিচাপে অসম সাহিত্য সভা নগাঁও আঞ্চলিক কাৰ্যালয় সম্পাদক ৰেৱত কুমাৰ হাজৰিকা আৰু বিশিষ্ট অতিথি হিচাপে নগাঁও জিলা সাহিত্য সভা সম্পাদক ৰাজীৱ হাজৰিকা আৰু বিশিষ্ট অতিথি হিচাপে নগাঁও জিলা সাংগঠনিক সম্পাদক কুমুদ বৰা উপস্থিত থাকি ভাষণ প্ৰদান কৰে, শেৱালি কবি কবিতা আবৃতি কৰে ভাৰ্গবী কলিতাই আৰু ধিং শতদল শাখা সাহিত্য সভাৰ উপ সমিতিৰ কুঁহি সদস্য সকলে সুধাকণ্ঠ গীত জিলিকাব লুইতৰ পাৰ পৰিবেশন কৰে। সভাত ধিং শতদল শাখা সাহিত্য উপ সভানেত্ৰী সংগীতা হাজৰিকাৰ লগতে বিষয়ববীয়াসকল উপস্থিত থকাৰ লগতে প্ৰায় ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰী অভিভাৱক আৰু সাহিত্য প্ৰেমী উপস্থিতিত সম্পাদকে আঁত ধৰা অনুষ্ঠানটিত ধিং পৰীক্ষা কেন্দ্ৰৰ পৰা উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত অসমীয়া বিষয়ত সৰ্বোচ্চনম্বৰ লাভ কৰা উচ্চ মাধ্যমিক কৃতী ছাত্ৰ ৰামপুৰ চলাপথাৰ জাতীয় বিদ্যালয়ৰ ছোহেইব হাচান (মুঠ নম্বৰ ৯৮) আৰু উচ্চতৰ মাধ্যমিক ধিং কে বি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ আয়ুব হুছেইন (মুঠনম্বৰ ৯৩) দুয়োকে একোখনকৈ গামোচা, ট্ৰফী, গ্ৰন্থ আৰু মান পত্ৰৰে বঁটা প্ৰদান কৰা হয়। শলাগৰ শৰাই আগবঢ়াই সম্পাদক যুৱৎ কুমাৰ কলিতাই। সভাৰ শেষত জাতীয় সংগীতেৰে অনুষ্ঠান সামৰণি পৰে।

# অভিনন্দন সাংস্কৃতিক গোষ্ঠীয়ে শ্ৰেষ্ঠ বাদ্যযন্ত্ৰৰ বঁটা প্ৰদান বকোৰ বিশিষ্ট বাদ্যযন্ত্ৰ শিল্পী সাংবাদিক চন্দন মজুমদাৰক

**বাতৰি কাকত, বকো, ১ জুন ঃ** যোৱা শনিবাৰে অৰ্থাৎ ৩০ মে'ৰ দিনা অসমৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'অভিনন্দন সাংস্কৃতিক গোষ্ঠী'ৰ উদ্যোগত গুৱাহাটীস্থিত শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত হোৱা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বকোৰ বিশিষ্ট বাদ্যযন্ত্ৰ শিল্পী তথা সাংবাদিক চন্দন মজুমদাৰক অভিনন্দন বঁটা প্ৰদান কৰে। কামৰূপ জিলাৰ বকো ভালুকঘাটা গাঁৱৰ বাসিন্দা বিশিষ্ট বাদ্যযন্ত্ৰ শিল্পী চন্দন মজুমদাৰক ২০২৬ বৰ্ষৰ শ্ৰেষ্ঠ বাদ্যযন্ত্ৰ শিল্পীৰ 'অভিনন্দন বঁটা' প্ৰদান কৰে। জানিব পৰা মতে সুদীৰ্ঘ ২৬ বছৰ ধৰি বাদ্যযন্ত্ৰ শিল্পীৰ লগতে নিষ্ঠা আৰু সততাৰে সাংবাদিকৰ দায়িত্ব পালন কৰি আহিছে চন্দন মজুমদাৰে। ইফালে বকো প্ৰেছ ক্লাবৰ সহকাৰী সম্পাদকৰ দায়িত্ব পালন কৰি সাংবাদিকতা সেৱা কৰি আহিছে বৃহত্তৰ অঞ্চলটোত। অসমৰ বিভিন্ন সাংস্কৃতিক অনুষ্ঠানত বাদ্যযন্ত্ৰ শিল্পী হিচাবে অংশগ্ৰহণ কৰা চন্দন মজুমদাৰে সাংস্কৃতিক ক্ষেত্ৰলৈ আগবঢ়োৱা প্ৰায় ২৬ বছৰ কালত উল্লেখযোগ্য অৱদানৰ স্বীকৃতি স্বৰূপে তেওঁ এই সন্মান লাভ কৰে বুলি জানিব দিয়ে পৰিয়ালৰ লোকে। চন্দন মজুমদাৰৰ এই সাফল্যতাই বকো অঞ্চলৰ লগতে সমগ্ৰ কামৰূপ জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে। তেওঁৰ এই কৃতিত্বত অঞ্চলবাসীয়ে আনন্দ প্ৰকাশ কৰাৰ লগতে ভৱিষ্যতেও সাংস্কৃতিক ক্ষেত্ৰত অধিক সফলতা কামনা কৰিছে শুভাকাংক্ষীয়ে। প্ৰকাশ যে অভিনন্দন অনুষ্ঠানত উপস্থিত থাকে অসমৰ বলিষ্ঠ অভিনেতা চম্পক শৰ্মা, মিনু বণিয়া, বিশিষ্ট শিল্পী ও আবৃত্তিকাৰ অঞ্জন জ্যোতি চৌধুৰী, পদ্মশ্ৰী বঁটা প্ৰাপ্ত নুৰুদ্দিন আহমেদৰ লগতে বহু কেইগৰাকী বিশিষ্ট ব্যক্তি। ইফালে বকো সংগীত মহাবিদ্যালয় পৰা তবলাৰ আনুষ্ঠানিক শিক্ষা লৈ বৰ্তমান পাৰ্কাচনিষ্ট আৰু পেইড বজাই আহিছে চন্দন মজুমদাৰে।




## আমিনগাঁৱত ব্ৰহ্মপুত্ৰত গা ধুবলৈ গৈ সন্ধানহীন দুই যুৱক

**মধু মাধৱ দাস, আমিনগাঁও, ১ জুন ঃ** কামৰূপ জিলাৰ আমিনগাঁও আৰক্ষী চকীৰ অন্তৰ্গত আমিনগাঁৱৰ শৰাইঘাট দলংৰ তলত ব্ৰহ্মপুত্ৰত গা ধুবলৈ গৈ দুই যুৱক সন্ধানহীন হোৱা ঘটনাই অঞ্চল শোকস্তব্ধ কৰি তুলিছে। জানিব পৰা মতে আমিনগাঁও কালিবাৰীৰ উদয় পাণ্ডে (১৫), আদিদ পাল (১৫) ৰাজশেখৰ পাল (১৮) আৰু অনুজ যাদৱ (১৫) নামৰ চাৰিজন জন ছাত্ৰই চাইকেল চলাই ব্ৰহ্মপুত্ৰত গৰমৰ বাবে গা ধুবলৈ যায়। ঘৰৰ পৰা বাগানলৈ ফুৰিবলৈ যাম বুলিয়েই ভাবিছিল যদিও সন্ধানহীন হোৱা দুই বন্ধুৱে গৰমৰ বাবে অলপ গা ধুবলৈ যাওঁতে আদিদ পাল নামৰ বন্ধু জনে ব্ৰহ্মপুত্ৰত দুবি যায় তেওঁক লগে লগে ওচৰৰ মানুহে ৰক্ষা কৰে যদিও সন্ধানহীন হোৱা দুই যুৱকক নৈৰ প্ৰৱল সোঁতে বহু দূৰলৈকে উটুৱাই নিয়ে। ইজনে সিজনক উদ্ধাৰ কৰাৰ চেষ্টা কৰিবলৈ গৈ এই শোকাৱহ ঘটনা সংঘটিত হয় বুলি জানিব পৰা গৈছে। বাতৰি লিখাৰ সময়লৈকে ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বাহিনীৰ লোকে উদ্ধাৰ কাৰ্য চলাই আছে যদিও এই মুহূৰ্তলৈকে উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। ঘটনাস্থলীৰ সমীপত ছাত্ৰ দুজনৰ চাইকেল, চেন্দেল আৰু কাপোৰ উদ্ধাৰ হৈছে।ঘটনাৰ খবৰ পোৱাৰ লগে লগে আমিনগাঁৱৰ আৰক্ষীয়ে ক্ষীপ্ৰতাৰে উদ্ধাৰ অভিযান আৰম্ভ কৰিছে।

## চন্দ্ৰমোহন পাটোৱাৰীক কেবিনেট মন্ত্ৰিত্ব প্ৰদান কৰাৰ বাবে ষাঠিকুছি শ্ৰীশ্ৰীজয় হৰি পিতাৰ থানত ভাগৱত পাঠ-নাম প্ৰসংগ

**কুমুদ বৰ্মন, টিহু, ১ জুন ঃ** নৱগঠিত ৪০ নং টিহু বিধানসভা সমষ্টিৰ প্ৰিয় নেতা তথা প্ৰাক্তন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ বিজয় সাব্যস্ত কৰাৰ পাছতেই টিহুবাসীয়ে আত্মসন্তুষ্টি লাভ কৰাৰ লগতে আনন্দ উল্লাসত মগন হৈ পৰিছে। বিধায়কগৰাকীৰ বিজয়ৰ পাছতেই টিহুবাসীয়ে কয় যে প্ৰিয় নেতাজনৰ বিজয় আমাৰ বিজয়, টিহুৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত চন্দ্ৰমোহন পাটোৱাৰীৰ বিজয় হোৱাতো অতি প্ৰয়োজন আছিল আৰু সেইটো বাস্তবায়িত হোৱাত আমি আনন্দত আত্মহাৰা হৈ পৰিছো। অনহাতে টিহুৰ নৱপ্ৰজন্মই চন্দ্ৰমোহন পাটোৱাৰী সমষ্টিৰে নহয় সমগ্ৰ ৰাজ্যখনৰ হৈ কাম কৰাৰ সুবিধা দিবলৈ আহ্বান জনাইছে। টিহু মণ্ডল অ বি চি মৰ্চাৰ সভাপতি মনোৰঞ্জন বৰ্মন, অনিল চন্দ্ৰ বৰ্মন আৰু ৰাজীৱ মেধিৰ তত্বাৱধানত কালি সন্ধিয়া ষাঠিকুছি শ্ৰীশ্ৰীজয় হৰি পিতাৰ থানত বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীক আগন্তুক মন্ত্ৰীসভাত কেবিনেট মন্ত্ৰীত্ব প্ৰদান কৰাৰ উদ্দেশ্যে স্থানীয় ভকতসকলৰ দ্বাৰা ভাগৱত পাঠ আৰু নাম প্ৰসংগ অনুষ্ঠিত কৰে।

## চৰণ চুই সেৱা জনাই বিদায় দিলে টিহুৰ নাথকুছি নিম্ন বুনিয়াদী বিদ্যালয়ৰ শিক্ষক চন্দ্ৰকান্ত দাসক

**কুমুদ বৰ্মন, টিহু, ১ জুন ঃ** পূৱ নলবাৰী শিক্ষা খণ্ডৰ অন্তৰ্গত টিহুৰ ২০৭ৰ নং নাথকুছি নিম্ন বুনিয়াদী বিদ্যালয়ৰ জনপ্ৰিয় অমায়িক স্বভাৱৰ শিক্ষক চন্দ্ৰকান্ত দাসৰ সুদীঘ ২৬ বছৰীয়া কালৰ চৰকাৰী সেৱা নিবৃত্তিৰ অন্তত আজি স্থানীয় গুণমুগ্ধ ৰাইজ, বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়া, সহকৰ্মী শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত প্ৰাতঃসভাত এক আবেগিক পৰিৱেশৰ মাজত আনুষ্ঠানিকভাবে বিদায় সম্ভাষণ জনোৱা হয়। আজি জনপ্ৰিয় অমায়িক স্বভাৱৰ শিক্ষক গৰাকীয়ে আনুষ্ঠানিকভাৱে তেওঁৰ চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। ১৯৯৯ চনত মূৰমেলা ট্ৰাইবেল প্ৰাথমিক বিদ্যালয়ত সহকাৰী শিক্ষক হিচাবে শিক্ষকতা জীৱনৰ পাতনি মেলা শিক্ষক গৰাকীয়ে ইয়াৰ পিছতে ২০০৫ চনত ২০৭ৰ নং নাথকুছি নিম্ন বুনিয়াদী বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে সেৱা আগবঢ়ায়। ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে থকা মধুৰ সম্পৰ্কৰ গুণে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অত্যন্ত জনপ্ৰিয় শিক্ষক হিচাপে পৰিগণিত হয়। আজিৰ এই সভাত প্ৰধান শিক্ষক মাধৱ চন্দ্ৰ দাস, শিক্ষক ক্ৰমে চন্দনা ডেকা, চন্দনা দাস, মঞ্জু কলিতা, পল্লৱী গোস্বামী, ভৱেন দাস আৰু পাৰ্থসাৰথি হালৈয়ে শিক্ষকগৰাকীৰ চাকৰি জীৱনৰ গুণৰাজি ভাষণৰ মাজেৰে প্ৰদান কৰি চকুলো টুকি আৱেগিক পৰিৱেশৰ সৃষ্টি কৰে। শেষত শিক্ষক - শিক্ষয়িত্ৰী, ছাত্ৰ -ছাত্ৰী আৰু অভিভাৱকসকলে শোভাযাত্ৰাৰে নিজ গৃহলৈ আদৰি আনে।

## ই-ৰিক্সা চালকৰ অনন্য সফলতা অনলাইন মাৰ্কেটিঙৰ জৰিয়তে যুৱপ্ৰজন্মক কৰ্মসংস্থাপন দি বিশেষভাৱে পুৰস্কৃত নৱজ্যোতি দাস



**বাতৰি কাকত, শিৱসাগৰ, ১ জুন ঃ** নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰম কৰিলে যে জীৱনলৈ সফলতা কঢ়িয়াই আনিব পাৰি, তাকেই পুনৰবাৰ প্ৰমাণ কৰি দেখুৱালে শিৱসাগৰৰ এজন সাধাৰণ ই-ৰিক্সা চালকে। নিজৰ ব্যৱসায়ৰ সমান্তৰালভাৱে অনলাইন প্লেটফৰ্মক সঠিকভাৱে ব্যৱহাৰ কৰি এতিয়া আন বহুতৰে বাবে প্ৰেৰণাৰ উৎস হৈ পৰিছে শিৱসাগৰৰ নৱজ্যোতি দাস নামৰ যুৱকজন। বৃত্তিত ই-ৰিক্সা চালক নৱজ্যোতি দাসে 'DREAM BAZAAR Online Digital Marketing' নামৰ প্ৰতিষ্ঠানটোৰ সৈতে জড়িত হৈ কেৱল নিজেই স্বাৱলম্বী হোৱাই নহয়, বৰঞ্চ অঞ্চলটোৰ বহুসংখ্যক নিবনুৱা যুৱক-যুৱতীক এক সুন্দৰ কৰ্মসংস্থাপনৰ পথ দেখুৱাই আগবঢ়াই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সাধাৰণ সমাজখনলৈ আগবঢ়োৱা এই ব্যতিক্ৰমী আৰু পজিটিভ অৱদানৰ বাবেই আজি তেজপুৰত অনুষ্ঠিত হোৱা 'DREAM BAZAAR Leadership Development Program'ত নৱজ্যোতি দাসক বিশেষভাৱে সন্মানিত কৰা দেখা যায়। অনুষ্ঠানত তেওঁৰ এই সফলতাক ভূয়সী প্ৰশংসা কৰাৰ লগতে প্ৰতিষ্ঠানটোৰ তৰফৰ পৰা তেওঁক অফিচিয়েল স্বীকৃতিস্বৰূপে তিনিটাকৈ 'এয়াৰ ক'লা' (Air Collar), আৰু দুটা দিন-তিনিটা ৰাতিৰ বাবে সম্পূৰ্ণ বিনামূলীয়া 'দাৰ্জিলিং ভ্ৰমণ'ৰ পেকেজ উপহাৰ হিচাপে প্ৰদান কৰা হয়। ইয়াৰ উপৰিও তেজপুৰৰ এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত তেওঁক অসমীয়াৰ স্বাভিমান এখনি ফুলাম গামোছা আৰু এটি আকৰ্ষণীয় স্মাৰক উপহাৰেৰে উষ্ম আদৰণি তথা সন্মান জনোৱা হয়। এগৰাকী ই-ৰিক্সা চালকে ডিজিটেল মাধ্যমক সাৰথি কৰি সমাজৰ আন দহজনক সংস্থাপন দিবলৈ কৰা এই প্ৰচেষ্টা আৰু লাভ কৰা এই সন্মানে এতিয়া সমগ্ৰ শিৱসাগৰবাসীকে গৌৰৱান্বিত কৰি তুলিছে।

## আৰক্ষীৰ বন্দুক কাঢ়ি লৈ গুলীয়াবলৈ চেষ্টা কৰোতেই আৰক্ষীৰ গুলীত আঘাতপ্ৰাপ্ত হৈ মৃত্যুবৰণ ৰোজ আলী ওৰফে আছিফ আলী

## আৰক্ষীৰ এনকাউন্টাৰত প্ৰাণ গ'ল হত্যাকাৰী ৰোজ আলীৰ

**বাতৰি কাকত, বাহাৰঘাট/নলবাৰী, ১ জুন ঃ** নলবাৰীত ছাত্ৰ নেতা মাধুৰ্য বৰ্মনক হত্যা কৰা ৰোজ আলী ওৰফে আছিফ খান আৰক্ষীৰ এনকাউন্টাৰত গুৰুতৰ ভাৱে আঘাতপ্ৰাপ্ত মৃত্যু বৰণ কৰিছে। যোৱা কালি সন্ধিয়া গংগাপুৰত ছাত্ৰ নেতা ২০ বছৰীয়া মাধুৰ্য বৰ্মনক চোকা অস্ত্ৰৰে হানি খুচি হত্যা কৰাৰ লগতে মেধাৱী ছাত্ৰী ১৮ বছৰীয়া মৃদুমুদ্ৰা ডেকাক হানি কাটি মৃত্যুৰ মুখলৈ ঠেলি দি পলায়ন কৰিছিল ৰোজ আলী ওৰফে আছিফ আলী। ঘটনা সন্দৰ্ভত নলবাৰী জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিবেকানন্দ দাসে জানিবলৈ দিয়া মতে ঘটনা সংঘটিত কৰিয়েই পলায়ন কৰা ৰোজ আলীক আটক কৰিবলৈ নলবাৰীৰ বিভিন্ন ঠাইত অভিযান চলাই মুকালমুৱাৰ চতেমাৰী চৰত আত্মগোপন কৰি থকা অৱস্থাত ৰোজ আলীক আটক কৰিবলৈ সক্ষম হৈছিল আৰক্ষীয়ে।ৰোজ আলীক গ্ৰেপ্তাৰ কৰাৰ পিছত ঘটনাত ব্যৱহাৰ কৰা দা খন বিচাৰি যাওঁতে হত্যাকাৰী ৰোজে আৰক্ষীৰ বন্দুক কাঢ়ি লৈ আৰক্ষীক লক্ষ্য কৰি গুলী চলনা কৰাৰ লগে লগে আৰক্ষীয়ে গুলী চলাবলৈ বাধ্য হৈছিল আৰু আৰক্ষীৰ গুলীত গুৰুতৰভাৱে আহত হৈছিল ৰোজ আলী। আৰক্ষীৰ বন্দুক কাঢ়ি গুলীচালনা কৰি পলায়ন কৰাৰ চেষ্টা কৰা ৰোজ আলী ওৰফে আছিফ আলী আৰক্ষীৰ গুলীত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাত ততাতৈয়াকৈ স্থানীয় হাস্পাতালত ৰোজ আলীক ভৰ্তি কৰা হৈছিল যদিও অত্যাধিক ৰক্তক্ষৰণ হোৱাৰ বাবে উন্নত চিকিৎসাৰ বাবে নলবাৰী মেডিকেল কলেজ হাস্পতাললৈ নিয়াৰ পথত মৃত্যু হয় হত্যাকাৰী তথা লাভ জেহাদীৰ খলনায়ক ৰোজ আলী। ৰোজ আলীৰ মৃতদেহ সংগোপনে সন্ধিয়া নলবাৰী আলীৰ মৃতদেহ নলবাৰী মেডিকেল হাস্পতাললৈ অনাৰ পিছত চিকিৎসকে সকলো দিশ পৰ্যবেক্ষণ কৰি ৰোজ আলীৰ মৃত্যু হোৱা বুলি জানিবলৈ দিয়ে। এই ঘটনাক লৈ এতিয়া জিলাখনত তীব্ৰ উত্তেজনাই বিৰাজ কৰিছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসনে জিলাখনৰ ঠায়ে ঠায়ে নিৰাপত্তাৰক্ষী নিয়োগ কৰিছে।

## কামপুৰ জিলা শংকৰদেৱ সংঘৰ কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা



**বাতৰি কাকত, কচুৱা, ১ জুন ঃ** কামপুৰ জিলা শংকৰদেৱ সংঘৰ উদ্যোগত সংঘৰ সভাগৃহত আজি এই বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা ৯৩ জন শিক্ষাৰ্থীক মানপত্ৰ, ফুলাম গামোচা আৰু কলমৰে সম্বৰ্ধনা জনোৱা হয়। তদুপৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাত কামপুৰ কেন্দ্ৰৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা ঋতুৰাজ বৰুৱাক তুলসী মোহন বৰা সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। কামপুৰ জিলা শংকৰদেৱৰ সংঘৰ শিক্ষা উপ-সমিতিৰ সভাপতি অৰুন বৰাই সভাপতিত্ব কৰা সভাখনত উদ্বোধনী ভাষণ দিয়ে সংঘৰ সভাপতি মুনিন্দ্ৰ বৰাই। নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে সংঘৰ মূলৰ সদস্য তথা অৱসৰপ্ৰাপ্ত স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃস্বৰাজ মোহন বৰা আৰু বিশিষ্ট অতিথি হিচাপে অৱসৰপ্ৰাপ্ত অধ্যক্ষ সভাৰাম মজুমদাৰে ভাষণ প্ৰদান কৰি কৃতি শিক্ষাৰ্থী সকলৰ উজ্জ্বল ভবিষ্যতৰ শুভেচ্ছা কামনা কৰে। অনুষ্ঠানত কৃতিত্বৰে উত্তীৰ্ণ হোৱা প্ৰতিগৰাকী কৃতি শিক্ষাৰ্থীক মানপত্ৰ ফুলাম গামোচা আৰু কলমৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত সংঘৰ উপ-সভাপতি দ্বয় গজেন লস্কৰ আৰু প্ৰভাত বৰা, দেবেন বৰা, বুলু কলিতা বৰা, বিনা বৰা, পুতুল লস্কৰকে আদি কৰি বহু গণ্য মাণ্য ব্যক্তি আৰু অভিভাৱক সকল উপস্থিত থাকে। অনুষ্ঠানটোৰ আঁত ধৰে সহ সম্পাদক ভূপেন বৰাই।

### অসম চৰকাৰলৈ উজনি অসম মুছলিম কল্যাণ পৰিষদৰ আহ্বান

## ছাত্ৰনেতা মাধুৰ্য বৰ্মনক নিৰ্মমভাৱে হত্যা কৰা দুই দুৰ্বৃত্তক মুকলিভাৱে এনকাউণ্টাৰ কৰক- অন্যাথা আইন হাতত তুলি ল'বলৈ বাধ্য হ'ব অসমীয়া ডেকা শক্তিয়ে

**বাতৰি কাকত, শিৱসাগৰ, ১ জুন ঃ** নলবাৰী জিলাৰ ছাত্ৰ নেতা মাধুৰ্য বৰ্মনক দুই দুৰ্বৃত্তই অতি নিৰ্মম ভাৱে হত্যা কৰা ঘটনাৰ তীব্ৰ গৰিহণা দিছে উজনি অসম মুছলিম কল্যাণ পৰিষদে। বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মনিৰুল ইছলাম বড়া আৰু সাধাৰণ সম্পাদক চামচুল হুছেইনে উল্লেখ কৰে যে নলবাৰী জিলাৰ টিহু সমষ্টিৰ গঙ্গাপুৰত সদৌ অসম ছাত্ৰ সন্থাৰ পশ্চিম নলবাৰী ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক মাধুৰ্য বৰ্মনক ৰৌজ আলি আৰু আচিফ আলি নামৰ দুটা দুৰ্বৃত্তই চোকা অস্ত্ৰৰে ডিঙি কাটি অতি নিষ্ঠুৰ ভাৱে হত্যা কৰা ঘটনাই মানৱতাক ভূলুণ্ঠিত কৰিছে। ই এক অক্ষমণীয় অপৰাধ। কোনো অসমীয়াই এনেধৰণৰ জঘণ্য ঘটনা সংঘটিত কৰিব নোৱাৰে। কেৱল আগ্ৰাসন কাৰী বহিৰাগত পূৰ্ববংগীয় মূলৰ মুছলমানেহে নামনি অসমত এনে ঘৃণনীয় কাণ্ড সংঘটিত কৰাৰ অলেখ উদাহৰণ আছে। কেৱল মাধুৰ্যৰ দৰে নিৰীহ যুৱকক হত্যা কৰাই নহয়, এগৰাকী গাভৰুকো এই দুই দানৱে অতি নিষ্ঠুৰ ভাৱে আক্ৰমণ কৰি গুৰুতৰভাৱে ভাৱে আহত কৰিবলৈও দুঃসাহস কৰিছে। অসমৰ ভিতৰত কেৱল নামনি অসমত বসবাস কৰা পূৰ্ববংগীয় মূলৰ মুছলমান সমাজত অপৰাধৰ সংখ্যা মাত্ৰাধিক। নামনি অসমৰ আৰক্ষী থানাসমূহৰ ৰেকৰ্ড প্ৰত্যক্ষ কৰিলেই তাৰ হিচাপ ওলাই পৰিব।সমগ্ৰ অসমৰ মানৱতাক ভূলুণ্ঠিত কৰা মানৱৰূপী দানৱ দুটাক মুকলি স্থানত অসম আৰক্ষীয়ে এনকাউণ্টাৰ কৰক। অন্যাথা অসমীয়া ৰাইজ কেতিয়াও ক্ষান্ত নহয়। সামান্য চুৰ -ডকাইতক অতি সহজে এনকাউণ্টাৰ কৰা অসম আৰক্ষীয়ে এতিয়া নিজৰ শক্তি প্ৰদৰ্শন কৰক। নহ'লে নলবাৰীৰ ৰাজপথ কপাবলৈ সমগ্ৰ অসমৰ ডেকা শক্তি নলবাৰীলৈ যাত্ৰা কৰিব। অসম আৰক্ষীয়ে নিজৰ চোৰাংচোৱা সংস্থাৰ জৰিয়তে দুদিনৰ ভিতৰত এই দানৱ দুটাক বিচাৰি আনি আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিজৰ শক্তি প্ৰদৰ্শন কৰক। নহ'লে সমগ্ৰ অসম জ্বলিব। আৰু তাৰবাবে জগৰীয়া হ'ব ৰাজ্যৰ গৃহ বিভাগ। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইক্ষেত্ৰত অতি কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজন। তীক্ষ্ণ অস্ত্ৰৰে জেহাদী ষ্টাইলত এগৰাকী নিৰ্দোষী অসমীয়া যুৱকক ডিঙি কাটি পাশৱিক অত্যাচাৰেৰে হত্যা কৰা নৰাধম দুটাই যাতে গ্ৰেপ্তাৰৰ জৰিয়তে ৰক্ষণাবেক্ষণ আৰু আইনী সাহায্য লাভ নকৰে তাৰবাবে অসম চৰকাৰ আৰু গৃহ বিভাগে বিহীত ব্যৱস্থা গ্ৰহণ কৰা উচিত। মুক্তভাৱে সংঘটিত কৰা এনে নাৰকীয় হত্যাকাণ্ডৰ চৰম শাস্তি কেৱল এনকাউণ্টাৰ আৰু মৃত্যুদণ্ডহে হব লাগিব। নহ'লে ক্ষোভত জ্বলি পকি থকা অসমৰ ডেকা শক্তি ৰাজপথলৈ ওলাই আহি নিজেই নিজৰ আত্মৰক্ষাৰ বাবে আইন হাতত তুলি ল'বলৈ বাধ্য হ'ব। সেয়েহে অসম আৰক্ষী বিভাগে দুদিনৰ ভিতৰত এই হত্যাকাৰী দুটাক বিচাৰি আনি চৰম শাস্তি প্ৰদান কৰিবলৈ উজনি অসম মুছলিম কল্যাণ পৰিষদৰ নেতৃবৰ্গই অসম চৰকাৰৰ প্ৰতি আহ্বান জনাইছে।

## ৰঙৰ হাজৰিকাপাৰাত মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱৰ আবিৰ্ভাৱ মহোৎসৱ উদযাপন

**বাতৰি কাকত, ছিপাঝাৰ, ১ জুন ঃ** অসমৰ সৰ্বকালৰ শ্ৰেষ্ঠ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ নামত প্ৰতিস্থিত শ্ৰীমন্ত শংকৰদেৱ সংঘ, হাজৰিকাপাৰা প্ৰাথমিক শাখাৰ উদ্যোগত আজি দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱ গুৰুজনাৰ ৫৩৮ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ ভাগি উদযাপন কৰা হয় । তদুপলক্ষে কাৰ্যসূচী অনুসৰি ৰাতিপুৱা প্ৰভাত ফেৰী, পৰিবেশ নিকাকৰণ, বন্তি প্ৰ;লন, ধৰ্মধ্বজা উত্তোলন, সমূহীয়া নাম প্ৰসংগ, শিশু সকলৰ মাজত ঘোষা পাঠ প্ৰতিযোগিতা আদিৰ পিছত বিয়লি ব্যাসৰ ওজাপালি প্ৰদৰ্শন আৰু সন্ধিয়া বন্তি প্ৰ;লনৰে দিনজোৰা কাৰ্যসূচীৰ সামৰণি পৰে ।

### আঁহতগুৰিত সদৌ অসম কৱি চক্ৰৰ সাধাৰণ সভা

## গ্ৰন্থ উন্মোচন, কাব্যানুষ্ঠানেৰে জীপাল হ'ল সভাস্থলী

**বাতৰি কাকত, মৰিগাঁও, ১ জুন ঃ** সদৌ অসম কবি চক্ৰৰ মৰিগাঁও জিলাৰ আঁহতগুৰিত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত বাৰ্ষিক সাধাৰণ সভাখনৰ আজি সফলতাৰে সামৰণি পৰে। মৰিগাঁও জিলা কবি চক্ৰৰ আতিথ্যত আঁহতগুৰিৰ সমীপৰ আপা কাৰ্বি গাঁৱস্থিত হেপ্পী ভেলী নেচনেল স্কুল প্ৰাঙ্গণত অনুষ্ঠিত এই সাধাৰণ সভাৰ পুৱাৰ ভাগত সদৌ অসম কবি চক্ৰৰ উপদেষ্টা, বৰ্ষীয়ান সাংবাদিক নোমল চন্দ্ৰ দাসে গছপুলি ৰোপণ কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছতে সংগঠনটোৰ পতাকা উত্তোলন কৰে সভাপতি ধীৰেণ চন্দ্ৰ বৰাই। পুৱাৰ ভাগতে অসমৰ ভিন্ন প্ৰান্তৰৰ পৰা অহা কবি সকলৰ অংশগ্ৰহণেৰে এটা কবিতা পাঠ, আবৃত্তি আৰু মত বিনিময় অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানটোৰ সঞ্চালনা কৰে সদৌ অসম কৱি চক্ৰৰ উপ সভাপতি যদুনাথ বশিষ্ঠই আৰু পৰিচাল কৰে যুটীয়া সম্পাদক অৰুণ মহন্তই। দুপৰীয়াৰ ভাগত প্ৰতিনিধি আৰু সাধাৰণ সভাখনউদ্বোধন কৰে ভৱানন্দ বৰাই। সভাখনত প্ৰতিষ্ঠাপক সদস্য বিতুমনি গোস্বামী পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে। বিয়লিৰ ভাগত জীৱনজোৰা সাধনা বঁটা আৰু কৱিতা প্ৰতিযোগিতাৰ পুৰস্কাৰ প্ৰদান অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়ৰ সম্পাদক ড° সঞ্জীৱ শৰ্মা, পৰম সুহৃদ হিতৈষী সদস্য মহেন্দ্ৰনাথ হাজৰিকা, সদৌ অসম কৱি চক্ৰৰ উপ সভাপতি মণীষা শইকীয়া, মৰিগাঁও জিলা সাহিত্য সভাৰ সদস্য অঞ্জলী দাস প্ৰমুখ্যে কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানতে 'উন্মেষ', 'কাব্যকৰণি' নামৰ দুখন গ্ৰন্থ আৰু 'মহানায়ক জুবিন গাৰ্গৰ মহাপ্ৰয়াণ ইতিহাস হ'ল' শীৰ্ষক এখন পাণ্ডুলিপি উন্মোচন কৰা হয়। ইপিনে প্ৰথম দিনা সন্ধিয়াৰ ভাগত প্ৰতিনিধি শিবিৰ মুকলি কৰে অঞ্চলটোৰ অৱসৰপ্ৰাপ্ত কৃতি শিক্ষক উমেশ চন্দ্ৰ দাসে।

# সম্পাদকীয় বিশেষ

## কেৱল পৰীক্ষাৰ ফলাফলেই শিক্ষাৰ সাৰ্থকতা নহয়

■ নলিনী ৰঞ্জন ভূঞা

শিক্ষা জীৱনৰ আধাৰ । শিক্ষা একমাত্ৰ জীৱিকা অৰ্জনৰ আহিলাতে সীমাবদ্ধ নহয়। শিক্ষা মানৱীয় সত্তাক পূৰ্ণতা প্ৰদান কৰা এক নিৰন্তৰ প্ৰক্ৰিয়া। কিন্তু বৰ্তমানৰ সমাজত এক ক্ষতিকাৰক মনোভাৱে গা কৰি উঠিছে- সেয়া হৈছে কেৱল পৰীক্ষাৰ ফলাফলেৰে শিক্ষাৰ সাৰ্থকতা জোখাৰ ধাৰণা। উচ্চ নম্বৰ লাভ কৰাটোৱেই যেন শিক্ষাৰ একমাত্ৰ উদ্দেশ্য হৈ পৰিছে। এই সংকীৰ্ণ দৃষ্টিভংগীৰ ফলত অভিভাৱক, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী সকলোৱে জ্ঞান আহৰণৰ আনন্দ পাহৰি মাথোঁ এটা প্ৰতিযোগিতা মূলক দৌৰৰ অংশীদাৰ হৈ পৰিছে। এই পৰীক্ষা-কেন্দ্ৰিক শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ ওপৰত প্ৰচণ্ড মানসিক হেঁচা দিয়ে। ইয়াৰ দ্বাৰা বাস্তৱ জীৱনৰ প্ৰত্যাহ্বান সমূহ মোকাবিলা কৰিব পৰা শক্তিশালী, স্থিতপজ্ঞ ব্যক্তিত্ব গঢ়ি তুলিব নোৱাৰি। শিক্ষাৰ প্ৰকৃত লক্ষ্য হ'ল- জ্ঞান, প্ৰজ্ঞা, নৈতিকতা আৰু চৰিত্ৰ বিকাশ, যিবোৰ উচ্চ নম্বৰৰ প্ৰতি থকা অন্ধ মোহৰ আঁৰত ক্ৰমাগত ভাৱে হেৰাই যাবলৈ ধৰিছে।

জ্ঞান আৰু নম্বৰ আহৰণৰ মাজত থকা পাৰ্থক্য অতি গুৰুত্বপূৰ্ণ। পৰীক্ষাত লাভ কৰা নম্বৰে কেৱল নিৰ্দিষ্ট পাঠ্যক্ৰমৰ সীমিত অংশৰ উত্তৰ সমূহ ছাত্ৰই কিমান সুন্দৰকৈ উপস্থাপন কৰিলে, তাৰেই পৰিচয় দিয়ে। এই ব্যৱস্থা ছাত্ৰ-ছাত্ৰীৰ গভীৰ বোধগম্যতা, বিশ্লেষণাত্মক শক্তি, সৃজনশীল চিন্তাৰ ক্ষমতা বা জটিল সমস্যা সমাধানৰ কৌশলৰ প্ৰকৃত জোখ নহয়। বহু ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাৰ বাবে উত্তৰ সমূহ মুখস্থ কৰি বা কেৱল পৰীক্ষাত অহাৰ সম্ভাৱনা থকা অংশ সমূহ পঢ়ি উচ্চ নম্বৰ লাভ কৰিব পাৰে। কিন্তু সেই জ্ঞানে তেওঁলোকৰ বাস্তৱ জীৱনত কোনো বিশেষ প্ৰয়োগ বা প্ৰভাৱ নেপেলায়। দৰাচলতে ফলপ্ৰসূ শিক্ষাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীক কেনেকৈ চিন্তা কৰিব লাগে সেইটো শিকোৱা উচিত। কি চিন্তা কৰিব লাগে সেইটো নহয়। জ্ঞান আহৰণ প্ৰক্ৰিয়াটো অধিক ব্যাপক আৰু গভীৰ, যিয়ে বিষয়বস্তুৰ সাৰমৰ্ম হৃদয়ংগম কৰা আৰু সেই জ্ঞানক জীৱনৰ বিভিন্ন ক্ষেত্ৰত প্ৰয়োগ কৰাৰ ক্ষমতাকহে বিকশিত কৰে।

শিক্ষা ব্যৱস্থাৰ প্ৰকৃত লক্ষ্য হ'ল- শিক্ষাৰ্থীৰ সামগ্ৰিক ব্যক্তিত্ব বিকাশ। এই সামগ্ৰিকতাৰ অৰ্থ হ'ল- জ্ঞান আহৰণৰ লগতে শিক্ষাৰ্থীৰ শাৰীৰিক, মানসিক, সামাজিক, নৈতিক আৰু আৱেগিক দিশ সমূহৰ সমানে বিকাশ সাধন হোৱা । উচ্চ নম্বৰ পোৱা এজন শিক্ষাৰ্থীয়ে যদি সমাজৰ আন মানুহৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰিব নোৱাৰে , তেতিয়া তেওঁৰ মনত নৈতিক মূল্যবোধৰ অভাৱ বা তেওঁৰ আৱেগিক নিয়ন্ত্ৰণ দুৰ্বল হোৱাৰ বিষয়টো প্ৰকাশ পায়। সেই অৱস্থাত তেওঁৰ শিক্ষা সম্পূৰ্ণ হোৱাতো নুবুজায়। সেইবাবেই ক্ৰীড়া, সংগীত, কলা, সাহিত্য আৰু আন সহ-পাঠ্যক্ৰমৰ কাৰ্যসূচী সমূহক সমানে গুৰুত্ব দিয়া উচিত। এনে কাৰ্যসূচী সমূহে দলগত ভাৱে কাম কৰাৰ মনোভাৱ, নেতৃত্বৰ গুণ, সময়ৰ ব্যৱস্থাপনা আৰু বিফলতাক স্বীকাৰ কৰি পুনৰ চেষ্টা কৰাৰ সাহস যোগায়। এই গুণ বোৰেই বাস্তৱ জীৱনৰ সফলতাৰ বাবে অত্যাৱশ্যকীয়। ইয়াক পাঠ্যপুথিৰ জ্ঞানেৰে আহৰণ কৰিব নোৱাৰি। আচলতে সামগ্ৰিক শিক্ষাই ছাত্ৰ-ছাত্ৰীক কেৱল সুশিক্ষিত নাগৰিক হিচাপে নহয়, দায়িত্বশীল মানৱ সম্পদ হিচাপেও গঢ়ি তোলে।

চৰিত্ৰ গঠন শিক্ষাৰ এক অতি গুৰুত্বপূৰ্ণ অংশ, যিটো পৰীক্ষাৰ ফলাফলৰ দ্বাৰা মূল্যায়ন কৰিব নোৱাৰি। অকল ভাল নম্বৰ পোৱাটোৱে এজন ব্যক্তিক সফল কৰিব নোৱাৰে যদিহে তেওঁৰ চৰিত্ৰত সততা, নৈতিকতা আৰু সহানুভূতিৰ অনুভূতি নাথাকে। উদাহৰণ স্বৰূপে- - এজন উচ্চ শিক্ষিত ব্যক্তিয়ে যদি অসৎ উপায়েৰে ধন উপাৰ্জন কৰে, তেতিয়া তেওঁ পৰীক্ষাত লাভ কৰা উচ্চ ফলাফলৰ কোনো মূল্য নাথাকে । দেখা যায় যে-- আমাৰ সমাজত উচ্চ নম্বৰ প্ৰাপ্ত বহুতো লোক নৈতিকতাৰ অভাৱৰ বাবে সমস্যাত পৰে। শিক্ষা প্ৰতিষ্ঠান সমূহে ছাত্ৰ-ছাত্ৰী সকলক নৈতিক শিক্ষাৰে চৰিত্ৰবান কৰি তুলিব লাগে, যাতে তেওঁলোকে সঠিক আৰু ভুলৰ মাজত থকা পাৰ্থক্য বুজি পাব পাৰে। ইয়াৰ ফলত সমাজত শান্তি আৰু বুজা পৰাই বিৰাজ কৰে আৰু যুৱক-যুৱতী সকল দায়িত্বশীল নাগৰিক হিচাপে প্ৰতিষ্ঠিত হয়। সামাজিক দক্ষতা আৰু সম্পৰ্ক গঢ়ি তোলাৰ ক্ষমতা পৰীক্ষাৰ ফলতকৈও অধিক গুৰুত্বপূৰ্ণ। পৰীক্ষাত ভাল ফল পোৱা এজন ছাত্ৰই যদি অন্যৰ সৈতে সমিল মিলৰে থাকিব নোৱাৰে, তেতিয়া তেওঁৰ জীৱন যাত্ৰাত পদে পদে অসুবিধাৰ সন্মুখীন হ'ব লগাত পৰে ।

বৰ্তমানৰ শিক্ষা পদ্ধতি মূলতঃ পাঠ্য ভিত্তিক। ইয়াৰ দ্বাৰা প্ৰয়োজনীয় দক্ষতাৰ বিকাশ নহয়। এনে শিক্ষাত জ্ঞান কিয় বা ক'ত প্ৰয়োগ হোৱাতো প্ৰয়োজন, তাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া নহয়। পৰীক্ষাৰ ভাল ফল লাভ কৰা বহু ছাত্ৰ-ছাত্ৰীয়ে বাস্তৱ কৰ্মক্ষেত্ৰত নিজৰ জ্ঞান প্ৰয়োগ কৰিবলৈ অপাৰগ হয়। কাৰণ শিক্ষা গ্ৰহণ কালত তেওঁলোকে প্ৰয়োজনীয় দক্ষতা আহৰণ কৰিব পৰা নাছিল। সমস্যা সমাধানৰ দক্ষতা, যুক্তি সংগত চিন্তা, ফলপ্ৰসূ যোগাযোগৰ কৌশল, আৰু সৃষ্টিশীলতাৰ দৰে দক্ষতা বৰ্তমান সময়ৰ বাবে অতি প্ৰয়োজনীয়। এইবোৰ দক্ষতা কেৱল মুখস্থ বিদ্যাৰে উত্তৰ লিখাৰ দ্বাৰা বিকশিত নহয়। ইয়াৰ বাবে প্ৰয়োজন হাতে-কামে কৰা কাম, গৱেষণামূলক প্ৰকল্প, শ্ৰেণীকোঠাত আলোচনা আৰু প্ৰয়োগ ভিত্তিক শিক্ষা গ্ৰহণ। শিক্ষানুষ্ঠান সমূহে কেৱল নম্বৰৰ ওপৰত ভিত্তি কৰি কৰা শ্ৰেণী কোঠাৰ পাঠদানৰ ধৰণ সলনি কৰি প্ৰয়োগ ভিত্তিক শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া উচিত। এনে শিক্ষাইহে ছাত্ৰ-ছাত্ৰীক ভৱিষ্যতৰ কৰ্মক্ষেত্ৰৰ বাবে উপযুক্ত কৰি তুলিব পাৰে।

কেৱল পৰীক্ষাৰ ফলক মূল লক্ষ্য হিচাপে লোৱাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে এক অসহনীয় মানসিক চাপত ভোগে। উচ্চ নম্বৰৰ আকাংক্ষাই তেওঁলোকক শৈশৱ আৰু কৈশোৰ সময়ৰ স্বাভাৱিক আনন্দৰ পৰা বঞ্চিত কৰি ৰাখে । তেওঁলোকে কেৱল নম্বৰ পোৱাৰ চিন্তাৰে আচ্ছন্ন হৈ পৰে, যাৰ ফলত নতুন কিবা কৰাৰ বা ভিন্ন ধৰণেৰে চিন্তা কৰাৰ স্বাভাৱিক প্ৰৱণতা হেৰুৱাই পেলায়। সৃষ্টিশীলতা হৈছে মানুহৰ অত্যন্ত গুৰুত্বপূৰ্ণ গুণ, যাৰ দ্বাৰা নতুন উদ্ভাৱন আৰু বিকাশৰ পথ মুকলি হয়। কিন্তু সম্প্ৰতি আমাৰ পৰীক্ষা-কেন্দ্ৰিক ব্যৱস্থাত, সকলো ছাত্ৰ-ছাত্ৰীকে একেধৰণৰে, একে প্ৰশ্নৰ একে উত্তৰ লিখিবলৈ দিয়া হয়, যাৰ ফলত তেওঁলোকৰ ব্যক্তিগত মেধা, নিজস্ব ধাৰণা আৰু সৃষ্টিশীলতা অৱদমিত হয়। শিক্ষাৰ্থী সকলে নিজৰ প্ৰকৃত আগ্ৰহ আৰু প্ৰতিভা অনুসৰি পঢ়িবলৈ আৰু নিজৰ ধাৰণাক প্ৰকাশ কৰিবলৈ স্বাধীনতা পালেহে তেওঁলোকৰ সৃষ্টিশীল চিন্তাৰ বিকাশ হয়। তেতিয়াহে তেওঁলোকে সমাজক নতুনত্ব প্ৰদান কৰিব পাৰে।

শিক্ষক আৰু অভিভাৱক সকলে এই পৰীক্ষা-কেন্দ্ৰিক ধাৰণা সলনি কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাতো প্ৰয়োজন । শিক্ষক সকলে শ্ৰেণী কোঠাত কেৱল পাঠ্যক্ৰম সমাপ্ত কৰাৰ বাবে চেষ্টা কৰা উচিত নহয় । ইয়াৰ বিপৰীতে ছাত্ৰ-ছাত্ৰী সকলক বিষয়টো গভীৰভাৱে বুজিবলৈ আৰু নিজৰ চিন্তাৰে বিশ্লেষণ কৰিবলৈ উৎসাহিত কৰা উচিত। মূল্যায়ন পদ্ধতি কেৱল বছৰেকীয়া পৰীক্ষাৰ ওপৰত নিৰ্ভৰ নকৰি বৰ্ষজোৰা প্ৰকল্প ভিত্তিক কাম, মৌখিক আলোচনা আৰু অন্যান্য প্ৰয়োগ ভিত্তিক ব্যৱস্থাৰ দ্বাৰা সম্পন্ন কৰিব লাগে। আনহাতে, অভিভাৱক সকলে নিজৰ সন্তানক কেৱল নম্বৰৰ বাবে হেঁচা নিদি,তেওঁলোকৰ প্ৰকৃত প্ৰতিভা আৰু আগ্ৰহৰ দিশবোৰ চিনাক্ত কৰি সেইবোৰৰ প্ৰতি উৎসাহিত কৰা উচিত। তেওঁলোকে এই কথা বুজা উচিত যে- সফলতাৰ মাপকাঠি কেৱল পৰীক্ষাৰ ফলাফলেৰে জোখা নহয়, বৰং এজন মানুহৰ চৰিত্ৰ, সামাজিক দায়বদ্ধতাৰ ওপৰতো নিৰ্ভৰ কৰে। অভিভাৱক আৰু শিক্ষকৰ একত্ৰিত প্ৰচেষ্টাৰে পৰিৱৰ্তন আনিব পাৰিলেহে শিক্ষাৰ প্ৰকৃত উদ্দেশ্য সিদ্ধি হোৱাতো সম্ভৱপৰ হয় ।

বৰ্তমান সময়ত শিক্ষা ব্যৱস্থাত সামগ্ৰিক ভাৱে সংস্কাৰৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। এনে সংস্কাৰ কেৱল নীতিগত ভাৱেই নহয়, বৰং বাস্তৱ ক্ষেত্ৰতো প্ৰয়োগ কৰিব লাগে। চলিত ধৰণৰ পৰীক্ষাৰ ব্যৱস্থা সলনি কৰি অধিক বোধগম্যতা আৰু দক্ষতা ভিত্তিক মূল্যায়নৰ ওপৰত গুৰুত্ব দিয়াতো উচিত। বিদ্যালয় সমূহত কেৱল কিতাপৰ জ্ঞানৰ পৰিৱৰ্তে নৈতিকতা, মূল্যবোধ আৰু সামাজিক দায়বদ্ধতাৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰা উচিত। ছাত্ৰ-ছাত্ৰীসকলকো সমাজ আৰু দেশৰ সমস্যা সমূহৰ বিষয়ে অৱগত কৰি সেইবোৰৰ সমাধানৰ বাবে চিন্তা কৰিবলৈ উৎসাহিত কৰিব লাগে। আমাৰ শিক্ষা ব্যৱস্থাই যেতিয়া সুন্দৰ উত্তৰ বহীৰ সলনি সুন্দৰ আৰু শক্তিশালী মানুহ সৃষ্টিৰ লক্ষ্য ল'ব- তেতিয়াহে প্ৰকৃত অৰ্থত শিক্ষাৰ সাৰ্থকতা প্ৰতিপন্ন হ'ব। কেৱল পৰীক্ষাৰ ফল ভাল হ'লেই শিক্ষাৰ প্ৰকৃত উদ্দেশ্য সিদ্ধি নহয়, বৰং মানৱীয় মূল্যবোধ আৰু সামগ্ৰিক জীৱনৰ মানদণ্ড উন্নত হ'লেহে শিক্ষাৰ জৰিয়তে প্ৰকৃত মানৱ সম্পদ সৃষ্টি হব পাৰিব

পৰিশেষত ক'ব পাৰি যে- একমাত্ৰ পৰীক্ষাৰ ফল ভাল হ'লেই নহ'ব। শিক্ষাৰ্থীসকলৰ সামগ্ৰিক বিকাশৰ বাবে চৰিত্ৰ গঠন, ব্যৱহাৰিক জ্ঞান, সামাজিক দক্ষতা, স্বাস্থ্য, সৃজনশীলতা আৰু দায়িত্ববোধৰ ওপৰত গুৰুত্ব দিয়া উচিত। আমাৰ শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তনৰ দ্বাৰা এই দিশ সমূহ অন্তৰ্ভুক্ত কৰিলেহে আমাৰ ভৱিষ্যত প্ৰজন্ম দেশ আৰু জাতিৰ প্ৰকৃত সম্পদ হবলৈ সমৰ্থবান হব পাৰিব বুলি আশা কৰিব পাৰি। এনে পৰিৱৰ্তনৰ বাবে অভিভাৱক, শিক্ষক আৰু নীতি নিৰ্ধাৰক সকলৰ সহযোগিতা আৰু সদিচ্ছা নিতান্তই প্ৰয়োজন। তেতিয়াহে আমি ভৱিষ্যতলৈ এখন সুস্থ আৰু সমৃদ্ধ সমাজ গঢ়ি তুলিব পাৰিম।

দূৰভাষ ঃ ৯৮৫৪৫-২৮৩০৪

*কেৱল পৰীক্ষাৰ ফলক মূল লক্ষ্য হিচাপে লোৱাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে এক অসহনীয় মানসিক চাপত ভোগে। উচ্চ নম্বৰৰ আকাংক্ষাই তেওঁলোকক শৈশৱ আৰু কৈশোৰ সময়ৰ স্বাভাৱিক আনন্দৰ পৰা বঞ্চিত কৰি ৰাখে । তেওঁলোকে কেৱল নম্বৰ পোৱাৰ চিন্তাৰে আচ্ছন্ন হৈ পৰে, যাৰ ফলত নতুন কিবা কৰাৰ বা ভিন্ন ধৰণেৰে চিন্তা কৰাৰ স্বাভাৱিক প্ৰৱণতা হেৰুৱাই পেলায়। সৃষ্টিশীলতা হৈছে মানুহৰ অত্যন্ত গুৰুত্বপূৰ্ণ গুণ, যাৰ দ্বাৰা নতুন উদ্ভাৱন আৰু বিকাশৰ পথ মুকলি হয়। কিন্তু সম্প্ৰতি আমাৰ পৰীক্ষা-কেন্দ্ৰিক ব্যৱস্থাত, সকলো ছাত্ৰ-ছাত্ৰীকে একেধৰণৰে, একে প্ৰশ্নৰ একে উত্তৰ লিখিবলৈ দিয়া হয়, যাৰ ফলত তেওঁলোকৰ ব্যক্তিগত মেধা, নিজস্ব ধাৰণা আৰু সৃষ্টিশীলতা অৱদমিত হয়। শিক্ষাৰ্থী সকলে নিজৰ প্ৰকৃত আগ্ৰহ আৰু প্ৰতিভা অনুসৰি পঢ়িবলৈ আৰু নিজৰ ধাৰণাক প্ৰকাশ কৰিবলৈ স্বাধীনতা পালেহে তেওঁলোকৰ সৃষ্টিশীল চিন্তাৰ বিকাশ হয়। তেতিয়াহে তেওঁলোকে সমাজক নতুনত্ব প্ৰদান কৰিব পাৰে।*

## সাহিত্যিক চৈয়দ আব্দুল মালিকৰ 'সত্যৰ পথেৰে, শান্তিৰ ৰথেৰে, মুক্তিৰ জয়গান' গ্ৰন্থ্ৰ আলমত প্ৰাক-ইছলামিক যুগৰ আৰবৰ কাব্য চৰ্চাৰ চমু আভাস

■ নাছিৰ আহমেদ

আৰব দেশত অতি প্ৰাচীন কালৰে পৰাই বিশেষকৈ প্ৰাক-ইছলামিক যুগত আৰু ইছলাম ধৰ্ম প্ৰচাৰৰ আৰম্ভণিতেও কাব্য চৰ্চাৰ এক বিশাল আৰু বৈচিত্ৰময় পৰিৱেশ আছিল। অসমৰ সু-সাহিত্যিক চৈয়দ আব্দুল মালিকৰ সত্যৰ পথেৰে,শান্তিৰ ৰথেৰে,মুক্তিৰ জয়গান গ্ৰন্থৰ আলমত আৰব দেশত প্ৰাক-ইছলামিক যুগত আৰু ইছলাম ধৰ্ম প্ৰচাৰৰ আৰম্ভণিতেও (জাহিলিয়াত অৰ্থাৎ অন্ধকাৰাচ্ছন্ন যুগত) স্বতঃস্ফূৰ্তভাৱে চলি থকা কাব্য চৰ্চাৰ এক চমু আভাস দিবলৈ প্ৰয়াস কৰিম।

আৰবৰ সাধাৰণ মানুহ বিলাক নিৰক্ষৰ আৰু অশিক্ষিত হোৱা সত্বেও তেওঁলোকে জীৱনৰ অভিজ্ঞতাৰ পৰা লাভ কৰা শিক্ষাক সাৰোগত কৰি স্বভাৱ-সিদ্ধ কবি সকলে 'কছিদা' (কবিতা) ৰচনা কৰিবলৈ প্ৰেৰণা লাভ কৰিছিল। তেওঁলোকে মুখে মুখে মনৰ ভাৱ-অনুভূতিক কাব্যিক আকাৰে প্ৰকাশ কৰি আবৃত্তি কৰি শুনাইছিল। ওঁঠেৰে কবিতাসমূহ গোৱাৰ বাবে এই কবিতাসমূহক ওঁঠৰ কবিতা বুলি নামকৰণ কৰা হৈছিল। আৰু তেনে কবিতা কবিৰ হৃদয়ত চিৰস্থায়ী ভাৱে আঁকা আছিল। একোজন প্ৰখ্যাত যুঁজাৰু একোজন প্ৰখ্যাত কবিও আছিল। সেই সময়ত মহিলাৰ ভিতৰতো দুই এজন প্ৰখ্যাত কবি আছিল। প্ৰাক-ইছলামিক যুগৰ প্ৰখ্যাত কবিসকল হ'ল - ইম ৰুল কায়ছ, তৰফা বিন আবাদ, হাবিছ বিন হিল্লিজা,আন তাবাবিন ল ছাদাত, লাবিদ বিন ৰাবিয়া, জুহেইৰ বিন আবি-ছালমা, আমৰ বিন কল চুম আদি। প্ৰাক-ইছলামিক যুগৰ আটাইতকৈ শক্তিশালী আৰু প্ৰখ্যাত কবি হক্সল ইমৰুল কায়ছ।এই প্ৰাক-ইছলামিক বা প্ৰাক- আৰবী যুগৰ কবিসকলৰ সৃষ্টি কবিতা ৰাজিৰ ভিতৰত চব আ মুআল্লাকাত, আল মুফাজ্জালিয়াত, দিৱান আল হামাছা, কিতাব আল আগানী আদিক শ্ৰেষ্ঠ মহা মূল্যবান কাব্যসৃষ্টি বুলি গণ্য কৰা হৈছে। এই যুগৰ শ্ৰেষ্ঠ কবিগুৰু ইমৰুল কায়ছৰ 'চব আ মুআল্লাকাত' আজিকালিও বিদ্যালয় ,মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ সাহিত্যৰ পাঠ্যক্ৰমত সন্নিবিষ্ট হৈ আছে।আন ইছলাম ধৰ্ম প্ৰচাৰৰ আৰম্ভণিৰ কবিসকল হ'ল, আবু চুফিয়ান ইব নে হাৰিছ, আমৰ ইব নে আছ, আব্দুলা ইব নে জিবাবী। ইছলাম ধৰ্ম প্ৰচাৰত বাধাৰ সৃষ্টি কৰি কুৰেইছ গোষ্ঠীৰ এই কবি সকলে হজৰত মহম্মদক (দঃ) লঘু কৰিবৰ কাৰণে বিদ্ৰূপ ভৰা কবিতা ৰচনা কৰিছিল। তেতিয়া মুছলমান কবি সকলে সেইবোৰ কবিৰ কবিতাৰ বিৰুদ্ধে কবিতা লিখিবলৈ আৰম্ভ কৰে। এই সময়ৰ কেইজনমান বিখ্যাত আৰু জনপ্ৰিয় কবি তুফেইল বিন ওমৰ দাউছি, আক্সছা বিন কইছ আদিয়ে আৰম্ভণিতে হজৰত মহম্মদক (দঃ) বিৰোধিতা কৰি কবিতা ৰচনা কৰিছিল যদিও পিছত হজৰত মহম্মদৰ (দঃ) পৰম অনুগত হৈ ইছলামৰ শান্তিৰ বাণী কবিতাৰ মাজেৰে প্ৰকাশ কৰিছিল।

প্ৰাক-ইছলামিক যুগৰ বা ইছলাম ধৰ্ম প্ৰচাৰৰ আৰম্ভণিৰ কবিসকলৰ কবিতাৰ বিষয়বস্তু হ'ল, কবিৰ নিজ গোত্ৰ বা গোষ্ঠীৰ বীৰ সকলৰ বীৰত্ব বৰ্ণনা, নিজৰ সময় বা যুগৰ বিশেষত্বজ্ঞাপক বিৱৰণ,উটৰ বিশিষ্ট গুণৰ বৰ্ণনা, নাৰীৰ ৰূপ-সৌন্দয্যৰ বৰ্ণনা আৰু প্ৰেমিক প্ৰেমিকাৰ প্ৰণয় লীলা। এই কবিতাসমূহত ৰণথলীৰ আনন্দ - উত্তেজনাৰ জীৱন্ত বিৱৰণ, ৰণ জয়ৰ কাৰণে যুঁজ কৰাৰ গৰিমা, জন প্ৰাণীহীন মৰু প্ৰান্তৰত অভিযান চলোৱাৰ চমকপ্ৰদ বিজয় সাব্যস্ত কৰাৰ হৰ্ষোল্লাস, যাযাবৰী, উন্মুক্ত জীৱনৰ হাঁহি-অশ্ৰু, আশা -নৈৰাশ্য, আনন্দ-বিষাদ, উদ্যম-উচ্ছাস আদি কল কল ধ্বনিৰে মুখৰিত হৈ আছে।

এই কবি সকলৰ কবিতাৰ বৈশিষ্ট্যলৈ লক্ষ্য কৰি স্পষ্ট ভাৱে উপলব্ধি কৰিব পাৰি যে, আৰবৰ সাধাৰণ মানুহ বিলাকৰ মাজতো সাহসিকতা, আত্মসন্মানবোধ, নিজ গোত্ৰ বা গোষ্ঠীৰ প্ৰতি আনুগত্য, নিজৰ বংশৰ মৰ্যাদাৰ বাবে সচেতনতা আৰু দায়িত্ববোধ সদায় জাগ্ৰত হৈ আছিল। গ্ৰীক সকলে যেনেকৈ নিজস্ব সাহিত্য, স্থাপত্য আৰু ভাস্কৰ্যক লৈ গৌৰৱ অনুভৱ কৰিছিল, আৰবীয় সকলেও তেওঁলোকৰ ৰচিত গীতিকাব্য বা 'কছিদা'ক লৈ গৰ্ব অনুভৱ কৰিছিল। উকাজৰ বাৰ্ষিক সাহিত্য মেলাই সাহিত্য চৰ্চা যে উন্নত বৃত্তি তথা আনুষ্ঠানিক বৃত্তিৰ নিচিনা আছিল, তাৰ সাক্ষ্য দিয়ে। গালান ইব নে চালমা নামৰ তাকীব গোত্ৰৰ এজন কবিয়ে প্ৰত্যেক সপ্তাহতে সাহিত্য বৈঠকৰ আয়োজন কৰিছিল। এই সাহিত্য মেলা বা সাহিত্য বৈঠকত কবিতা পাঠ আৰু আবৃত্তি কৰা হৈছিল আৰু কবি সকলৰ কবিতাসমূহৰ বিচাৰ, বিশ্লেষণ হৈছিল। অধ্যাপক পি, কে হিট্টিৰ এই ক্ষেত্ৰত কৰা মন্তব্য উল্লেখনীয়-'পৃথিৱীৰ কতো বোধকৰোঁ আৰবীয় সকলৰ দৰে এনেদৰে সাহিত্য প্ৰীতি , স্বতঃস্ফূৰ্ত ভাৱে সাহিত্য চৰ্চা কৰা আৰু লিখিত বা মৌখিক শব্দ লৈ আৱেগপ্ৰৱণতা প্ৰকাশ কৰা প্ৰায় নাই বুলি কব পাৰি।'

সেই সময়ৰ আৰবৰ বেদুইন সকলৰ ভাষা সুন্দৰ আছিল। কবি আৰু গীতিকাৰসকলে এই ভাষাটিৰ সৌন্দয্য আৰু সৌষ্ঠৱ বৃদ্ধি কৰি তুলিছিল। তেতিয়াৰ দিনত লেখাৰ সু-ব্যৱস্থা নথকাৰ ফলত কবি সকলে কবিতাসমূহ মুখস্থ কৰি জনসমাবেশত আবৃত্তি কৰিছিল। তাৰ ফলত তেওঁলোকৰ আবৃত্তি কৰিব পৰা দুৰ্লভ শক্তিয়ে এক তীক্ষ্ণ স্মৰণ বৃদ্ধি কৰাত সহায়ক হৈছিল। সমালোচক নিকলচনে কোৱাৰ দৰে, " In these days poetry was not luxury for the cultured few but the sole medium of literary expression." A literary history of the Arab's." R.A. Nicholson

সমৃদ্ধ ভাষা, ওজস্বী কাব্যিকতা, পৌৰষ, আৰু বীৰত্বৰ জয়গান উচ্ছাস, উদ্দীপনা সকলো মিলি প্ৰাক-ইছলামিক যুগৰ আৰবী কবিতাক এটা আপুৰুগীয়া মৰ্যাদা দান কৰিছিল। ইছলাম ধৰ্মৰ পবিত্ৰ গ্ৰন্থ কোৰাণৰ ভাষাৰ উৎকৃষ্ট কাব্যিক সৌন্দৰ্য আৰু ওজস্বিতাৰ বিষয়ে মন্তব্য কৰিবলৈ গৈ পি ,কে, হিট্টিয়ে কৈছে যে, " The triumph of Islam was to a certain extents the triumph of a language, more particularly of a book."

এতিয়া দুটামান বেদুইন কবিতাৰ মুকলি ভাষান্তৰ পঢ়িলেই আৰবী কবিতাৰ শক্তিশালী ৰূপ অনুভৱ কৰিব পাৰি।

'তাই যেতিয়া বুঢ়া সৈন্যাসীজনৰ চকুৰ আগেদি পাৰ হৈ যায়, পৰ্বতৰ টিঙত শুই থকা সেই সৈন্যাসীও সুন্দৰীৰ ৰূপত ভোল যায়। সৈন্যাসীজন পৰ্বতৰ টিঙত থকা তেওঁৰ পঁজাৰ পৰা ওলাই নামি আহে আৰু তাইৰ খোজৰ শব্দলৈ কাণ দি কয়, -

'তুমি যদি এজনী মানৱী নহ'লাহেঁতেন,
তুমি হ'লাহেঁতেন এক পূৰ্ণিমাৰ জোন।'
'সোণালী আঁচলৰ দামী সাজ পিন্ধা মূৰ্ত্তি হেন
গৌৰৱৰ্ণ নাৰী ,
এই সম্পত্তিৰ হৰণ -ভগণৰ ভয় নাই , বাঁহীৰ
সুৰত বেদনাৰ স্বৰ ,
এইবোৰেই জীৱনৰ আনন্দৰ সম্বল। কাৰণ, মানুহ
কালৰ চিকাৰ,সময় মানেই পৰিৱৰ্তন, ৰূপান্তৰ।
জীৱন সহজেই হওক বা
জটিলেই হওক,
সমৃদ্ধই হওক বা নিঃস্বই হওক ।
সময় বা কালৰ বাবে সকলো সমান। জীৱনৰ
শেষ পদূলিমূৰ মৃত্যু।'

উদাৰতা আৰু বদান্যতাৰ বাবে আৰব সমাজত হাতিম টাইৰ নাম জগত বিখ্যাত। দান, ত্যাগ, অতিথি সৎকাৰ কৰা হিচাপে তেওঁ আৰবৰ জাতীয় চৰিত্ৰৰ এক প্ৰবাদ পুৰুষ স্বৰূপ।

আৰবৰ বহুতো কবিয়ে তেওঁক লৈ অসংখ্য কবিতা ৰচনা কৰা দেখা যায়। হাতিম টাই নিজে এজন কবি আছিল। তেওঁৰ পত্নীৰ নাম আছিল মুআবিয়া। হাতিম টাইয়ে তেওঁৰ পত্নীক উদ্দেশ্য কৰি লিখিছে --

'হেৰা আব্দুল্লাহ আৰু মালিকৰ পুত্ৰী--
তুমি যেতিয়া আহাৰ প্ৰস্তুত কৰা,
তেতিয়া এজন অতিথিক মাতি খুওৱাৰ দিহা
কৰিবা।
মই অকলে খাবলৈ ভালপোৱা খকুৱা নহও।'
'এজন আলহী যিমান পৰলৈ আমাৰ ঘৰত থাকে,
মই তেওঁৰ গোলাম সিমান পৰলৈ।
যদিও মোৰ স্বভাৱ- চৰিত্ৰত গোলামৰ কোনো
লক্ষণ নাই,
উদাৰতা আৰু বদান্যতা আৰবৰ লোকসকলৰ
এক বিশেষত্ব।'

অমানুষিক বালিকা শিশু হত্যা প্ৰাক-ইছলামিক যুগৰ জনজাতীয় সমাজৰ এটা সামাজিক ৰীতি হিচাপে পৰিগণিত হৈছিল। কন্যা সন্তান জন্ম হোৱাৰ পিছতেই মাক-দেউতাকে তাইক জীৱন্তে সমাধিস্থ কৰিছিল। তেওঁলোকৰ ধাৰণা আছিল, কন্যা সন্তানটি দৰিদ্ৰতাৰ কবলত পৰি ককবকাই মৰাতকৈ বা বজাৰৰ পণ্য ৰূপে পুৰুষ-প্ৰধান সমাজৰ ভোগৰ সামগ্ৰী হোৱাতকৈ ওপজাৰ পিছতেই সমাধিস্থ কৰা বেছি পুণ্যৰ কাম। এই বিষয়ে এজন আৰবৰ কবিয়ে লিখা কবিতাটি কবি চাৰ্লচ জেমছে ইংৰাজী ভাষাত অনুবাদ কৰিছে এনেদৰে-

" She wishes me to live,
But I must wish her dead,
Woe me,
Dead is the noblest woorer
A helpless maid can see,
I fear an uncle may be harsk a brother be un-
kind ,
When I would never speak a word that rankled
in her mind ."

Poet- Charles Jemse Lyall.

আৰব দেশৰ লোকসকলে ইছলাম ধৰ্ম গ্ৰহণ কৰাৰ পিছত বিশ্বনবী হজৰত মহম্মদে (দঃ) সম্বৰ্ধনা জনোৱা আৰবৰ তিৰোতাসকলৰ পৰা এটাই মাথোঁ প্ৰতিশ্ৰুতি বিচাৰিছিল যে , তেওঁলোকে যেন কেতিয়াও কন্যা শিশুক বধ নকৰে।

মুঠতে, প্ৰাক-ইছলামিক যুগৰ বা ইছলাম ধৰ্ম প্ৰচাৰৰ আৰম্ভণিতেও আৰবৰ স্বভাৱ-সিদ্ধ কবি সকলে কবিতাৰ জৰিয়তে ওজস্বিতা আৰু গভীৰ অনুভূতি প্ৰকাশ কৰাৰ বাবে মুক্ত জীৱনধাৰাৰ পৰাই প্ৰেৰণা পাইছিল। কোনো বংশত সম্ভাৱনা থকা কোনো কবিৰ প্ৰতিভাৰ উমান পালেই তেওঁৰ নিজৰ বংশৰ মানুহেই তেওঁক কবিতা ৰচনা কৰিবলৈ উদ্‌গনি দিছিল। পৰিয়ালৰ কোনো লক্সৰাৰ গাত কবিত্ব গুণৰ সম্ভেদ পালে তাৰ গুণ-গান গাই ঘৰুৱা উৎসৱ পাতে, তিৰোতাসকলে ঢোল-ডগৰ বজাই নিজৰ বংশৰ গোত্ৰৰ কাহিনী বৰ্ণনা কৰি, সেই বংশৰ খ্যাতি আকাশ চোৱা কৰিবৰ বাবে এক নতুন পুৰুষৰ জন্ম হক্সল বুলি ভোজ-ভাত খাই আনন্দ-উৎসৱ কৰে। ওচৰ-পাজৰৰ অন্যান্য গোত্ৰ বা গোষ্ঠীবোৰেও এমাহ জোৰা কবি সন্মিলন অনুষ্ঠিত কৰে, ভোজ-ভাত,মদ-পানী খায় আৰু বাগ্মিতা আৰু কবিত্ব শক্তিৰ প্ৰতিযোগিতাত ব্যস্ত হৈ পৰে। বংশত বা গোষ্ঠীৰ ভিতৰত এজন কবি ওলোৱা মানে সেই বংশ বা গোষ্ঠীৰ সন্মান, মৰ্যাদা আৰু প্ৰতিষ্ঠাৰ কাৰণে যুঁজ কৰাৰ বাবে এজন নেতা উদ্ভৱ হোৱা মাহযোৰা কবিতা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা হোৱাৰ পিছত সৰ্বশ্ৰেষ্ঠ বুলি পৰিগণিত আৰু স্বীকৃতিপ্ৰাপ্ত কবিজনৰ ৰচনা শাসক ৰাজকুমাৰ অথবা আমীৰজনৰ ওচৰত সংৰক্ষণ কৰা হয় এক বিশিষ্ট সঁফুৰাত। এনেকুৱা শ্ৰেষ্ঠতম বুলি বিবেচিত হোৱা সাতোটা কবিতা সোণৰ আখৰত লিখাই মক্কাৰ কাবা মন্দিৰৰ বেৰত ওলোমাই থোৱাৰ দৃষ্টান্ত ঐতিহাসিক গৱেষকে দাঙি ধৰিছে। ইছলাম ধৰ্মৰ প্ৰচাৰক হজৰত মহম্মদেও (দঃ) কবিসকলৰ বাগ্মিতা আৰু কাব্যিক ৰসাস্বাদন কৰি মুগ্ধ হৈছিল। বংশ গৌৰৱৰ কথা, প্ৰেম-প্ৰণয়ৰ কথা,ৰণজয়ৰ উচ্ছ্বসিত বীৰত্বৰ কথা, বদান্যতাৰ কথা, ত্যাগ আৰু উদাৰতাৰ কথা কবিতাত শুনি তেওঁ মুগ্ধ আৰু অনুপ্ৰাণিত হৈছিল। পৰৱৰ্তী কালত কবিতাৰ মাজেৰে প্ৰকাশ হোৱা কিছুমান কথাক অনুমোদন জনাইছিল, বৰ্বৰোচিত, অশ্লীল-গোন্ধী কথাক প্ৰত্যাখ্যান কৰিছিল।

সু-সাহিত্যিক চৈয়দ আব্দুল মালিকৰ 'সত্যৰ পথেৰে,শান্তিৰ ৰথেৰে, মুক্তিৰ জয়গান' শীৰ্ষক গ্ৰন্থখনিৰ আলমত প্ৰাক-ইছলামিক যুগৰ বা ইছলাম ধৰ্ম প্ৰচাৰৰ আৰম্ভণিৰ সময়ত আৰব দেশৰ কাব্য চৰ্চাৰ এক চমু আভাস দাঙি ধৰা হ'ল।

**দূৰভাষ ঃ** ৯১০১৪-৬৫৮০৫

## ইতিহাস অধ্যয়নৰ আৱেগ

চাৰি বেদকে ভিতৰ কৰি চৌধ্য শাস্ত্ৰ ওঠৰ পুৰাণ আদি বৈদিক সাহিত্যৰ ৰাজিৰ সুপ্ৰাচীন আৰু জ্ঞানশব্ধ উৰলতম নিদৰ্শন। ঋক বেদত সুক্তসমূহৰ সুক্ষ্ম বিশ্লেষণ কৰি চালে ঋক সংহিতা ৰাজিয়ে আমাৰ দেশত চৰ্চ্চাৰ কেন্দ্ৰ স্বৰূপ হৈ আছে। মৌখিক ভাৱে কোৱাতে শুনিযোৱা পৰম্পৰা ৰূপী সাহিত্য বহুকাল অলিখিত ভাৱেই চলিব ধৰিলে। সাম, ঋক, যজুৰবেদ, অথৰ্ব হ'ল চাৰি বেদ। সংহিতা, উপনিষদ, ব্ৰাহ্মণ গ্ৰন্থ, আৰণ্যক, বেদাংগ, প্ৰাতিশাখ্য সূত্ৰ সাহিত্য আদিৰ পৰাহে আজিৰ সৃষ্টিশীল সাহিত্য সম্ভাৰ পৰিলশীত আকাৰত পোৱাটো সম্ভৱ হৈ উঠিছে। বৰ্তমান উক্ত সাহিত্য সমূহে পূৰ্ণতা লাভ কৰি ঔচিত্যৰে সাহিত্য মৰ্য্যাদা বুটলিছে। সময়ৰ সোঁতত বস্তুগত, ভাৱগত আৰু ৰূপগত দিশত আধুনিকতৰণৰ যোগেদি পৰিৱৰ্তন অনাও চকুত পৰিছে। সেয়ে হয়তো লৌকিক সাহিত্য আৰু বৈদিক সাহিত্য ৰূপত আত্ম প্ৰকাশ কৰিলে। পৃথিৱীৰ আদিমতম ভাক্ষা হ'ল দেৱ ভাষা যাক সংস্কৃত ভাষাত ৰচিত বোলা হয়। সংস্কৃত ভাষাই ভাৰতীয় সংস্কাৰ সংস্কৃতি যাক বিশ্ব বিভিন্ন প্ৰান্তৰ মহান মনীষী সকলে সৰ্বান্ত ঃ কৰনে গ্ৰহন কৰি নিজ নিজ ভাষাত অনুবাদ কৰি ভাৰতীয়া প্ৰাচীন সভ্যতাৰ কথা জানিবলৈ উৎসুক হৈ পৰিছে। কলেও বঢ়াই কোৱা নহ'ব। সংস্কৃত ভাষাত ৰচিত প্ৰাচীন মহাকাব্য ৰামায়ন বাল্মীকি বিৰচিত। বেদাদি চতুৰ্দশ পুৰাণ প্ৰনেতা বুলি পৰাশৰ মুনি আৰু মৎস্যগন্ধাৰ পুত্ৰ ব্যাসদেৱৰ কথাকে কয়। পিচৰ কালত মহাকবি কালিদাস, ভাস, ভৱভূতি, আদিয়ে নাট্য শাস্ত্ৰ, কাব্য শাস্ত্ৰ, আশংকৰিব শাস্ত্ৰৰ সৃষ্টি কৰিলে। বৈদিক সাহিত্য ৰাজিক সেই কাৰণতে আধিদৈৱিক আৰু আধিযাজ্ঞিক হিচাপত ধৰ্ম নিৰপেক্ষ লৌলিক সাহিত্য, কাব্য, নাট, নায়ক, গীতি কাব্য, গদ্য, নীতি কথা, উপযা আদি সৃষ্টি শীলতাৰে উভৈনদী হৈ পৰিল। লিখিত ৰূপ পৰিগ্ৰহ কৰোতে স্বৰ, ছন্দ, মিত্ৰাক্ষৰ, অমৃতাক্ষৰ, ধ্বনি, ব্যাকৰণ আদি স্তৰত সাহিত্য ৰাজিৰ অভাৱনীয় বিভাজন ঘটিল। মহৰ্ষি পানিনি পটঞ্জলি আদি ব্যাকৰণ প্ৰনেতা সকলে লৌকিক তাৰে ভাষাৰে ৰীতি-নীতি স্বৰূপ অনুশাসনেৰে শুদ্ধৰূপ অনাত ইন্ধন যাচিলে। এনে ধৰনে আধুনিকতাৰ ধামখুমিয়াত ন-ন ৰুচি, অভৰুচি, পৰীক্ষা, নিৰীক্ষাৰে সংস্কৃতত মহাকাব্য, সংহিতা, খণ্ডকাব্য, চম্পূ, দৃশ্যকাব্য, আখ্যায়িকা, উপকথা, পৰিকথা, নীতি কথা আদি ভিন্ন স্বাদৰ সাহিত্যই প্ৰাণ পাই উঠিল। পৰৱৰ্তী কালত কাব্য, গীত, নাট অৱশৰে মহাকাব্যৰ ইতিহাস আদিৰো সৃষ্টি হ'ল। বাল্মীকি বিৰচিত ৰামায়নে আদিমতম মহাকাব্যৰ স্বীস্কৃতি পাইছে। তাৰ পিছতে মহাভাৰত। সেয়ে মহাভাৰতক ইতিহাস ৰূপে অভিৰিত কৰিছে। বেদাদিৰ দৰে মহাভাৰতত বিভিন্ন ঘটনাৰ আস্বাদন ঘটে বাবে পঞ্চম বেদ বুলওঁি কয়।

## আত্মকথন ঃ এগৰাকী শিক্ষকৰ

**ধীৰেন্দ্ৰ ভট্টাচাৰ্য্য**

শিক্ষকসকল আনতকৈ কিছু বেছি আবেগিক (Emotinal) বুলি এটা ধাৰণাৰ প্ৰচলন আছে যেন ভাব হয়। অৱশ্যে কথাষাৰ সাৰ্বজনীন কৰিব নোৱাৰি যদিও শিক্ষক সকল যেন কিছু আলসুৱা (Tender) কিছু মৰমীয়াল। আবেগিক প্ৰৱণতা স্পৰ্শ কাতৰতা বা অভিমান (Sensitiveness) শিক্ষকসকলৰ লগত সততে লাগি থকা দোষ বা গুণ। এনে অৱস্থাৰ কিছু যৌক্তিকতাও নথকা নহয়। আজিৰ পৰা কিছু বছৰ আগলৈকে শিক্ষক সকল এটা আছুতীয়া শ্ৰেণীত অন্তৰ্ভুক্ত আছিল। শিক্ষকসকল কিছু বিৰল গুণৰ অধিকাৰী আছিল আৰু মানুহৰো শিক্ষকসকলৰ প্ৰতি কিছু আবেগিমিশ্ৰিত শ্ৰদ্ধাবোধ আছিল। সমাজৰ সৰ্বত্ৰতে শিক্ষক সকলৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা হৈছিল। শিক্ষকসকল সেই সন্মান লাভৰ যোগ্যও আছিল আৰু সেই বিৰল সম্পদখিনি নেহেৰুৱালৈ শিক্ষক সকলক সদাসচেষ্ট দেখা গৈছিল। অৱশ্যে ইয়াৰ ব্যতিক্ৰমো যে নাছিল তেনেও নহয়।

কিন্তু আজি সেই ৰামো নাই, অযোধ্যাও নাই। সময় সলনি হ'ল। মানুহ সলনি হ'ল। সামাজিক পৰিৱেশো সলনি হ'ল। এনে পৰিৱৰ্তিত পৰিস্থিতিত শিক্ষকসকলৰ সামাজিক স্থিতিৰো পৰিৱৰ্তন হ'ল। গতিকে পৰিৱৰ্তন আৱৰ্তত পৰি শিক্ষক সকলৰ মানসিকতাৰো পৰিৱৰ্তন হোৱাটো অৱধাৰিত প্ৰক্ৰিয়া। আজিৰ শিক্ষকে প্ৰাপ্য মৰ্যদাখিনি পাবলৈ আশা কৰে। কিন্তু নাপালেও আৱেগত বিহ্বল হৈ নপৰে। কঠোৰ বাস্তৱে শিক্ষকক আলসুৱা স্বভাৱ পৰিহাৰ কৰিবলৈ বাধ্য কৰিছে। জ্ঞানান্বেষণ শিক্ষকসকল একান্ত ব্ৰত। কিন্তু আজি সমাজত জ্ঞানীৰ প্ৰতি আদৰ কমি আহিছে। ধন সৰ্বস্ব সমাজত ধনৰ গৰাকীৰ হে আদৰ আৰু কদৰ অধিক। হিন্দীত এষাৰ প্ৰবাদ আছে 'সব পুছেঙ্গে আপ কেইছে হায়, যব্তক আপকে পাচ প্যেইছে হায়।'—যেতিয়ালৈকে আপোনাৰ পইচা থাকিব, তেতিয়ালৈকে সকলোৱে আপুনি কেনে আছে বুলি সুধিব। এইষাৰ কথা বাস্তৱ সত্য। আজি শিক্ষকসকলেও বাস্তৱ সত্যৰ মুখামুখি হ'বলৈ বাধ্য।

পৰিৱেশ, পৰিস্থিতিৰ দ্ৰুত পৰিৱৰ্তন হ'লেও শিক্ষকসকলৰ প্ৰতি সমাজৰ এতিয়াও সন্মানবোধৰ পৰালি পৰা নাই। সমাজৰ বহুতে এতিয়াও শিক্ষকসকলক আদৰ সন্মান যঁচাটো সামাজিক দায়বদ্ধতা বুলি জ্ঞান কৰে। কিন্তু বহু ক্ষেত্ৰত শিক্ষকসকলে নিজৰ কৃত কৰ্মৰ জৰিয়তে সমাজত হেয় হোৱাও পৰিলক্ষিত হয়। শিক্ষক সকলে শিক্ষক হিচাপে অৱশ্যে পালনীয় কৰ্তব্যখিনিৰ পৰা পৰান্মুখ নহৈ নিজৰ দায়বদ্ধতাখিনি যেনে—বিদ্যালয়ত নিয়মিত উপস্থিতি, নিয়মিত আৰু গুৰুত্ব সহকাৰে পাঠদান, সমাজৰ ব্যক্তি সকলৰ লগত সু-সম্পৰ্ক স্থাপন, সদাচাৰ, সাাজিক-নিয়ম-শৃংখলা ৰক্ষা কৰি চলা আদি ধৰ্মবোৰ যথাযথভাৱে ৰক্ষা কৰি চলিব লাগিব। বহুতে এইবোৰ শিক্ষকৰ ধৰ্ম পালন কৰিবলৈ অপাৰগ হোৱা দেখা যায়। এনে কামে নিজৰ 'হাতৰ কুঠাৰ ভৰিত মৰা'ৰ লেখীয়া। শিষ্টাচাৰ আৰু শিক্ষক দুয়োটা অঙ্গাঙ্গী। শিষ্টাচাৰ অবিহনে শিক্ষক শব্দৰ ব্যঞ্জনাৰ্থ ব্যাহত হয়। অশিষ্ট আচৰণ শিক্ষকতা বৃত্তিৰ পৰিপন্থি।

প্ৰাসঙ্গিক হ'ব বুলি ভাবি জীৱনৰ এটি বিৰল অভিজ্ঞতা এইখিনিতে বৰ্ণনা কৰাৰ ইচ্ছা সামৰিব নোৱাৰিলো। যদিও জানো—'অপমানং গোপ্যয়েৎ'-অৰ্থাৎ প্ৰাপ্ত অপমান গোপনে ৰাখিব লাগে, তথাপি বিষয়টো পবিত্ৰ শিক্ষকতা বৃত্তিৰ লগত জড়িত বাবে ঘটনাটো উল্লেখ কৰিলো। এগৰাকী সন্মানীয় শিক্ষকৰ সমমৰ্যাদা সম্পন্ন আন কেইগৰাকীমান শিক্ষকৰ প্ৰতি প্ৰদৰ্শন কৰা আসৌজন্যসূচক, অশিষ্ট আচৰণৰ বাস্তৱ চিত্ৰ এখনিৰ বৰ্ণনা এইখিনি। ইয়াত অতিৰঞ্জনৰ লেশমানো নাই। কেৱল শিক্ষক হোৱাৰ বাবেই নহয় আত্ম সন্মানবোধ থকা যি কোনো মানুহেই এনে পৰিস্থিতিত আৱেগিক হৈ পৰি দুঃখবোধত ভোগাটো নিতান্তই স্বাভাৱিক। আমিও সেইদিনা আবেগ, কিছু দুখ, কিছু লজ্জাত নিমজ্জিত হৈ পৰিছিলো।

বিগত শতিকাৰ আশীৰ দশকৰ কথা। বি. এড. পঢ়িবলৈ 'ডেপুটেশ্বন' পাই গুৱাহাটী বাণীকান্ত শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ত পঢ়িবলৈ ল'লো। প্ৰশিক্ষণকালত কোনোবা এখন বিদ্যালয়ত এমাহমান পাঠদান অনুশীলন (Practice Teaching) কৰিব লাগে। আমাৰ দলৰ কুৰি গৰাকীমান প্ৰশিক্ষাৰ্থীক চহৰৰ মাজ মজিয়াৰ আপেক্ষিক ভাৱে কম গুৰুত্ব থকা উচ্চতৰ মাধ্যমিক বিদ্যালয় এখনত পাঠদান অনুশীলনৰ ব্যৱস্থা কৰি দিলে। আমাৰ লগত মহাবিদ্যালয়ৰ এগৰাকী মাননীয় শিক্ষাগুৰু আমাৰ পৰ্যবেক্ষকক হিচাপে নিয়োগ কৰিলে। সেইমতে প্ৰথম দিনা ছাৰে নি বিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ লগত আমাক সাক্ষাৎ কৰাই দি পাঠদান অনুশীলনৰ ব্যৱস্থা কৰাই দিলে। উচ্চতৰ মাধ্যমিক বিদ্যালয়খনৰ অধ্যক্ষগৰাকী নম্ৰ, ভদ্ৰ আৰু অতি অমায়িক ব্যক্তি। তেখেতে আথে-বেথে উপাধ্যক্ষ মহোদৰ জৰিয়তে আমাক সকলো সুবিধা কৰি দিয়ালে। পাঠদান কৰা দিন কেইটা আমাক শিক্ষকৰ জিৰণী কোঠাতে বহাৰ ব্যৱস্থাও কৰি দিলে। আমাৰ আটাইৰে ৮ম শ্ৰেণীৰ পৰা ১০শ্ৰেণীলৈ বিভিন্ন বিষয়ৰ (অসমীয়া, ইংৰাজী, সমাজ অধ্যয়ন, গণিত, বিজ্ঞান) পাঠ আঁচনি (Lesson Plan) মতে সেই শ্ৰেণীত অনুশীলন ব্যৱস্থা হ'ল।

যদিও প্ৰতিগৰাকী প্ৰশিক্ষাৰ্থীয়ে কমেও বিছটাকৈ পাঠৰ আঁচনি যুগুতাই নিব লাগে তথাপিও শিক্ষক প্ৰশিক্ষাৰ্থীসকলে দুই-চাৰিটা পাঠৰ অনুশীলন কৰিলেই হয়। অৱশ্যে অনাশিক্ষক প্ৰশিক্ষাৰ্থীসকলৰ কথা সুকীয়া। আমাৰ দলৰ সকলো কেইগৰাকী শিক্ষক আছিলো আৰু প্ৰতিদিনে বিদ্যালয়খনত ৩/৪ গৰাকীমানহে পাঠ অনুশীলনৰ বাবে উপস্থিত আছিলো। দুই-তিনি দিনৰ মূৰে মূৰে বিদ্যালয়খনলৈ গৈ এটা বা দুটা পাঠৰ অনুশীলন কৰিছিলো কেউজনে।

প্ৰথম দিনাখনৰ পৰাই আমাৰ লক্ষ্যত পৰিল যে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে আমাক হাজিৰা কৰা 'কামলা' মানুহৰ দৰে ব্যৱহাৰ কৰিবলৈ যেন বিচাৰিছে। নিজৰ ভাগৰ 'পিৰিয়ড'টোত শ্ৰেণীলৈ নাযাবি আমাৰ কোনোবা এগৰাকীক একপ্ৰকাৰ আদেশৰ সুৰতে কয় তেখেতৰ শ্ৰেণীটোত পঢ়ুৱাই আহিবলৈ আৰু নিজে জিৰণী কোঠাত ফষ্টি মাৰি বহি থাকিব বা ক'ৰবালৈ ওলাই যাব। আমি বৰ উদ্বিগ্নতাৰে লক্ষ্য কৰিছিলো আন এটা কথা। সেইটো শিক্ষকসকলৰ বাবে বৰ নিন্দনীয় কথা। শিক্ষকসকল শ্ৰেণীলৈ নগৈ হয় জিৰণী কোঠাতে মেল পকাই থাকে নহয় বাহিৰত ৰ'দ পুৱাই কটায়। ছাত্ৰসকলৰ কোঢ়াল শুনিলে উপাধ্যক্ষ মহোদয় আহি শিক্ষকসকলক অনুৰোধ কৰে নিজ নিজ শ্ৰেণীলৈ যাবলৈ। কিন্তু প্ৰায়ে তেওঁলোকৰ গা নলৰে। আমাৰ পাঠ অনুশীলনৰ প্ৰতিদিনে সেই একেই দৃশ্যকে প্ৰত্যেকে প্ৰত্যক্ষ কৰিছিলো।

বিদ্যালয়খনৰ প্ৰায়ভাগ শিক্ষক-শিক্ষয়িত্ৰীয়ে দাম্ভিকতা বা উচ্চম্মিকাবোধত আক্ৰান্ত হৈ আছে যেন লাগিল। কিয়নো বিদ্যালয়খনত দুসপ্তাহমান কটোৱাৰ পিছতো জিৰণী কোঠাত বা বাৰান্দাত মুখামুখি হ'লে আমি 'আহিল' বা 'ক্লাছলৈ যায় নেকি?"—বুলি মাতষাৰ দিলতে তেখেতসকলৰ পৰা প্ৰায়ে আমি কোনো সঁহাৰি নাপাইছিলো। অৰ্থাৎ আমাৰ প্ৰতিগৰাকীকে তেখেতসকলে উপেক্ষা কৰি চলিছিল। এনে পৰিস্থিতি আমাৰ সকলোৰে বাবে বেদনায়ক আছিল।

# যাত্ৰাভিনয়ৰ অতীত- বৰ্তমান আৰু শিল্পীৰ জীৱনগাঁথা

**কিশোৰ কুমাৰ কলিতা**

অসমীয়া সমাজ জীৱনত , অসমৰ বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতিৰ বৰপথাৰখনত যাত্ৰাভিনয়ৰ ভূমিকা অতিজৰে পৰাই অনন্য ৰূপত উজ্জ্বলি আছে। বিশেষকৈ নামনি অসম তথা দক্ষিণ কামৰূপৰ এই যাত্ৰাভিনয়ে সুকীয়া মাত্ৰা বহন কৰি আহিছে। অতীজৰে পৰাই সাংস্কৃতিক দিশত চহকী নদী মাতৃক অসমী আইৰ প্ৰতিটো অঞ্চল থলুৱা গীত-মাত, সাহিত্য, বিভিন্ন লোক পৰিৱেশ্য কলাৰে সমৃদ্ধিশালী। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ চিহ্নযাত্ৰাৰ পৰাই কালক্ৰমত যাত্ৰা শব্দটো অহা বুলি ধাৰণা কৰা হৈছে যদিও তাৰ পৰাই যে যাত্ৰাদল অথবা যাত্ৰাপাৰ্টি শব্দটো আহিল সেই কথা স্পষ্ট ৰূপত সম্প্ৰতিও পোৱা নাই যদিও সম্যক ধাৰণা কৰিব পাৰি। মহাপুৰুষজনাৰ নৱবৈষহ্লৱ ভক্তিধৰ্মৰে মহিয়ান নাট ভাওনা বিভিন্ন ঠাইৰ লগতে নামনি অসম বিশেষকৈ দক্ষিণ কামৰূপতো প্ৰদৰ্শিত হৈছিল। কিন্তু সময়ৰ সোতত ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধৰ পৰা অসমৰ ঠায়ে ঠায়ে বিশেষকৈ নামনি অসমত লোক পৰিৱেশ্য কলাৰ লগত মিল থকা বংগীয় যাত্ৰাগানৰ আৰ্হিত যাত্ৰাভিনয়ে গা কৰি উঠিছিল। যাৰ ফলত মহাপুৰুষজনাৰ নাট ভাওনাৰ প্ৰদৰ্শন এই অঞ্চলসমূহত ক্ৰমশঃ কমি আহিছিল। এই যাত্ৰাগানৰ প্ৰভাৱে কালক্ৰমত ঠায়ে ঠায়ে যাত্ৰা, পালা, আদি থলুৱা নামেৰে নামাকৰণ কৰি দক্ষিণ কামৰূপৰ বিভিন্ন ঠাইত নাট্যাভিনয়ে গা কৰি উঠিছিল। পুৰণি ধৰ্মীয় আখ্যানমূলক, ঐতিহাসিক কাহিনী আদিৰ আলমত গণ জীৱনৰ সতে ৰজিতা খাই নাট্যাভিনয় বৰ্ণময় ৰূপত সংযোজিত হৈ পৰিছিল। কুৰি শতিকাৰ প্ৰাৰম্ভিক পৰ্যায়ৰ পৰা এই যাত্ৰাভিনয়ে যাত্ৰাদল অথবা যাত্ৰাপাৰ্টি নামাকৰণেৰে অনন্য মাত্ৰা লাভ কৰিছিল। অৱশ্যে পূৰ্বতে যাত্ৰাদলত মহিলাই অভিনয় কৰা নাছিল। মহিলাৰ চৰিত্ৰত পুৰুষেই অভিনয় কৰিছিল যদিও সাম্প্ৰতিক সময়ত মহিলায়ো অভিনয় কৰিবলৈ ধৰিলে। প্ৰকৃতাৰ্থত চিহ্নযাত্ৰা আৰু যাত্ৰাগানৰ পৰাই যাত্ৰা শব্দটো আহি পৰৱৰ্তী কালত যাত্ৰাপাৰ্টি অথবা যাত্ৰাদল নামাকৰণ হ'ল বুলি ধাৰণা কৰিব পাৰি।

নামনি অসমৰ বিভিন্ন ঠাই কামৰূপ, গোৱালপাৰা, মৰিগাঁও, নলবাৰী, কোকাঝাৰ, বৰপেটা, বঙাইগাঁও আদিকে ধৰি বিভিন্ন জিলাৰ বিভিন্ন ঠাইত যাত্ৰাদল অথবা যাত্ৰাপাৰ্টিৰ জন্মলাভ হৈছিল যদিও দক্ষিণ কামৰূপৰ যাত্ৰাভিনয়ে আৰম্ভণিৰে পৰাই সমগ্ৰ ৰাজ্যতেই সুকীয়া আসন দখল কৰিবলৈ সক্ষম হৈছিল। নামনি অসমত প্ৰথমবাৰৰ বাবে ব্ৰজনাথ শৰ্মা আৰু তাৰ সমান্তৰালভাৱে বিভিন্নজনে বংগীয় আৰ্হিৰে বাংলা নাট আসমীয়ালৈ তৰ্জনী কৰি প্ৰদৰ্শন কৰিছিল বুলি লেখক-সাহিত্যিসকলে বিভিন্ন লেখনিত উল্লেখ কৰি আহিছে। পৰৱৰ্তী সময়ত বিভিন্নজনে আসমীয়া ভাষাত ঐতিহাসিক-পৌৰাণিক, ধৰ্মীয় আখ্যানমূলক কাহিনীসমূহক নাট্যৰূপ দিবলৈ প্ৰয়াস কৰিলে। পূৰ্বতে মুকলি ঠাইত এই যাত্ৰাভিনয় প্ৰদৰ্শিত হৈছিল যদিও কালক্ৰমত মঞ্চ তৈয়াৰ কৰি সুশৃংখলিত ৰূপত প্ৰদৰ্শন কৰিবলৈ লোৱাৰ সুন্দৰ ৰূপ পৰিগ্ৰহণ আজিৰ এই যাত্ৰাভিনয়। অৱশ্যে অতি সাম্প্ৰতিক সময়ত ঠায়ে ঠায়ে যাত্ৰাদলসমূহে সামাজিক নাটো প্ৰদৰ্শন কৰিবলৈ লৈছে। দৰ্শক ৰাইজৰ ৰুচিৰ প্ৰতি লক্ষ্য ৰাখি ভ্ৰাম্যমাণ থিয়েটাৰৰ দৰেই নৃত্য গীতৰো পয়োভৰ ঘটিল। ভ্ৰাম্যমাণ থিয়েটাৰক সমানে ফেৰ মাৰিবলৈ সক্ষম হোৱা এই যাত্ৰাপাৰ্টিৰ মঞ্চত এতিয়া বিভিন্ন কাৰিকৰী কৌশলো সংযোজিত হৈছে। য'ত আধুনিকতাৰ প্ৰলেপ সুস্পষ্ট হোৱাৰ ফলত পুৰণি কিছু বৈশিষ্ট্য ম্লান হৈছে। অৱশ্যে সেয়া দৰ্শকক আকৰ্ষিত কৰাৰ বাবে সময়ৰ আহ্বান বুলি একাংশ প্ৰযোজক আৰু শিল্পীয়ে ক'ব খোজে।

দক্ষিণ কামৰূপত এই যাত্ৰাপাৰ্টিৰ অৱদান আজিও অনন্য ৰূপত উজ্জ্বলি থকাৰ লগতে আগতেও যে সাংস্কৃতিক দিশত চহকী আছিল তাৰ উদাহৰণ এই যাত্ৰাভিনয়েই যথেষ্ট। 'দক্ষিণ কামৰূপ অঞ্চলৰ যাত্ৰা নাট্যদলৰ ইতিহাস আৰু উত্তৰণ' শীৰ্ষক এটি প্ৰৱন্ধত যুগল বৈশ্যই এইদৰে লিখিছিল- 'দক্ষিণ কামৰূপ অঞ্চলত প্ৰচলিত যাত্ৰা নাটৰ ইতিহাস বিচাৰিবলৈ গ'লে আমি ঊনবিংশ শতিকাৰ শেষ অথবা কুৰি শতিকাৰ আৰম্ভণি কালৰ কথা মনত পেলাব লাগিব। সেই সময়ত দক্ষিণ কামৰূপৰ এখন প্ৰধান ঠাই আছিল পলাশবাৰী নগৰ। এই পলাশবাৰীক কেন্দ্ৰ কৰিয়েই দক্ষিণ কামৰূপ অঞ্চলত শৈক্ষিক, বাণিজ্যিক, ৰাজনৈতিক তথা সাংস্কৃতিক দিশবোৰ গঢ় লৈ উঠিছিল।.......... আজিৰ পৰা প্ৰায় এশ বছৰ আগতে আমবাঙ্গা অঞ্চলত থকা সত্ৰসমূহত কেইবাটাও যাত্ৰাদলৰ সৃষ্টি হৈছিল। দক্ষিণ কামৰূপ অঞ্চলভিন্ন অন্য অঞ্চলবোৰতো নাট্যধৰ্মী কিছুমান স্থানীয় লোকনাট্যানুষ্ঠান প্ৰচলিত আছিল।.......... খুলীয়া ভাওনা, খেমতাৰ দল আদিয়ে ধৰ্মমূলক পৌৰাণিক নাট অভিনয় কৰিছিল। পিছলৈ এই খুলীয়া ভাওনা বা খেমতাৰ দলবোৰেই যাত্ৰাদললৈ ৰূপান্তৰিত হৈছিল। 'দক্ষিণ কামৰূপৰ পলাশবাৰী অঞ্চলতেই প্ৰথমে যাত্ৰাদলৰ জন্ম হয় বুলি বহুতেই ক'ব খোজে। ১৯০৩-০৪ চনত পলাশবাৰীৰ শ্যামলাল চৌধুৰীৰ নেতৃত্বত জন্ম হোৱা পলাশবাৰী বান্ধৱ সন্মিলন নামৰ যাত্ৰাদলটিয়ে দক্ষিণ কামৰূপত আনুষ্ঠানিকভাৱে জন্ম লাভ কৰা যাত্ৰাদল বুলি কোৱা হয়। অস্থায়ী মঞ্চ সাজি প্ৰথমে বংগীয় আৰ্হিৰ নাট, তাৰ পিছত অসমীয়া ভাষাত নাট মঞ্চস্থ কৰিবলৈ লৈ নিজেও অভিনয় কৰিছিল বুলি জনা যায়। তাৰ পিছত ১৯০৭ চনত গণেশ্বৰ শৰ্মাৰ নেতৃত্বত সদিলাপুৰ যাত্ৰাদল, ভালুকঘাটাত প্ৰাণেশ্বৰ কলিতাই বংশীগোপাল আশ্ৰিত যাত্ৰাদলৰ জন্ম দিছিল। সেই সময়ৰে পৰা ধৰাবাহিকভাৱে সাম্প্ৰতিক সময়লৈকে সমগ্ৰ দক্ষিণ কামৰূপত ডেৰ শতাধিক যাত্ৰাপাৰ্টিৰ জন্ম হৈছিল যদিও সময়ৰ সোঁতত এফালৰ পৰা কমি আহি এতিয়া পোন্ধৰখনমানহে যাত্ৰাপাৰ্টি সক্ৰিয় হৈ আছে। ইয়াৰ মূল কাৰণ অভিনয় শিল্পীসকলৰ আৰ্থিক দৈন্যতা বুলিয়েই বহুতে ক'ব খোজে। অৱশ্যে চৰাঞ্চলসমূহত অতি সম্প্ৰতি বঙলা ভাষাতো একাংশ যাত্ৰাদলৰ জন্ম হৈছে। এই সন্দৰ্ভত 'দক্ষিণ কামৰূপৰ যাত্ৰাদল- অতীতৰ পৰা বৰ্তমান পৰ্যন্ত' শীৰ্ষক এক প্ৰৱন্ধত ড° জগন্নাথ বৰ্মনে এইদৰে উল্লেখ কৰিছে—'কুৰি শতিকাৰ আশীৰ দশকৰ পিছৰ পৰা দক্ষিণ কামৰূপ অঞ্চলৰ চৰাঞ্চলত বাংলাদেশী মূলৰ সংখ্যালঘু ইছলামধৰ্মী লোকসকলৰ মাজতো যাত্ৰা আৰ্হিৰ বঙলা ভাষাৰ যাত্ৰাদল গঢ়ি উঠিছে।'

সম্প্ৰতি দেশ তথা ৰাজ্যত কোভিড সংক্ৰমণে ভয়ংকৰ ৰূপ ধাৰণ কৰাৰ বাবে সাংস্কৃতিক অনুষ্ঠানসমূহ বন্ধ হৈ পৰাৰ ফলত অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ লগতে দক্ষিণ কামৰূপৰ অন্য এক আয়তনিক পৰিচয়েৰে সমৃদ্ধ লোককৃষ্টি ভ্ৰাম্যমাণ যাত্ৰাপাৰ্টী সমূহৰো অৱস্থা একেবাৰে শোচনীয় হৈ পৰিছে। যোৱা বৰ্ষত লকডাউনৰ বাবে যাত্ৰাদলসমূহ বন্ধ হোৱাৰ বাবে প্ৰযোজকৰ লগতে শিল্পীসকলে যথেষ্ট পৰিমাণে লোকচানৰ সন্মুখীন হোৱাৰ সময়তেই পুনৰ এইবাৰ দেশৰ লগতে ৰাজ্যত কোভিডৰ ভয়ংকৰ ৰূপ ধাৰণ কৰাৰ বাবে সাংস্কৃতিক অনুষ্ঠানসমূহ বন্ধ হৈ পৰিছে। যাৰ পৰিপ্ৰেক্ষিতত যাত্ৰাদলৰ প্ৰযোজক তথা কলা- কুশলীসকল আৰ্থিকভাৱে সমস্যাৰ সন্মুখীন হৈ পৰিছে। নামনি অসমত অতি জনপ্ৰিয় যাত্ৰাপাৰ্টীসমূহৰ বেছিভাগেই বিশ্বকৰ্মা পূজাৰ পৰা অৰ্থাৎ শীতৰ আগমনৰ প্ৰাকমূহুৰ্তত আৰম্ভ কৰি বহাগ মাহত অনুষ্ঠিত হোৱা সুঁৱৰি উৎসৱসমূহত নাট প্ৰদৰ্শন কৰি বহাগ মাহৰ শেষৰ ফালে অৰ্থাৎ ভৰ বাৰিষা অহাৰ আগমূহুৰ্তত বছৰটোৰ বাবে নাটৰ সামৰণি পেলায়। এইবেলি যাত্ৰাপাৰ্টীসমূহে নাট মঞ্চস্থ কৰিছিল যদিও কৰোনা মহামাৰীৰ বাবে আধাতে নাট সামৰিব লগা হোৱাত যথেষ্ট পৰিমাণে অসুবিধাৰ সন্মুখীন হৈছে যাত্ৰাদলসমূহৰ প্ৰযোজকৰ লগতে শিল্পীসকলৰ। কিন্তু পৰিতাপৰ কথা এয়ে যে যাত্ৰাপাৰ্টীৰ শিল্পীসকলক চৰকাৰীভাবে কোনোধৰণৰ সহায়ৰ হাত আজিকোপতি আগবঢ়োৱা নাই। বিগত বছৰত শিল্পী কলা কুশলীসকলে চৰকাৰৰ পৰা পোৱা বিজ্ঞাপনৰ ভিত্তিত সাহায্যৰ বাবে বহুজনে আবেদন জনাইছিল যদিও চৰকাৰে দিম বুলি কোৱা ধনৰ যাত্ৰাশিল্পীসকলে এটকাও নাপালে বুলি বহু শিল্পীয়ে ক্ষোভ উজাৰিছে । নৈপৰীয়া চহা জীৱন পৰিক্ৰমাৰে ভৰপূৰ দক্ষিণ কামৰূপৰ প্ৰায়বোৰ অঞ্চল। শিক্ষিত হ'লেও যাত্ৰাপাৰ্টীসমূহৰ প্ৰায়বোৰ শিল্পী একেবাৰেই দুখীয়া। প্ৰায়সংখ্যক যাত্ৰাশিল্পীয়ে যাত্ৰাপাৰ্টীত পোৱা টকা কেইটাৰে কোনোমতে পৰিয়াল পোহপাল দি আহিছে যদিও এইবাৰো আগতেই যাত্ৰাপাৰ্টীৰ নাট সামৰিব লগা হোৱাত যাত্ৰাৰ প্ৰযোজকসকলৰ লগতে শিল্পীসকলৰ পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে। উল্লেখ্য যে নামনি অসমত প্ৰায় আশিটা যাত্ৰাদল আছে। ইয়াৰে দক্ষিণ কামৰূপত থকা প্ৰায় পোন্ধৰটা যাত্ৰাদলৰ এটা সুকীয়া পৰিচয় আছে। ভ্ৰাম্যমাণ থিয়েটাৰৰ পিতৃস্বৰূপ বুলি কোৱা এই যাত্ৰাপাৰ্টীক আজিও ৰজাঘৰীয়াই ভালদৰে চোৱা নাই। বিশ্বকৰ্মা পূজা, দূৰ্গা পূজা, দিপাৱলী, ৰাস, জগদ্ধাত্ৰী পূজা, মাঘী উৎসৱ, শিৱ পূজা, দৌল উৎসৱ, সুৱৰি উৎসৱ আদিকে ধৰি গ্ৰামাঞ্চলত হোৱা উৎসৱ পাৰ্ৱনৰ লগত যাত্ৰাপাৰ্টীৰ আছে ওতপ্ৰোত সম্পৰ্ক। এই উৎসৱ পাৰ্ধনসমূহত নিশা প্ৰদৰ্শনৰ বাবে নিমন্ত্ৰণ কৰে যাত্ৰাদল। এটা যাত্ৰাদলত পচিশৰ পৰা ত্ৰিশ গৰাকী শিল্পী জড়িত থকা এই যাত্ৰাপাৰ্টীৰ প্ৰতি ৰজাঘৰীয়াৰ নাই কোনো দায়বদ্ধতা। বৰ্তমান নামনি অসমৰ প্ৰায় আশিটা যাত্ৰাদলৰ লগত প্ৰায় দুহেজাৰ পৰিয়ালৰ জীৱন-জীৱিকাৰ কথা জড়িত এইসকল পৰিয়ালৰ কথা ভাবিবলৈ যেন কাৰোৰে আহৰি নাই। কৰোনা মহামাৰীৰ বাবে অহা বৰ্ষটো নাট কৰিব পৰা যায়নে নাযায় সেয়াও এতিয়া অনিশ্চয়তাত। যদিহে বৰ্ষবোৰত এইদৰেই যাত্ৰাপাৰ্টী কৰিব পৰা নাযায় তেনেহ'লে যাত্ৰাদলসমূহত জড়িত নামনি অসমৰ প্ৰায় দুহেজাৰ পৰিয়ালৰ অৱস্থা কি হ'ব সেই লৈ এতিয়া তীব্ৰ শংকাত ভুগি আছে যাত্ৰাপাৰ্টীৰ লগত জড়িত শিল্পী-কলা কুশলীসকল।

দক্ষিণ কামৰূপৰ যাত্ৰাদল- অতীতৰ পৰা বৰ্তমান পৰ্যন্ত 'শীৰ্ষক এক প্ৰৱন্ধত ড° জগন্নাথ বৰ্মনে এইদৰে উল্লেখ কৰিছে-' চিহ্নযাত্ৰাৰে আৰম্ভ হোৱা অসমীয়া নাট্যাভিনয়ৰ ইতিহাস পাঁচশ বছৰতকৈও পুৰণি। সম্প্ৰতি সুস্পষ্টভাৱে নাট্যভিনয়ৰ তিনিটা ধাৰা দেখা পোৱা যায়। অপেশাদাৰী, পেশাদাৰী আৰু দুয়োটাৰে মধ্যবৰ্তী যাত্ৰাদলৰ যাত্ৰাভিনয়। যাত্ৰাভিনয়ত প্ৰাচীন নাট্যাভিনয়ৰ জড়িয়তে আনন্দ দান দিয়াতো মুখ্য উদ্দেশ্য। ই গ্ৰাম্য প্ৰধান লোকৰ পৰিৱেশ্য কলা চেতনাৰে সঞ্চাৰিত মাধ্যম। সমগ্ৰ গ্ৰামাঞ্চলৰ উৎসাহ-উদ্দীপনা আদিৰ লগত জড়িত। সৃষ্টিশীল প্ৰতিভাক পোহৰলৈ লৈ অহাৰ প্ৰয়াস তথা ধৰ্ম, ইতিহাস, জীৱন, দৰ্শনাদি প্ৰচাৰৰ এক গণ মাধ্যম। যাত্ৰাভিনয় মূলত প্ৰাচীন পৰম্পৰা আৰু পৰিৱৰ্তনৰ মাজেৰে বিকাশ লাভ কৰা এটি গণ মাধ্যম।' তথাপিও অতি সাম্প্ৰতিক সময়ত যাত্ৰা দলবোৰ পেশাদাৰী নাট্যাভিনয়েৰে ভৰি পৰিছে। পৰিচালক, প্ৰজোযক অথবা কলা-কুশলী সকলোৱে পেশাগত দিশটো এই যাত্ৰাদলত বিচৰা যেন ধাৰণা হয়। একোটা যাত্ৰাদলত এটা বছৰৰ বাবে পচিশৰ পৰা ত্ৰিশগৰাকী লোক নিয়োজিত হৈ পৰে। পূৰ্বতে কৃষিজিৱী লোকসকলে অৱসৰ- বিনোদনৰ বাবে যাত্ৰাত অপেশাদাৰী হিচাপে অভিনয় কৰিছিল অথবা উৎসৱ-পাৰ্ৱনত সমূহীয়াভাৱে উপভোগ কৰি আনন্দত মতলীয়া হৈছিল। বিভিন্ন জাতি জনগোষ্ঠীৰ মহা মিলনৰ থলী অসমী আইৰ বুকুত বাৰিষাৰ সময়ছোৱাৰ বাহিৰে সকলো সময়তেই উদ্‌যাপিত হোৱা বিভিন্ন উৎসৱ-পাৰ্ৱনত নিশা প্ৰদৰ্শিত হয় এই যাত্ৰাপাৰ্টি। কিন্তু অতীতৰ দৰে শিল্পীসকলে আজিকালি অভিনয়ক নিচা হিচাপে গ্ৰহণ নকৰি বেছিভাগেই এতিয়া পেশাগত পথ বুলি গণ্য কৰিছে। সেয়েহে যাত্ৰাভিনয়ৰ দ্বাৰা পেশাগতভাৱে লাভ কৰা সিমিত পৰিমাণৰ ধনেৰেই বহু শিল্পীয়ে পৰিয়াল ভৰণ পোষণৰ দায়িত্ব লৈ আহিছে। উল্লেখ কৰা প্ৰয়োজন যে যাত্ৰাদলসমূহ আয়োজকসকলে অতি কম খৰচত নিমন্ত্ৰণ কৰাৰ বাবে শিল্পীসকলে পাবলগা ধন লাভ নকৰে বুলি বহু প্ৰযোজক আৰু শিল্পীয়ে কব খোজে। যাৰ ফলত সময়ে সময়ে বহু শিল্পীয়ে হতাশাত ভুগি অৱশেষত এই পথ পৰিহাৰো কৰে।

তথাপিও সামৰণিৰ শেষ সীমনাত এটা কথা স্পষ্টভাৱে কবই লাগিব যে অসমীয়া সমাজ জীৱনৰ কৃষ্টি-সংস্কৃতিৰ বৰপথাৰখনত নামনি অসমৰ লগতে দক্ষিণ কামৰূপৰ যাত্ৰাপাৰ্টি অথবা যাত্ৰাদলে অতীজৰে পৰাই অন্য এক মাত্ৰা বহন কৰি আহিছে। সেয়েহে ইয়াৰ উত্তৰণৰ বাবে অথবা জড়িত হৈ থকা শিল্পী কলা কুশলীৰ বাবেও ৰজাঘৰীয়াই সহায়ৰ হাতখন আগবঢ়াই দিলে হয়তো ই আসমীয়া সমাজ জীৱনত অনাগত দিনতো বৰ্ণময় ৰূপত আয়তনিক মাত্ৰা দি যাব। অন্যথা ইয়াৰ লগত জড়িতসকলে আৰ্থিক দৈন্যতাৰ বাবেই এদিন এই পথ পৰিহাৰ কৰিবলৈ বাধ্য হৈ পৰিব। সমগ্ৰ দক্ষিণ কামৰূপত জন্মলগ্নৰে পৰা ডেৰ শতাধিক যাত্ৰাদলৰ তথ্য পোৱা যায় যদিও বৰ্তমান পোন্ধৰখন মানহে সক্ৰিয় হৈ থকা বিষয়টোৱেই প্ৰকৃততে যে যাত্ৰাভিনয়ৰ ঐতিহ্য সংকটাপন্ন হৈ সেয়া স্পষ্ট। সময় থাকোতেই ব্যৱস্থা গ্ৰহণ নকৰিলে এদিন অতীতৰ পৰম্পৰা আৰু ঐক্য সংহতিৰ এনাজৰীডাল সুদৃঢ় কৰি উৎসৱ-পাৰ্ৱনসমূহত বিশেষ ভূমিকা গ্ৰহণ কৰি অহা চহা জীৱনৰ সুখানুভূতিৰ এইযাত্ৰাভিনয় এদিন আমাৰ মাজৰ পৰা নোহোৱা হৈ যাব।(পুনৰ মুদ্ৰিত)

(বি: দ্ৰ:- বিভিন্ন উৎস তথা কাকত-আলোচনীৰ সহায় লোৱা হৈছে।)

পেশাদাৰী আৰু দুয়োটাৰে মধ্যবৰ্তী যাত্ৰাদলৰ যাত্ৰাভিনয়। যাত্ৰাভিনয়ত প্ৰাচীন নাট্যাভিনয়ৰ জড়িয়তে আনন্দ দান দিয়াতো মুখ্য উদ্দেশ্য। ই গ্ৰাম্য প্ৰধান লোকৰ পৰিৱেশ্য কলা চেতনাৰে সঞ্চাৰিত মাধ্যম। সমগ্ৰ গ্ৰামাঞ্চলৰ উৎসাহ-উদ্দীপনা আদিৰ লগত জড়িত। সৃষ্টিশীল প্ৰতিভাক পোহৰলৈ লৈ অহাৰ প্ৰয়াস তথা ধৰ্ম, ইতিহাস, জীৱন, দৰ্শনাদি প্ৰচাৰৰ এক গণ মাধ্যম। যাত্ৰাভিনয় মূলত প্ৰাচীন পৰম্পৰা আৰু পৰিৱৰ্তনৰ মাজেৰে বিকাশ লাভ কৰা এটি গণ মাধ্যম।' তথাপিও অতি সাম্প্ৰতিক সময়ত যাত্ৰা দলবোৰ পেশাদাৰী নাট্যাভিনয়েৰে ভৰি পৰিছে। পৰিচালক, প্ৰজোযক অথবা কলা-কুশলী সকলোৱে পেশাগত দিশটো এই যাত্ৰাদলত বিচৰা যেন ধাৰণা হয়। একোটা যাত্ৰাদলত এটা বছৰৰ বাবে পচিশৰ পৰা ত্ৰিশগৰাকী লোক নিয়োজিত হৈ পৰে। পূৰ্বতে কৃষিজিৱী লোকসকলে অৱসৰ- বিনোদনৰ বাবে যাত্ৰাত অপেশাদাৰী হিচাপে অভিনয় কৰিছিল অথবা উৎসৱ-পাৰ্ৱনত সমূহীয়াভাৱে উপভোগ কৰি আনন্দত মতলীয়া হৈছিল। বিভিন্ন জাতি জনগোষ্ঠীৰ মহা মিলনৰ থলী অসমী আইৰ বুকুত বাৰিষাৰ সময়ছোৱাৰ বাহিৰে সকলো সময়তেই উদ্‌যাপিত হোৱা বিভিন্ন উৎসৱ-পাৰ্ৱনত নিশা প্ৰদৰ্শিত হয় এই যাত্ৰাপাৰ্টি। কিন্তু অতীতৰ দৰে শিল্পীসকলে আজিকালি অভিনয়ক নিচা হিচাপে গ্ৰহণ নকৰি বেছিভাগেই এতিয়া পেশাগত পথ বুলি গণ্য কৰিছে। সেয়েহে যাত্ৰাভিনয়ৰ দ্বাৰা পেশাগতভাৱে লাভ কৰা সিমিত পৰিমাণৰ ধনেৰেই বহু শিল্পীয়ে পৰিয়াল ভৰণ পোষণৰ দায়িত্ব লৈ আহিছে। উল্লেখ কৰা প্ৰয়োজন যে যাত্ৰাদলসমূহ আয়োজকসকলে অতি কম খৰচত নিমন্ত্ৰণ কৰাৰ বাবে শিল্পীসকলে পাবলগা ধন লাভ নকৰে বুলি বহু প্ৰযোজক আৰু শিল্পীয়ে কব খোজে।

# কামৰূপত বিশ্ব ধঁপাত বিৰোধী দিৱস পালন

**আমিনগাঁও,১ জুনঃ** হাজোৰ দমদমা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিশ্ব ধঁপাত বিৰোধী দিৱস-২০২৬ উপলক্ষে 'Unmasking the Appeal: Countering Nicotine and Tobacco Addiction' শীৰ্ষক বিষয়বস্তুৰে এক সজাগতামূলক অনুষ্ঠান অনুষ্ঠিত হয়। জিলা ধঁপাত নিয়ন্ত্ৰণ কোষ, কামৰূপ আৰু জিলা স্বাস্থ্য সমিতি, কামৰূপৰ যৌথ উদ্যোগত আয়োজিত এই অনুষ্ঠানৰ উদ্দেশ্য আছিল ধঁপাত আৰু নিক'টিনজনিত আসক্তিৰ ক্ষতিকাৰক প্ৰভাৱ সম্পৰ্কে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰা আৰু এখন সুস্থ, ধঁপাতমুক্ত সমাজ গঠনত সকলোকে উদ্বুদ্ধ কৰা। অনুষ্ঠানত কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই মুখ্য অতিথি হিচাপে অনুষ্ঠানত উপস্থিত থাকি আয়ুক্ত গৰাকীয়ে কয় যে ধঁপাত সেৱনে ব্যক্তিৰ স্বাস্থ্যৰ লগতে পৰিয়াল আৰু সমাজৰ ওপৰত গভীৰ নেতিবাচক প্ৰভাৱ পেলায়। তেওঁ বিশেষকৈ যুৱ প্ৰজন্মক ধঁপাত, গুটখা, জৰ্দা, খৈনী আদি নিচাজাতীয় সামগ্ৰীৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনায়। তেওঁ লগতে কয় যে, ধঁপাত নিয়ন্ত্ৰণ কেৱল চৰকাৰৰ দায়িত্ব নহয়, বৰং সমাজৰ প্ৰতিজন ব্যক্তিৰ সক্ৰিয় অংশগ্ৰহণেৰে এখন সুস্থ আৰু সুৰক্ষিত সমাজ গঠন সম্ভৱ। ইয়াৰ উপৰিও জিলা আয়ুক্তগৰাকীয়ে শিক্ষাৰ্থীসকলক ধঁপাত সেৱন আৰু অন্যান্য ক্ষতিকাৰক নিচাজাতীয় অভ্যাসৰ পৰা দূৰত থাকিবলৈ আহ্বান জনায়। তেওঁ কয় যে এই ধৰণৰ অভ্যাসে কেৱল স্বাস্থ্যৰ ক্ষতি সাধন নকৰে, বৰং শিক্ষাৰ্থীসকলক তেওঁলোকৰ জীৱনৰ লক্ষ্য আৰু আকাংক্ষাৰ পৰা বিচ্যুত কৰাৰ সম্ভাৱনাও সৃষ্টি কৰে। আয়ুক্তগৰাকীয়ে লগতে কয় যে,'নিজৰ পৰিৱেশ পৰিচ্ছন্ন আৰু সুস্থ কৰি ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে ধঁপাতমুক্ত আৰু পৰিষ্কাৰ পৰিৱেশ গঢ়ি তোলাটো সকলো নাগৰিকৰ দায়িত্ব। সমল ব্যক্তি হিচাপে উপস্থিত থাকি অধ্যাপক তথা দায়িত্বপ্ৰাপ্ত বিষয়া, মুখ্য গৱেষক তথা প্ৰতিৰোধমূলক কৰ্কট ৰোগ বিভাগ, নেচনেল ট'বেকো কুইট লাইন চাৰ্ভিচেছ, ডাঃ ভুৱনেশ্বৰ বৰুৱা আঞ্চলিক কৰ্কট প্ৰতিষ্ঠানৰ অধ্যাপিকা ডাঃ শ্ৰাৱণা মিশ্ৰ ভাগৱতীয়ে ধঁপাত সেৱনৰ ফলত হোৱা বিভিন্ন ধৰণৰ কৰ্কট ৰোগ, হৃদৰোগ আৰু অন্যান্য জটিল স্বাস্থ্যজনিত সমস্যাৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। লগতে ৰাষ্ট্ৰীয় ধঁপাত নিয়ন্ত্ৰণ কাৰ্যসূচী, স্বাস্থ্য সেৱা সঞ্চালকালয়, অসমৰ ৰাজ্যিক পৰামৰ্শদাতা ডাঃ ৰমেশ ভট্টাচাৰ্যই ধঁপাত নিয়ন্ত্ৰণ আইন, ৰাষ্ট্ৰীয় ধঁপাত নিয়ন্ত্ৰণ কাৰ্যসূচী আৰু ধঁপাত ত্যাগৰ বাবে উপলব্ধ সেৱাসমূহৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানত ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান গুৱাহাটীৰ সহযোগী অধ্যাপক ডাঃ ৰামদাস ৰানসিংয়ে স্বাস্থ্যসচেতনতা বৃদ্ধি আৰু জীৱনশৈলীৰ ইতিবাচক




পৰিৱৰ্তনৰ জৰিয়তে ধঁপাতজনিত ৰোগ হ্ৰাস কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ অংশ হিচাপে কামৰূপ জিলা পথ সুৰক্ষা সমিতিৰ সহযোগত পথ সুৰক্ষা বিষয়ক এক সজাগতামূলক অনুষ্ঠান অনুষ্ঠিত হয়। এই অধিৱেশনত কামৰূপৰ সহকাৰী আৰক্ষী অধীক্ষক দীপক শৰ্মা আৰু মটৰ যানবাহন পৰিদৰ্শক জয়সিং ৰংফাৰে পথ দুৰ্ঘটনা প্ৰতিৰোধ, যান-বাহন চলাচলৰ নিয়ম মানি চলা, হেলমেট আৰু ছিটবেল্ট ব্যৱহাৰ, মদ্যপান কৰি গাড়ী নচলোৱা আদি বিষয়ত উপস্থিত লোকসকলক অৱগত কৰে। অনুষ্ঠানত উপস্থিত সকলো অংশগ্ৰহণকাৰীয়ে ধঁপাতজাতীয় সামগ্ৰী ব্যৱহাৰ নকৰা আৰু ধঁপাত সেৱনকাৰী বন্ধু-বান্ধৱ তথা পৰিয়ালৰ সদস্যসকলক এই ক্ষতিকাৰক অভ্যাস ত্যাগ কৰিবলৈ ধঁপাত বিৰোধী শপত গ্ৰহণ কৰে। অনুষ্ঠানত উপস্থিত বক্তাসকলে ধঁপাত সেৱনৰ ফলত বৃদ্ধি পোৱা স্বাস্থ্যজনিত বিপদসমূহৰ বিষয়ে আলোকপাত কৰি বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত ধঁপাত সেৱন ৰোধ কৰিবলৈ শিক্ষানুষ্ঠান, স্বাস্থ্য বিভাগ, সমাজৰ নেতৃবৃন্দ আৰু সাধাৰণ জনসাধাৰণৰ সমন্বিত প্ৰচেষ্টাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কামৰূপৰ জিলা প্ৰকল্প বিষয়া স্মিতা শইকীয়াই আদৰণি ভাষণ প্ৰদান কৰা সমগ্ৰ অনুষ্ঠানৰ আতঁ ধৰে স্বাস্থ্য বিভাগৰ কৰ্মচাৰী বিকাশজ্যোতি শৰ্মাই। উক্ত অনুষ্ঠানত জিলা ধঁপাত নিয়ন্ত্ৰণ কোষ, কামৰূপৰ জিলা ন'ডেল বিষয়া ডাঃ অৰবিন্দ দাস, হাজো খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ এছ ডি এম এণ্ড এইচ অ' ডাঃ মাছুদ ইকবাল, দমদমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰঞ্জন শৰ্মা আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান মিছন কামৰূপৰ জিলা মিডিয়া বিশেষজ্ঞ নীলাক্ষী মেধিকে ধৰি ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰী, বিভিন্ন চৰকাৰী বিভাগৰ প্ৰতিনিধি আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# নিঅ'টিয়া ভাগীৰথী মহিলা আৰু শিশু যত্ন কেন্দ্ৰত বৈজ্ঞানিক আলোচনাচক্ৰ সম্পন্ন

**গুৱাহাটী,১ জুনঃ** গুৱাহাটীৰ নিঅ'টিয়া ভাগীৰথী মহিলা আৰু শিশু যত্ন কেন্দ্ৰয়ে নৰ্থ ইষ্ট অৱষ্টেট্ৰিক্স এণ্ড গাইনোক'লজিকেল ছ'চাইটিৰ সহযোগত এক বৈজ্ঞানিক আলোচনাচক্ৰ ২০২৬ আয়োজন কৰে। ইয়াত সন্মানীয় অতিথি হিচাপে নৰ্থ ইষ্ট অৱষ্টেট্ৰিক্স এণ্ড গাইনোক'লজিকেল ছ'চাইটিৰ অধ্যক্ষ ডাঃ পঞ্চানন দাসকে ধৰি বিশিষ্ট ক্লিনিকেল বিশেষজ্ঞসকলৰ লগতে অম্বুজা নিঅ'টিয়া হেলথকেয়াৰ ভেঞ্চাৰ লিমিটেডৰ মেনেজমেণ্ট সদস্য আৰু জ্যেষ্ঠ নেতৃত্বৰ সদস্য যুটীয়া পৰিচালন সঞ্চালক পাৰ্থিৱ নিঅ'টিয়া, পি এল মেহতা, উপাধ্যক্ষ আৰু পৰিচালন সঞ্চালক আৰু ৰুমা বেনাৰ্জী, যুটীয়া সভাপতি আৰু মুখ্য কাৰ্যবাহী বিষয়া। এই আলোচনাচক্ৰত বিশেষজ্ঞ, চিকিৎসক আৰু স্বাস্থ্যসেৱা পেশাদাৰীসকলৰ এক বিবিধ গোট আহ্বান কৰা হৈছিল, যি প্ৰসূতি আৰু স্ত্ৰীৰোগ বিজ্ঞানৰ মুখ্য বিকাশৰ ওপৰত কেন্দ্ৰীভূত আলোচনাৰ সুবিধা প্ৰদান কৰিছিল। এই আলোচনাচক্ৰত সন্মানীয় অতিথি হিচাপে উপস্থিত আছিল নৰ্থ ইষ্ট অৱষ্টেট্ৰিক্স এণ্ড গাইনোক'লজিকেল ছ'চাইটিৰ সভাপতি ডাঃ পঞ্চানন দাস। বৈজ্ঞানিক অধিৱেশনবোৰে সমসাময়িক প্ৰসূতি আৰু স্ত্ৰীৰোগ বিজ্ঞানক গঢ় দিয়া বিষয়ৰ এক বিস্তৃত আৰু বিশাল পৰিসৰ প্ৰতিফলিত কৰিছিল। বিশেষজ্ঞসকলৰ বক্তৃতাবোৰৰ ভিতৰত আছিল মহিলাৰ স্বাস্থ্যৰ ওপৰত জলবায়ু পৰিৱৰ্তন আৰু পৰিৱেশ প্ৰদূষণৰ প্ৰভাৱৰ ওপৰত অধ্যাপক ডাঃ কৃষেন্দু গুপ্তা, বন্ধ্যাত্বৰ ওপৰত ডাঃ স্বাগত বৈশ্য আৰু লেপাৰোস্কোপিক প্ৰক্ৰিয়াৰ অগ্ৰগতিৰ ওপৰত ডাঃ সুজাতা দত্ত। এইবোৰৰ




পৰিপূৰক আছিল উচ্চ-বিপদাশংকা গৰ্ভধাৰণ, ব্যক্তিগত চিকিৎসা পদ্ধতিৰ জৰিয়তে সঠিক উৰ্বৰতা, আৰু এণ্ডোমেট্ৰিঅ'চিছ ব্যৱস্থাপনাৰ ওপৰত পেনেল আলোচনা, লগতে সময়মতে হস্তক্ষেপ কৌশল আৰু ক্লিনিকেল ফলাফল উন্নত কৰাৰ ওপৰত আলোচনা। বিষয়বোৰৰ বিস্তৃততাই বহুবিভাগীয় ব্যস্ততাৰ বৰ্ধিত প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰিছিল, যাৰ ফলত চিকিৎসকসকলে তথ্যমূলক, প্ৰমাণ-আধাৰিত পদ্ধতিৰ জৰিয়তে বিবিধ আৰু জটিল ৰোগীৰ পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ সক্ষম হৈছিল। আলোচনাচক্ৰত ডাঃ অৰুণ মাধব বৰুৱা, ডাঃ ৰতুল দত্ত, ডাঃ যশোধন ডেকা, অধ্যাপক ডাঃ শাশ্বতী সান্যাল চৌধুৰী, ডাঃ আয়োনা বৰঠাকুৰ, ডাঃ হেমংগ বৈশ্য, ডাঃ কল্পনা চৌধুৰী আৰু ডাঃ আলোক দেৱকে ধৰি কেইবাজনো বিশিষ্ট চিকিৎসকৰ পৰা মূল্যৱান শৈক্ষিক আলোচনা আৰু বিশেষজ্ঞ মতামতৰ সাক্ষী হৈছিল। ক্লিনিকেল ক্ষেত্ৰৰ এক বিস্তৃত পৰিসৰত কেন্দ্ৰীভূত আলোচনাৰ সৈতে শৈক্ষিক অধিৱেশনবোৰ প্ৰসূতি আৰু স্ত্ৰীৰোগ বিজ্ঞানৰ পৰিৱৰ্তিত পৰিসৰ আৰু জটিলতা প্ৰতিফলিত কৰাৰ বাবে গঠন কৰা হৈছিল। বিশেষজ্ঞৰ নেতৃত্বত অধিৱেশনসমূহে মহিলাৰ স্বাস্থ্যৰ ওপৰত জলবায়ু পৰিৱৰ্তন আৰু পাৰিপাৰ্শ্বিক কাৰকসমূহৰ প্ৰভাৱ পৰীক্ষা কৰিছিল। আনহাতে উচ্চ-বিপদাশংকা গৰ্ভধাৰণৰ ওপৰত আলোচনাই আগতীয়া ৰোগ নিৰ্ণয়, সময়মতে হস্তক্ষেপ আৰু সমন্বিত যত্নৰ পথৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এণ্ডোমেট্ৰিঅ'চিছৰ ওপৰত অধিক আলোচনাই বিলম্বিত ৰোগ নিৰ্ণয় আৰু বিকশিত ব্যৱস্থাপনা কৌশলৰ সৈতে সম্পৰ্কিত প্ৰত্যাহ্বানবোৰ সম্বোধন কৰিছিল। প্ৰতিষ্ঠানটোৰ ২৫ বছৰীয়া যাত্ৰাক প্ৰতিফলিত কৰা এক সমৰ্পিত অধিৱেশনে এক বহুমুখী আৰু ৰোগী-কেন্দ্ৰিক পদ্ধতিৰ জৰিয়তে নিৰন্তৰ যত্নৰ মডেল বিকশিত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে, যি মহিলাৰ স্বাস্থ্যসেৱা আগবঢ়াই নিয়াৰ বাবে ইয়াৰ দীৰ্ঘম্যাদী প্ৰতিশ্ৰুতি শক্তিশালী কৰে। একেলগে, অধিৱেশনবোৰে ৰোগীৰ পৰিৱৰ্তিত প্ৰয়োজনীয়তাৰ সৈতে খাপ খোৱাৰ বাবে নিৰন্তৰ চিকিৎসা বিনিময় আৰু প্ৰমাণ-আধাৰিত অনুশীলনৰ গুৰুত্ব শক্তিশালী কৰিছিল।ভৌগোলিক অঞ্চলত, স্বাস্থ্যসেৱাৰ প্ৰয়োজনীয়তা যথেষ্ট পৃথক হয়, পৃথক পাৰিপাৰ্শ্বিক, জীৱনশৈলী আৰু জনগাঁথনিগত কাৰকৰ দ্বাৰা গঢ় দিয়া হয় - এক অন্তৰ্দৃষ্টি যি উত্তৰ পূৰ্বৰ দৰে বৈচিত্ৰ্যময় অঞ্চল এটাৰ বাবে বিশেষভাৱে প্ৰাসংগিক। এই সন্দৰ্ভত, প্ৰাসংগিক আৰু সঁহাৰি দুয়োটা যত্ন নিশ্চিত কৰাৰ বাবে নিৰন্তৰ নিদানিক বাৰ্তালাপ অত্যাৱশ্যকীয় হৈ পৰে। অঞ্চলটোৰ বাবে এক মুখ্য স্বাস্থ্যসেৱা কেন্দ্ৰ হিচাপে, গুৱাহাটীয়ে এনে ব্যস্ততাৰ বাবে এক গুৰুত্বপূৰ্ণ মঞ্চ প্ৰদান কৰে। পদক্ষেপবোৰ সমগ্ৰ অঞ্চলটোত তথ্যমূলক, প্ৰমাণ-চালিত যত্ন আৰু ক্লিনিকেল ফলাফলৰ মানদণ্ড শক্তিশালী কৰাৰ বাবে অবিচ্ছেদ্য অংগ।

# আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ত ছাত্ৰী জিৰণি কোঠাৰ বাবে শৌচাগাৰ উদ্বোধন

**গুৱাহাটী,১জুনঃ** নুমলীগড় শোধনাগাৰ লিমিটেডৰ সৈতে সহযোগিতাৰে চিএছআৰ পদক্ষেপৰ অধীনত আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ত শুকুৰবাৰে গুৱাহাটী ৰটাৰী মেট্ৰ'ৰ ক্লাবৰ উদ্যোগত ছাত্ৰী জিৰণি কোঠাৰ বাবে এক নিবেদিত শৌচাগাৰ উদ্বোধন কৰা হয়। এই সুবিধা উদ্বোধন কৰে আৰটিএন ৰবি শংকৰ দত্ত, সভাপতি ২০২৫-২৬, আৰটিএনচিএ বিকাশ বিজয়বৰ্গীয়া, সম্পাদক আৰু আৰটিএন বিজয় চাৰাফ, সভাপতি ২০২৬-২৭, গুৱাহাটী মেট্ৰ' ৰটাৰী ক্লাব, মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ, অধ্যাপক সদস্য, ৰটাৰী, এন্নেছ আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত। এই অনুষ্ঠানত কলেজৰ অধ্যক্ষ ড° মৌশিমি বৰা, ডীন ছাত্ৰ কল্যাণ ড° ৰূপমালা বৰ্মন, ডীন একাডেমিক ড° মনালী শইকীয়া আৰু ড° সংগীতা কাকতিও উপস্থিত থাকে। এই




উপলক্ষে উপস্থিত থকা ৰটাৰিয়ান সদস্যসকলৰ ভিতৰত পিডিজি প্ৰভাত কেদিয়া, এছ পি চাৰাফ (তেজপুৰ), অমিত পাটোৱাৰী, আৰ পি সুৰেকা, গজানন্দ সাহেৱাল্লা, চিএছ আগৰৱাল, অৰুণ শৰ্মা নন্দন, বিশ্বম্ভৰ শৰ্মা, ৰাজীৱ অজিতসৰিয়া, দিপক বেংগানী, সঞ্জয় জৈন, বিকাশ শৰ্মা, পংকজ গুপ্তা, পুখৰাজ লুংকৰ আৰু অনুপ পোদ্দাৰ। শৌচাগাৰত চেনিটেৰী পেড ভেণ্ডিং মেচিন, বৈ যোৱা পানী আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ সজাগতামূলক পোষ্টাৰ সজ্জিত কৰা হৈছে। সভাত ভাষণ দি ৰবি শংকৰ দত্তই কয়, 'এই যৌথ প্ৰকল্পই ঋতুস্ৰাৱৰ স্বাস্থ্য আৰু মৰ্যাদাৰ প্ৰতি আমাৰ দায়বদ্ধতাক প্ৰতিফলিত কৰে। আমি বিশ্বাস কৰোঁ যে শিক্ষাৰ ক্ষেত্ৰত যুৱতীসকলক সবলীকৰণৰ বাবে পৰিষ্কাৰ, নিৰাপদ, আৰু ব্যক্তিগত অনাময় ব্যৱস্থাৰ সুবিধা মৌলিক।' আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষই ৰটাৰী ক্লাব আৰু এন আৰ এলক ছাত্ৰীৰ এক জটিল প্ৰয়োজনীয়তা পূৰণৰ বাবে আৰু অন্যান্য প্ৰতিষ্ঠানৰ বাবে আদৰ্শ সুবিধা সৃষ্টি কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। মহাবিদ্যালয়খনৰ ৮০০ৰো অধিক মহিলা ছাত্ৰীয়ে এই পদক্ষেপৰ দ্বাৰা উপকৃত হ'ব। ৰটাৰীৰ জল, অনাময় আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু এন আৰ এলৰ সম্প্ৰদায় উন্নয়নৰ দিশত স্থায়ী প্ৰচেষ্টাৰ অংশ হিচাপে এই প্ৰকল্পটো সম্পন্ন কৰা হৈছিল।

# বিধান সভা সচিবালয়ৰ কেলেংকাৰী তদন্তৰ দাবী মাছৰ

**গুৱাহাটী,১জুনঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ যোৱাটো কাৰ্যকালত অসম বিধান সভা সচিবালয়ৰ ভিতৰচ'ৰাত প্ৰাক্তন অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ পৃষ্ঠপোষকতাত তেওঁৰ অ'এছডি'সৌমেন বৰুৱাই উঠি ৰজা, বহি ৰজা হৈ বিধান সভা সচিবালয়ত ব্যাপক কেলেংকাৰী সংঘটিত কৰা বুলি প্ৰকাশিত বাতৰিত মানৱ অধিকাৰ সংগ্ৰাম সমিতিয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে।'মাছ'ৰ অধ্যক্ষ বুবুমণি গোস্বামী,কাৰ্যকৰী অধ্যক্ষ লক্ষীপ্ৰসাদ ডেকা আৰু সচিব প্ৰধান ৰিতুল বৰুৱা স্বাক্ষৰিত আৰু প্ৰচাৰ সচিব জিতুমণি নাথৰ দ্বাৰা প্ৰেৰিত এক বিবৃতি যোগে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ অধীনত এই কেলেংকাৰীৰ এক উচ্চ পৰ্যায়ৰ তদন্ত কৰোৱাৰ হকে ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বৰ্তমানৰ অধ্যক্ষ ৰঞ্জিত দাসৰ প্ৰতি আহ্বান জনাইছে। 'মাছ'ৰ দাবী-'দুৰ্নীতিৰ প্ৰশ্নত শূন্য সহনশীলতা' নীতি প্ৰযোজ্য হওক। কেলেংকাৰীত জৰিতসকলক 'চৰকাৰৰ দুৰ্নীতি চাফাই ৱাচিং মেচিন'ত সোমোৱাই নিকা হৈ ওলাই আহিবলৈ দিয়াৰ পৰিবৰ্তে সঠিক তদন্ত আৰু কঠোৰ ব্যৱস্থালৈ কাৰগাৰলৈ নিক্ষেপ কৰক।এয়া সাধাৰণ কথা নহয়,গণতন্ত্ৰৰ প্ৰথম স্তম্ভত ঘুঁণে ধৰা কাৰ্য বুলি মন্তব্য কৰে।

# নাছকমৰ প্ৰতিবেদনত প্ৰকাশঃ সকলো উদ্যোগত সলনি হৈছে চাকৰিৰ সংজ্ঞা
# ব্যৱহাৰিক কৌশলত অধিক গুৰুত্ব শীৰ্ষ নিয়োগকৰ্তাৰ


**গুৱাহাটী, ১জনঃ** এ আই অৰ্থাৎ কৃত্ৰিম বুদ্ধিমত্তা কৰ্মশক্তি কৌশলৰ মূল আধাৰ হৈ পৰাৰ লগে লগে ভাৰতীয় নিয়োগকৰ্তাসকলে সাধাৰণ উদ্যোগ আৰু প্ৰযুক্তি খণ্ড দুয়োটাতে ব্যৱহাৰিক, এআই প্ৰস্তুত দক্ষতাক অগ্ৰাধিকাৰ দিব ধৰিছে। এই কথা প্ৰকাশ পাইছে ইনডীড-নাছকমৰ 'ইণ্ডিয়াজ এ আই টেলেণ্ট ইনফ্লেকচন পইণ্টঃ ফ্ৰম স্কিল গেপছ টু কম্পিটিটিভ এডভাণ্টেজ' শীৰ্ষক প্ৰতিবেদনত। প্ৰতিবেদনত প্ৰকাশ পোৱা অনুসৰি ৮৬শতাংশ নিয়োগকৰ্তাৰ মতে এআইয়ে চাকৰিৰ ভূমিকা আৰু দায়িত্বত প্ৰভাৱ পেলাইছে। আনহাতে ৩৫শতাংশ নিয়োগকৰ্তাই এই কথা উল্লেখ কৰিছে যে,এআইৰ ফলত তেওঁলোকৰ কাৰ্যপ্ৰণালী সম্পূৰ্ণৰূপে সলনি হৈছে। প্ৰায় সকলো সংস্থাই ২০২৬ৰ ৰণনীতিক এআইকেন্দ্ৰিক নাইবা এ আই সমৰ্থিত ভূমিকাৰ আশে-পাশে আশা কৰে, য'ত ৪০শতাংশ সংস্থাই বৃহৎ সালসলনিৰ পৰিকল্পনা কৰিছে ।ইনডীড ইণ্ডিয়াৰ পৰিচালন সঞ্চালক শশী কুমাৰে কয়, 'এআই এতিয়া কেৱল প্ৰযুক্তিগত বিশেষজ্ঞৰ ভূমিকাতে সীমাবদ্ধ নহয়। ই সকলো উদ্যোগতে কাম কৰাৰ ধৰণ সলনি কৰিছে। নিয়োগকৰ্তাসকলে এতিয়া ডিগ্ৰীৰ সলনি প্ৰদৰ্শনযোগ্য দক্ষতা, প্ৰমাণপত্ৰ আৰু ব্যৱহাৰিক সামঞ্জস্যৰ ভিত্তিত নিযুক্তি প্ৰদানত গুৰুত্ব আৰোপ কৰিছে। ভাৰতৰ ওচৰত কেৱল এআই প্ৰতিভা সৃষ্টি কৰাৰ সুযোগ থকাৰ লগতে কৰ্মক্ষেত্ৰৰ প্ৰকৃত প্ৰয়োজনীয়তাৰ লগত খাপ খুৱাই লোৱাৰো সুযোগ আছে। গতিকে চাকৰি প্ৰত্যাশীসকলৰ এই কথা স্পষ্ট যে ২০২৬ত অবিৰতভাৱে শিকিব পৰা আৰু এআইৰ লগত খাপ খুৱাব পৰা ক্ষমতাই সফলতাৰ চাবিকাঠি হ'ব।' নাছকম ৰিছাৰ্চ এণ্ড ইনছাইটছৰ মুৰব্বী কেতকী কৰ্ণিকে কয়, 'এই প্ৰতিবেদনে ভাৰতীয় প্ৰতিভা পৰিৱেশতন্ত্ৰৰ এটা টাৰ্নিং পইণ্টৰ ওপৰত আলোকপাত কৰিছে। এআইয়ে প্ৰতিটো উদ্যোগতে স্থান লাভ কৰাৰ লগে লগে আমাৰ সামূহিক মনোযোগ ভৱিষ্যতৰ বাবে সাজু কৰ্মশক্তি গঢ়ি তোলাৰ বাবে দক্ষতামূলক পদক্ষেপ ত্বৰান্বিত কৰাত হ'ব লাগিব আৰু ভাৰতৰ বিশ্ব প্ৰযুক্তিৰ নেতা হিচাপে স্থান দৃঢ় কৰা হ'ব লাগিব। দক্ষতাৰ ব্যৱধানক প্ৰতিযোগিতামূলক সুবিধালৈ ৰূপান্তৰিত কৰাৰ বাবে প্ৰদৰ্শনযোগ্য এ আই-প্ৰস্তুত দক্ষতাক অগ্ৰাধিকাৰ দিয়াটো অতি গুৰুত্বপূৰ্ণ।' সাধাৰণ উদ্যোগসমূহৰ মাজেৰে নিয়োগকৰ্তাসকলে এনে দক্ষতা বিচাৰে যিয়ে এ আই গ্ৰহণ, ৰূপায়ণ আৰু ব্যৱসায়িক সংহতিক সমৰ্থন কৰে।

# ৰাজ্যজুৰি চিআইটিইউৰ ৫৬ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন




**গুৱাহাটী,১জুনঃ** সমগ্ৰ দেশৰ লগতে অসমৰ বিভিন্ন ঠাইত চেণ্টাৰ অৱ ইণ্ডিয়ান ট্ৰেড ইউনিয়নচ (চিআইটিইউ)ৰ ৫৬ সংখ্যক প্ৰতিষ্ঠা দিৱস শনিবাৰে পালন কৰা হয়। উল্লেখযোগ্য যে চি আই টি ইউৰ প্ৰতিষ্ঠা হৈছিল ১৯৭০ চনৰ ২৭ৰ পৰা ৩০ মে'লৈকে কলিকতাত অনুষ্ঠিত এখন সৰ্বভাৰতীয় শ্ৰমিক সন্মিলনত। সেই সুত্ৰেই প্ৰতি বছৰ ৩০ মে'ৰ দিনটো চি আই টি ইউৰ অন্তৰ্ভুক্ত সকলো শ্ৰমিক সংগঠনে প্ৰতিষ্ঠা দিৱস হিচাপে পালন কৰি আহিছে। গুৱাহাটীত এই কাৰ্যসূচী উলুবাৰীস্থিত চিআৰইউ ভৱনত চিআইটি ইউৰ কামৰূপ মহানগৰ জিলা কমিটিৰ উদোগত সংগঠিত কৰা হয়। কাৰ্যসূচীৰ প্ৰথমে চিআইটি ইউৰ ৰক্ত পতাকা উত্তোলন কৰে মহানগৰ জিলাৰ সভাপতি আলি আকবৰে। শ্ৰমিক আন্দোলন আগুৱাই নিবলৈ গৈ শ্বহীদৰ মৃত্যুবৰণ কৰাসকলৰ প্ৰতি শ্ৰদ্ধা জনাই শ্বহীদ বেদীত মাল্যৰ্পণ কৰে আই টিইউৰ ৰাজ্যিক সাধাৰণ সম্পাদক তপন শৰ্মাই। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি 'শ্ৰমিকৰ একমাত্ৰ শত্ৰু শ্ৰম কোড' আৰু 'সমসাময়িক পৰিস্থিতিত শ্ৰমিকসকলৰ ওপৰত পুঁজিবাদৰ আক্ৰমণ আৰু শ্ৰমিক শ্ৰেণীৰ দৰ্শন' শীৰ্ষক আলোচনা সভা অনুস্থিত হয়। চিআইটিইউৰ মহানগৰ জিলাৰ সভাপতি আলি আকবৰৰ সঞ্চালনত অনুস্থিত আলোচনা সভাৰ বিষয়বস্তু উথাপন কৰে সংগঠনটোৰ জিলা সম্পাদক প্ৰতুল বৰ্মনে। আলোচক হিচাপে অংশগ্ৰহণ কৰে চি আই টি ইউৰ ৰাজ্যিক সাধাৰণ সম্পাদক তপন শৰ্মা আৰু ৰাজ্যিক বিষয়ববীয়া ৰাহুল পুৰকায়স্থই। আলোচদ্বয়ে কয় যে শোষণ বঞ্চনাৰ অৱসান কৰি শ্ৰমিক-কৰ্মচাৰীৰ অধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত চিআইটিইউয়ে এটা গুৰুত্বপৰ্ণ ভূমিকা পালন কৰি আছে। শাসক আৰু শোষক গোষ্ঠীৰ নানা প্ৰকাৰৰ শ্ৰমিক আৰু জনবিৰোধী নীতিৰ বিৰুদ্ধে প্ৰতিৰোধ আৰু প্ৰত্যাখানৰ ৰণনীতিলৈ চি আই টি ইউয়ে দেশৰ সকলো শ্ৰমিক সংগঠনক ঐক্যবদ্ধ কৰাৰ প্ৰচেষ্টা চলাই আছে। তেখেতসকলে জনাই যে শ্ৰমিক শ্ৰেণী আৰু সাধাৰণ জনতাই জীৱন নিৰ্বাহ কৰোতে এক ভয়ংকৰ প্ৰত্যাহবান আৰু আক্ৰমণৰ সন্মুখীন হৈছে। এহাতে কৰ্ম ব্যৱস্থাৰ ওপৰত নব্য উদাৰবাদী আৰ্থিক নীতিবোৰে মাৰাত্মক আক্ৰমণ চলাইছে। আনহাতে আৰ এছ এছৰ নেতৃত্বত মানুহক ধৰ্ম, জাত-পাত আদিৰ নামত ভাগ ভাগ কৰি ঐক্যবদ্ধ সংগ্ৰামক দুৰ্বল কৰি তুলিছে আৰু বৃহৎ পুজিঁপতি গোষ্ঠীক মুনাফা আদায়ৰ সুযোগ কৰি দিছে। আনহাতে দেশৰ বৃহৎ পুজিঁপতিৰ স্বাৰ্থত তৈয়াৰ কৰিছে 'শ্ৰম কোড'। এই কোডে শ্ৰমিকসকলৰ আৰ্জিত সকলোখিনি অধিকাৰে কৰ্তন কৰিব। এক কথাত ক'বলৈ গ'লে শ্ৰম কোডে সকলো স্তৰৰ শ্ৰমিকক হিতাধিকাৰীত পৰিণত কৰিব। অৰ্থাৎ কৰ্মক্ষেত্ৰত মালিকপক্ষৰ অনুগ্ৰহতহে শ্ৰমিকে পাৰিশ্ৰমিক পাব। আলোচনা সভাত উপস্থিত থাকি চিআই চি ইউৰ প্ৰতিষ্ঠাৰ ইতিহাস সম্পৰ্কে বক্তব্য ৰাখে ধৰে ৰাজ্যিক শ্ৰমিক নেতা বীৰেণ শৰ্মা আৰু বিজন দাসে। আজিৰ প্ৰতিষ্ঠা দিৱসৰ দিনাই শোষণ বঞ্চনাৰ অৱসান বিচাৰি শ্ৰমজীৱী মানুহক ঐক্যবদ্ধ হোৱাৰ আহবান জনাই চি আই টি ইউৰ ৰাজ্যিক নেতৃত্বই।

# মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কৃতজ্ঞতা
## ইউচিচি বলৱতৰ সিদ্ধান্তক প্ৰাক্তন মন্ত্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ আদৰণি



**গুৱাহাটী,১জুনঃ** ইউনিফৰ্ম চিভিল কোড (ইউচিচি) বা সম নাগৰিক সংহিতা আইন বলৱতৰ জৰিয়তে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰে গ্ৰহণ কৰা শক্তিশালী স্থিতিক ৰাজ্যজুৰি বিভিন্ন পক্ষই আদৰণি জনোৱাৰ সময়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কৃতজ্ঞতা প্ৰকাশ কৰিছে প্ৰাক্তন মন্ত্ৰী তথা অগপ দলৰ জ্যেষ্ঠ নেতা ৰমেন্দ্ৰ নাৰায়ণ কলিতাই। এটা বিবৃতিত ৰমেন্দ্ৰ নাৰায়ণ কলিতাই কয় যে, ৰাজ্যবাসীৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে মুখ্যমন্ত্ৰী ড°হিমন্ত বিশ্ব শৰ্মাই এক সময়োপযোগী পদক্ষেপ গ্ৰহণ কৰিছে। বিশেষকৈ লিভ-ইন ৰিলেচনশ্বিপে সমাজখনৰ বহু ক্ষতি কৰিছে। ইউচিচি বলৱতৰ জৰিয়তে এতিয়াৰে পৰা সমাজৰ বাবে ক্ষতিকাৰক এই ব্যৱস্থা সম্পূৰ্ণ বন্ধ হৈ পৰিব। আজিৰ যুগত এই ব্যৱস্থা সঁচাকৈয়ে বন্ধ কৰাৰ প্ৰয়োজন আছিল। মুখ্যমন্ত্ৰী ড° শৰ্মাই নিৰ্বাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি অনুসৰি অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনতে এই বিলখন উপস্থাপন কৰি গৃহীত কৰিছে। আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে এই বিলখনৰ খুব প্ৰয়োজন আছিল। ইউচিচি বলৱতৰ বাবে মুখ্যমন্ত্ৰী ড°শৰ্মাই লোৱা প্ৰচেষ্টাক আদৰণি জনোৱাৰ লগতে ভৱিষ্যতে প্ৰয়োজনীয় সকলো সহযোগিতা চৰকাৰক আগবঢ়াবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলি প্ৰাক্তন মন্ত্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই ঘোষণা কৰিছে। আনহাতে ইউচিচিক লৈ কোনো কাৰণতে ৰাজনীতি হ'ব নালাগে বুলি সকলো পক্ষকে আহ্বান জনাইছে প্ৰাক্তন মন্ত্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই। প্ৰাক্তন মন্ত্ৰী কলিতাই ৰাজ্যৰ ৰাজনৈতিক - অৰাজনৈতিক সমাজৰ সকলোৱে ইয়াক মুকলি মনেৰে গ্ৰহণ কৰিব লাগে। ৰাজ্যৰ সামাজিক বাতাৱৰণ চাই সকলোৱে সম অধিকাৰ পাব বুলি আমি আশা কৰিছোঁ। মহিলাৰ শোষণ, মহিলাৰ সুৰক্ষাহীনতা, নিষ্পেষণ হৈছে। যদিহে ইউচিচিক প্ৰত্যাহ্বান জনাব লাগে তেন্তে বিধানসভা, আইন, আদালত আছে প্ৰত্যাহ্বান জনাব পাৰে।উল্লেখ্য যে, অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ শেষৰ দিনটোত ইউচিচি গৃহীত হয়। ইউচিচি বিল শাসকীয় মিত্ৰপক্ষই ধ্বনি ভোটত গৃহীত কৰাৰ বিপৰীতে কংগ্ৰেছসহ বিৰোধীয়ে ইয়াৰ বিৰোধিতা কৰি বিলখন বিধানসভাৰ ছিলেক্ট কমিটীলৈ প্ৰেৰণৰ দাবী জনাইছিল।

# মডাৰ্ণ ইংলিছ স্কুলত শ্ৰী মাধৱদেৱৰ জন্মোৎসৱ পালন

**গুৱাহাটী:ৰ জুন,** ছাত্ৰ -ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধন আৰু গুৰু দুজনাৰ জীৱন দৰ্শনৰ প্ৰতি সম্যক আভাস দিয়াৰ লগতে বৈষ্ণৱ সাহিত্যৰ লগত পৰিচিত কৰাৰ উদ্দেশ্যে আগত ৰাখি কাহিলিপাৰাৰ মডাৰ্ণ ইংলিছ স্কুলত প্ৰতি বছৰে গুৰু দুজনাৰ জন্মোৎসৱ অতি উলহ-মালহেৰে পালন কৰা হয়।এই বেলিও অহা ৰ জুন তাৰিখে শ্ৰী মাধৱদেৱৰ জন্মোৎসৱ উপলক্ষে বিদ্যালয় খনে নানা সাংস্কৃতিক কাৰ্যসূচী পালন কৰিছে।ৰাতিপুৱা প্ৰাৰ্থনা সভাত মাধৱদেৱৰ অনুকৃতিত মাল্যাৰ্পন আৰু গুৰু জনাৰ তথ্য সম্বলিত পত্ৰিকা উন্মোচন কৰাৰ পাছতেই শংকৰী সংস্কৃতিৰ অন্যতম উপাদান




বৰগীত পৰিৱেশন কৰা হয়। তাৰ পাছতেইপ্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে হয়। বৰগীত প্ৰতিযোগিতাৰ অন্তত বিদ্যালয় খনৰ চাৰিটা হাউচৰ দুটাকৈ মুঠ আঠটা দলৰ মাজত দিহা নাম প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে। বৰগীত আৰু দিহা নাম প্ৰতিযোগিতাৰ বিচাৰক হিচাপে উপস্থিত থাকে গিৰিজানন্দ চৌধুৰী বিশ্ববিদ্যালয়ৰ ভাষা বিষয়ক অতিথি অধ্যাপক, লোক সংগীতৰ গৱেষক , টোকাৰী গীতৰ। বিশিষ্ট সাধক শ্ৰী হীৰক জ্যোতি শৰ্মা ডাঙৰীয়া । অনুষ্ঠানৰ আৰম্ভণিতে এটি সাৰুৱা ভাষণ আৰু এটা টোকাৰী গীতেৰে ছাত্ৰ -ছাত্ৰীক আপ্লুত কৰে।মুলতঃ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াতগুৰু দুজনাৰ মহৎ অৱদান আৰু সনাতনী সংস্কৃতিৰ সৈতে পৰিচিত কৰাৰ উদ্দেশ্যে লৈয়ে বিদ্যালয় খনৰ এই প্ৰয়াস বুলি বিদ্যালয় কতৃপক্ষই এই কথা প্ৰকাশ কৰে।

# স্বাস্থ্য আৰু সৌন্দৰ্য

## শীতকালত পানী খোৱাৰ প্ৰয়োজনীয়তা



ডাঃ ভবেন চৌধুৰী

সমগ্ৰ বিশ্বত বিভিন্ন সময়ত বিভিন্ন ঠাইত শীতকাল আৰম্ভ হয়। এই ঋতুৰে এক সুন্দৰ পৰিৱেশ আৰু লগতে আকৰ্ষণীয় জৈৱ বিচিত্ৰতা আনে। এইটো ঋতু হৈছে যিটো ঋতুত আমি ঠাণ্ডা অনুভৱ কৰো আৰু শীতকালত পিন্ধিবলগীয়া কাপোৰ উলিয়াও। যি কি নহওঁক, এক সুন্দৰ বাতাবৰণৰ আমেজ উঠাব লাগে। সুন্দৰ পৰিৱেশৰ আমেজ লবলৈ সুস্বাস্থ্যৰ অধিকাৰী হোৱাটো দৰকাৰ। যদিও শীত ঋতুৰে বিভিন্ন প্ৰকাৰে আনন্দদায়ক অনুভৱ প্ৰদান কৰে, এই ঋতুত বিভিন্ন ধৰণৰ ৰোগে দেখা দিয়ে। এনে পৰিস্থিতিত স্বাস্থ্য সমস্যাবোৰ সমাধান কৰিবলৈ এজন ব্যক্তিৰ প্ৰতিৰক্ষা প্ৰণালী উচিত আৰু সক্ষম হোৱা দৰকাৰ। এইক্ষেত্ৰত পানীয়ে. এক মহত্বপূৰ্ণ ভূমিকা পালন কৰে। বিভিন্ন কাৰণে পানীক এক মহত্বপূৰ্ণ তৰল পদাৰ্থ হিচাপে স্বীকৃতি দিছে, যিয়ে স্বাস্থ্য সমস্যাবোৰ নিয়মিতভাৱে সমাধান কৰিব পাৰে। শীতকালীন নিৰ্জলীকৰণ প্ৰতিৰোধ আজিৰ যুৱ প্ৰজন্মৰ মাজত নিৰ্জলীকৰণ এক ব্যাপক সমস্যা। গৰমৰ দিনত দেহৰ পানী নিষ্কাশনৰ সমস্যা সোনকালে চকুত পৰে, কিন্তু শীতকালত ইয়াক ধৰা পেলোৱা সহজ নহয়। গ্ৰীষ্মকালত এইটো বুজিব পৰা যায় যে শৰীৰৰ জলযোজন সমস্যাটো ঘাম আৰু ভাগৰ অনুভৱৰ দৰে লক্ষণৰ পৰা প্ৰভাৱিত হৈ আছে। শীতকালত এজন ব্যক্তি নিৰ্জলীকৰণৰ লক্ষণ চাবৰ কাৰণে একে স্থিতিতে নাথাকে, কিয়নো ব্যক্তিৰ বেছি ঘাম নোলায় আৰু জিৰণি কমকৈ লোৱা দেখা যায়।

পানী অত্যধিক মহত্বপূৰ্ণ কিয়নো পানীৰ নিয়মিত সেৱনে নিৰ্জলীকৰণৰ সমস্যা সমাধান কৰে। পানীৰ নিয়মিত সেৱনে ৰক্তপ্ৰবাহ ভাল কৰি ৰাখে, যিয়ে মানুহৰ শৰীৰত নিৰ্জলীকৰণৰ সমস্যাৰ সন্মুখীন নহবলৈ সহায়ক হয়।

**শ্ৰেয়ছাল**

এইটো জনা যায় যে ফটা ছালৰ কাৰণ হৈছে শীতকালৰ পৰিৱেশ। শীতকালৰ শুকান পৰিৱেশে ব্যক্তিৰ ছালৰ ওপৰত নিজৰ প্ৰভাব পেলায়। ফটা আৰু শুকান ছালৰ সমস্যাৰ পৰা হাত সাৰিবলৈ বিভিন্ন প্ৰকাৰৰ ক্ৰীম আৰু লোচন পোৱা যায় যদিও দীঘল সময়ৰ বাবে ইয়াক ভাল কৰিবলৈ পোৱা বস্তুবোৰ দামী হৈ আৰু ইয়াৰ প্ৰভাৱো বেয়া হোৱাৰ সম্ভাৱনা নাথাকে।


পানীৰ সেৱন ছালৰ সমস্যাসমূহ সমাধান কৰাৰ উৎকৃষ্ট পথ হব পাৰে। পানীৰ সেৱনে ছালৰ ভালদৰে চোৱা-চিতাত সহায় কৰিব পাৰে আৰু লগতেই ব্যক্তিৰ ছালক বিভিন্ন ধৰণেৰে উৎকৃষ্ট কৰি তুলিব পাৰে। ইয়ে. পানীক বিভিন্ন ধৰণে লাভকাৰী তৰল পদাৰ্থ হিচাপে বনাব পাৰি।

প্ৰতিৰক্ষা প্ৰণালীক শক্তিশালী কৰা শীতকালে প্ৰথমেই ব্যক্তিৰ স্বাস্থ্যৰ ওপৰত সমস্যা আনি দিয়ে। বহুমানুহে শীতকালৰ বেছিভাগ সময় অসুখত ভুগি থাকিবলগীয়া হয়। শীতকালত দেখা দিয়া স্বাস্থ্যৰ অসুবিধাসমূহ প্ৰতিৰোধ কৰিব পৰাৰ ক্ষমতা সকলোৰে নাথাকে। ইয়াতেই পানীয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

শৰীৰৰ প্ৰতিৰক্ষা প্ৰণালীটোক নিৰ্মান কৰা আৰু শীতকালত ইয়াক অধিক শক্তিশালী কৰি তোলাত পানীয়ে. মহত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। শীতকালৰ সমস্যাসমূহক প্ৰতিৰক্ষা প্ৰণালীৰ দৃঢ়তাৰ সান্নিধ্যত ৰখা হয় আৰু পানী সেৱনৰ লগত পিছত বাঢ়ি যায়। পানীৰ সেৱনে প্ৰতিৰক্ষা প্ৰণালীক শক্তিশালী কৰি তোলে, যাৰ জৰিয়তে ব্যক্তিয়ে সুন্দৰ পৰিৱেশৰ আমেজ লব পাৰে আৰু এই প্ৰক্ৰিয়াত ঠাণ্ডা লগা বা জ্বৰ আদি হোৱা দেখা নাযায়। পানী এক অনিবাৰ্য তৰল পদাৰ্থ যি জীৱনৰ বাবে আৱশ্যক। ই ঔষধৰ দৰে কাম কৰে আৰু বহুসংখ্যক স্বাস্থ্য সমস্যাৰ সমাধান কৰে। সেয়ে অতি কম সমস্যাৰ সৈতে শীতকালৰ পৰিবেশৰ আমেজ লবলৈ নিয়মিতভাৱে পানী সেৱন কৰিব লাগে।

**পানীৰ সেৱন ছালৰ সমস্যাসমূহ সমাধান কৰাৰ উৎকৃষ্ট পথ হ'ব পাৰে। পানীৰ সেৱনে ছালৰ ভালদৰে চোৱা-চিতাত সহায় কৰিব পাৰে আৰু লগতেই ব্যক্তিৰ ছালক বিভিন্ন ধৰণেৰে উৎকৃষ্ট কৰি তুলিব পাৰে। ইয়ে পানীক বিভিন্ন ধৰণে লাভকাৰী তৰল পদাৰ্থ হিচাপে বনাব পাৰি। প্ৰতিৰক্ষা প্ৰণালীক শক্তিশালী কৰা শীতকালে প্ৰথমেই ব্যক্তিৰ স্বাস্থ্যৰ ওপৰত সমস্যা আনি দিয়ে। বহুমানুহে শীতকালৰ বেছিভাগ সময় অসুখত ভুগি থাকিবলগীয়া হয়। শীতকালত দেখা দিয়া স্বাস্থ্যৰ অসুবিধাসমূহ প্ৰতিৰোধ কৰিব পৰাৰ ক্ষমতা সকলোৰে নাথাকে। ইয়াতেই পানীয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শৰীৰৰ প্ৰতিৰক্ষা প্ৰণালীটোক নিৰ্মান কৰা আৰু শীতকালত ইয়াক অধিক শক্তিশালী কৰি তোলাত পানীয়ে মহত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।**

## টোপনিয়ে বিষৰ যন্ত্ৰণা কমায়



নিশাৰ ভাগত গভীৰ টোপনি হ'লে দিনটোলৈ মানুহজন সপ্ৰতীভ হৈ থাকে আৰু যিকোনো কথাৰ প্ৰতি সতৰ্কতা বৃদ্ধি পায়। লগতে শৰীৰত যিকোনো ধৰণৰ বিষৰ অনুভূতি হ্ৰাস পায়। 'শ্লীপ' নামৰ জাৰ্ণেলখনত এই তথ্য শেহতীয়াকৈ প্ৰকাশ পাইছে। সামান্য পৰিমাণে টোপনিত ব্যাঘাত জন্মা কিছুসংখ্যক স্বেচ্ছাসেৱীৰ ওপৰত টোপনিৰ প্ৰভাৱৰ বিষয়ে পৰীক্ষা চলোৱা হৈছিল। তেওঁলোকক একেৰাহে চাৰিটাকৈ নিশা স্বাভাৱিকভাৱে টোপনি যাবলৈ দিয়া হৈছিল অথবা দহ ঘণ্টালৈকে শুবলৈ দিয়া হৈছিল। এই লোকসকলক এটা উত্তপ্ত সঁজুলিৰ ওপৰত হাত ৰাখিবলৈ দিয়া হৈছিল। তেওঁলোকে কমকৈ টোপনি যোৱা লোকতকৈ ২৫ শতাংশ বেছি সময় তেনে সঁজুলিৰ ওপৰত হাত ৰাখি থবলৈ সক্ষম হৈছিল। কিন্তু এনে ধৰণৰ বিষ সহ্য কৰিব পৰা পূৰ্বৰ পৰীক্ষাবোৰত এই কামৰ বাবে স্বেচ্ছাসেৱকসকলে ৬০ মিলিগ্ৰামকৈ 'কোডেইন' নামৰ বিষনাশক ঔষধবিধ খাই ল'বলগা হৈছিল। এই পৰীক্ষাৰ পৰা প্ৰমাণ পোৱা গ'ল যে, ভাল টোপনি হ'লে মানুহৰ বিষ সহ্য কৰিব পৰা ক্ষমতা প্ৰায় ২৫ শতাংশ বৃদ্ধি পায়। বিষ সহ্য কৰিবৰ বাবে পেইনকিলাৰ খোৱাৰ তুলনাত ভালকৈ গভীৰ টোপনি গ'লে দিনৰ ভাগত বিষ সহিব পৰা ক্ষমতা বৃদ্ধি পায়।

## ঢেকীয়াৰ উপকাৰিতা

ঢেঁকীয়াত প্ৰোটিন, ভিটামিন-'এ', ভিটামিন-'বি-কমপ্লেক্স', ভিটামিন-'চি', ভিটামিন-'ই', বিতাকেৰোটিন, এণ্টিঅক্সিডেণ্ট, কেলচিয়াম, আয়ৰণ, ফচফৰাচ ইত্যাদি পোৱা যায়।

১। নিৰামিষভোজীসকলৰ বাবে ই খুব উপকাৰী কাৰণ ইয়াত প্ৰোটিন আছে আৰু লগতে লাগতিয়াল ভিটামিন আৰু খনিজ পদাৰ্থ আছে।

২। কেলচিয়াম, ফচফৰাছ থকা হাড়ৰ গঠনৰ বাবে উপকাৰী।

৩। জীৱণুনাশক গুণ থকা আৰু স্বভাৱত শীতল হোৱা বাবে পেচাবৰ সমস্যা যেন মূত্ৰনলীৰ সংক্ৰমণ বা ইউৰিনাৰী ট্ৰেক্ট ইনফেক্সন (UTI)ত উপকাৰী।

৪। বিতাকেৰোটিন, ভিটামিন-'চি' থকা বাবে শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বঢ়োৱাত সহায় কৰে।

৫। ৰুচি বৰ্ধক, আৰু কোষ্ঠাকাঠিন্য দূৰ কৰে।

৬। পেলুৰ সমস্যাত ঢেঁকীয়া শাক উপকাৰী।

৭। লিভাৰৰ কাৰ্যক্ষমতা বৃদ্ধি কৰে। ইয়াৰ উপৰিও জণ্ডিছ, ফেটি লিভাৰত উত্তম পথ্য।

৮। ডায়েবেটিছ ৰোগীৰ বাবে ঢেঁকীয়া সুপথ্য।

৯। ভিটামিন-'এ' থকা বাবে দৃষ্টিশক্তিৰ বাবে উপকাৰী।

ডাঃৰেইনী দেৱী

## দাঁতৰ বিষৰ যন্ত্ৰণা



**মানুহজনে পাৰলৈ আনি দাসক খুব প্ৰশংসা কৰিলে। সকলোতকৈ ডাঙৰ মাছটো তয়ে ধৰিলি বুলি তাক ঘৰলৈ যাবলৈ দিলে। দাসে বোলে আপোনাৰ প'লৰে মাছ ধৰিলো আপুনিও অলপ কাটি লওক বুলি ক'লে। মানুহজনে তেওঁৰ মাছ থকাৰ কথাটো জনালে। দাস ঘৰ অভিমুখে ৰাওনা হ'ল। মনত খুৱ আনন্দ।**

দিপেন ভৰালী

কি অসুখে মানুহক সকলোতকৈ বেছি আমনি দিয়ে। জ্বৰ, পানী লগা, পেটৰ বিষ, মূৰৰ বিষ, গাৰ বিষে। আনে কি কয় নাজানো এই সকলোতকৈ মই কিন্তু দাঁতৰ বিষক অধিক বিষদায়ক, যন্ত্ৰণাদায়ক অসুখ বুলি ভাবো। মোৰ দাঁতৰ বিষ আছিল। অসহ্য বিষত ৰ'ব নোৱাৰি ইতিমধ্যে চাৰিটামান দাঁত উঠালো। বিষ উঠিলে ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ কাকো নামানো। সকলোকে গালি দিও। সদ্যহতে যোৱা দু বছৰ মানৰ পৰা এই যন্ত্ৰণাৰ পৰা সকাহ পাইছো তথাপিও দাঁতৰ বিষৰ যন্ত্ৰণাৰ কথা মৰ্মে মৰ্মে উপলব্ধি কৰো। ট্ৰেইনত প্ৰতিদিনে একেলগে যাত্ৰা কৰা বাইহাটা ষ্টেচনৰ যাত্ৰী কেশৱ কাকতিয়ে এদিন দাঁতৰ বিষৰ কথা উলিয়ালে। বিষত হেনো তেওঁ পেটৰ ভোক পেটতে ৰাখি কৰ্ম কৰিছে। বিষত টোপনিতো দূৰৰে কথা থিৰেৰেও থাকিব পৰা নাই। হপহপকৈ মূৰলৈ টানি আছে বিষে। তেওঁৰ কথা শেষ হ'বলৈ নাপালেই বিএছএনএলত কাম কৰা হলাধৰ দাসে কম দিনত পোৱা দাঁতৰ বিষৰ যন্ত্ৰণা, চিকিৎসকৰ পৰা পোৱা অভিজ্ঞতাৰ কথা ক'লে। তেওঁ কথা ক'লে সকলোৱে হাঁহে। খুৱ ৰসিক দাস মানুহজন। ট্ৰেইনত আহিলে তেওঁৰ সঁচা ৰসাল কথাবোৰ উলিয়াবলৈ লগৰবোৰে সোধে। এবাৰ হ'ল কি -দাসে বোলে নামপাৰ্টি দল এটাৰ লগত নাম গাবলৈ গৈছিল। তেওঁ নামদলটোত ডাঙৰ তাল বজায়। নাম গোৱাৰ পিছত তাল মৰা সময়ত তেওঁ উঠি তাল মাৰোতে তালত লগোৱা ৰচীডাল চিঙি ওচৰতে নাম চাই থকা আধাবয়সীয়া লোক এজনৰ মূৰত পৰি হাহাকাৰ। মানুহজন তেজেৰে ৰঙালি হ'ল। নাম মতা আয়োজকসকলে লগে লগে আঘাটপ্ৰাপ্ত লোকজনক হাস্পতাললৈ নিলে। এনে এটা দুখজনক ঘটনা দাসৰ হাতেৰে ঘটা বাবে দাসৰ বিৰাট দুখ লাগিল। হাস্পতালত লোকজন কিছু সুস্থ হৈ লগত যোৱা সকলক হেনো কৈছিল- মানুহজনক মাৰধৰ নকৰিবা। আৰু নাম যাতে বন্ধ নহয়। সৰু থাকোতে দাসে হেনো দুপৰীয়া দৰখ দি থোৱা গৰু চাবলৈ গৈছিল। ওচৰৰে জান এটাত বহু মানুহে সমূহীয়াভাৱে প'লৰে মাছ ধৰিছিল। বহুতেও ডাঙৰ ডাঙৰ বৰালি মাছ ধৰি পাৰত জিৰণি লৈছিল। দেখি দাসৰ লোভ লাগিল। বহি থকা মানুহবোৰক অনুৰোধ জনালে অলপ সময়ৰ বাবে কাৰোবাৰ প'ল এটা দিলে তেওঁ মাছ ধৰিলেহেঁতেন। বহুজনে যা তই সৰু ল'ৰা, প'ল দাঙিব নোৱাৰে মাছ ধৰে আদি কৈ তাক ঘৰলৈ যাবলৈ ক'লে। বহু সময়ত সি সেমেনা সেমেনি কৰি থকাত বয়সস্থ লোক এজনে ক'লে- যা, মোৰ প'লৰে এবাৰ চেষ্টা কৰ বুলি ক'বহে পালে দাসে পানীলৈ নামি গৈ জানটোৰ পাৰে পাৰে চাৰি-পাঁচ চাব মান মৰাৰ পিছত প'লত কিবা মাছ এটা সোমাই ধৰ ফৰ কৰিবলৈ ধৰিলে। তজবজিয়া দাসে পেটটোৰে প'লটোৰ ওপৰত গাৰ সমস্ত ভৰ দি দাদা, মাছ এটা লাগিছে ধৰি দিয়ক চোন বুলি মাতিবলৈ ধৰিলে। প'ল দিয়া মানুহজন গৈ মাছটো ধৰিলে। ডাঙৰ বৰালিটো মূৰৰ ফালে কিছু প'লত সোমাই বাকী অংশ প'লৰ বাহিৰত আছিল। মানুহজনে পাৰলৈ আনি দাসক খুব প্ৰশংসা কৰিলে। সকলোতকৈ ডাঙৰ মাছটো তয়ে ধৰিলি বুলি তাক ঘৰলৈ যাবলৈ দিলে। দাসে বোলে আপোনাৰ প'লৰে মাছ ধৰিলো আপুনিও অলপ কাটি লওক বুলি ক'লে। মানুহজনে তেওঁৰ মাছ থকাৰ কথাটো জনালে। দাস ঘৰ অভিমুখে ৰাওনা হ'ল। মনত খুৱ আনন্দ। পিঠিত ওলোমাই আনিলে ডাঙৰ বৰালি মাছটো। বৰালি মাছটোৰ ফিছা অংশৰে দাসৰ ভৰি হেনো কোবাই গৈছিল। আন এবাৰ ওচৰৰে গাঁও এখনত দাস বিয়া খাবলৈ গ'ল। বিয়া খাই চোতালৰ এচুকত বেণ্ড দল এটাই ধুনীয়া গান এটাই বজাই আছিল। বিয়াঘৰত উপস্থিত লোকসকলে চাৰিওফালে বেণ্ড দলটোক ঘেৰি ধৰি বজোৱা গান শুনি আছে। দাসেও গান শুনিবলৈ ৰৈ গ'ল। বেণ্ড দলটো বিৰাট ভাল দল আছিল। দাসে ৰ'ব নোৱাৰিলে। ড্ৰাম বজোৱা লোকজনক ক'লে- ময়ো অলপ বজাও দিয়ক। মানুহজনে দাসলৈ চালে। মনত কি ভাবিলে জানো। নিজে উঠি দাসক বজাবলৈ দিলে। তেওঁলোকে হিন্দী গীত এটি বজাই আছিল 'জিলে জিলে আয়ে আয়ে জিলে'। দাসক পাই কোনে পুৰাদমে গীতৰ তালে তালে বজাই গৈছে ড্ৰাম চেট। পুৰা ফুল স্পীডট বজাই থাকোতে ড্ৰামটো গ'ল নহয় ফাটি। দাসৰ সেমেনা সেমেনি লাগিল। ড্ৰাম বজোৱাজনক কথাটো ক'লে।মানুহজন আচৰিত আজি অ'ত বছৰে মই বজালো একো নহয়, আপুনি বজাই ফটাই দিলেহে। দাসৰ আৰু এনে মজাৰ কথা অনেক আছে। পিছে এতিয়া দাঁতৰ বিষত দাসে যন্ত্ৰণা পোৱাৰ কথালৈ আহো। এছ বি আইৰ ঘনশ্যাম দাসে হেনো তেওঁক কাছাৰীত ফুটফাটত বহা দাঁত সৰোৱা লোক এজনৰ তালৈ যাবলৈ পৰামৰ্শ দিলে। কথামতে কাম। কছাৰীৰ পথৰ কাষত থকা এজন লোকৰ সন্মুখত ৰৈ দাসে মানুহজনক মুখখন মেলি বিষাই থকা দাঁতটো দেখুৱাই ক'লে-এইটো দাঁতৰ খুৱ দাঁতৰ বিষ। চাওকচোন। পাৰিলে সৰোৱাইয়ে দিয়ক। বিহাৰী সম্প্ৰদায়ৰ মানুহজনে শিল এচতাত বহি আছিল। তেওঁ লৰি থকা দাঁতটো হাতেৰে চুই চালে আৰু ক'লে-হ'ব পাৰিম। ত্ৰিশ টকা লাগিব। দাসে হ'ব বুলি কোৱাত দাঁত সৰোৱাৰলৈ সাজু হ'ল মানুহজন। কাষত থকা ডাঙৰ বেগ এটাৰ পৰা প্লাছ, কেচীকে ধৰি আন বহু সঁজুলি উলিয়াই ল'লে। সৰ্বনাশ। দাঁত কি এইবোৰেৰে সৰুৱাব? মানুহজন অ' বুলি কোৱাত একেজাপে দাস বহাৰ পৰা উঠিল। বেজি, চেজি নিদিয়াকৈ বিষায় থকা দাঁত এটা এনেকৈ সৰুৱাব নোৱাৰো মই। ভাল পাল্লাত পৰিলো বুলি ভোৰভোৰাই তাৰ পৰা আহিল। তেওঁৰ দাঁত সৰোৱা নহ'ল। অফিচলৈ আহি লগৰকেইজনৰ লগত এই লৈ সৰৱ আলোচনা। সিহঁতে হাঁহি হাঁহি পেটৰ নাড়ী সৰোৱালে যদিও দাঁত বিষত দাসৰ অৱস্থা কাহিল। এজনে অফিচাৰক গৈ ক'লে-ছাৰ, দাসৰ দাঁতৰ বিষ। কামকে কৰিব পৰা নাই। আপুনি অনুমতি দিলে পানবজাৰ হৰিসভাৰ ফালে থকা ডেণ্টেল ক্লিনিক এখনলৈ লৈ গ'লোহেঁতেন। দাসৰ দুৰ্দশাৰ কথা চিন্তা কৰি যাবলৈ অনুমতি দিলে। ডাক্তৰৰ ওচৰ পাই দীৰ্ঘদিন ধৰি পাই অহা যন্ত্ৰণাৰ কথা ক'লে। বিষাই থকা দাঁত সচৰাচৰ ডাক্তৰে নসৰোৱাই যদিও দাসৰ অনুৰোধত দাঁত সৰোৱাবলৈ মান্তি হ'ল ডাক্তৰজন। ক'লে- আপোনাৰ দাঁত সৰোৱাৰ আগতে বেজি এটা দিব লাগিব। বেজিটো দিলে আপুনি গমকে নাপাব। কথামতে কাম। 'এছ' ভাজৰ বেজি এটা উলিয়াই বেজি দিবলৈ নৌপাওতেই দাসে নমস্কাৰৰ ভংগিত বেঙা মানুহৰ দৰে বেং বেং কৰি কিবা ক'বলৈ ধৰিলে। তেওঁৰ অংগী ভংগীত ডাক্তৰজনে ধৰিব পাৰিলে-মানে তেওঁ আৰু দাঁত নসৰায়। দাসে পিছত আমাক জানিবলৈ দিয়া মতে ডাক্তৰে বেজি দিব লওতেই চিৰিঞ্জটোৰ আগটোত থকা জুলীয়া ঔষধৰ টোপাল এটোপ ওঁঠত পৰাত মুহূৰ্ততে ওঁঠটো লৰাব নোৱাৰা হ'ল। তেওঁ কিবা ক'ব খোজে ক'ব নোৱাৰে। কিবা সুধিব খোজে মুখৰ কথা ওলাই নপৰে। ওঁঠটো টানি টানি নিয়ে। একাংগী হ'লে মুখ বেঁকা হোৱাৰ দৰে দাসৰ ওঁঠটো বেঁকা হ'বলৈ ধৰিলে। তেওঁ ডাক্তৰক অংগি ভংগি কৰি ক'লে- ছাৰ, মই আৰু দাঁত নসৰাও , দাঁত নসৰোওতেই মোৰ এনে অৱস্থা। সৰালে কি হ'ব। মোক যাবলৈ দিয়ক। বিএছএনএল দাসৰ দাঁত আৰু সৰোৱা নহ'ল।



## ওজন নিয়ন্ত্ৰণত সহায় কৰে আলমণ্ডে

আপুনি ডায়েবেটিছ ৰোগত ভুগিছে নেকি? বহুত চেষ্টা কৰিও তেজত ছুগাৰৰ মাত্ৰা নিয়ন্ত্ৰণ হোৱা নাই নেকি? তেন্তে চিন্তা নকৰিব। নিয়মিত আলমণ্ড বাদাম খালে নিয়ন্ত্ৰণ থাকিব আপোনাৰ ছুগাৰৰ পৰিমাণ, একাধিক ৰোগৰ সমস্যাত আলমণ্ডে অত্যন্ত গুৰুত্বপূৰ্ণ পালন কৰে। বিশেষ গুণেৰে সমৃদ্ধ আলমণ্ডৰ গুণাগুণৰ বিষয়ে জানো আহক -

(ক) আলমণ্ডত থকা মনো স্যাচুৰেটেত ফেটি এচিডে তেজত বৃদ্ধি পোৱা ছুগাৰৰ মাত্ৰা নিয়ন্ত্ৰণত সহায় কৰে। ইয়াৰ ফলত ডয়েবেটিছ ৰোগৰ সম্ভাৱনা বহুখিনি কমি থাকে।

(খ) আলমণ্ডত থকা ফেট আৰু ডায়েটাৰি ফাইবাৰ শৰীৰৰ বাবে অতি উপকাৰী। লগতে শৰীৰৰ ওজন নিয়ন্ত্ৰণ কৰে।

(গ) আলমণ্ডত থকা ফেট আৰু প্ৰচুৰ পৰিমাণে থকা প্ৰ'টিনে খাদ্য হজম কৰাত সহায় কৰে। শৰীৰত বেক্টেৰিয়াৰ প্ৰভাৱ প্ৰশমিত কৰে।

(ঘ) ইয়াত থকা পৰ্যাপ্ত পৰিমাণৰ মেগনেচিয়াম, কপাৰ, ফেটি এচিড, মেগনেচি, এন্টি অক্সিডেন্ট, পটাচিয়াম, কেলচিয়ামে হাৰ্টৰ স্বাস্থ্য ভালে ৰখাত সহায় কৰে। ইয়াৰ ফলত হাৰ্ট এটেকৰ সম্ভাৱনা কম হয়।

(ঙ) স্বাস্থ্যৱান ছালৰ বাবেও আলমণ্ড অতি উপকাৰী। আলমণ্ডত প্ৰচুৰ পৰিমাণে থকা ভিটামিন -ই আৰু এন্টি অক্সিডেন্টে ছাল সুস্থ আৰু উজ্জ্বলতা ৰক্ষাত সহায় কৰে।

## আয়ুবেদিক চিকিৎসাত বেঙেনাৰ ব্যৱহাৰ সম্পৰ্কে জানেনে?



পুষ্টিবিদসকলৰ মতে বেঙেনা পুষ্টি গুণেৰে ভৰা এবিধ পাচলি। পুষ্টিগুণ সমৃদ্ধ বেঙেনা আমাৰ সুস্বাস্থ্যৰ বাবে অতি উপকাৰী। অতি প্ৰাচীন কালৰে পৰাই আয়ুবেদিক শাস্ত্ৰত বেঙেনাৰ ব্যৱহাৰ হৈ আহিছে। আহকচোন বেঙেনাৰ একাধিক আয়ুবেদিক ব্যৱহাৰ সম্পৰ্কে জানো --

(ক) প্ৰতিদিনে ৰাতিপুৱা খালী পেটত কেঁচা বেঙেনা পুৰি তাৰ লগত গুড় মিহলাই খালে লিভাৰৰ সমস্যা নিৰাময় হয়।

(খ) অনিদ্ৰাৰ সমস্যা দূৰ কৰাত বেঙেনাই যথেষ্ট সহায় কৰে। বেঙেনা খালে ভাল টোপনি হয়। যি সকলৰ অনিদ্ৰাৰ সমস্যা আছে সেইসকল ব্যক্তিয়ে সন্ধিয়া সময়ত কেঁচা বেঙেনা পুৰি মৌৰ লগত মিহলাই খালে ৰাতি ভাল টোপনি হয়।

(গ) নিয়মিত বেঙেনা খালে প্ৰসাৱৰ সময়ত জ্বলা পোৱা সমস্যা বা কোনো ধৰণৰ অসন্তুষ্টি পালে সেই সমস্যা দূৰ কৰে।

(ঘ) বেঙেনা কিডনীৰ বিভিন্ন সমস্যা ৰোধত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

(ঙ) মহিলাৰ অনিয়মিত ঋতুৰ সমস্যা দূৰ কৰাত বেঙেনা অত্যন্ত উপকাৰী।

(চ) হজমৰ সমস্যা থাকিলে নিয়মিত বেঙেনা খালে অতি সোনকালে উপকাৰ পায়। প্ৰচুৰ গুণেৰে ভৰা বেঙেনা নিয়মিত খাদ্যৰ তালিকাত অন্তভূৰ্ক্ত কৰা উচিত। ই শৰীৰ সুস্থ ৰক্ষাত সহায় কৰিব।

# বজাৰত ভেজাল শাক-পাচলি ঃ ‘প্ৰশাসনীয় স্তৰত নাই নিৰীক্ষণৰ ব্যৱস্থা’

**বাতৰি কাকত,শ্ৰীৰামপুৰ, ১ জুন ঃ** পুৰাৰ এখন বজাৰৰ পৰা ক্ৰয় কৰা লহপহীয়া সতেজ -শাক-পাচলিসমূহ নিশাৰ ভিতৰতে লেৰেলি যায়। খেতিয়কসকলে বজাৰলৈ উলিয়াই দিয়া এক-পাচলিসমূহত ৰাসায়নিক দ্ৰব্য প্ৰয়োগ কৰাৰ লগতে, সঘনাই কীটনাশক ঔষধ ব্যৱহাৰ কৰাৰ ফলস্বৰূপে শাক-পাচলিসমূহ কম সময়ৰ ভিতৰতে পচি যায় বুলি বিভিন্নজনে অনুমান কৰিছে। এজন উচ্চ মানৰ জীৱ বিজ্ঞানী চাৰ্লচ ডাৰুইনৰ মতে, কীট নাশক দ্ৰব্যই মাথোন - কীটেই নহয়, ই মানুহকো ধ্বংস কৰে। জিলাখনৰ সাধাৰণ ৰাইজে বজাৰৰ পৰা সংগ্ৰহ কৰা এই ভেজাল শাক-পাচলি সমূহকে খাদ্য হিচাপে গ্ৰহণ কৰিবলগীয়া হৈছে। ইপিনে জিলাখনৰ একাংশ সজাগ ব্যক্তিয়ে জৈৱিক পদ্ধতিৰে শাক-পাচলিৰ খেতি কৰিবলৈ আৰম্ভ কৰিছে যদিও জৈৱিক সাৰ ব্যৱহাৰ কৰা খেতিয়ক সকলে বজাৰত থকা ৰাইজৰ চাহিদা কোনো পথ্যেই পূৰণ কৰিবলৈ সক্ষম হোৱা নাই। জৈৱিক সাৰ ব্যৱহাৰ কৰি খেতিয়কসকলে শাক- পাচলি উৎপাদন কৰিবলৈ ধৰিছে যদিও সেই জৈৱিক শাক-পাচলিয়ে ৰাইজৰ অভাৱ পূৰণ কৰাত ব্যৰ্থ হৈছে কাৰণ ৰাসায়নিক আৰু জৈৱিক পদ্ধতিৰ শাক-পাচলিৰ বাবে গোঁসাই গাঁও মহকুমাত কোনো ঠাইত আজিলৈ সুকীয়া বজাৰ স্থাপন হোৱা নাই। জৈৱিক পদ্ধতিৰে উৎপাদন কৰা শাক-পাচলিৰ বাবে উপযুক্ত বজাৰ নথকাত সাধাৰণ ৰাইজ বজাৰত বিভ্ৰান্ত হ’বলগীয়া হৈছে। গোঁসাই গাও মহকুমাৰ বিভিন্ন অঞ্চলত থকা হাট - বজাৰত পশ্চিম বংগৰ বাৰোবিসা, কামাখ্যাগুৰি,আলীপুৰ আদি ঠাইৰ পৰা শাক-পাচলি মিনি ট্ৰাক,ভ্যান,অটো, ৰিক্সা, চাইকেল আদি বাহনেৰে সীমান্ত অঞ্চলৰ বজাৰ সমূহত পুৱাৰ ভাগতে আনি ক্ৰয় - বিক্ৰয় আৰম্ভ হয়। বজাৰে বজাৰে ৰাসায়নিক দ্ৰব্য মিহলি শাক-পাচলিসমূহ ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত প্ৰশাসনীয় স্তৰত কেতবোৰ নীতি-নিয়ম প্ৰযোজ্য কৰাটো জৰুৰী হৈ পৰিছে আৰু জিলাখনৰ খাদ্য পৰিদৰ্শক কাৰ্যালয়ৰ জৰিয়তে বজাৰত বিক্ৰী কৰা প্ৰতিবিধ শাক-পাচলি, ফল-মূল, মিঠাই, মাছ, মাংস সমূহ নিৰীক্ষণ কৰিবলৈ জিলাখনৰ জন-সাধাৰণ প্ৰশাসন আৰু বিভাগীয় কৰ্তৃপক্ষৰ ওপৰত অনুৰোধ জনাইছে। জানিব পৰামতে শেহতীয়াকৈ একাংশ মাছ ব্যৱসায়ীয়ে ফৰ্মেলিনযুক্ত মাছো বজাৰত বিক্ৰী কৰি থকাৰ বিপৰীতে আন একাংশ ধুৰন্ধৰ ব্যৱসায়ীয়ে অন্ধ্ৰপ্ৰদেশ আৰু পশ্চিমবংগৰ পৰা মাছ আনি বিলৰ মাছ বুলি বজাৰত বিক্ৰী কৰি থকা খবৰ পোৱা গৈছে। শাক-পাচলিৰ পৰা আৰম্ভ কৰি মাছ-মাংসৰ বজাৰখনত শেহতীয়াকৈ এই ভেজালীকৰণ প্ৰক্ৰিয়া চলি থকাৰ ফলত সাধাৰণ ৰাইজে জ্ঞাতসাৰেই খাদ্যৰ নামত বৰ -বিহ পান কৰি থকা হৈছে বুলিও সমাজৰ স্বাস্থ্য সচেতন ব্যক্তি সকলে সাংবাদিকৰ আগত মতামত প্ৰকাশ কৰে।



# লাওখোৱাত নৱ-নিৰ্বাচিত বিধায়ক তাঞ্জিল হুছেইনৰ আকস্মিক পৰিদৰ্শন

**বাতৰি কাকত লাওখোৱা ,১ জুন ঃ** নগাঁও জিলাৰ লাওখোৱা প্ৰাথমিক শিক্ষা খণ্ড তথা খণ্ড নিৰ্বাচন সমন্বয়কৰ কাৰ্যালয়ত আজি চামগুৰি সমষ্টিৰ নৱ-নিৰ্বাচিত বিধায়ক তাঞ্জিল হুছেইনে এক আকস্মিক পৰিদৰ্শন কৰে। বিধায়কগৰাকীয়ে হঠাৎ কাৰ্যালয় চৌহদত উপস্থিত হোৱাত লাওখোৱা প্ৰাথমিক শিক্ষা খণ্ডৰ তৰফৰ পৰা তেওঁক উষ্ম আদৰণি জনোৱা হয়। পৰিদৰ্শনকালত বিধায়ক তাঞ্জিল হুছেইনে কাৰ্যালয়টোৰ সামগ্ৰিক কাম-কাজৰ বুজ লোৱাৰ লগতে তাত কৰ্মৰত শিক্ষা বিষয়া আৰু কৰ্মচাৰী বৃন্দৰ সৈতে এক মত বিনিময়ত মিলিত হয়। লাওখোৱা প্ৰাথমিক শিক্ষা খণ্ডৰ বিষয়াগৰাকীয়ে কাৰ্যালয়টোৰ চাৰিওফালে পকী দেৱাল, মহিলা সকলৰ বাবে শৌচাগাৰ আৰু এখন সভাকক্ষৰ ব্যৱস্থা কৰি দিবলৈ নৱ নিৰ্বাচিত বিধায়ক গৰাকীক আহ্বান জনায় ।বিধায়কগৰাকীৰ এই তৎপৰতাই শিক্ষা খণ্ডটোৰ আন্তঃগাঁথনি আৰু শৈক্ষিক দিশৰ উন্নীতকৰণৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব বহন কৰিব বুলি স্থানীয় ৰাইজে আশা প্ৰকাশ কৰিছে।বিধায়ক গৰাকীক সংগ দিয়ে শিঙিমাৰী জিলা পৰিষদৰ সদস্য ইব্ৰাহিম আলীয়ে।

# ডিব্ৰুগড়ৰ খৃষ্টিনা দুৱৰা সৰ্বভাৰতীয় এম এচ ডব্লিউৰ ফাইনেল পৰীক্ষাত সোণৰ পদক

**ডিব্ৰুগড়, ১ জুন ঃ** ডিব্ৰুগড় চিৰিং চাপৰিৰ জীয়ৰী, খৃষ্টিনা দুৱৰাই এই বছৰৰ নয়দাৰ এমিটি বিশ্ববিদ্যালয়ৰ এম এচ ডব্লিউৰ (মাষ্টাৰ অফ ছচিয়েল ৱৰ্ক ) ফাইনেল পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। তেওঁ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি স্বৰ্ণ পদক সহ বিশ্ববিদ্যালয়খনৰ বিভাগীয় টপাৰ হিচাপে ঘোষিত হৈছে। খৃষ্টিনাই ৮.৩৯ চি জি পি এ পাই এই সুখ্যাতি অৰ্জন কৰে। তেওঁ ইয়াৰ আগতে দিল্লী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত কমলা নেহৰু কলেজৰ পৰা সুখ্যাতিৰে সন্মানসহ স্নাতক ডিগ্ৰী লাভ কৰিছিল। খৃষ্টিনা দুৱৰা দ্য আছাম ট্ৰিবিউন কাকতৰ জ্যেষ্ঠ সাংবাদিক ৰণ দুৱৰা আৰু প্ৰয়াত অৰ্চিতা বৰা দুৱৰাৰ একমাত্ৰ কন্যা। তেওঁৰ এই সাফল্যত অঞ্চলবাসী উৎফুল্লিত হৈছে।

# বঙাইগাঁৱত শিক্ষকৰ দ্বাৰা ছাত্ৰীক প্ৰহাৰঃ অভিভাৱকৰ এজাহাৰ দাখিল

**বঙাইগাঁও, ১ জুন ঃ** বঙাইগাঁও চহৰৰ ভাকাৰিভিটাস্থিত বিদ্যামন্দিৰ এম ই স্কুলৰ এগৰাকী সপ্তম শ্ৰেণীৰ বাৰ বছৰীয়া ছাত্ৰীক বিদ্যালয়খনৰ এগৰাকী শিক্ষকে প্ৰহাৰ কৰি আহত কৰা ঘটনাকলৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে । ঘটনা সন্দৰ্ভত ছাত্ৰী গৰাকীৰ পিতৃয়ে বঙাইগাঁও আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে । ছাত্ৰী গৰাকীৰ অভিভাৱকে এজাহাৰত উল্লেখ কৰা মতে তথা সংবাদ মাধ্যমৰ আগত অভিযোগ কৰা মতে দুপৰীয়া প্ৰায় ১২.৩০ বজাত মধ্যাহ্ন ভোজনৰ বিৰতিৰ সময়ত ছাত্ৰীগৰাকী নিজৰ শ্ৰেণীকোঠাত খেলি আছিল । তেতিয়াই বিদ্যালয়খনৰ সুশাংকৰ দত্ত নামৰ এজন শিক্ষকে হঠাতে শ্ৰেণীকোঠালৈ আহি ছাত্ৰীগৰাকীক শাৰীৰিকভাৱে প্ৰহাৰ কৰে। যাৰ ফলত ছাত্ৰীগৰাকীয়ে মূৰ আৰু শৰীৰৰ বিভিন্ন অংশত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় আৰু বাওঁ কাণেৰে ৰক্তক্ষৰণ হয় । লগতে মূৰৰ এটা অংশ ফুলি উঠে। পৰৱৰ্তী সময়ত ছাত্ৰীগৰাকীক শ্ৰেণীকোঠাত আবদ্ধ কৰি ৰখা বুলিও অভিযোগ কৰে ।আনহাতে ছাত্ৰী গৰাকীক প্ৰহাৰ কৰি আহত কৰাৰ পাছত ঘটনাস্থলীত উপস্থিত থকা নাৰায়ণ সাহা নামৰ শিক্ষকগৰাকীয়ে সমগ্ৰ বিষয়টোক সম্পূৰ্ণ আওকাণ কৰে আৰু কোনো ধৰণৰ চিকিৎসা বা সহায় আগবঢ়োৱাৰ পৰা বিৰত থাকে বুলিও উল্লেখ কৰে ।ছাত্ৰীগৰাকীৰ পিতৃয়ে দাখিল কৰা এজাহাৰত কোৱা হৈছে যে এই ঘটনাৰ ফলত ছাত্ৰীগৰাকীয়ে শাৰীৰিক আৰু মানসিকভাৱে গভীৰ আঘাত পাইছে আৰু ইয়াৰ বাবে এজাহাৰ দাখিলত পলম হয় ।উল্লেখ্য যে ঘটনা সন্দৰ্ভত অভিভাৱকে ছাত্ৰী গৰাকী যেতিয়া বিদ্যালয় ছুটি হোৱাৰ পিছত ৩ বজাত ঘৰত উপস্থিত হয় তেতিয়াহে অৱগত হৈছিল । শিক্ষক গৰাকীয়ে আনকি প্ৰধান শিক্ষকৰ পৰাও বিষয়টো গাপ দিয়াৰ চেষ্টা চলায়। এই বিষয়ে প্ৰধান শিক্ষকগৰাকীকো অৱগত কৰা নাছিল শিক্ষক গৰাকীয়ে ।কিন্তু ছাত্ৰী গৰাকীকলৈ পৰিয়ালৰ লোক বিদ্যালয়ত উপস্থিত হোৱাতহে প্ৰধান শিক্ষকে অৱগত হৈছিল ।ইপিনে শিক্ষকগৰাকীয়ে সংবাদ মাধ্যমৰ আগত ঘটনাটো স্বীকাৰ কৰে আৰু ব্যক্তিগত মানসিক অশান্তিৰ বাবে এনে দুৰ্ভাগ্যজনক ঘটনাটি হ’বলৈ পালে বুলি মন্তব্য কৰে। শিক্ষক সুশাংকৰ দত্তই লগতে কয় যে সিদিনা তেওঁ ষষ্ঠ শ্ৰেণীত পাঠদান কৰি আছিল আৰু সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণী কোঠাত হুলস্থুল কৰি আছিল। এটা সময়ত তেওঁ পাঠদান কৰিব নোৱাৰা পৰিৱেশ হোৱাত সপ্তম শ্ৰেণীৰ কোঠাত উপস্থিত হৈছিল আৰু সকলোকে চিঞৰি থকা প্ৰত্যক্ষ কৰিছিল ।লগতে এই ছাত্ৰী গৰাকীক বেঞ্চৰ ওপৰত জপিয়াই থকা দেখি কাণত ধৰি প্ৰহাৰ কৰিছিল বুলিও কৈ ঘটনাটিৰ বাবে নিজৰ ভুল স্বীকাৰ কৰে । আনহাতে স্থানীয় ৰাইজে এই ঘটনাক তীব্ৰ গৰিহণা দিছে আৰু অভিযুক্ত শিক্ষকজনৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে । ইপিনে অভিভাৱকে থানাত এজাহাৰ দাখিল কৰাৰ পিছত আৰক্ষীয়ে ঘটনাৰ তদন্ত অব্যাহত ৰখাৰ লগতে ছাত্ৰী গৰাকীৰ স্বাস্থ্য পৰীক্ষা কৰায় । সেইদৰে জিলা শিক্ষা বিভাগৰ পৰাও ঘটনাৰ বুজ লৈ তদন্ত আৰম্ভ কৰিছে ।

# কলগাছিয়াৰ আদিতপুৰ গাঁৱত ড্ৰাগছ-নাৰী দেহ ব্যৱসায়ীৰ বিৰুদ্ধে ৰাইজৰ অভিযান

**বাতৰি কাকত কলগাছিয়া,১ জুন ঃ** ৰাজপথত উত্তেজিত ৰাইজে লণ্ডভণ্ড এখন চাৰিচকীয়া বাহন। এই উত্তপ্ত পৰিৱেশৰ সৃষ্টি হৈছে বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত আদিতপুৰ গাঁৱত। অভিযোগ অনুসৰি উক্ত গাঁৱখনৰ আতোৱাৰ ৰহমান নামৰ লোকজনে দীৰ্ঘদিন ধৰি নিজ গৃহতে চলাই আহিছিল নাৰী দেহ আৰু ড্ৰাগছৰ এক অবৈধ ৰমৰমীয়া ব্যৱসায়। আতোৱাৰৰ এনে সমাজবিৰোধী কাৰ্যকলাপত অতিষ্ঠ হৈ পৰিছিল স্থানীয় ৰাইজ। অৱশেষত নামাজ সম্পন্ন কৰি অঞ্চলটোৰ শ শ সচেতন নাগৰিকে একেলগ হৈ আতোৱাৰ ৰহমানৰ ঘৰত চলাই উৎখাত অভিযান। অভিযানৰ সময়ত আতোৱাৰৰ ঘৰৰ পৰা ওলাই অহা এহাল যুৱক-যুৱতীকো ৰাইজে আটক কৰিবলৈ সক্ষম হয়। অভিযানৰ সময়ত পৰিৱেশ ইমানেই উত্তপ্ত হৈ পৰে যে,উত্তেজিত একাংশ ৰাইজে যুৱক-যুৱতীহালে ব্যৱহাৰ কৰা এখন চাৰিচকীয়া বাহন ভাঙি সম্পূৰ্ণৰূপে লণ্ড ভণ্ড কৰে। উল্লেখযোগ্য যে, ইয়াৰ পূৰ্বেও এনে অভিযোগত আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হৈ জেলৰ ভাত খাইছিল এইজন আতোৱাৰ ৰহমানে। কিন্তু জেলৰ পৰা ওলাই আহিয়েই তেওঁ পুনৰ আৰম্ভ কৰে একেই অবৈধ কাৰবাৰ ।পৰৱৰ্তী সময়ত ঘটনাৰ খবৰ পাই ঘটনাস্থলীত কলগাছিয়া আৰক্ষী আৰু বালিকুৰী আৰক্ষীৰ এটা বৃহৎ দল উপস্থিত হয়। আৰক্ষীয়ে মূল অভিযুক্ত আতোৱাৰ ৰহমানৰ লগতে ৰাইজৰ হাতত আৱদ্ধ হৈ থকা যুৱক-যুৱতীহালক নিজৰ জিম্মাত লয়। ইয়াৰ উপৰিও ৰাইজে ভাঙি পেলোৱা বাহনখনো জব্দ কৰি আৰক্ষীয়ে থানালৈ লৈ যায়। বৰ্তমান ঘটনা সন্দৰ্ভত আৰক্ষীয়ে ক্ষিপ্ৰ তদন্ত আৰম্ভ কৰিছে।

# নালন্দা বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ পাঠ্যক্ৰমত বিশেষ কৃতিত্ব অৰ্জন কৰিছে অসম কন্যা আকাংক্ষা বসুমতাৰীয়ে

**ওদালগুৰি , ১ জুন ঃ** দেশৰ বিখ্যাত শিক্ষানুষ্ঠান নালন্দা বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ পাঠ্যক্ৰমত বিশেষ কৃতিত্ব অৰ্জন কৰিছে অসম কন্যা আকাংক্ষা বসুমতাৰীয়ে ।উল্লেখ্য যে - ঢেকিয়াজুলিৰ ৫ নং ৱাৰ্ডৰ বাসিন্দা সুশীল বসুমতাৰী আৰু মণিকা বসুমতাৰীৰ কন্যা আকাংশাই ইতিহাস বিষয়ত স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাত স্বৰ্ণপদক লাভ কৰিছে। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণাৰ পিছত তিনিদিন পূৰ্বে ছাত্ৰীগৰাকী ঢেকিয়াজুলিৰ বাসগৃহত উপস্থিত হৈছিল। আকাংশাৰ উপস্থিতিত তেওঁৰ এই সাফল্যত অঞ্চলটোৰ শিক্ষানুৰাগী ৰাইজে গৌৰৱান্বিত হোৱাৰ লগতে ছাত্ৰীগৰাকীক জনাইছে বিশেষ অভিনন্দন। সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত আকাংশাই কয়, মই বহুত গৰ্ব অনুভৱ কৰিছো মোৰ সাফল্যত। পিতৃ-মাতৃ মোৰ সাফল্যত আনন্দিত হোৱাৰ বাবে মই নথৈ আনন্দিত। ভাৰতবৰ্ষৰ এখন অতি পুৰণি বিশ্ববিদ্যালয়ৰ পৰা পোৱা এনে সাফল্যত ওচৰ-চুবুৰীয়া ৰাইজ আৰু বহু শিক্ষানুষ্ঠানৰ বিশেষ ব্যক্তি উপস্থিত হৈছেহি এই কথাই মোক বিশেষভাৱে অনুপ্ৰাণিত কৰিছে। নিখিল বড়ো ছাত্ৰ সন্থাৰ ঢেকিয়াজুলি আঞ্চলিক সমিতি, ঢেকিয়াজুলি আঞ্চলিক ছাত্ৰ সন্থা, বড়ো সাহিত্য সভাৰ লগতে কেইবাটাও দল-সংগঠনে সম্বৰ্ধনা জ্ঞাপন কৰিছে আকাংশাক।

# দেশৰ তৃতীয়খন ৰাজ্য হিচাপে অসমত ‘ইউনিফৰ্ম চিভিল কোড’ আইন গৃহীত

**বাতৰি কাকত মায়ং, ১ জুন ঃ** ৰাষ্ট্ৰীয় হিন্দু ফ’ন্টৰ তথা জনসংখ্যা সমাধান ফাউণ্ডেচনৰ অসম প্ৰান্তৰ এক দীৰ্ঘদিনীয়া দাবী আজি বাস্তৱায়িত কৰালে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন বিজেপি শাসিত অসম চৰকাৰে। এক প্ৰেছ বিবৃতি জৰিয়তে ৰাষ্ট্ৰীয় হিন্দু ফ’ন্টৰ তথা জনসংখ্যা সমাধান ফাউণ্ডেশ্যনৰ অসম প্ৰান্তৰ ৰাজ্যিক অধক্ষ্য বলেন বৈশ্য আৰু উপাধ্যক্ষ পুলিন কাকতিয়ে জনায় যে, দেশৰ আইন ব্যৱস্থাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে অসম বিধানসভাই “ইউনিফৰ্ম চিভিল কোড, অসম” (অসম সংহিতা আইন ২০২৬ অসম) আইনৰ এইপ্ৰস্তাৱ ইতিমধ্যে গৃহীত হৈছে ।এই আইন গৃহীত হোৱাৰ পিছতে আমাৰ ৰাজ্যখনে দেশৰ তৃতীয়খন ৰাজ্য হিচাপে এই আইন কাৰ্যকৰী ক্ষেত্ৰত স্বীকৃতি পাব ।মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম চৰকাৰে এই আইন গৃহীত কৰাত ৰাজ্যজুৰি বিভিন্ন মহলৰ পৰা বিভিন্ন প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে।এই আইনৰ মূলত বিবাহ, বিবাহবিচ্ছেদ, সম্পত্তি অধিকাৰ আদি আইনসমূহক একে ধৰণেৰে প্ৰযোজ্য কৰাৰ উদ্দেশ্যে প্ৰস্তুত কৰা হৈছে। ইয়াৰ দ্বাৰা সমাজত সমতা প্ৰতিষ্ঠা, নাৰী অধিকাৰৰ সুৰক্ষা আৰু এক সুসংহত আইন ব্যৱস্থা গঢ়ি তোলাৰ লক্ষ্য ধৰা হৈছে। লগতে এই আইনৰ জৰিয়তে ধৰ্মভিত্তিক ভিন্ন আইন ব্যৱস্থাৰ সলনি একক আইনী প্ৰক্ৰিয়াত প্ৰৱৰ্তন হ’ব ।চৰকাৰৰ এই গুৰুত্বপূৰ্ণ সিদ্ধান্তক স্বাগত জনাইছে বিভিন্ন ৰাষ্ট্ৰীয় আৰু আঞ্চলিক সংগঠনে। ৰাষ্ট্ৰীয় হিন্দু ফৰুন্টৰ অসমৰ সভাপতি বলেন বৈশ্য আৰু উপ-সভাপতি পুলিন কাকতিয়ে এক যৌথ বিবৃতিত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু অসম চৰকাৰক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। তেওঁলোকে কয় যে, ‘ইউনিফৰ্ম চিভিল কোড’ আইন গৃহীত হোৱাটো এক ঐতিহাসিক পদক্ষেপ, যিয়ে সমাজত সমতা আৰু ন্যায় প্ৰতিষ্ঠাত সহায় কৰিব। তেওঁলোকে লগতে উল্লেখ কৰে যে, বহু বছৰ ধৰি দেশত এই বিষয়টো লৈ আলোচনা চলি আছিল, কিন্তু বাস্তৱ ৰূপায়নৰ ক্ষেত্ৰত বহু বাধা আছিল। এনে পৰিস্থিতিত অসম চৰকাৰৰ সাহসী সিদ্ধান্তই এক নতুন দিশ তথা পৰিৱেশ প্ৰদৰ্শন কৰিলে। তেওঁলোকে আশা প্ৰকাশ কৰে যে, এই আইনৰ জৰিয়তে সমাজত সম অধিকাৰ আৰু একতা অধিক শক্তিশালী হ’ব ।ইফালে, চৰকাৰী সূত্ৰ অনুসৰি এই আইন বলবৎ কৰাৰ ক্ষেত্ৰত ৰাজ্যত বসবাস কৰা বিভিন্ন জাতি -জনগোষ্ঠী সম্প্ৰদায়ৰ মাজত সুসমন্বয় ৰক্ষা কৰি এই আইন কাৰ্যকৰী কৰা হ’ব বুলি চৰকাৰে আশ্বাস প্ৰদান কৰিছে ।উল্লেখযোগ্য যে, “ইউনিফৰ্ম চিভিল কোড” দেশজুৰি এক বিতৰ্কিত বিষয় হিচাপে চিহ্নিত হৈ আহিছে। ৰাজ্য অধিকাংশই ইয়াক স্বাগত জনোৱাৰ বিপৰীতে আন দুই একে সমালোচনাও কৰে। তাৰ মাজতে অসমত এই আইন গৃহীত হোৱাটো দেশৰ ৰাজনৈতিক আৰু সামাজিক পৰিসৰত এক গুৰুত্বপূৰ্ণ ঘটনা হিচাপে পৰিগণিত হৈছে ।সামগ্ৰিকভাৱে চালে, অসম বিধানসভাৰ এই সিদ্ধান্তই দেশৰ আইন ব্যৱস্থাত এক নতুন অধ্যায় আৰম্ভ কৰাৰ লগতে আগন্তুক দিনত আন ৰাজ্যসমূহৰ বাবে উদাহৰণ হিচাপে পৰিগণিত হ’ব বুলি বহু সংখ্যক লোকে মন্তব্য প্ৰকাশ কৰে।

# ওদালগুৰি জিলাৰ কৃষি- উদ্যান শস্যৰ ৰপ্তানি সম্ভাৱনা অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে প্ৰশিক্ষণ কাৰ্যসূচী

**টংলা, ১ জুন ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ কৃষি আৰু উদ্যান শস্যৰ ৰপ্তানি সম্ভাৱনা অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে “Empowering FPOs/FPCs of North Eastern Region. Capacity Building Program for Agri-Horti Exports” শীৰ্ষক এক সক্ষমতা বিকাশমূলক প্ৰশিক্ষণ কাৰ্যসূচী কে.ভি.কে. , লালপুল, ওদালগুৰিত সফলভাৱে অনুষ্ঠিত হয়। কৃষক, কৃষি উদ্যোগী, আৰু বিভিন্ন Farmer Producer Organization (FPO) তথা Farmer Producer Company (FPC)-ৰ প্ৰতিনিধিকে ধৰি প্ৰায় ১০০ গৰাকী অংশগ্ৰহণকাৰীয়ে এই কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে।কাৰ্যসূচীৰ আৰম্ভণিতে ওদালগুৰি উপ-বিভাগীয় কৃষি বিষয়া কুলেন্দ্ৰ ডেকাই উপস্থিত সকলোকে আদৰণি জনাই কৃষি ৰপ্তানিৰ ক্ষেত্ৰত চৰকাৰৰ বিভিন্ন পদক্ষেপ, কৃষক উৎপাদক সংগঠনসমূহৰ ভূমিকা, আৰু অঞ্চলটোৰ কৃষি যোগান শৃংখলা অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত বিভাগীয় সহায়-সহযোগিতাৰ বিষয়ে অৱগত কৰে। অনুষ্ঠানত উপস্থিত থকা কে.ভি.কে. ওদালগুৰিৰ জ্যেষ্ঠ বিজ্ঞানী আৰু বিভাগীয় মুৰব্বী দিগন্ত শৰ্মাই স্থানীয় কৃষি উৎপাদন আৰু উদ্যান শস্যক আন্তঃৰাষ্ট্ৰীয় বজাৰত প্ৰতিযোগিতামূলক ৰূপত উপস্থাপন কৰিবলৈ বৈজ্ঞানিক কৃষি পদ্ধতি, উন্নত উৎপাদন ব্যৱস্থা আৰু গুণগত মান বজাই ৰখাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি বিস্তৃতভাৱে আলোকপাত কৰে। এপেডা, গুৱাহাটী আঞ্চলিক কাৰ্যালয়ৰ ডঃ সঞ্জু অধিকাৰীয়ে মুখ্য সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি “APEDA’s Role in Agri-Export and Financial Assistance Scheme (FAS)” বিষয়ত এক তথ্যসমৃদ্ধ কাৰিকৰী অধিবেশন পৰিচালনা কৰে। তেওঁ কৃষিজ আৰু প্ৰস্তুত খাদ্য সামগ্ৰীৰ ৰপ্তানিৰ বাবে APEDA-ৰ ভূমিকা, আৰ্থিক সহায় আঁচনি, গুণগত মানদণ্ড, প্ৰমাণপত্ৰ ব্যৱস্থা, পেকেজিং, সংৰক্ষণ, আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰৰ সৈতে সংযোগ স্থাপনৰ বিভিন্ন দিশৰ বিষয়ে অংশগ্ৰহণকাৰীসকলক অৱগত কৰে। অন্তঃ জিলাৰ এই প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে কৃষক আৰু FPO/FPCসমূহে ৰপ্তানিমুখী কৃষি ব্যৱস্থা, মানসম্পন্ন উৎপাদন, আৰু বজাৰ সংযোগ সম্পৰ্কে বাস্তৱধৰ্মী জ্ঞান লাভ কৰে। কাৰ্যসূচীৰ অন্তত উত্তৰ-পূৰ্বাঞ্চলৰ জৈৱিক আৰু বৈশিষ্ট্যপূৰ্ণ কৃষিজ উৎপাদনসমূহক আন্তঃৰাষ্ট্ৰীয় বজাৰত অধিক পৰিচিত কৰি কৃষকৰ আয় বৃদ্ধি আৰু আঞ্চলিক আৰ্থিক বিকাশ ত্বৰান্বিত কৰাৰ আহ্বান জনোৱা হয়।

# বাদলাপাৰা চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ত আছাৰ পৰিদৰ্শন

**টংলা ১ জুন ঃ** সদৌ আদিবাসী ছাত্ৰ সন্থাৰ ওদালগুৰি জিলা সমিতিৰ সভাপতি শিৱদত তাঁতীৰ নেতৃত্বত আছাৰ ওদালগুৰি জিলা সমিতি আৰু বামুনজুলি আঞ্চলিক সমিতিৰ সৈতে বাদলাপাৰা চাহ বাগিচা মডেল স্কুল পৰিদৰ্শন কৰি আন্তঃগাঁথনি আৰু শৈক্ষিক অৱস্থাৰ বিষয়ে পৰ্যালোচনা কৰে।পৰিদৰ্শনৰ সময়ত দলটোৱে ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱকৰ সৈতে মত বিনিময় কৰে। সংগঠনটোৰ নেতৃবৃন্দই কেইবাটাও গুৰুতৰ সমস্যা পোৱা গৈছে বুলি এক প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰিছে। ষষ্ঠ শ্ৰেণী আৰু নৱম শ্ৰেণীলৈ ১৬২ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে মাত্ৰ এজন শিক্ষক উপস্থিত থাকে সেইজন আকৌ প্ৰধান শিক্ষক। বিদ্যালয়খনত উচ্চ প্ৰাথমিকৰ বাবে কোনো বিজ্ঞান আৰু গণিতৰ শিক্ষক নাই ।বিদ্যালয়ৰ আন্তগাঁথনি জৰাজীৰ্ণ । শৌচালয় আছে কিন্তু পানীৰ ব্যৱস্থা নাই, ইলেক্ট্ৰিচিটি সংযোগ নাই, নাই ফেনৰ ব্যৱস্থা, নাই চাইকেল ষ্টেণ্ড,নাই ৰান্ধনী ঘৰ। সীমাৰ দেৱাল অন্য স্কুলতকৈ পৃথক অন্য স্কুলত ইটাৰ দেৱাল কিন্তু ইয়াত ফেঞ্চিঙৰহে আৰ্থ ফিলিং। আৰ্থ ফিলিঙৰ ঠাইত ওচৰৰ নদীৰ পৰা বালি আনি নিৰ্মাণ কৰিছে যদিও বৰষুণ দিয়াৰ ফলত খহি গৈছে। বিদ্যালয়খনত দুপৰীয়াৰ আহাৰৰ ব্যৱস্থা নাই। দুখীয়া আদিবাসী পৰিয়ালৰ ল’ৰা-ছোৱালীৰ বাবে দুপৰীয়াৰ আহাৰৰ অত্যন্ত প্ৰয়োজন আছিল ।তেওঁলোকে আন এটা গুৰুত্ব বিষয় উত্থাপন কৰিছে বিদ্যালয়খনত কম্পিউটাৰ আৰু লাইব্ৰেৰীৰ সুবিধা নাই। চৰকাৰে “মডেল স্কুল” টেগ দিয়াৰ পিছতো ডিজিটেল শিক্ষা উপলব্ধ নোহোৱাটো দুৰ্ভাগ্যজনক আখ্যা ।আছাৰ জিলা সভাপতি শিৱদত্ত তাঁতীয়ে কয় চাহ বাগিচাৰ লৰা- ছোৱালী বা ছাত্ৰ -ছাত্ৰী সকলক ডাক্তৰ-ইঞ্জিনীয়াৰ বনাবলৈ চেষ্টা কৰিছো। কিন্তু স্কুলত উপযুক্ত শিক্ষক নাই, নাই স্কুলৰ লাগতীয়াল ব্যৱস্থা। চৰকাৰে মডেল স্কুল নামৰ কাৰনে দিছে, কিন্তু সুবিধা একো নাই। আছাই এনে ছাত্ৰ-ছাত্ৰীৰ ওপৰত হোৱা অন্যায় কেতিয়াও সহ্য নকৰে। ওদালগুৰি জিলা সমিতিৰ আছাই চৰকাৰ আৰু সংশ্লিষ্ট কৰ্তৃপক্ষক কেইবাটাও দাবী



উত্থাপন কৰিছে। সেই দাবীসমূহ অতি শীঘ্ৰে সমাধান কৰিবলৈ আহ্বান জনাইছে। সংগঠনটোৰ দাবীসমূহ হৈছে - ৩০ দিনৰ ভিতৰত এছ এছ এ মিছনৰ দ্বাৰা বিষয় শিক্ষক তৎকালীনভাৱে নিযুক্তি দিয়া। দুপৰীয়াৰ আহাৰৰ ফাণ্ডৰ ওপৰত সোধা-পোছা। চৰকাৰী আবণ্টন থকাৰ পিছতো দুপৰীয়াৰ আহাৰ কিয় খাদ্য বন্ধ হ’ল। প্ৰেছ বিবৃতিটোত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ওদালগুৰি জিলা সমিতিৰ সভাপতি শিবদত তাঁতীয়ে এমাহৰ ভিতৰত যদি কোনো ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে আছাই অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ সৈতে গণতান্ত্ৰিক প্ৰতিবাদ আৰম্ভ কৰিব বুলি জানিবলৈ দিয়ে ।আনহাতে দলটোৱে আৰু অহা সপ্তাহত ওদালগুৰি জিলা আয়ুক্ত মন্ত্ৰী ,বিধায়কক সাক্ষাৎ কৰিব। পৰিদৰ্শন কৰা দলটোত ওদালগুৰি জিলা সমিতি আছাৰ সভাপতি শিৱদত্ত তাঁতী, বামুনজুলি আঞ্চলিক সমিতিৰ সভাপতি নাৰ্জ্বা খালখো ,সম্পাদক মনোজ ওৰাঙৰ লগতে বিষয়ববীয়া উপস্থিত থাকে।

# মায়ঙত পথ-দলং নিৰ্মাণত অনিয়মৰ অভিযোগ

**বাতৰি কাকত,জাগীৰোড,১ জুন ঃ** মৰিগাঁও জিলাৰ জাগীৰোড সমজিলাৰ অন্তৰ্গত ঝাৰগাঁৱৰ পৰা বৰপাকলৈ পকী পথ আৰু বৰপাক -মালৈবাড়ী সংযোগী কলং নদীৰ ওপৰত পকী দলং নিৰ্মাণত ব্যাপক দুৰ্নীতি অনিয়মৰ অভিযোগ কৰিছে স্থানীয় ৰাইজে। প্ৰাপ্ত তথ্য মতে অসম মালাৰ অধীনত ১৯ কোটি ৫৮ লাখ টকা দলঙৰ আৰু ঝাৰগাঁৱৰ পৰা বৰপাকলৈ পকী পথ নিৰ্মাণৰ ৬০ কোটি টকা মঞ্জুৰ কৰিছে ৰাজ্য চৰকাৰে। উক্ত কাম প্ৰাক্ কলন মতে নকৰি ঠিকাদাৰে অতি নিম্নমানৰ সামগ্ৰীৰে নিৰ্মাণ কৰিছে বুলি ৰাইজে অভিযোগ কৰিছে। বিশেষকৈ বৰপাক -মালৈবাড়ী সংযোগী পকী দলং নিৰ্মাণত অতি নিম্নমানৰ সামগ্ৰীৰে নিৰ্মাণ কাৰ্য চলাইছে ঠিকাদাৰে। তাৰউপৰিও দলং খনত ব্যৱহৃত ৰড, চিমেণ্ট,বালী অতি নিম্নমানৰ বুলি অভিযোগ কৰিছে ৰাইজে। নিম্নমানৰ সামগ্ৰীৰে নিৰ্মাণ কাৰ্য চলাই নিয়াত ৰাইজে কেইবাবাৰো প্ৰতিবাদ কৰাৰ পিছতো গুৰুত্ব দিয়া নাই ঠিকাদাৰে। ধূলি সদৃশ বালিৰে অতি গুৰুত্বপূৰ্ণ দলং নিৰ্মাণ কৰাৰ ফলত ১০- ১৫ বছৰ পিছত হয়তো এই দলং ভাঙি যাব পাৰে বুলি ৰাইজে সন্দেহ প্ৰকাশ কৰিছে। ইপিনে বিভাগীয় কৰ্তৃপক্ষই নিৰ্মাণ কাৰ্য পৰিদৰ্শন সপ্তাহত এবাৰ কৰিব লাগে যদি মাহত হঠাৎ আহে আৰু সেই বিষয়ে ৰাইজে গম নাপায়। এই নিৰ্মাণ কাৰ্যত হোৱা অনিয়মৰ লগত মৰিগাঁৱৰ বিভাগীয় কৰ্তৃপক্ষৰ মিল আছে বুলি গুৰুতৰ অভিযোগ কৰিছে ৰাইজে। বিভাগীয় কৰ্তৃপক্ষৰ গা এৰা দিয়া মনোভাৱে ৰাইজৰ মনত সন্দেহ হৈছে। ইমান গুৰুত্বপূৰ্ণ কামত কোনো তৎপৰতা নাই বিভাগীয় কৰ্তৃপক্ষৰ নিশ্চয় কিবা গোপন বুজা বুজি আছে । সেয়ে উক্ত কামৰ এক তদন্তৰ দাবী কৰিছে স্থানীয় ভুক্তভোগী ৰাইজে। লগতে বিষয়টোৰ সন্দৰ্ভত স্থানীয় বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী পীযুষ হাজৰিকাৰ হস্তক্ষেপ দাবী তোলাৰ লগতে দোষী ব্যক্তিসকলক কঠোৰ শাস্তি দাবী তোলে ।

# সৰ্বোদয় মধ্য ইংৰাজী বিদ্যালয়ৰ বিজ্ঞান শিক্ষক অনিল চৌধুৰীৰ বিদায় সম্বৰ্ধনা সভা

**পাঠশালা, ১ জুন ঃ** বজালী শিক্ষাখণ্ডৰ অন্তৰ্গত চৰকাৰী বিদ্যালয় সমূহৰ ভিতৰত এখন আগশাৰীৰ লেখত ল’বলগীয়া বিদ্যালয় হ’ল সৰ্বোদয় মধ্য ইংৰাজী বিদ্যালয় । ৩১ মাৰ্চত অনিল চৌধুৰীয়ে ৩২ বছৰ অৰ্থাৎ এক দীঘলীয়া পৰিক্ৰমাৰে পাৰ কৰি আনুষ্ঠানিক ভাৱে বিজ্ঞান শিক্ষকৰ পদৰ পৰা অৱসৰ গ্ৰহণ কৰে। তেওঁ চৰকাৰী চাকৰি পোৱাৰ আগতে শ্ৰীমন্ত শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয় (মৈৰামভিঠা)ত হিন্দী শিক্ষক হিচাপে শিক্ষকতা জীৱনৰ পাতনি মেলে। তাৰ পাছত মধ্য বিজনী হাইস্কুল (হুদুখাটা)ত বিজ্ঞান শিক্ষক হিচাবে আৰু বৰটাৰী হাইস্কুলত বিজ্ঞান শিক্ষক হিচাপে কাম কৰি থকা অৱস্থাত ১৯৯৪ খ্ৰীঃৰ ফেব্ৰুৱাৰী মাহত চৰকাৰী ভাৱে বিজ্ঞান শিক্ষক হিচাপে নিযুক্তি পত্ৰ পাই দেনাৰটাৰী গাঁৱৰ (চাৰালপাৰা) চুবাৰ সাৰ্বজনীন এম. ই. স্কুলত বিজ্ঞান শিক্ষক হিচাবে যোগদান কৰি চৰকাৰী শিক্ষকতাৰ আৰম্ভ কৰে। তাৰ পাছত ১৯৯৯ চনত এইখন সৰ্বোদয় এম. ই. স্কুল (শিয়ালমাৰী) লৈ বদলি হৈ আহি বিজ্ঞান শিক্ষকৰ দায়িত্ব পালন কৰি এই বিদায় বেলাত উপস্থিত হয়। অকল শিক্ষক হিচাপে যে কাম কৰিছিল তেনে নহয় সকলো ছাত্ৰ-ছাত্ৰীৰ লগত বন্ধুত্ব অথচ অত্যন্ত মৰম ভাল পোৱাৰ লগতে সৰ্বাঙ্গীন উন্নতিৰ বাবেও কাম কৰিছিল শিক্ষকজনে। এই বিদ্যালয়ত কাম কৰি থকা অৱস্থাৰ পৰা ভৱানীপুৰ ব্লকৰ অন্তৰ্গত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ পুঠিমাৰী অম্বিকাগিৰি হাইস্কুলৰ যোগেদি এই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন ঠাইত হোৱা বিজ্ঞানৰ মডেল প্ৰতিযোগিতাত পুৰস্কাৰ আনিবলৈ সক্ষম হয় অনিল চৌধুৰীয়ে লগতে কৃতী শিক্ষকৰ বঁটা,ডঃ আম্বেদকাৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰিবলৈও সক্ষম হয়।

# বেংক অব্ বৰোদাৰ ফিজিটেল শাখা-আঞ্চলিক সংকটগ্ৰস্ত সম্পদ পুনৰুদ্ধাৰ শাখা উদ্বোধন



**গুৱাহাটী,১জুনঃ** উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশত এক নতুন মাত্ৰা যোগ কৰি গ্ৰাহকৰ বাবে এক বিশেষ সেৱা মুকলি কৰিছে বেংক অৱ বৰোদাই। গ্ৰাহককেন্দ্ৰিক অভিজ্ঞতা আৰু অন্তৰ্ভুক্তিমূলক বেংকিং ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে ভাৰতৰ এই আন্তঃৰাষ্ট্ৰীয় বেংকটোৱে গ্ৰহণ কৰিছে এক গুৰুত্বপূৰ্ণ পদক্ষেপ। প্ৰতিষ্ঠানটোৱে মেঘালয়ৰ শ্বিলঙত তেখেতলোকৰ নতুন প্ৰজন্মৰ ফিজিটেল শাখা আৰু অসমৰ গুৱাহাটীত আজি আনুষ্ঠানিকভাৱে মুকলি কৰে আঞ্চলিক সংকটগ্ৰস্ত সম্পদ পুনৰুদ্ধাৰ শাখা। উল্লেখ্য যে, শ্বিলঙৰ এই নতুন ফিজিটেল শাখাৰ জৰিয়তে বেংক অৱ বৰোদাই গ্ৰাহকসকলক ডিজিটেল সুবিধা আৰু ব্যক্তিগত বেংকিং সহায়ৰ এক অনন্য অভিজ্ঞতা প্ৰদান কৰিব। অত্যাধুনিক স্ব-সেৱা বেংকিং সুবিধাৰ সমান্তৰালকৈ ইয়াত লাভ কৰিব বিশেষ গ্ৰাহক সহায়ক ব্যৱস্থাও। ইয়াৰ জৰিয়তে আধুনিক, দ্ৰুত আৰু গ্ৰাহকবান্ধৱ বেংকিং সেৱা আগবঢ়োৱাৰ লক্ষ্য লৈছে বেংকিং প্ৰতিষ্ঠানটোৱে।আনহাতে, গুৱাহাটীত কাৰ্যক্ষম হোৱা সম্পদ পুনৰুদ্ধাৰ শাখাই উত্তৰ-পূৰ্বাঞ্চলত বেংকটোৰ সংকটগ্ৰস্ত সম্পদ পুনৰুদ্ধাৰ আৰু নিষ্পত্তি প্ৰক্ৰিয়াক অধিক শক্তিশালী কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। বেংকটোৰ এই পদক্ষেপৰ ফলত ঋণ উদ্ধাৰ প্ৰক্ৰিয়াত অধিক নিবিড় নিৰীক্ষণ, উন্নত কাৰ্যক্ষমতা আৰু পুনৰুদ্ধাৰ ব্যৱস্থাৰ দক্ষতা বৃদ্ধি পাব। আজি শ্বিলং আৰু গুৱাহাটীৰ এই দুয়োটা শাখাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বেংক অৱ বৰোদাৰ এক্সিকিউটিভ ডাইৰেক্টৰ লাল সিংহে। এই অনুষ্ঠানত উপস্থিত থাকে উত্তৰ-পূৰ্বাঞ্চলীয় ৰাজ্যসমূহ জ'নৰ মহাপ্ৰবন্ধক তথা জ'নেল মুৰব্বী শিবা পদ নায়ক। শ্বিলঙৰ ফিজিটেল শাখাৰ উদ্বোধনী অনুষ্ঠানত বিশেষ অতিথি হিচাপে উপস্থিত থাকে মেঘালয় চৰকাৰৰ আয়ুক্ত তথা সচিব ড° বিডিআৰ তিৱাৰী। ইয়াৰ উপৰিও, দুয়োটা অনুষ্ঠানতে উপস্থিত থাকে উত্তৰ-পূৰ্বাঞ্চলীয় ৰাজ্যসমূহ জ'নৰ অনুশাসন আৰু আশ্বাস বিভাগৰ উপ-মহাপ্ৰবন্ধক বিশ্বজিৎ স্বাইন, উত্তৰ-পূৰ্বাঞ্চলীয় ৰাজ্যসমূহ জ'নৰ জ'নেল পৰিদৰ্শন আৰু হিচাপ পৰীক্ষা বিভাগৰ উপ-মহাপ্ৰবন্ধক কল্লোল বিশ্বাস,সহকাৰী মহাপ্ৰবন্ধক আৰু ৰাজভাষা তথা সংসদীয় সমিতিৰ প্ৰভাৰী পুনীত মিশ্ৰ,গুৱাহাটীৰ আঞ্চলিক মুৰব্বী দিৱাকৰ ঝা, গুৱাহাটী অঞ্চলৰ সহকাৰী মহাপ্ৰবন্ধক তথা উপ-আঞ্চলিক মুৰব্বী প্ৰভাত কুমাৰ ঝা, গুৱাহাটীৰ এএমই শাখাৰ শাখা মুৰব্বী প্ৰবীণ কুমাৰ শেঠী, সম্পদ পুনৰুদ্ধাৰ শাখা, গুৱাহাটীৰ মুখ্য প্ৰবন্ধক ত্ৰিলোচন সাহু আদিৰ লগতে বেংকৰ অন্যান্য জ্যেষ্ঠ বিষয়া, সন্মানীয় গ্ৰাহক আৰু স্থানীয় সমাজৰ সদস্যসকল। অনুষ্ঠানত ভাষণ প্ৰদান কৰি বেংক অৱ বৰোদাৰ এক্সিকিউটিভ ডাইৰেক্টৰ লাল সিংহে কয়, 'শ্বিলঙত ফিজিটেল শাখা আৰু গুৱাহাটীত সম্পদ পুনৰুদ্ধাৰ শাখাৰ উদ্বোধনে উদ্ভাৱন, কাৰ্যগত উৎকৰ্ষতা আৰু গ্ৰাহককেন্দ্ৰিক বেংকিঙৰ প্ৰতি বেংক অৱ বৰোদাৰ অব্যাহত অংগীকাৰক প্ৰতিফলিত কৰে। এই পদক্ষেপসমূহে উত্তৰ-পূৰ্বাঞ্চলত আমাৰ উপস্থিতি অধিক শক্তিশালী কৰাৰ লগতে উন্নত বেংকিং আৰু পুনৰুদ্ধাৰ সেৱা আগবঢ়োৱাত সহায় কৰিব।' উত্তৰ-পূৰ্বাঞ্চলত এই দুয়োটা নতুন শাখাৰ উদ্বোধনৰ জৰিয়তে বেংক অৱ বৰোদাই সমগ্ৰ দেশতে উদ্ভাৱনী, সুৰক্ষিত আৰু সহজলভ্য বেংকিং সমাধান আগবঢ়োৱাৰ লগতে নিজৰ ডিজিটেল পৰিকাঠামো আৰু কাৰ্যক্ষমতা অধিক শক্তিশালী কৰাৰ প্ৰতিশ্ৰুতি পুনৰ দৃঢ়ভাৱে ব্যক্ত কৰিছে।

# বিধায়ক বিজয় কুমাৰ গুপ্তাক সভাপতি হিচাপে লৈ ৰাজবাৰী এথলেটিক ক্লাবৰ নতুন সমিতি গঠন

**গুৱাহাটী,১ জুনঃ** গুৱাহাটীৰ ৰাজবাৰী এথলেটিক ক্লাবৰ ৬৯ সংখ্যক বাৰ্ষিক সাধাৰণ সভাখন দেওবাৰে অনুষ্ঠিত হৈ যায়। ক্লাবৰ কাৰ্যকৰী সভাপতি উষাম দীপক সিঙৰ সভাপতিত্বত অনুষ্ঠিত সভাত সৰ্বসন্মতিক্ৰমে মধ্য গুৱাহাটী সমষ্টিৰ বিধায়ক বিজয় গুপ্তাক সভাপতি, ঊষাম দীপক সিঙক কাৰ্যকৰী সভাপতি, অংগম বিজুল সিঙক সাধাৰণ সম্পাদক আৰু এম বাৰিন সিঙক কোষাধ্যক্ষ হিচাপে লৈ





ক্লাবৰ কাৰ্যকৰী সমিতিখন গঠন কৰা হয়। ইয়াৰ উপৰিও ৰাই ধন সিং, এল পঞ্চম সিং আৰু অম্লান ভদ্ৰক ক্লাবৰ উপদেষ্টা হিচাপে নিযুক্তি দিয়া হয়। সভাত বিধায়ক বিজয় গুপ্তা, গুৱাহাটী পৌৰ মেয়ৰ মৃগেন শৰণীয়া, পাৰিষদ বিনীতা দত্ত চৌধুৰী আৰু ৰাষ্ট্ৰীয় হিন্দু ফ্ৰণ্টৰ সভাপতি বলেন বৈশ্যকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# ছ'ল এস্থেটিক্স এণ্ড একাডেমীৰ প্ৰথম বৰ্ষপূৰ্তি উদযাপন

**গুৱাহাটী,১জুনঃ**গুৱাহাটীৰ এফফ'ৰ্ট কমপ্লেক্সৰ পঞ্চম মহলাত অৱস্থিত ছ'ল এস্থেটিক্স এণ্ড একাডেমীয়ে গৌৰৱেৰে নিজৰ প্ৰথম বৰ্ষপূৰ্তি উদযাপন কৰিছে। সৌন্দৰ্যচৰ্চা, স্বাস্থ্য-সুস্থতা আৰু পেছাদাৰী প্ৰশিক্ষণৰ ক্ষেত্ৰত উৎকৰ্ষতাৰ এক সফল বৰ্ষ সম্পূৰ্ণ কৰাৰ উপলক্ষে এই উদযাপন আয়োজন কৰা হয় এই একাডেমীখনৰ উদ্বোধন বিগত বৰ্ষত বিশিষ্ট বলীউড অভিনেত্ৰী উৰ্মিলা মাতণ্ডকাৰে কৰিছিল। তেওঁৰ উপস্থিতিয়ে উদ্বোধনী অনুষ্ঠানটোক বিশেষ মৰ্যাদা প্ৰদান কৰিছিল। এক বছৰত ছ'ল এস্থেটিক্স এণ্ড একাডেমীয়ে এটা বিশেষায়িত সৌন্দৰ্য চিকিৎসা কেন্দ্ৰৰ পৰা উন্নত মানৰ সৌন্দৰ্য আৰু স্বাস্থ্য-সুস্থতা সেৱাৰ এক সম্পূৰ্ণ গন্তব্যস্থল হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছে। বৰ্তমান একাডেমীখনত উন্নত ত্বক পৰিচৰ্যা, মূৰৰ ছাল আৰু



চুলিৰ যত্ন, লেজাৰভিত্তিক চিকিৎসা, স্থায়ী ৰূপ-সজ্জা, নখৰ সৌন্দৰ্যসেৱা আৰু বিভিন্ন স্বাস্থ্য-সুস্থতা চিকিৎসা পদ্ধতি আদি সেৱা আগবঢ়োৱা হয়। শতাধিক সন্তুষ্ট গ্ৰাহকৰ আস্থা আৰু সমৰ্থনে প্ৰতিষ্ঠানটোৰ এই উল্লেখযোগ্য বিকাশ আৰু সফলতাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।কেন্দ্ৰটো প্লাষ্টিক অস্ত্ৰোপচাৰ বিশেষজ্ঞ ডাঃ দীপাঞ্জলি বড়ো, সৌন্দৰ্য চিকিৎসক ডাঃ মীমাংসা কলিতা আৰু পুষ্টিবিদ তথা অন্ত্ৰৰ অণুজীৱতন্ত্ৰ বিশেষজ্ঞ ইন্দ্ৰাণী দত্তৰ বিশেষজ্ঞ তত্ত্বাৱধানত পৰিচালিত হয়। দক্ষ আৰু প্ৰশিক্ষিত পেছাদাৰী দলৰ সহযোগত প্ৰতিটো চিকিৎসা আৰু সেৱা সুৰক্ষিত, ব্যক্তিকেন্দ্ৰিক আৰু ফলপ্ৰসূ হোৱাটো নিশ্চিত কৰা হয়। উদ্ভাৱন আৰু সামগ্ৰিক স্বাস্থ্য-সুস্থতাৰ প্ৰতি দায়বদ্ধতাৰ অংশ হিচাপে এই বৰ্ষত একাডেমীখনে অন্ত্ৰৰ অণুজীৱতন্ত্ৰ পৰীক্ষা আৰু উপকাৰী জীৱাণুসমৃদ্ধ পুষ্টিকৰ পৰিপূৰক সেৱা আৰম্ভ কৰে। একে সময়তে গ্ৰাহকৰ বৰ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি পেছাদাৰী নখ বৰ্ধন আৰু সৌন্দৰ্যসজ্জা সেৱাও সংযোজন কৰা হৈছে। প্ৰতিষ্ঠাপক আৰু স্বত্বাধিকাৰী বিকাশ আগৰৱালে গ্ৰাহক, শিক্ষাৰ্থী, শুভাকাংক্ষী আৰু সমগ্ৰ দলটোক তেওঁলোকৰ অব্যাহত আস্থা আৰু সমৰ্থনৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে প্ৰথম বৰ্ষ সফলতাৰে সম্পূৰ্ণ কৰাটো কেৱল এক উদযাপন নহয়, ভৱিষ্যতৰ অধিক বিকাশ, উদ্ভাৱন আৰু উৎকৃষ্ট সেৱাৰ ভেটি স্থাপন কৰাৰ এক উল্লেখযোগ্য মাইলৰ খুঁটি। দ্বিতীয় বৰ্ষত পদাৰ্পণ কৰি ছ'ল এস্থেটিক্স এণ্ড একাডেমীয়ে উন্নত চিকিৎসা পদ্ধতি, বিশেষজ্ঞ পৰামৰ্শ, অত্যাধুনিক প্ৰযুক্তি আৰু উৎকৃষ্ট গ্ৰাহক অভিজ্ঞতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি পুনৰ দৃঢ় কৰিছে। সৌন্দৰ্য, স্বাস্থ্য, সুস্থতা আৰু পেছাদাৰী শিক্ষাৰ ক্ষেত্ৰত নতুন মানদণ্ড স্থাপন কৰি আগবাঢ়ি যোৱাই একাডেমীখনৰ মূল লক্ষ্য। বিগত বৰ্ষত অনুষ্ঠিত হোৱা উদ্বোধনী অনুষ্ঠানৰ স্মৃতি ৰোমন্থন কৰি একাডেমী কৰ্তৃপক্ষই উৰ্মিলা মাতণ্ডকাৰৰ উৎসাহ আৰু শুভেচ্ছাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। তেওঁৰ অনুপ্ৰেৰণা আজিও প্ৰতিষ্ঠানটোৰ সমগ্ৰ দলক উৎকৰ্ষতাৰ পথত আগবাঢ়ি যাবলৈ উৎসাহিত কৰি আছে।

# চিকিৎসা ক্লিনিকৰ সৈতে যৌথ উদ্যোগত বিশেষ নিউৰ'লজী অ'পিডি সেৱা মুকলি

**গুৱাহাটী,১ জুনঃ** গুৱাহাটীত স্নায়ুৰোগ চিকিৎসা সেৱাক অধিক শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে নতুন দিল্লীৰ প্ৰথমেষ্টা নিউৰ' কেয়াৰে চিকিৎসা ক্লিনিকৰ সৈতে যৌথভাৱে মুকলি কৰিছে এক বিশেষ স্নায়ুৰোগ বহিঃবিভাগ সেৱা। প্ৰথমেষ্টা নিউৰ' কেয়াৰ আৰু নতুন দিল্লীৰ বাত্ৰা হাস্পতালৰ নিউৰ'লজী তথা ইণ্টাৰভেনচনেল নিউৰ'ৰেডিঅ'লজী বিভাগৰ সঞ্চালক ডাঃ বিপ্লৱ দাসৰ উপস্থিতিত এই বিশেষ চিকিৎসা সেৱাৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। প্ৰতি মাহৰ দ্বিতীয় আৰু চতুৰ্থ মঙলবাৰে পুৱা ১১ বজাৰ পৰা বিয়লিত বজালৈ গুৱাহাটীৰ চিকিৎসা ক্লিনিকত উপলব্ধ থাকিব ডাঃ বিপ্লৱ দাসৰ বিশেষ চিকিৎসা সেৱা। এই ক্লিনিকতে লাভ কৰিব পৰা যাব প্ৰাথমিক পৰামৰ্শ আৰু ফলো-আপ সেৱা। ফলস্বৰূপে স্নায়ুৰোগৰ উন্নত চিকিৎসাৰ বাবে ৰোগীয়ে আৰু বহিঃৰাজ্যৰ মেট্ৰ' চহৰলৈ ঢাপলি মেলিব নালাগিব। গুৱাহাটী আৰু সমীপৱৰ্তী অঞ্চলৰ সৰ্বসাধাৰণে এতিয়াৰে পৰা বিভিন্ন স্নায়ুৰোগ ইয়াৰ চিকিৎসা তথা ব্যৱস্থাপনা সন্দৰ্ভত ছুপাৰ স্পেচিয়েলিষ্ট পৰামৰ্শ গ্ৰহণ কৰিব পাৰিব। এই সমগ্ৰ সেৱাই সামৰি ল'ব ষ্ট্ৰোকৰ চিকিৎসা, ব্যৱস্থাপনা আৰু মৃগীৰোগৰ অস্ত্ৰোপচাৰৰ দৰে জটিল বিষয়সমূহ। প্ৰথমেষ্টা নিউৰ' কেয়াৰ আৰু নতুন দিল্লীৰ বাত্ৰা হাস্পতালৰ নিউৰ'লজী তথা ইণ্টাৰভেনচনেল নিউৰ'ৰেডিঅ'লজী বিভাগৰ সঞ্চালক ডাঃ বিপ্লৱ দাসে কয়, 'মূৰৰ বিষ, মাইগ্ৰেইন, হঠাৎ বা তীব্ৰ মূৰ ঘূৰোৱা, অজ্ঞান হৈ পৰা, খোজকঢ়াত অসুবিধা, শৰীৰৰ ভাৰসাম্য, অনুভূতি বা সমন্বয় হেৰুৱাই পেলোৱা, চকুৰে দেখাত সমস্যা, কথা কোৱাত অসুবিধা কিম্বা খাদ্য গিলিবলৈ কষ্ট পোৱাৰ দৰে নানা সমস্যাত ভুগি বহু লোক আমাৰ ওচৰলৈ আহে। এই নতুন চিকিৎসা সেৱাই গুৱাহাটীৰ জনসাধাৰণক উন্নত আৰু মানসম্পন্ন স্নায়ুৰোগ চিকিৎসাৰ এক সুবৰ্ণ সুযোগ দিব। ইয়াৰ সমান্তৰালভাৱে স্নায়ুৰোগ সম্পৰ্কে সৰ্বসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ ক্ষেত্ৰতো বিশেষ গুৰুত্ব প্ৰদান কৰা হ'ব।' ডাঃ বিপ্লৱ দাসে লগতে কয়, 'ষ্ট্ৰোক হৈছে এক জৰুৰীকালীন চিকিৎসা ব্যৱস্থা, য'ত পলম নকৰাকৈ ক্ষিপ্ৰতাৰে চিকিৎসা আৰম্ভ কৰাটো অত্যন্ত জৰুৰী। বিশেষকৈ ইছকেমিক ষ্ট্ৰোকৰ ক্ষেত্ৰত 'গোল্ডেন আৱাৰ' বা প্ৰাৰম্ভিক সোণালী সময়ছোৱাক আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি গণ্য কৰা হয়। এই সময়ৰ ভিতৰতে তেজ গোট মৰা প্ৰক্ৰিয়া বন্ধ কৰাৰ ঔষধ প্ৰয়োগ কৰিলে বা জমা হৈ থকা তেজখিনি অপসাৰণ কৰিব পৰা গ'লে মগজুৰ ক্ষয়-ক্ষতি বহু পৰিমাণে ৰোধ কৰিব পাৰি। সমগ্ৰ চিকিৎসা প্ৰক্ৰিয়াত থ্ৰম্ব'লাইটিক থেৰাপী, এণ্টিকোৱাগুলেণ্ট, এণ্টীপ্লেটলেট ঔষধ আৰু ৰক্তচাপ নিয়ন্ত্ৰণৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হয়। একেদৰে শৰীৰৰ সঞ্চালন বা লৰচৰ কৰাত হোৱা আন আন সমস্যাবোৰো প্ৰাৰম্ভিক পৰ্যায়তে চিনাক্ত কৰাটো অতি প্ৰয়োজনীয়। বৰ্তমান সময়ত ঔষধ আৰু অস্ত্ৰোপচাৰৰ ক্ষেত্ৰত অহা আধুনিক কাৰিকৰী উন্নয়নৰ ফলত এনে জটিল ৰোগো ফলপ্ৰসূভাৱে নিয়ন্ত্ৰণ তথা চিকিৎসা কৰাটো সম্ভৱ হৈ উঠিছে।' প্ৰণিধানযোগ্য যে, অত্যাধুনিক প্ৰযুক্তি, বিশেষায়িত ক্লিনিকেল পদ্ধতি, উন্নত ৰোগ নিৰ্ণয় ব্যৱস্থা আৰু বহু-বিভাগীয় বিশেষজ্ঞ চিকিৎসকৰ দলৰ সহায়ত নতুন দিল্লীৰ প্ৰথমেষ্টা নিউৰ' কেয়াৰে এক ২৪ ঘণ্টা জৰুৰীকালীন ষ্ট্ৰোক সেৱা কেন্দ্ৰ হিচাপে বৰ্তমান ধাৰাবাহিক সেৱা আগবঢ়াই আহিছে।

# ড° ৰঞ্জন কুমাৰ কাকতিলৈ মাই ভাৰত এনএছএছ কাৰ্যসূচী সমন্বয়ক শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী বঁটা প্ৰদান





**জালুকবাৰী,১ জুনঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ সঞ্চালক তথা এনএছএছৰ কাৰ্যসূচী সমন্বয়ক ড° ৰঞ্জন কুমাৰ কাকতিয়ে ২০২৬ চনৰ ২৯,৩০ মে'ত শ্বিলঙৰ আই আই এমত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ চিন্তন শিবিৰত 'মাই ভাৰত এন এছ এছ কাৰ্যসূচী সমন্বয়ক শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী বঁটা' লাভ কৰি বিশ্ববিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে। এই সন্মানীয় বঁটাটো কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মাণ্ডব্য আৰু ৰাষ্ট্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া ৰাজ্য মন্ত্ৰী ৰক্ষা খাডছেৰ উপস্থিতিত যুৱ পৰিক্ৰমা মন্ত্ৰালয়ৰ পৰা মাই ভাৰত এনএছএছ কাৰ্যসূচী সমন্বয়ক শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী বঁটা উচ্চপদস্থ বিষয়াসকলৰ উপস্থিতিত প্ৰদান কৰে। অসমত সমাজ সেৱা, যুৱ উন্নয়ন আৰু সামাজিক কল্যাণমূলক কাৰ্যসূচীত আগবঢ়োৱা অসামান্য অৱদানৰ বাবে ড° কাকতিয়ে এই সন্মান লাভ কৰে। তেওঁৰ নেতৃত্বত ১৫৬টাতকৈ অধিক এনএছএছ গোটৰ তত্বাৱধান কৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ এন এছ এছ গোটে পৰিৱেশ সংৰক্ষণ, দুৰ্যোগ প্ৰস্তুতি, ৰক্তদান, স্বাস্থ্য সজাগতা, মাদকবিৰোধী অভিযান, বৃক্ষৰোপণ কাৰ্যসূচী আৰু গ্ৰাম্য উন্নয়ন আদি ক্ষেত্ৰত উল্লেখযোগ্য সফলতা অৰ্জন কৰিছে। উল্লেখযোগ্য যে, গুৱাহাটী বিশ্ববিদ্যালয় আৰু ড° কাকতিয়ে ২০১৯-২০ বৰ্ষৰ ৰাষ্ট্ৰপতিয়ে প্ৰদান কৰা ৰাষ্ট্ৰীয় সেৱা আঁচনি বঁটা লাভ কৰা উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী সন্মানিত ব্যক্তি। এই বঁটা ২০২১ চনৰ ২৪ ছেপ্টেম্বৰত ৰাষ্ট্ৰপতি ভৱনত ভাৰতৰ তদানীন্তন ৰাষ্ট্ৰপতি ৰামনাথ কবিন্দে প্ৰদান কৰিছিল। ড° কাকতিয়ে ২০২১-২২ বৰ্ষৰ অসম ৰাজ্যিক ৰাষ্ট্ৰীয় সেৱা আঁচনি বঁটা লাভ কৰে। এই সন্মান অসমৰ তদানীন্তন ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াৰ উপস্থিতিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰদান কৰিছিল।

# মে'ত সৰ্বকালৰ সৰ্বোচ্চ বিক্ৰীৰ অভিলেখ টিভিএছ মটৰৰ

**গুৱাহাটী,১জুনঃ** টিভিএছ মটৰ কোম্পানীয়ে চলিত বৰ্ষৰ মে' মাহত সৰ্বকালৰ সৰ্বোচ্চ মাহেকীয়া বিক্ৰী অৰ্জনৰ কথা সদৰি কৰিছে। কোম্পানীটোৱে মুঠ ৫,৬৬,৫৮৫ ইউনিট বাহন বিক্ৰী কৰিছে। সেয়া যোৱা বছৰৰ একেটা মাহতে বিক্ৰী হোৱা ৪,৩১,২৭৫ ইউনিটৰ তুলনাত ৩১শতাংশ বৃদ্ধি প্ৰদৰ্শন কৰিছে।কোম্পানীটোৱে জনোৱা মতে, ২০২৬১ মে'ত মুঠ দুচকীয়া বাহনৰ বিক্ৰী ৩১ শতাংশ বৃদ্ধি পাই ৫,৪৩,১১১ ইউনিট হৈছে, যি এবছৰৰ পূৰ্বে ৪,১৬,১৬৬ ইউনিট আছিল। ঘৰুৱা দুচকীয়া বাহনৰ বিক্ৰীয়েও ২৪ শতাংশৰ শক্তিশালী বৃদ্ধি পঞ্জীয়ন কৰি ২০২৫ৰ মে'ৰ ৩,০৯,২৮৭ ইউনিটৰ পৰা ৩,৮৪,৫৬৫ ইউনিটলৈ বৃদ্ধি পাইছে। এই মাহত মটৰচাইকেলৰ বিক্ৰী ৩০ শতাংশ বৃদ্ধি পাই ২,৭৩,৮০২ ইউনিট হৈছে। আনহাতে স্কুটাৰৰ বিক্ৰী ৩২ শতাংশ বৃদ্ধি পাই ২,২০,৭৪০ ইউনিট হৈছে। টিভিএছ মটৰৰ ইলেকট্ৰিক বাহন শিতানটোৱে নিজৰ শক্তিশালী গতি অব্যাহত ৰাখিছে, যোৱা বছৰৰ মে' মাহত ইভি বাহনৰ বিক্ৰী ২৭,৯৭৬ ইউনিটৰ তুলনাত ৫৬ শতাংশ বৃদ্ধি পাই ৪৩,৬৩২ ইউনিট হৈছে, যাৰ ফলত ই কোম্পানীটোৰ এইপৰ্যন্ত সৰ্বোচ্চ ইভি বিক্ৰী প্ৰদৰ্শন হৈছে। আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ো আন এক অন্যতম প্ৰধান বিকাশৰ কাৰক হিচাপে আত্মপ্ৰকাশ কৰিছে, য'ত বিদেশত মুঠ বিক্ৰী ২০২৫ৰ মে'ত ১,১৮,৪৩৭ ইউনিটৰ পৰা ৪৯ শতাংশ বৃদ্ধি পাই অভিলেখসংখ্যক ১,৭৫,৯৯১ ইউনিট হৈছেগৈ। আন্তঃৰাষ্ট্ৰীয় দুচকীয়া বাহনৰ বিক্ৰী ৪৮ শতাংশ বৃদ্ধি পাই ১,৫৮,৫৪৬ ইউনিট হৈছে।গুৱাহাটী মহানগৰীত স্কুটাৰ, মটৰচাইকেল আৰু ইলেকট্ৰিক বাহনৰ ক্ৰমবৰ্ধমান গ্ৰাহকৰ চাহিদাই অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত বিক্ৰীৰ শক্তিশালী ধাৰাত অৰিহণা যোগাইছে। ব্যক্তিগত গতিশীলতাৰ প্ৰতি ক্ৰমাৎ বৃদ্ধি পোৱা আগ্ৰহ আৰু ইভি গ্ৰহণৰ সম্প্ৰসাৰণে অঞ্চলটোত টিভিএছ সামগ্ৰীৰ অধিক চাহিদাক সমৰ্থন কৰিব বুলি আশা কৰা হৈছে।কোম্পানীটোৰ তিনিচকীয়া বাহনৰ খণ্ডটো শক্তিশালী ৫৫ শতাংশ বৃদ্ধি হৈছে, য'ত বিক্ৰী এবছৰৰ পূৰ্বৰ ১৫,১০৯ ইউনিটৰ পৰা বৃদ্ধি পাই ২৩,৪৭৪ ইউনিট হৈছেগৈ।

# বিশিষ্ট সাহিত্যিক, গৱেষক, প্ৰকাশক ড° সূৰ্যকান্ত হাজৰিকাৰ ৭০সংখ্যক ওপজা দিন উদযাপন

## সময়টোহে প্ৰকৃত ভগৱানঃ ড° দয়ানন্দ পাঠক



**গুৱাহাটী, ১জুনঃ** বিশিষ্ট সাহিত্যিক, গৱেষক, চিন্তাবিদ, বাতৰি কাকত-গ্ৰন্থৰ প্ৰকাশক, সম্পাদক, চলচ্চিত্ৰ পৰিচালক, অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি, 'পদ্মশ্ৰী' প্ৰাপক ড° সূৰ্যকান্ত হাজৰিকাৰ ৭০ সংখ্যক ওপজা দিন ৩১ মে'ত তেওঁৰ বাসগৃহ মহানগৰীৰ তৰুণ নগৰৰ চন্দ্ৰকান্ত হাজৰিকাস্থিত বাসগৃহত উদ্‌যাপন কৰাৰ লগতে সাৰগৰ্ভ আলোচনা অনুষ্ঠিত হয়। পৰাগজ্যোতি প্ৰকাশনৰ উদ্যোগত আয়োজন কৰা এই অনুষ্ঠানত ড° হাজৰিকাক ফুলাম গামোচা, ফুলৰ থোপা, কলম, কিতাপৰ টোপোলা আদিৰে সম্ভাষণ জনোৱা হয়। পৰাগজ্যোতি প্ৰকাশনৰ সচিব, সাংবাদিক, কবি দীপক শৰ্মাই আঁত ধৰা অনুষ্ঠানত অংশ লৈ বিশিষ্ট বুদ্ধিজীৱী, সাহিত্যিক, শিক্ষাবিদ ড° দয়ানন্দ পাঠকে কয়, 'ড° সূৰ্য হাজৰিকাৰ চিন্তা-ভাৱনা জনমুখী। সময়টোহে প্ৰকৃত ভগৱান। সময়ে সকলোকে নিৰন্তৰ কৰে। ধুতি পিন্ধা, শাৰী পিন্ধা, আ-অলংকাৰ পিন্ধা এইবোৰ অৰ্থহীন। প্ৰকৃত চিন্তা- ভাৱনাবোৰহে সমাজ নিৰ্মাণত সহায় কৰে।' সভাত অংশ লৈ বিশিষ্ট কবি- সাহিত্যিক, বিজ্ঞানী ড° অৰুণ শৰ্মাই কয়, 'একাধিক আপুৰুগীয়া গ্ৰন্থ সংগ্ৰহ কৰি ইয়াক নিষ্ঠা-সততাৰে গৱেষণা কৰি অতিসুন্দৰকৈ সম্পাদনা কৰি অসমীয়া সাহিত্য ভৰাঁল টনকিয়াল কৰা এজন বিশিষ্ট সাহিত্যিক-সম্পাদক ড° হাজৰিকা। সমাজ নিৰ্মাণত সাহিত্যিকৰ ভূমিকা অনেক গুণে বেছি।' অসমৰ উদ্যোগ বিভাগৰ অৱসৰী অতিৰিক্ত সঞ্চালক তথা দুৰ্যোগ আৰু দিব্যাংগ বিশেষজ্ঞ ড° যতীন্দ্ৰ নাথ ডেকাই তেওঁৰ ভাষণত ড° সূৰ্যকান্ত হাজৰিকাৰ অন্যান্য অৱদানৰ ওপৰত আলোকপাত কৰে। সভাত বিশিষ্ট সাহিত্যিক-সংগঠক দুৰ্গেশ্বৰ পাঠক, বিশিষ্ট কবি অখিল চন্দ্ৰ দাস, কামৰূপ মহানগৰ জিলা আবৃত্তি আৰু সাংস্কৃতিক পৰিষদৰ সভাপতি তথা অৱসৰী অভিযন্তা মৃগেন্দ্ৰ ভাগৱতী প্ৰমুখ্যে ভালেকেইজন বিশিষ্ট ব্যক্তিয়ে ড° সূৰ্য হাজৰিকাৰ ওপজা দিনৰ ওপৰত আলোকপাত কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি সূৰ্য হাজৰিকাই ৰাইজে ৰজা বুলি মন্তব্য দাঙি ধৰে। গ্ৰন্থ সদায় পাঠকে ধৰি ৰাখে। লেখক সমাজে সমাজৰ অতন্দ্ৰ প্ৰহৰী হ'ব লাগে বুলি মতপোষণ কৰে।

# 'ব্যতিক্ৰম এডুকেশ্যন কনক্লেভ ৭.০' সম্পন্ন

**গুৱাহাটী, ১ জুনঃ** উত্তৰ-পূৰ্ব ভাৰতৰ শিক্ষা, দক্ষতা বিকাশ, প্ৰযুক্তিনিৰ্ভৰ শিক্ষাব্যৱস্থা আৰু ভৱিষ্যতমুখী কেৰিয়াৰ পৰিকল্পনাক কেন্দ্ৰ কৰি ব্যতিক্ৰম গ্ৰুপৰ উদ্যোগত আৰু দ্য টাইমছ অৱ ইণ্ডিয়াৰ সহযোগত আয়োজিত 'ব্যতিক্ৰম এডুকেশান কনক্লেভ ৭.০' আৰু 'মেডিটেক মেনেজমেন্ট ফেয়াৰ ২০২৬ ' ৩০ মে' দিছপুৰস্থিত নেডফি প্ৰেক্ষাগৃহত সফলতাৰে সম্পন্ন হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে গুৱাহাটীত অৱস্থিত বাংলাদেশ সহকাৰী হাইকমিশনাৰ জিকৰুল হাসান ফাহাদ। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে নেৰিম গ্ৰুপ অৱ ইনষ্টিটিউটৰ সঞ্চালক প্ৰফেছৰ ড° সংগীতা ত্ৰিপাঠী, অসম বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য প্ৰফেছৰ দিলীপ নাথ, প্ৰাগজ্যোতিষপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰফেছৰ স্মৃতি কুমাৰ সিংহ, লেখিকা ড° ৰীতা বৰুৱা, ডিফু গভৰ্ণমেন্ট কলেজৰ সহকাৰী অধ্যাপক ড°অতুল চন্দ্ৰ কলিতা, ব্যতিক্ৰম গ্ৰুপৰ





প্ৰতিষ্ঠাপক ড° সৌমেন ভাৰতীয়া প্ৰমুখ। দিনজোৰা এই কনক্লেভত ৰাষ্ট্ৰীয় শিক্ষানীতি, দক্ষতাভিত্তিক শিক্ষা, প্ৰযুক্তিনিৰ্ভৰ শিক্ষাৰ ভৱিষ্যৎ, স্বাস্থ্য আৰু মেনেজমেন্ট শিক্ষা, কৰ্মসংস্থাপনৰ নতুন সম্ভাৱনা, উদ্যোগিতা বিকাশ আৰু কেৰিয়াৰ পৰিকল্পনাক কেন্দ্ৰ কৰি একাধিক গুৰুত্বপূৰ্ণ পেনেল আলোচনা অনুষ্ঠিত হয়। শিক্ষাক্ষেত্ৰত আগবঢ়োৱা অসামান্য অৱদানৰ বাবে নেৰিম গ্ৰুপ অৱ ইনষ্টিটিউটৰ সঞ্চালক প্ৰফেছৰ ড° সংগীতা ত্ৰিপাঠী, দিনেশ কুমাৰ লাহোটি, অংকিতা কাশ্যপ, বীণা পাৰবীণ হাছান, মাৰিয়াছ পাবলিক স্কুলক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। জিকৰুল হাসান ফাহাদে কয়-শিক্ষা কেৱল ব্যক্তিগত উন্নয়নৰ পথ নহয়, ই আঞ্চলিক সহযোগিতা আৰু সামাজিক অগ্ৰগতিৰ অন্যতম ভিত্তি। ব্যতিক্ৰম গ্ৰুপৰ এই উদ্যোগে শিক্ষাৰ্থী আৰু শিক্ষাবিদসকলৰ মাজত জ্ঞান বিনিময়ৰ এক গুৰুত্বপূৰ্ণ সুযোগ সৃষ্টি কৰিছে। ড°সংগীতা ত্ৰিপাঠীয়ে কয়, 'বৰ্তমান সময়ৰ শিক্ষা কেৱল ডিগ্ৰী লাভৰ মাজতে সীমাবদ্ধ নহয়; শিক্ষাৰ্থীৰ দক্ষতা, নেতৃত্বগুণ, উদ্ভাৱনী চিন্তাধাৰা আৰু বাস্তৱ জীৱনৰ প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰাৰ ক্ষমতা গঢ়ি তোলাও সমানেই গুৰুত্বপূৰ্ণ।' ড° সৌমেন ভাৰতীয়াই কয়,এই আয়োজনৰ সফলতাই প্ৰমাণ কৰিছে যে শিক্ষাৰ্থী, অভিভাৱক শিক্ষাবিদসকলৰ মাজত ভৱিষ্যতমুখী শিক্ষা আৰু দক্ষতা বিকাশ সম্পৰ্কে জানিবলৈ আগ্ৰহ ক্ৰমাৎ বৃদ্ধি পাইছে।এনে এক মঞ্চ সৃষ্টি কৰিব পাৰিছোঁ, য'ত শিক্ষা, প্ৰযুক্তি, দক্ষতা আৰু কেৰিয়াৰ পৰিকল্পনাক লৈ অৰ্থবহ আলে অনুষ্ঠিত হৈছে। আগন্তুক দিনতো ব্যতিক্ৰম গ্ৰুপে শিক্ষাৰ প্ৰসাৰ আৰু নতুন প্ৰজন্মৰ ক্ষমতায়নৰ লক্ষ্যৰে এনে পদক্ষেপ গ্ৰহণ অব্যাহত ৰাখিব।

# পেন্সনাৰ ভৱনত চানমাৰি সাহিত্য সভাৰ বৈঠক সম্পন্ন

**গুৱাহাটী,১জুনঃ** গুৱাহাটী চানমাৰি সাহিত্য সভাৰ বৈঠকখন উপ-সভাপতি দিলীপ বৰুৱা আৰু মঞ্জুলা বেগমৰ আহ্বানত চানমাৰি কলনীৰ পেঞ্চনাৰৰ নিৰাময় ভৱনত অনুষ্ঠিত হৈ যায়। সভাত সভাপতিত্ব কৰে সভাপতি ভৰতদ্বাজ ভট্টাচাৰ্যই। বিশিষ্ট অতিথি আৰু মুখ্য অতিথিৰ আসন অলংকৃত কৰে ড° প্ৰমোদ ভট্টচাৰ্য কিশোৰী মোহন পাঠক ড° ৰোমান শৰ্মা আৰু ড° নঞ্জু দত্তই। উক্ত সভাত প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যৰ জীয়ৰী চন্দ্ৰমা ভট্টাচাৰ্যৰ পুথি মুকলি





কৰে সভাপতি ভৰতদ্বাজ ভট্টাচাৰ্যই। লিখা পাঠ কৰে ড°নঞ্জু দত্ত, ড° বৈজয়ন্তী গোস্বামী, প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, কিশোৰী মোহন পাঠক আৰু ড° ৰোমান শৰ্মাই। বৰগীত পৰিৱেশন কৰে মঞ্জু গৌতমে। কবিতা পাঠ কৰে কুমুদ বৰুৱা মঞ্জুলা বেগম, অঞ্জলী চলিহা, মনমোহন মেধি, বন্দনা মেধি, হিৰন্ময়ী বৰুৱা, ৰূপম বিকাশ গগৈ, নীতু গোস্বামী, কিৰণ দাস, আব্দুল তালেব আদি। গোৱালপৰীয়া লোকগীত পৰিৱেশন কৰে মঞ্জু গৌতমে। সভাপতি ভৰতদ্বাজ ভট্টাচাৰ্যই দুষাৰ কয়। সাহিত্য সমালোচনা আগবঢ়াই ড°ৰোমান শৰ্মা, কিশোৰী মোহন পাঠক আৰু ড° নঞ্জু দত্তই। ধ্ৰুবজ্যোতি শৰ্মাই গল্প পাঠ কৰে। মঞ্জুলা বেগমে জিকিৰ গীত পৰিৱেশন কৰে। শলাগৰ শৰাই আগবঢ়াই উপ-সভাপতি দিলীপ বৰুৱাই। অতিৰিক্ত সাহিত্য বৈঠকখন কবি চন্দ্ৰমা ভট্টচাৰ্যৰ দ্বিতীয় কাব্য সংকলন জীয়াই থকাৰ গান উপস্থিত সদস্যসকলৰ মাজত বিতৰণ কৰা হয়।

# দৰিদ্ৰৰ ত্ৰাণকৰ্তা বিটিচিৰ উপাধ্যক্ষ বিজিৎ গৌৰা নাৰ্জাৰী পাহাৰপুৰৰ ৫০টা পৰিয়ালক ৫ হাজাৰকৈ আৰ্থিক সাহায্য প্ৰদান



**বাতৰি কাকত, তামুলপুৰ, ১ জুন ঃ** বিটিচিৰ তামুলপুৰ জিলাৰ অন্তৰ্গত ২৬ নং দৰঙ্গাজুলি পৰিষদীয় সমষ্টিৰ পাহাৰপুৰ গাঁৱৰ ৫০টা দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়াললৈ আজি সহায়ৰ হাত আগবঢ়াই এগৰাকী প্ৰকৃত জননেতা তথা গৰীবৰ বন্ধু হিচাপে নিজকে প্ৰমাণ কৰিলে বিটিচিৰ উপাধ্যক্ষ বিজিৎ গৌৰা নাৰ্জাৰীয়ে। উপাধ্যক্ষগৰাকীয়ে এই দুৰ্ভগীয়া পৰিয়ালকেইটাক এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৫ হাজাৰকৈ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰে। উল্লেখ্য যে, ভাৰত-ভূটান সীমান্তৱৰ্তী এই পাহাৰপুৰ গাঁৱৰ একাংশ অতি দৰিদ্ৰ লোকে স্থানীয় ‘ফায়াৰিং ৰেঞ্জত সেনা বাহিনীৰ যুদ্ধাভ্যাসৰ পিছত পৰিত্যক্ত অৱস্থাত পৰি থকা বোমা-বাৰুদ তথা গুলীৰ অৱশিষ্ট বুটলি, সেইসমূহ বিক্ৰী কৰিয়েই অতি কষ্টৰে জীৱন নিৰ্বাহ কৰি আহিছে। কিন্তু তেনে কৰিবলৈ গৈ ইতিপূৰ্বে গাঁৱখনৰ বহুকেইগৰাকী লোকে অকালতে মৃত্যুক সাৱটি ল’বলগীয়া হৈছে। গাঁৱবাসীৰ এই চৰম জীৱন সংশয়ৰ কথা চিন্তা কৰি বিটিচিৰ উপাধ্যক্ষ বিজিৎ গৌৰা নাৰ্জাৰীয়ে পৰিয়ালসমূহক এনে বিপদসংকুল কাৰ্যৰ পৰা চিৰদিনৰ বাবে বিৰত থাকিবলৈ সজোৰে অনুৰোধ জনায়। নিজৰ জীৱন সুৰক্ষিত কৰি অন্য বৈধ আৰু মৰ্যাদাপূৰ্ণ জীৱিকাৰ জৰিয়তে সমাজত আগবাঢ়ি যাবলৈ তেওঁ গাঁৱৰবাসীক বিশেষভাৱে অনুপ্ৰাণিত কৰে। এই ভ্ৰমণকালত তেওঁ গাঁওবাসীৰ সৈতে বিভিন্ন স্থানীয় সমস্যা সন্দৰ্ভত এক সৌহাদ্যপূৰ্ণ মতবিনিময় কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাইজৰ কাষত থিয় দিয়ে।

## নাজিৰা সমজিলা আয়ুক্তক স্মাৰক পত্ৰ প্ৰদান

**বাতৰি কাকত নাজিৰা, ১ জুন ঃ** নাজিৰা সমজিলা অন্তৰ্গত ছানবছা সন্দিকৈ গাঁৱত অৱস্থিত ঐতিহাসিক শ্ৰী শ্ৰী বুদবাৰী সত্ৰৰ লগতে কাষৰীয়া অঞ্চলত কিছুদিনৰে পৰা বাঘৰ সন্ত্ৰাস হ’ব ধৰিছে। বাঘে প্ৰায়ে গৰু,ছাগলী,কুকুৰ আদিক আক্ৰমণ কৰি খাদ্য হিচাপে গ্ৰহণ কৰিছে, যাৰফলত কৃষিজীৱি ৰাইজে যথেষ্ট অসুবিধাৰ সন্মুখীন হ’বলগীয়া হৈছে। আনকি ভয় আৰু আতংকৰ মাজত ৰাইজে দিন কটাবলগীয়া হৈছে। বাঘে প্ৰায়ে খাদ্যৰ সন্ধানত যিকোনো মূহুৰ্ত মানুহক আক্ৰমণ কৰাৰ আশংকাই দেখা দিছে।এই অঞ্চলত অৱস্থিত দিখৌ নদীৰ মথাউৰিটোৰ কেইবাটাও অংশত গৰাখহীয়াৰ কবলত পৰি বিপদাপন্ন হৈ আছে। যিকোনো মুহুৰ্তত নদীৰ বাঢ়নী পানীয়ে মথাউৰিটো বিচ্ছিন্ন কৰাৰ আশংকাই দেখা দিছে। গতিকে খৰতকীয়াকৈ মথাউৰিটোৰ মেৰামতিৰ ব্যৱস্থা কৰাৰ লগতে বান্দৰ তাণ্ডৱ সমস্যা সমাধানৰ বাবে ব্যৱস্থা ল’বলৈ অনুৰোধ জনাইছে বুদবাৰী সত্ৰৰ উন্নয়ন সমিতিয়ে। ইয়াৰ উপৰি সৌৰশক্তিচালিত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰি ৰাইজে যাতে ৰাতি নিৰাপদে অহা যোৱা কৰিব পাৰে এই বিষয়ে স্মাৰক পত্ৰত উল্লেখ কৰে। ইতিমধ্যে উপৰোক্ত বিষয়ত বুদবাৰী সত্ৰ উন্নয়ন সমিতিৰ সভাপতি ইন্দ্ৰেশ্বৰ কলিতা আৰু সম্পাদক লক্ষীনাথ মহন্তৰ স্বাক্ষৰিত এখনি স্মাৰকপত্ৰ নাজিৰা সম জিলা আয়ুক্তৰ হাতত অৰ্পন কৰে।

# জাগীৰোডত নখোলা সাহিত্য চ’ৰাৰ বিশেষ সাহিত্য অনুষ্ঠান-পত্ৰিকা জিলিঙনি উন্মোচন

**বাতৰি কাকত,জাগীৰোড,১ জুন ঃ** মৰিগাঁও জিলাৰ অগ্ৰণী সাহিত্যানুষ্ঠান নখোলা সাহিত্য চ’ৰা (নসাচ)ৰ এখন সাহিত্য বৈঠক জাগীৰোড শতদল শাখা সাহিত্য সভাৰ ভৱনত অনুষ্ঠিত হয়। চ’ৰাৰ সভানেত্ৰী, বিশিষ্ট শিশু সাহিত্যিক অকণ দেৱীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ আৰম্ভণিতে ভাৰত ৰত্ন ডঃ ভূপেন হাজৰিকা আৰু হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে বিশিষ্ট চিকিৎসক ডাঃ তোলন চন্দ্ৰ বৰা আৰু অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক মাণিক চন্দ্ৰ ডেকাই। ‘মানুহে মানুহৰ বাবে’ শীৰ্ষক সমবেত গীতেৰে কাৰ্যসূচী শুভাৰম্ভ হোৱা অনুষ্ঠানটিত নসাচৰ প্ৰতিষ্ঠাপক মুখ্য সম্পাদক বুবুল চন্দ্ৰ ডেকাই সভাৰ উদ্দেশ্য ব্যাখ্যাত ১৯৯৬ চনৰ ৭ ছেপ্টেম্বৰত প্ৰতিষ্ঠা লাভ কৰা অনুষ্ঠানটি ৩০ বছৰে শব্দৰ সন্ধানত শব্দৰ সমদল শীৰ্ষক অনুষ্ঠানটি নিৰবচ্ছিন্নভাৱে অনুষ্ঠিত কৰি অহাৰ অভিজ্ঞতাক সোঁৱৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত প্ৰাচীৰ পত্ৰিকা ৰেঙনি ১৭তম বৰ্ষ,প্ৰথম সংখ্যাগ্নৰ শুভ উন্মোচন কৰি জাগীৰোড সত্ৰীয়া সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ খগেন চন্দ্ৰ শৰ্মাই নসাচ’ৰ এনে প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰে। ইয়াৰ জৰিয়তে নতুন নতুন লেখকৰ সৃষ্টি হ’ব বুলি তেওঁ আশা প্ৰকাশ কৰে। লগতে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি হৰমোন কলিতা সভাত উপস্থিত থাকি জাগীৰোডৰ নখোলা সাহিত্য চ’ৰাৰ ৩০ বছৰীয়া সাহিত্য যাত্ৰাক স্মৰণ কৰে। সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা জন্ম শতবৰ্ষ উপলক্ষে শ্ৰদ্ধাৰ্ঘ্য ৰূপে প্ৰকাশিত নসাচ’ৰ সাহিত্য আলোচনী জিলিঙনি শুভ উন্মোচন কৰি বিশিষ্ট কবি অনিৰুদ্ধ ডেকাই অতি গৌৰৱ বোধ প্ৰকাশ কৰে। আলোচনীখনে ১৭ বছৰে যথেষ্ট যুৱপ্ৰজন্মক আকৃষ্ট কৰিব পাৰিছে বুলি তেওঁ মত প্ৰকাশ কৰে। সভাত জাগীৰোড অঞ্চলৰ ভিতৰতে সৰ্বাধিক নম্বৰলৈ সুখ্যাতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষা উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ বেদিকা মুন্দ্ৰাক নসাচৰ কাৰ্যকৰ্তাসকলে এখন প্ৰশংসাপত্ৰ,ফুলাম গামোচা আৰু কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। জাগীৰোড শতদল শাখা সাহিত্য সভাৰ সভাপতি লক্ষেশ্বৰ কাকতি আৰু সম্পাদক স্তুতি প্ৰসাদ বৰাই সাহিত্য চৰ্চা আৰু অধ্যয়ণৰ প্ৰতি মনোনিৱেশ কৰিবলৈ দিহা পৰামৰ্শ আগবঢ় য়। অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক মাণিক চন্দ্ৰ ডেকা আৰু বচপন স্কুল জাগীৰোড অধ্যক্ষা অনিন্দিতা বৰুৱাই নিজৰ বক্তব্যত সাহিত্য সংস্কৃতিৰ প্ৰতি সকলোকে স্বাভিমান অটুত ৰাখি আগবাঢ়ি যাবলৈ প্ৰেৰণা প্ৰদান কৰে। নসাচৰ সদস্যা সৰিতা বৰা আৰু ৰাখী দে’ৰ গীতে শ্ৰোতা ৰাইজক মুহিত কৰাৰ লগতে নসাচৰ উপদেষ্টা বন্দনা দাসৰ স্বৰচিত কবিতা পাঠে ৰাইজক আপ্লুত কৰে। শেষত জাতীয় সংগীতেৰে সভা সামৰণি পৰে।

# নলিছাত ৩৫ সংখ্যক ৰাভা দিৱসৰ আয়োজন

**বাতৰি কাকত, বৰনৰ্দী,চজ্বা মেক্স** :নলবাৰী জিলাৰ নলিছাত চজ্বা জুনত ৰাভা দিৱসৰ আয়োজন কৰিছে বুলি শ্ৰমিক নেতা তথা মূল উদ্যোক্তা দিলীপ ডেকাই জানিব দিছে। ৰাভা দিৱসৰ লগত সংগতি ৰাখি পুৱা ৰৰ বজাত জ্যেষ্ঠ সাংবাদিক অৰূপ ৰঞ্জন বৰ্মনৰ সভাপতিত্বত এখন আলোচনা চক্ৰও অনুষ্ঠিত হক্সব। এই আলোচনা চক্ৰত মুখ্য আলোচক হিচাপে বামপন্থী নেতা ৰবিন মিশ্ৰ , আলোচক হিচাপে ক্ৰমে জাগাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক কিশোৰ বৈশ্য,প্ৰকৃতি -পৰিৱেশ কৰ্মী তথা বৰক্ষেত্ৰী-বৰ্ণি মিলন হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক ভূপেন কুমাৰ দাস, বগুৰিহাটী শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য পুলেন হালৈ আৰু বিহামপুৰ ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক বিজয় তালুকদাৰে ভাগ লক্সব। আলোচনা চক্ৰৰ মাজতে বেলশৰৰ শিল্পী জয়শ্ৰী ঠাকুৰীয়াই সংগ্ৰামী গীত পৰিৱেশনেৰে সকলো উপস্থিত থকা ৰাইজক আমোদ দিব বুলিও মূল উদ্যোক্তা ডেকাই জনাইছে।

# ৰঙিয়াৰ বামুণগাঁৱত হেল্পিং হেণ্ড এছ’চিয়েচনৰ বঁটা প্ৰদান অনুষ্ঠান সম্পন্ন

**ষ্টাফ ৰিপ’ৰ্টাৰ, নলবাৰী,১ জুন ঃ** জন্মলগ্নৰে পৰা আৰ্তজনৰ কাষত থিয় দি অহা হেল্পিং হেণ্ড এছ’চিয়েচনৰ তৃতীয় বৰ্ষপূৰ্তি অনুষ্ঠান আৰু JNKD নিউজৰ দ্বিতীয় বৰ্ষপূৰ্তি অনুষ্ঠান উপলক্ষে ৰঙিয়াৰ বামুণগাঁৱৰ জৱহৰলাল নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় অনুষ্ঠান। হেল্পিং হেণ্ড এছ’চিয়েচনৰ অধ্যক্ষ যতীন্দ্ৰ নাথ কৃষ্ণ দাসৰ সামগ্ৰীক পৰিচালনাত অনুষ্ঠিত বঁটা প্ৰদান অনুষ্ঠানটোত অতিথি হিচাপে উপস্থিত থাকে জৱাহৰলাল নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ চৈয়দ আব্দুল মালিক দেৱান, সমাজসেৱক বিনয় শৰ্মা, ভূৱনেশ্বৰ লহকৰ, অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰীবন্ধন উপ-সমিতিৰ সহযোগী আহ্বায়ক সুশীল চন্দ্ৰ ডেকা, অসম গণ পৰিষদ ৰঙিয়া সমষ্টি সমিতিৰ সভাপতি লীলাধৰ শালৈ , কামৰূপ জিলা সাংবাদিক সংস্থাৰ সভাপতি প্ৰকাশ ডেকাকে ধৰি বিভিন্নজন লোক। বঁটা প্ৰদান অনুষ্ঠানটোত JNKD নিউজৰ বৰ্ষশ্ৰেষ্ঠ সাংবাদিক বঁটা প্ৰদান কৰা হয় ৰহাৰ নৱজ্যোতি ভূঞাক । বিশিষ্ট শিশু সাৰথি বঁটা প্ৰদান কৰা হয় গুৱাহাটীৰ ৰাতুল বৰাক । একেদৰে বিশিষ্ট সাহিত্য সাধক বঁটা প্ৰদান কৰা হয় মৰিগাঁৱৰ পূৰ্ণকান্ত দেউৰী আৰু যোৰহাটৰ দীপক শইকীয়াক। অনুষ্ঠানটোত বিশিষ্ট সাংস্কৃতিক কৰ্মী লক্ষীমপুৰৰ দেৱান দত্ত আৰু নলবাৰীৰ কণ্ঠশিল্পী সুকন্যা গোস্বামীক । অনুষ্ঠানটোত নলবাৰীৰ সাংবাদিক মজিবুৰ ৰহমান আৰু মঙ্গলদৈৰ সমাজকৰ্মী বিনয় শৰ্মাক প্ৰদান কৰা হয় দীনবন্ধু মানৱ দৰদী জীৱন প্ৰেৰণা বঁটা । অনুষ্ঠানটোত দ্বিজেন বৰ্মন, ৰঞ্জন বৰা আৰু উমেশ দত্তক আগবঢ়োৱা হয় সংগীত সাধক বঁটা । ধীৰেন্দ্ৰ নাথ দাসক কৃষক বঁটা আগবঢ়োৱাৰ লগতে বৰ্ষশ্ৰেষ্ঠ সমন্বয়ক বঁটা প্ৰদান কৰা হয় অমল চন্দ্ৰ কলিতাক । ইফালে যুৱ সমাজৰত্ন বঁটা প্ৰদান কৰা হয় সঞ্জয় কুমাৰ কাকতি, জগবন্ধু ভকত আৰু বৰপেটাৰ গোপেন্দ্ৰ দাসক । একেদৰে লক্ষীপ্ৰসাদ ডেকা, ভূৱনেশ্বৰ লহকৰ আৰু মোহন কোচক প্ৰদান কৰা হয় বিশিষ্ট সমাজকৰ্মী বঁটা । অন্যহাতে ৰৱিয়ৰ্ছ নলবাৰী জিলা সমিতিলৈ আগবঢ়োৱা হয় বৰ্ষশ্ৰেষ্ঠ সহযোগী বঁটা । নিৰ্যাতিতা নাৰীৰ সাহস আৰু প্ৰেৰণাৰ উৎস ৰৱিয়ৰ্ছ দলে বিভিন্ন সময়ত কৰি আহিছে বিভিন্ন সামাজিক কাম কাজ । এই কামৰ স্বীকৃতি স্বৰূপে ৰৱিয়ৰ্ছ নলবাৰী জিলা সমিতিলৈ কালি হেল্পিং হেণ্ড এছ’চিয়েচনে আগবঢ়াই বৰ্ষশ্ৰেষ্ঠ সহযোগী বঁটা । হেল্পিং হেণ্ড এছ’চিয়েচনৰ সচিব পৰেশ দাসে শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানটোৰ শেষত সুধাকণ্ঠ ভূপেন হাজৰিকাৰ মানুহে মানুহৰ বাবে গীত পৰিৱেশন কৰাৰ লগতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মায়াবিনী গীত সমূহীয়াভাৱে পৰিবেশন কৰা হয় ।

# অসম আবৃত্তি-সংস্কৃতি পৰিষদৰ টংলাত আবৃত্তিৰ মহাৰণ প্ৰতিযোগিতা সম্পন্ন



**ওদালগুৰি, টংলা ,১ জুন ঃ** অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ওদালগুৰি জিলাৰ টংলা শাখাৰ উদ্যোগত নৰ্থ দৰং ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত অনুষ্ঠিত হয় আবৃত্তিৰ মহাৰণ । প্ৰাক প্ৰাথমিক শাখাৰ পৰা ৬০ বছৰৰ উৰ্ধলৈ সাতটা শাখাত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ভাৰত ৰত্ন ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষেআয়োজন কৰা আৰ্থিক পুৰস্কাৰ সম্বলিত আবৃত্তি মহাৰণ প্ৰতিযোগিতাত শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। ওদালগুৰি আৰু দৰং জিলাৰ সাংগঠনিক সম্পাদক পাৰ্থ প্ৰতিম পাঠকে উপস্থিত থাকি আবৃত্তিৰ মহাৰণ সফল ৰূপায়ণ কৰা বাবে টংলা শাখাৰ বিষয়ববীয়ালৈ আন্তৰিকতাৰে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।প্ৰতিযোগিতাৰ পূৰ্বে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বিচাৰকৰ আসন অলংকৃত কৰা ঘটেশ্বৰ বৰুৱা , তপন কুমাৰ ভট্টাচাৰ্য আৰু অৰূপ বড়োৱে বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি অৰ্পণ কৰে কৰে।ওদালগুৰি জিলা সমিতিৰ সম্পাদক শংকৰজ্যোতি দত্ত, মুখপাত্ৰ কল্যাণ ৰাভা ,টংলা শাখাৰ প্ৰশিক্ষক গায়ত্ৰী দেৱী, প্ৰতিভা বসু দাস, সংযুক্তা ঘোষ,পৰমানন্দ দাস, দীপ্তিমা ভৰালীয়ে আবৃত্তিৰ মহাৰণ প্ৰতিযোগিতা তদাৰক কৰি সফল ৰূপায়ণ কৰে।আনহাতে প্ৰতিযোগিতাৰ ফলাফল অনুসৰি গজালি শাখাত প্ৰথম স্থান স্বৰ্ণিকা দত্ত ,পৰী মূৰাৰী, দ্বিতীয় স্থান ৰিতুল ডেকা , শতাক্ষী শৰ্মা ,তৃতীয় স্থান তনুশ্ৰী সৰকাৰ , পাপন কাশ্যপ,কিশলয় শাখাত প্ৰথম স্থান প্ৰিয়াংক্ষী ৰাভা,দ্বিতীয় স্থান ৰণদীপ ৰাভাতৃতীয় স্থান কৃষ্ণাক্ষি বৰুৱা ,জিয়াস্মিতা দেবনাথ,জোনাকী শাখাত প্ৰথম স্থান মৈত্ৰেয়ী শইকীয়া,দ্বিতীয় স্থান প্ৰিয়াক্ষী দাস,তৃতীয় স্থান ধৃতিষ্ণা নাথ,ৰামধেনু শাখাত প্ৰথম স্থান প্ৰিয়াস বোস,দ্বিতীয় স্থান শৰ্মিষ্ঠা সাহা, তৃতীয় স্থান নৱনিতা পাল,মুকলি শাখাত প্ৰথম স্থান অলকা শইকীয়া,দ্বিতীয় স্থান জয়শ্ৰী সৰকাৰ দেবনাথ আৰু তৃতীয় স্থান তপন চন্দ্ৰ নাথ,উদগনিমূলক যত্না ৰাভাই লাভ কৰাৰ বিপৰীতে প্ৰবীণ শাখাত প্ৰথম স্থান দীপেন বোস ,দ্বিতীয় স্থান মনোজ কুমাৰ বৰা আৰু তৃতীয় স্থান দ্বীজেন্দ্ৰ নাথ শৰ্মা,নমিতা ঘোষৰ বিপৰীতে প্ৰশিক্ষক শাখাত প্ৰথম স্থান প্ৰতিভা বসু দাস,দ্বিতীয় স্থান সংযুক্তা ঘোষ আৰু তৃতীয় স্থান পৰমানন্দ দাসে লাভ কৰি জিলা পৰ্যায়ত অনুষ্ঠিত হ’বলগীয়া প্ৰতিযোগিতাৰ বাবে নিৰ্বাচিত হয়।

# ৰাষ্ট্ৰীয় পৰ্যায়ত উজ্বলিল নাজিৰাৰ মেছাগড় জোকতলী উচ্চতৰ মাধ্যমিক বিদ্যালয়

**বাতৰি কাকত, নাজিৰা, ১ জুন ঃ** ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ উদ্যোগত অনুষ্ঠিত ‘বিদ্যালয় প্ৰত্যাহ্বান - ধপাত মুক্ত পৰিবেশ -২০২৫’ শীৰ্ষক এক প্ৰতিযোগিতাত শিৱসাগৰ জিলাৰ নাজিৰাৰ মেছাগড়স্থিত জোকতলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত উজ্বলি উঠিবলৈ সক্ষম হৈছে। নতুন দিল্লীত অনুষ্ঠিত এক আড়ম্বৰপূৰ্ণ বঁটা প্ৰদান অনুষ্ঠানত সন্মানীয় ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই ধপাত মুক্ত প্ৰতিষ্ঠান বঁটা মেছাগড় জোকতলী উচ্চতৰ মাধ্যমিক বিদ্যালয়খনক প্ৰদান কৰা হয়। উল্লেখযোগ্য যে ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ে দেশত ধপাত মুক্ত পৰিৱেশ সৃষ্টি কৰাৰ উদ্দেশ্যেৰে ৰাষ্ট্ৰীয় পৰ্যায়ত শিক্ষানুষ্ঠান সমূহত মাজত বাটৰ নাট, প’ষ্টাৰ আৰু চিত্ৰকলা প্ৰতিযোগিতাৰ আয়োজন কৰিছিল। বিগত বৰ্ষৰ আগষ্ট মাহত আয়োজন কৰা এই প্ৰতিযোগিতাত সমগ্ৰ দেশৰ লগতে ৰাজ্যখনৰ সকলো উচ্চ-উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অংশগ্ৰহণ বাধ্যতামূলক আছিল। বিদ্যালয়খনে প’ষ্টাৰ প্ৰতিযোগিতাৰ উপৰিও বাটৰ নাট, চিত্ৰকলা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। বিদ্যালয়খনৰ অধ্যক্ষ ৰঞ্জন বুঢ়াগোহাঁইৰ বিশেষ উদ্যোগত , ন’ডেল শিক্ষক ঋতুৰাজ বৰুৱা ,শিক্ষক ৰিতু বৰগোহাঞিৰ ৰচনা আৰু মানস বৰগোহাঞিৰ পৰিচালনাত বাটৰ নাট প্ৰদশিত হোৱাৰ লগতে প’ষ্টাৰ প্ৰতিযোগিতাই বিশেষ দৃষ্টি আকৰ্ষণ কৰিব সক্ষম হয়। নতুন দিল্লীত বিদ্যালয়ৰ হৈ এই বঁটা গ্ৰহণ কৰে শিক্ষয়িত্ৰী কৃত্তিকা মেধিয়ে। বিদ্যালয়ৰ সমুহ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ পুৰ্ণ সহযোগত লাভ কৰা এই সফলতাত বিদ্যালয়খনত এক আনন্দমুখৰ পৰিবেশ সৃষ্টি হৈছে। জোকতলী উঃ মাঃ বিদ্যালয়ৰ অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকলৰ এই সফলতা কেৱল শিৱসাগৰ জিলাই নহয়, সমগ্ৰ অসমলৈকে গৌৰৱ কঢ়িয়াই আনিছে বুলি অভিমত প্ৰকাশ কৰিছে সমগ্ৰ-শিক্ষা অসমৰ শিৱসাগৰ জিলা সমন্বয়কে।



# সাংবাদিক, কবি খগেশ্বৰ দাসলৈ ২০২৬ বৰ্ষৰ ‘সংবাদ সৌৰভ’ বঁটা প্ৰদান

**হাওৰাঘাট,১ জুন ঃ** কাৰ্বি আংলঙৰ উদীয়মান যুৱ সাংবাদিক, কবি তথা ‘বিদ্যাঞ্জলি’ আঁচনিৰ সেচ্ছাসেৱক ৰাজনৈতিক বিজ্ঞান শিক্ষক খগেশ্বৰ দাসক ২০২৬ বৰ্ষৰ সংবাদ সৌৰভ বঁটা প্ৰদান কৰা হৈছে। যোৰহাটৰ বিজ্ঞান কেন্দ্ৰৰ তাৰকাগৃহত ‘দৈনিক সংবাদ’ আৰু ‘দিগদৰ্শন প্ৰকাশন গোষ্ঠীৰ যৌথ উদ্যোগত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ গ্ৰন্থ উন্মোচন আৰু বঁটা বিতৰণী সভাত তেওঁক এই সন্মান অৰ্পণ কৰে। নিষ্ঠা আৰু সততাৰে সমাজলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে দাসে ইয়াৰ পূৰ্বেও ‘আসাম ফ’কাচ’ৰ মঞ্চত ‘যুৱ সাংবাদিক বঁটা’ লাভ কৰিছিল। সংবাদ সেৱাৰ উপৰি তেওঁ অবৈতনিকভাৱে স্বেচ্ছাসেৱক ৰূপে শিক্ষকতা, সামাজিক কাম-কাজ আৰু সাহিত্য চৰ্চাৰ সৈতে নিবিড়ভাৱে জড়িত। আৰ্থিক নাটনিৰ বাবে বহু বাধাৰ সন্মুখীন হোৱা সত্ত্বেও নিজৰ প্ৰচেষ্টাৰে তেওঁ প্ৰথমখন কাব্য সংকলন ‘বিদ্যাঞ্জলি’ ওৰাংৰ ভিচিডিচিৰ প্ৰেক্ষাগৃহত প্ৰকাশ কৰিবলৈ সক্ষম হৈছিল। জানিব পৰা মতে, দাসৰ দ্বিতীয়খন কাব্য সংকলন ‘মোৰ কবিতা এদিন আকাশ চুব’ অহা জুন মাহৰ শেষৰ ফালে প্ৰকাশ পাব।

# ওদালগুৰিত এইচ পি ভি ভেকচিন প্ৰদান অভিযান অব্যাহত

**ওদালগুৰি,১ জুন ঃ** ভাৰত চৰকাৰে কিশোৰীসকলক জৰায়ু মুখৰ কেন্সাৰৰ পৰা সুৰক্ষা প্ৰদান কৰিবলৈ এইচ পি ভি ভেকচিন প্ৰদান অভিযান চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰপৰা আৰম্ভ কৰিছে। ভাৰতীয় মহিলাৰ মাজত হোৱা কেন্সাৰসমূহৰ ভিতৰত জৰায়ু মুখৰ কেন্সাৰ ২য় সৰ্বাধিক। এইচ পি ভি ভেকচিনে এইচ পি ভি ভাইৰাছৰ (বিশেষকৈ এইচ পি ভি ১৬ আৰু ১৮) বিৰুদ্ধে কাম কৰে। ১৪ বছৰ বয়সত এই ভেকচিন ল’লে ভাইৰাছৰ সংস্পৰ্শলৈ অহাৰ আগতেই দীৰ্ঘদিনীয়া সুৰক্ষা পোৱা যায়। সেয়েহে ভাৰত চৰকাৰে ১৪ বছৰীয়া কিশোৰী আৰু ১৫ বছৰ ৩ মাহ পৰ্যন্তবয়সৰ কিশোৰীসকলক এই ভেকচিন দিয়া অভিযান আৰম্ভ কৰিছে।এই ভেকচিনটোৰ নাম হৈছে গৰ্ডাচিল -৪ (এইচ পিভি-১ ৪ টা প্ৰকাৰৰ বিৰুদ্ধে কাম কৰে। এই ভেকচিনৰ একমাত্ৰ ড’জ, বাওঁ হাতৰ ওপৰৰ অংশত দিয়া হয়। ওদালগুৰি জিলাতো ২৪ টা ছেহন চাইটত এই ভেকচিন প্ৰদান কাৰ্যসূচী চলি আছে। টংলা সামূহিক স্বাস্থ্য কেন্দ্ৰ, ভেৰগাঁও আদৰ্শ চিকিৎসালয়, ডিমাকুছি আদৰ্শ চিকিৎসালয়, খৈৰাবাৰী সামূহিক স্বাস্থ্য কেন্দ্ৰ, ওৰাং সামূহিক স্বাস্থ্য কেন্দ্ৰ, মহলীয়াপাৰা আদৰ্শ চিকিৎসালয়, ওদালগুৰি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আদিকে ধৰি কেইবাখনো স্বাস্থ্য প্ৰতিষ্ঠানত ভেকচিন প্ৰদান কৰা হৈছে। এই ভেকচিন সম্পূৰ্ণ বিনামূলীয়া, আৰু কাৰ্যকৰী। সেয়েহে এই বয়সৰ সকলো কিশোৰীৰ অভিভাৱকক স্বাস্থ্য বিভাগৰ সৈতে সহযোগ কৰি নিজৰ কন্যা সন্তানক স্বাস্থ্য প্ৰতিষ্ঠানলৈ আনি ভেকচিন প্ৰদান কৰাৰ বাবে ওদালগুৰি জিলা স্বাস্থ্য সমিতিৰ যুটীয়া সঞ্চালকে আহ্বান জনাইছে।

# নতুন শিক্ষানীতি অনুসৰি চলিত বৰ্ষৰ পৰাই উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৬টা বিষয়ত উত্তীৰ্ণৰ নম্বৰ ৩৩শতাংশ হ’ব লাগিব

**ওদালগুৰি১ জুন ঃ** ওদালগুৰি জিলাৰ ওৰাঙৰ কলাগুৰু বিষ্ণু ৰাভা মহাবিদ্যালয়ত এখনি অভিভাৱক অভিভাৱকৰ সভা অনুষ্ঠিত হৈ যায় । সভাত সভাত সভাপতিত্বত কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ চিনন নাৰ্জাৰীয়ে। সভাৰ উদেশ্য ব্যাখ্যা কৰে জ্যেষ্ঠ প্ৰবক্তা ইংকু নাথে। সভাত উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষত নামভৰ্তি কৰণৰ সম্পৰ্কত বিস্তৃত ভাবে আলোচনা- পৰ্যালোচনা কৰা হয়। সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ চিনন নাৰ্জাৰীয়ে অভিভাৱক-অভিভাবিকাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ দায়িত্ব আৰু কৰ্তব্যৰ সম্পৰ্কত আৰু মহাবিদ্যালয়ৰ নিৰ্ধাৰিত নীতি নিয়মৰ আদিৰ বিষয়ে আলোকপাত আৰু আলোচনা পৰ্যালোচনা কৰি বক্তব্য আগবঢ়ায়। নতুন শিক্ষানীতি অনুসৰি চলিত বৰ্ষৰ পৰা উচ্চতৰ মাধ্যমিকৰ ৬টা বিষয়ৰ পৰীক্ষাৰ প্ৰতিটোত ৩০ নম্বৰৰ পৰিৱৰ্তে ৩৩ শতাংশ নম্বৰপ্ৰাপ্ত হ’লেহে উত্তীৰ্ণ হ’ব পাৰিব বুলি অধ্যক্ষই প্ৰকাশ কৰে। সভাত অভিভাৱক আৰু প্ৰবক্তা ইংকু নাথ,স্বপা



পাল,ওৰাঙৰ জ্যেষ্ঠ সাংবাদিক,পৰিচালনা সমিতিৰ সদস্য নৰ কুমাৰ ডেকাই অভিভাৱক -অভিভাবিকাৰ দায়িত্বৰ সম্পৰ্কত বক্তব্য আগবঢ়ায়।

# কলগাছিয়া হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰত প্ৰথম দিনা সুকলমে সম্পন্ন

**বাতৰি কাকত কলগাছিয়া,১ জুন ঃ** গোটেই ৰাজ্যত আৰম্ভ হৈ আছে হাইস্কুল স্কুল শিক্ষান্ত পৰীক্ষাৰ্থী সকলৰ কম্পাৰ্টমেন্টেল পৰীক্ষা। যোৱা ফেব্ৰুৱাৰী মাহত হৈ যোৱা হাই স্কুল শিক্ষান্ত পৰীক্ষাত যিসকল পৰীক্ষাৰ্থীয়ে তিনিটা বিভাগত অনুত্তীৰ্ণ হৈ কম্পাৰ্টমেণ্টেল পৰীক্ষা দিয়াৰ সুযোগ পাইছিল। সেই সকল পৰীক্ষাৰ্থী সকলৰ আৰম্ভ হৈছে কম্পাৰ্টমেণ্টেল পৰীক্ষা। জানিব পৰা মতে সমগ্ৰ অসমত মুঠ ৬৪ হেজাৰ পৰীক্ষাৰ্থীয়ে এই পৰীক্ষাত অৱতীৰ্ণ হৈছে। এইক্ষেত্ৰত অসমৰ আন আন জিলাৰ লগতে বৰপেটা জিলাৰ কলগাছিয়া হাই স্কুল পৰীক্ষা কেন্দ্ৰতো মেট্ৰিকৰ কম্পাৰ্টমেণ্টেল পৰীক্ষা অনুষ্ঠিত হয় । কলগাছিয়া পৰীক্ষা কেন্দ্ৰত মুঠ ৮২৩ গৰাকী শিক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হ’ব বুলি পৰীক্ষা কেন্দ্ৰৰ দায়িত্বত থকা হাইস্কুলখনৰ প্ৰধান শিক্ষক আনোৱাৰ হুছেইনে জানিবলৈ দিয়ে। উল্লেখ্য যে, ৰাজ্যত শেহতীয়াভাৱে হৈ যোৱা মেট্ৰিক পৰীক্ষাত ফলাফল বেয়া হোৱা শিক্ষাৰ্থীৰ বাবে শিক্ষা বিভাগে ৰাজ্য খনত কম্পাৰ্টমেণ্টেল পৰীক্ষা অনুষ্ঠিত কৰিছে। জানিব পৰা মতে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ্থী সকলৰ এইবাৰেই কম্পাৰ্টমেণ্টেল পৰীক্ষা শেষ পৰীক্ষা। পৰৱৰ্তী সময়ত হাই স্কুল শিক্ষান্ত পৰীক্ষাৰ্থী সকলে আৰু এই সুযোগ নাপাব।

# অসমৰ ক্ৰীড়া ক্ষেত্ৰ সম্পৰ্কে কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মাণ্ডব্যৰে বৈঠক মুখ্যমন্ত্ৰীৰ

মন্ত্ৰীগৰাকীয়ে ওপজা দিনৰ বিশেষ দিনটোত অসমৰ ক্ৰীড়া ক্ষেত্ৰৰ ভৱিষ্যৎ আৰু শ্ৰমিকসকলৰ কল্যাণ সম্পৰ্কে গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হ'বলৈ সময় উলিয়াইছে। তেওঁ জনায় যে, বৈঠকত ৰাজ্যখনত অধিক ক্ৰীড়া সুবিধা গঢ়ি তোলা আৰু শ্ৰমজীৱীসকলৰ বাবে উন্নত সুযোগ-সুবিধা সৃষ্টিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মাণ্ডব্যক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে অসমক ভাৰতৰ এক আগশাৰীৰ ক্ৰীড়া কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টাত কেন্দ্ৰীয় চৰকাৰৰ অব্যাহত সহযোগিতা কামনা কৰে। তেওঁ উল্লেখ কৰে যে- ৰাজ্য চৰকাৰে ইতিমধ্যে ক্ৰীড়া আন্তঃগাঁথনি উন্নয়ন, যুৱ প্ৰতিভাক উৎসাহিত কৰা আৰু ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতা আয়োজনৰ ক্ষেত্ৰত ব্যাপক বিনিয়োগ কৰি আহিছে। উল্লেখ্য যে উত্তৰ-পূৰ্বাঞ্চল তথা সমগ্ৰ দেশৰ এক উল্লেখযোগ্য ক্ৰীড়া কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰাৰ অসমৰ বৃহত্তৰ লক্ষ্যৰ পৰিপ্ৰেক্ষিতত এই বৈঠকক বিশেষ তাৎপৰ্যপূৰ্ণ বুলি গণ্য কৰা হৈছে।

# আছু নেতাৰ হত্যাকাৰী আছিফ খান নিহত

অনুসৰি তেজেৰে তুমুৰলি হৈ থকা দুই ভাতৃ-ভগ্নীক প্ৰত্যক্ষ কৰিয়েই স্থানীয় লোকে প্ৰথম অৱস্থাত দুৰ্ঘটনা সংঘটিত হোৱা বুলি ভাবিছিল যদিও অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী দুগৰাকীৰ শৰীৰত চোকা অস্ত্ৰৰে আক্ৰমণ কৰাৰ চিন স্পষ্ট ৰূপত প্ৰত্যক্ষ কৰি দুৰ্বৃত্তৰ আক্ৰমণৰ বলি হোৱা বুলি জানিব পাৰে। হঠাৎ ৰাজপথৰ ওপৰত তেজেৰে লুটুৰি-পুতুৰি অৱস্থাত উদ্ধাৰ হোৱা দুই সম্পৰ্কীয় ভাতৃ-ভগ্নীক মেডিকেললৈ প্ৰেৰণ কৰা হয় যদিও মাধুৰ্য বৰ্মন (১৯) নামৰ ছাত্ৰ নেতাগৰাকী থিতাতে নিহত হয়। উল্লেখ্য যে ৰোজ আলী ওৰফে আছিক আলীৰ চুৰিকাঘাতত থিতাতে নিহত ছাত্ৰজন চামতা বালি পথাৰৰ হৰিচৰণ বৰ্মণ আৰু দীপা বৰ্মণৰ একমাত্ৰ পুত্ৰ মাধুৰ্য বৰ্মন (১৯) নামৰ মেধাৱী ছাত্ৰজনৰ মৃত্যুৰ বাতৰি লাভ কৰাৰ পিছতে জাঙুৰ খাই উঠে ছাত্ৰ সন্থাকে ধৰি বিভিন্ন দল সংগঠন। মুকালমুৱাৰ গঙ্গাপুৰত ৰবিবাৰে সন্ধিয়া সংঘটিত হোৱা চাঞ্চল্যকৰ পৰিকল্পিত হত্যাকাণ্ডৰ ঘটনাই সকলোকে ম্ৰিয়মান কৰি তোলে। উল্লেখ্য যে পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সহঃ সাধাৰণ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল মাধুৰ্য বৰ্মণ নামৰ ছাত্ৰজনে। অন্যহাতে, অতি সংকটজনক অৱস্থাত উদ্ধাৰ হোৱা যুৱতীগৰাকীৰ ঘৰ গংগাপুৰত। হত্যাকাণ্ড সংঘটিত হোৱা ঠাইখিনি গঙ্গাপুৰ আৰু কুমাৰীকটাৰ মাজত অৰ্থাৎ ছোৱালীজনীৰ ঘৰৰ পৰা হত্যাকাণ্ড সংঘটিত হোৱা ঠাইখিনিৰ পৰা প্ৰায় ৩০০ মিটাৰ আঁতৰত। উল্লেখ্য যে নলবাৰী চহৰৰ পৰা নিজ গৃহলৈ গৈ থকা অৱস্থাত আক্ৰমণৰ বলি হৈছিল দুই সম্পৰ্কীয় ভাতৃ ভগ্নী। ঘটনাস্থলীত মুকালমুৱা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ নেতৃত্বত এটা দল উপস্থিত হৈ চলোৱা প্ৰাথমিক তদন্তত এয়া এক পৰিকল্পিত হত্যাকাণ্ড বুলি বুলি সন্দেহ ঘনীভূত হৈছিল। অতি সংকটজনক অৱস্থাত উদ্ধাৰ হোৱা যুৱতীগৰাকী বৰ্তমান গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত জীৱন-মৃত্যুৰে যুঁজি আছে বুলি জানিব পৰা গৈছে। যুৱতীগৰাকীৰ দেহৰ ৪ ৫ টাকৈ স্থানত গুৰুতৰ আঘাত প্ৰত্যক্ষ কৰাৰ উপৰিও মূৰৰ পিছফালে পোৱা গৈছে গভীৰ আঘাতৰ চিন। যুৱতীগৰাকীৰ লাওখোলা আৰু মগজুত গুৰুতৰ ক্ষতি হোৱাৰ উপৰিও ৰাজহাড়ৰ কাষত ছুৰীৰে কৰা দুটা গভীৰ আঘাতৰ চিন স্পষ্ট ৰূপত প্ৰত্যক্ষ কৰা হৈছে। ছুৰীৰ আঘাতত যুৱতীগৰাকীৰ হাওঁফাওঁ আৰু মুখমণ্ডল, ডিঙিৰ হাড়তো আঘাতৰ চিন দেখা গৈছে। বৰ্তমান গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালতৰ আই চি ইউত সংকটজনক অৱস্থাত চিকিৎসাধীন মৃদুমুদ্ৰা ডেকা নামৰ ছাত্ৰীগৰাকী। আনহাতে, মাধুৰ্য বৰ্মণক পৰিকল্পিত হত্যাৰ প্ৰতিবাদত নলবাৰীত 'আছু'ৰ বৃহৎ প্ৰতিবাদী সমদল বাহিৰ কৰাৰ উপৰিও পশ্চিম নলবাৰীতো 'আছু' নেতাগৰাকীক হত্যাকাণ্ডৰ মূল অভিযুক্তৰ শাস্তিৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। আনহাতে, পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সহঃ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰা মাধুৰ্য বৰ্মনৰ হত্যাকাৰীক কৰায়ত্ত কৰি কঠোৰতম শাস্তি প্ৰদানৰ দাবীত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাই নলবাৰীত প্ৰতিবাদী সমদল উলিয়ায়। হত্যাকাৰীক ফাচী দিয়ক, মানুহৰ জীৱনৰ নিৰাপত্তা প্ৰদান কৰাত ব্যৰ্থ অসম চৰকাৰ হায়ঃ হায়ঃ, মাধুৰ্য বৰ্মনৰ হত্যাকাৰীক অতি শীঘ্ৰে কৰায়ত্ত কৰক আদি শ্লোগানেৰে উত্তপ্ত কৰি তোলে প্ৰতিবাদকাৰীসকলে। মাধুৰ্য বৰ্মণক হত্যাৰ প্ৰতিবাদত চৌপাশে প্ৰতিবাদ সাব্যস্ত কৰে। বৰক্ষেত্ৰীৰ মুকালমুৱাৰ দুৰ্গম চৰত আত্মগোপন কৰি থকা অৱস্থাত ৰোজ আলীক আটক কৰিছিল আৰক্ষীয়ে। ইয়াৰ পিছতে হত্যাকাৰীটোৱে আৰক্ষীৰ বন্দুক কাঢ়ি গুলী চালনা কৰাত আৰক্ষীয়ে হত্যাকাৰীক গুলী চলাবলৈ বাধ্য হয়। আৰক্ষীৰ গুলীত গুৰুতৰভাৱে আহত হৈছিল ৰোজ আলী। ততাতৈয়াকৈ হস্পাতালত ৰোজ আলীক ভৰ্তি কৰা হৈছিল যদিও অত্যাধিক ৰক্তক্ষৰণৰ বাবে মৃত্যু হয় ৰোজ আলীৰ। উল্লেখ্য যে ৰক্সজ আলীয়ে দীৰ্ঘদিন ধৰি মৃদুমুদ্ৰাৰ পৰিয়ালটোক বিভিন্ন প্ৰকাৰে ভয় ভাবুকি দি আহিছিল। উল্লেখ্য যে পৰিয়ালৰ লোকৰ অভিযোগ অনুসৰি নৰম শ্ৰেণীৰ পৰাই ছাত্ৰীগৰাকীক হাৰাশাস্তি কৰি আহিছিল হত্যাকাৰী যুৱকজনে। এই ঘটনাক লৈ আজি দ্বিতীয় দিনাও সমগ্ৰ জিলাখনত তীব্ৰ উত্তেজনাই বিৰাজ কৰিছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসনে জিলাখনৰ ঠায়ে-ঠায়ে নিৰাপত্তাৰক্ষী নিয়োগ কৰিছে।

# জি এম চি এইচত জীৱন-মৃত্যুৰে যুঁজিছে নলবাৰীৰ মৃদুমুদ্ৰাই

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধীক্ষকে। ইয়াৰ উপৰি মৃদুমুদ্ৰাৰ মুখমণ্ডল আৰু ডিঙিৰ হাড়তো আছে ছুৰীৰ আঘাত। বৰ্তমান আই চি ইউত সংকটজনক অৱস্থাত চিকিৎসা চলি আছে মৃদুমুদ্ৰাৰ। মানসিকভাৱে অত্যন্ত ভয়ত আছে যুৱতীগৰাকী। আনৰ কথাৰ ভালকৈ সঁহাৰি জনাব পৰা নাই যুৱতীগৰাকীয়ে। নিশা প্ৰায় ১২.৩০ বজাত জি এম চি এইচত ভৰ্তি কৰোৱা হৈছিল যুৱতীগৰাকীক। জিএমচিএইৰ অধীক্ষকে কয়— নলবাৰীৰ মুকলমুৱাৰ পৰা নিশা এটা ঘটনা আহিছে। ৭.৩০ বজাত নলবাৰী চিকিৎসা মহাবিদ্যালয়ত প্ৰাথমিক চিকিৎসা কৰি জি এম চি এইচলৈ পঠাইছিল। নিশা প্ৰায় ১২.৩০ বজাত জি এম চি এইচত ভৰ্তি কৰোৱা হৈছিল। ৪-৫ ঠাইত ছুৰীৰে কৰা গুৰুতৰ আঘাতৰ চিন আছে যুৱতীগৰাকীৰ দেহত। মূৰৰ পাছফালে মগজুত গুৰুতৰ আঘাত আছে, ছাল আৰু মগজুত যথেষ্ট আঘাত পোৱা গৈছে। পিঠিত ৰাজহাড়ৰ কাষত দুটা গুৰুতৰ আঘাত আছে। মুখমণ্ডল আৰু ডিঙিৰ হাড়ত চুৰিৰ আঘাত আছে। চুৰিৰ আঘাতৰ বাবে হাওঁফাওঁত প্ৰভাৱ পৰিছে। জি এম চি এইচৰ কেইবাটাও বিভাগে চিকিৎসা চলাইছে যুৱতীগৰাকীৰ। উল্লেখ্য যে নলবাৰীৰ গংগাপুৰত দেওবাৰে ফুটগধুলিতে ৰাজপথত চোকা অস্ত্ৰৰে মাধুৰ্য বৰ্মন আৰু মৃদুমুদ্ৰা ডেকাক আক্ৰমণ কৰিছিল ২ দুৰ্বৃত্তই। গংগাপুৰলৈ মোমায়েকৰ ঘৰলৈ আহিছিল চামতাৰ মাধুৰ্য। ভনীয়েক মৃদুমুদ্ৰাৰ সৈতে কিতাপ কিনিবলৈ স্কুটীৰে নলবাৰীলৈ গৈছিল মাধুৰ্য। নলবাৰী চহৰৰ পৰা ওভতাৰ পথত গংগাপুৰৰ দলঙৰ ওপৰত দুয়োকে বাট আগচি ধৰে দুৰ্বৃত্তৰ দলে। দুৰ্বৃত্তৰ দলে যুৱতীগৰাকীক অপহৰণৰ চেষ্টা কৰাৰ সময়তে বাধা দিয়া মাধুৰ্যক উপৰ্যুপৰি আক্ৰমণ কৰে। লগতে যুৱতীগৰাকীকো চোকা অস্ত্ৰৰে আক্ৰমণ কৰি পলায়ন কৰে দুই দুৰ্বৃত্তই। ইয়াৰ পিছতে স্থানীয় লোকে দুয়োকে প্ৰত্যক্ষ কৰি চিকিৎসালয়লৈ নিয়াৰ পথতে মাধুৰ্য্যৰ মৃত্যু হয়। আনহাতে যুৱতীগৰাকীক সংকটজনক অৱস্থাত জি এম চি এইচত ভৰ্তি কৰোৱা হয়। যুৱতীগৰাকীয়ে প্ৰেম প্ৰত্যাখ্যানৰ বাবে এই হত্যাকাণ্ড সংঘটিত হোৱাৰ সন্দেহ।

# নগাঁৱৰ চকলাঘাটত পথ দুৰ্ঘটনাত নিহত এজন

নাম চাহিদুৰ ৰহমান। ৩৩ বছৰীয়া চাহিদুৰৰ ঘৰ জাজৰিত। আনহাতে, চাজু নামৰ আন এজন জাজৰি যুৱক গুৰুত্বৰভাৱে আহত হয়। চাজুক ততাতৈয়াকৈ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

# দুটাকৈ সোণ-ৰূপৰ পদক অৰ্জন

দখল কৰিবলৈ সক্ষম হয়। লগতে অসমৰ কেইবাগৰাকীও উঠতি খেলুৱৈয়ে বয়সভিত্তিক বিভিন্ন শাখাত মেডেল লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে কেৱল যোগাসনেই নহয়, ইয়াৰ সমান্তৰালভাৱে অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় নৃত্য প্ৰতিযোগিতাতো ১০ বছৰৰ পৰা ৰচ বছৰ ছোৱালী শাখাত পাহি বৰুৱাই দ্বিতীয় স্থান , ৰচ বছৰৰ উৰ্ধৰ ছোৱালী শাখাত অনুভূতি বৰাই তৃতীয় স্থান, জ্যোস্মিতা শইকীয়াই পঞ্চম স্থান, তিতিক্ষা মধুকল্যাই ষষ্ঠ স্থান লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয় । মেডেল লাভ কৰা আটাই কেইগৰাকী খেলুৱেই হৈছে নগাঁও জিলাৰ ডাকৰঘাট যোগ বিদ্যালয়ৰ শিক্ষাৰ্থী। এই আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত ক্লচীফ জাজক্স আৰু অসম দলটোৰ প্ৰশিক্ষক হিচাপে দায়িত্ব পালন কৰে নগাঁও জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ যোগ প্ৰশিক্ষক অঞ্জন কৌশিক শৰ্মাই। আনহাতে ভাৰতীয় দলৰ তত্বাৱধায়ক তথা এই কমনৱেলথ প্ৰতিযোগিতাৰ সঞ্চালক হিচাপে আছিল পশ্চিম বংগৰ ড° লোকনাথ নাথ। অসম দলটোৰ এই অভাবনীয় সফলতাক লৈ এতিয়া সমগ্ৰ ৰাজ্যতে ক্ৰীড়া অনুৰাগীসকলৰ মাজত উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। জিলাখনলৈ এনে আন্তঃৰাষ্ট্ৰীয় গৌৰৱ কঢ়িয়াই অনাৰ বাবে নগাঁও জিলাবাসীয়ে ডাকৰঘাট যোগ বিদ্যালয় আৰু কৃতি খেলুৱৈৰ এনে পাৰদৰ্শিতাৰ শলাগ লৈছে জিলাবাসীয়ে ।

# দীৰ্ঘদিনে মৃদুমুদ্ৰাক নিৰ্যাতন চলাই

মাঘৰ বিহুৰ দিনা যুৱতীগৰাকীক বাল্যবিবাহ পতা বুলি ৰোজ আলীয়ে অভিযোগ দিছিল। ৰোজ আলীৰ অত্যাচাৰৰ বাবে যুৱতীগৰাকীক সলাবলগীয়া হৈছিল স্কুল। আক্ৰমণকাৰীৰ পিতৃ-মাতৃকো অভিযোগ দিছিল যুৱতীগৰাকীৰ পৰিয়ালে। ৰোজ আলীৰ পিতৃ-মাতৃয়ে কাকুতি-মিনতি কৰাত গোচৰ তৰা নাছিল মৃদুমুদ্ৰাৰ পৰিয়ালে। যুৱতীগৰাকীক ক্ষতি নকৰে বুলি কোৰাণ বুকুত লৈ শপত খোৱা বুলি জনাইছিল ৰোজ আলীৰ পৰিয়ালে। মৃদুমুদ্ৰা ডেকা নলবাৰীৰ বাণেকুছিস্থিত জৱাহৰ নৱোদয় বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখাত অধ্যয়নৰত। জৱাহৰ নৱোদয় বিদ্যালয়ৰ হোষ্টেলত থকা মৃদুমুদ্ৰা ডেকা গৰম বন্ধত ঘৰলৈ আহিছিল। উল্লেখ্য যে নলবাৰীৰ গংগাপুৰত দেওবাৰে ফুটগধুলিতে ৰাজপথত চোকা অস্ত্ৰৰে মাধুৰ্য বৰ্মন আৰু মৃদুমুদ্ৰা ডেকাক আক্ৰমণ কৰিছিল ২ দুৰ্বৃত্তই। গংগাপুৰলৈ মোমায়েকৰ ঘৰলৈ আহিছিল চামতাৰ মাধুৰ্য। ভনীয়েক মৃদুমুদ্ৰাৰ সৈতে কিতাপ কিনিবলৈ স্কুটীৰে নলবাৰীলৈ গৈছিল মাধুৰ্য। নলবাৰী চহৰৰ পৰা ওভতাৰ পথত গংগাপুৰৰ দলঙৰ ওপৰত দুয়োকে বাট আগচি ধৰে দুৰ্বৃত্তৰ দলে। দুৰ্বৃত্তৰ দলে যুৱতীগৰাকীক অপহৰণৰ চেষ্টা কৰাৰ সময়তে বাধা দিয়া মাধুৰ্যক উপৰ্যুপৰি আক্ৰমণ কৰে। লগতে যুৱতীগৰাকীকো চোকা অস্ত্ৰৰে আক্ৰমণ কৰি পলায়ন কৰে দুই দুৰ্বৃত্তই। ইয়াৰ পিছতে স্থানীয় লোকে দুয়োকে প্ৰত্যক্ষ কৰি চিকিৎসালয়লৈ নিয়াৰ পথতে মাধুৰ্য্যৰ মৃত্যু হয়। আনহাতে যুৱতীগৰাকীক সংকটজনক অৱস্থাত জি এম চি এইচত ভৰ্তি কৰোৱা হয়। যুৱতীগৰাকীয়ে প্ৰেম প্ৰত্যাখ্যানৰ বাবে এই হত্যাকাণ্ড সংঘটিত হোৱাৰ সন্দেহ। মৃত মাধুৰ্য আছিল অতি মেধাৱী ছাত্ৰ। এইবাৰ উচ্চতৰ মাধ্যমিকত প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল মাধুৰ্য। ইফালে, ঘটনাৰ পিছতে অভিযুক্ত ৰোজ আলীৰ পৰিয়ালে ঘৰ এৰি পলায়ন কৰিছে । ৰোজ আলীক বিচাৰি আৰক্ষীয়ে চলাইছিল অভিযান। অভিযানত এই তথ্য পোহৰলৈ আহিছে। ৰোজ আলীৰ অন্তিম লোকেচন আদাবাৰীত পোৱা গৈছে।

# উপ-ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণনক সাক্ষাৎ মুখ্যমন্ত্ৰী

পৰিশ্ৰম আৰু নিষ্ঠাৰ প্ৰতিমূৰ্তি বুলি অভিহিত কৰি শৰ্মাই কয় যে তেওঁৰ সৈতে হোৱা আদান-প্ৰদান সদায় সমৃদ্ধিশালী। তেওঁ কয়— জনজীৱনত নম্ৰতা, কঠোৰ পৰিশ্ৰম আৰু নিষ্ঠাৰ প্ৰতিমূৰ্তি, ৰাধাকৃষ্ণন জীক লগ পোৱাটো সদায় এক শিক্ষণ অভিজ্ঞতা। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বিক্ষিত অসম'ৰ দৃষ্টিভংগীৰে অসমে উন্নয়নমূলক লক্ষ্যত উপনীত হোৱাৰ সময়ত উপ-ৰাষ্ট্ৰপতিৰ অবিৰত পথ প্ৰদৰ্শনৰ বাবে তেওঁ আগ্ৰহী। অসম চৰকাৰে দীৰ্ঘম্যাদী উন্নয়নমূলক কাৰ্যসূচীৰ অংশ হিচাপে অৰ্থনৈতিক বিকাশ, আন্তঃগাঁথনি উন্নয়ন আৰু সামাজিক খণ্ডৰ সংস্কাৰ ত্বৰান্বিত কৰাৰ প্ৰচেষ্টাৰ মাজতে এই বৈঠক অনুষ্ঠিত হয়।

# বিধায়ক ৰমাকান্ত দেউৰীক তদন্তৰ

পাছতে সেই সময়ৰ নিগমৰ অধ্যক্ষ তথা মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীকো তদন্তৰ আওতালৈ অনাৰ দাবী উত্থাপন কৰে সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাই। সংবাদমেলত সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি দীপাংকৰ দাস আৰু সাধাৰণ সম্পাদক মৃদুল দাসে কয় যে ২০১৯ চনৰ পৰা ২০২১ চনলৈ মীন উন্নয়ন নিগমত সংঘটিত হোৱা ব্যাপক অনিয়ম আৰু দুৰ্নীতিৰ বিৰুদ্ধে সন্থাই দীৰ্ঘদিন ধৰি সোচ্চাৰ হৈ আহিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত দুৰ্নীতি নিবাৰক শাখাই অভিযান চলাই এই দুৰ্নীতিৰ সৈতে জড়িত বিষয়াসকলক গ্ৰেপ্তাৰ কৰাৰ বাবে সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জনায় লগতে তদন্তৰ ক্ষেত্ৰত সমান মানদণ্ড প্ৰয়োগৰ দাবী উত্থাপন কৰে। সংবাদমেলত বিধায়ক ৰমাকান্ত দেউৰীক উদ্দেশ্যি কয় যে পদ্ম কান্ত হাজৰিকা অসম মীন উন্নয়ন নিগমৰ দুৰ্নীতিৰ মেইন ৰৌ মাছটো আছিল। কিন্তু এতিয়াও বৰালি মাছটো ধৰিবলৈ বাকী আছে। বৰালি মাছ বৰ পিচল, সেই কাৰণে দুৰ্নীতি নিবাৰক শাখাই অলপ সময় লৈছে। সেই বৰালি মাছটো হৈছে সেই সময়ৰ নিগমৰ অধ্যক্ষ ৰমাকান্ত দেউৰী। গতিকে ৰাজনৈতিক মেৰ পাচত সোমাই কোনো কাৰণে ৰমাকান্ত দেউৰীক সাৰি যাবলৈ দিয়া নহ'ব। আনহাতে, সংগঠনটোৱে অভিযোগ কৰে যে নিগমৰ তদানীন্তন অধ্যক্ষ ৰমাকান্ত দেউৰীৰ অনুমতি আৰু জ্ঞাত সাৰেই বহু সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। সেয়েহে কেৱল বিষয়াক গ্ৰেপ্তাৰ কৰি তদন্ত সীমাবদ্ধ ৰাখিলে সমগ্ৰ কেলেংকাৰীৰ প্ৰকৃত সত্য পোহৰলৈ নাহিব। লগতে, পদ্ম কান্ত হাজৰিকাক গ্ৰেপ্তাৰ কৰা হ'ল যদিও তদানীন্তন অধ্যক্ষ ৰমাকান্ত দেউৰীক এতিয়াও কিয় জেৰা কৰা হোৱা নাই বুলিও প্ৰশ্ন উত্থাপন কৰে সংগঠনটোৱে। সেই সময়ত ৰমাকান্ত দেউৰীৰ দুই কন্যাই ক্ষমতাৰ প্ৰভাৱত নিযুক্তি লাভ কৰাৰ অভিযোগ উত্থাপিত হৈছিল। এই অভিযোগসমূহৰো নিৰপেক্ষ তদন্ত হ'ব লাগিব বুলি দাবী জনায় সংগঠনটোৱে। সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাই স্পষ্টভাৱে কয় যে ৰাজনৈতিক প্ৰভাৱ বা আশীৰ্বাদৰ বলত কোনো অভিযুক্ত তদন্তৰ পৰা সাৰি যাব নালাগে। মীন উন্নয়ন নিগমৰ দুৰ্নীতি কাণ্ডৰ সৈতে জড়িত সকলো ব্যক্তি, বিষয়াৰ লগতে তদানীন্তন অধ্যক্ষ ৰমাকান্ত দেউৰীকো তদন্তৰ আওতালৈ আনি প্ৰয়োজন সাপেক্ষে গ্ৰেপ্তাৰ কৰাৰ দাবী জনায় সংগঠনটোৱে।

# লেটেকুপুখুৰীত মাধৱদেৱৰ ৫৩৮সংখ্যক

কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীয়ে ধৰ্মধ্বজা উত্তোলন কৰি মহোৎসৱৰ শুভ সূচনা কৰে। ধৰ্মধ্বজা উত্তোলনৰ পিছতে সত্ৰাধিকাৰগৰাকীৰ নেতৃত্বত ভকত-বৈষ্ণৱসকলে হৰি নাম-সংকীৰ্তনৰ মাজেৰে গুৰুগৃহ আৰু ঐতিহাসিক লেটেকুপুখুৰী প্ৰদক্ষিণ কৰে। আধ্যাত্মিক ভাবগম্ভীৰ্যতাৰে ভৰা এই কাৰ্যসূচীয়ে সমগ্ৰ অঞ্চলটোক এক পৱিত্ৰ পৰিৱেশেৰে মুখৰিত কৰি তোলে। পুৱা ৯ বজাত বলোৰাম বৰগায়ন আতৈৰ দ্বাৰা নৈমিত্তিক প্ৰসংগ পৰিৱেশন কৰা হয়। ইয়াৰ পিছতে অনুষ্ঠিত হয় গুৰুবাদ্য প্ৰদৰ্শন, যিয়ে উপস্থিত ভক্তবৃন্দক বৈষ্ণৱ সাংস্কৃতিক ঐতিহ্যৰ সৈতে পুনৰ সংযোগ স্থাপন কৰাৰ সুযোগ প্ৰদান কৰে। মহোৎসৱৰ অন্যতম আকৰ্ষণ আছিল ছকুৰি ভকতৰ নাম-কীৰ্তন। ভকত বৈষ্ণৱসকলৰ ব্যাপক অংশগ্ৰহণ আৰু হৰিনামৰ ধ্বনিৰে কীৰ্তনঘৰ তথা সমগ্ৰ জন্মস্থান চৌহদ মুখৰিত হৈ উঠে। আধ্যাত্মিক আনন্দ আৰু ভক্তিৰসত নিমগ্ন এই নাম-প্ৰসংগই উপস্থিত সকলোকে এক বিশেষ অনুভূতি প্ৰদান কৰে। নাম-কীৰ্তনৰ অন্তত জন্মস্থানৰ নাটঘৰত এখনি ধৰ্মালোচনা সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীয়ে। আদৰণী ভাষণ প্ৰদান কৰে বিহপুৰীয়া সমষ্টিৰ বিধায়ক ভূপেন কুমাৰ বৰাই। দিনজোৰা এই আৱিৰ্ভাৱ মহোৎসৱে মাধৱদেৱৰ মহান আদৰ্শ আৰু একশৰণ নামধৰ্মৰ চেতনাক পুনৰ সজীৱ কৰি তোলাৰ লগতে অঞ্চলটোৰ ধৰ্মীয়-সাংস্কৃতিক পৰিৱেশ অধিক সমৃদ্ধ কৰি তোলে।

# ঈশান দৰ্পনৰ সম্পাদক নৱ ঠাকুৰীয়ালৈ

মহাপ্ৰভুৱেও সমাজক বিভিন্ন দিশত সজাগ সচেতন কৰাৰ ক্ষেত্ৰত মুখ্য ভুমিকা গ্ৰহণ কৰিছিল ।এনে এক ভাবাদৰ্শৰে বিশ্ব সংবাদ কেন্দ্ৰ, অসমে প্ৰতিবছৰে দেৱৰ্ষি নাৰদ জয়ন্তী উদযাপন কৰি এক বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰি এগৰাকী বিশিষ্ট সাংবাদিকক দেৱৰ্ষি নাৰদ জয়ন্তী বঁটা প্ৰদান কৰাৰ লগতে দুই-চাৰি গৰাকী সাংবাদিকক ৰাজহুৱাভাৱে সম্ৰ্ধনা জ্ঞাপন কৰি আহিছে । এই উদ্দেশ্য আগত ৰাখি এইবেলি দেৱৰ্ষি নাৰদ জয়ন্তী বঁটা-২০২৬ বৰ্ষৰ বাবে নিৰ্বাচিত কৰা হৈছে অসমৰ জ্যেষ্ঠ সাংবাদিক তথা ঈশান দৰ্পনৰ সম্পাদক নৱ ঠাকুৰীয়াক । আনহাতে, দেৱৰ্ষি নাৰদ জয়ন্তী উপলক্ষে অসমৰ তিনি গৰাকী সাংবাদিকক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰাৰ কথা ঘোষণা কৰিছে বিশ্ব সংবাদ কেন্দ্ৰ, অসমৰ সম্পাদক কিশোৰ শিৱমে। এক প্ৰেছ বাৰ্তা যোগে বিশ্ব সংবাদ কেন্দ্ৰ, অসমৰ সম্পাদক কিশোৰ শিৱমে জানিবলৈ দিয়া অনুসৰি, দেৱৰ্ষি নাৰদ জয়ন্তী উপলক্ষে বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰিবলগীয়া তিনি গৰাকী সাংবাদিক ক্ৰমে, এন কে টিভিৰ জ্যেষ্ঠ সাংবাদিক লক্ষ্যজিৎ গোঁহাই, প্ৰথম খবৰৰ ছীফ ৰিপ'ৰ্টাৰ ৰঞ্জিতা ৰাভা আৰু দৈনিক অসম কাকতৰ উপ সম্পাদক মৃদুল হালৈ । আনহাতে, দেৱৰ্ষি নাৰদৰ জয়ন্তী উপলক্ষে প্ৰতি বছৰৰ দৰে এইবেলিও বিশ্ব সংবাদ কেন্দ্ৰ, অসমৰ উদ্যোগত অহা ৭ জুনৰ পুৱা ১০.৩০ বজাত গুৱাহাটীৰ বৰবৰীস্থ সুদৰ্শনালয়ত আয়োজন কৰা হৈছে এক বিশেষ বক্তৃতানুষ্ঠান। উক্ত অনুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকিব দিল্লীস্থ দূৰদৰ্শন কেন্দ্ৰৰ বাতৰি বিভাগৰ জ্যেষ্ঠ পৰামৰ্শদাতা তথা বাতৰি পৰিৱেশক তথা বিশিষ্ট সাংবাদিক প্ৰখৰ শ্ৰীবাস্তৱ । উক্ত অনুষ্ঠানতে দেৱৰ্ষি নাৰদ জয়ন্তী বঁটা-২০২৬ প্ৰদান কৰাৰ লগতে আন তিনি গৰাকী সাংবাদিকক সম্বৰ্ধনা জ্ঞাপন কৰা হব। উল্লেখ্য, বিশ্ব সংবাদ কেন্দ্ৰ, অসমে ২০১৫ চনৰ পৰাই ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তী, ধীৰেন্দ্ৰ নাথ বেজবৰুৱা, কনকসেন ডেকা, মহেন্দ্ৰ বৰুৱা, শশী ফুকন, অনিল বৰুৱা, গৌতম শৰ্মা, ৰূপম বৰুৱা, প্ৰশান্ত জ্যোতি বৰুৱা আৰু বিগত বৰ্ষত শান্তনু তামুলীক দেৱৰ্ষি নাৰদ বঁটা প্ৰদান কৰা হৈছে । অৱশ্যে, কভিড মহামাৰীৰ বাবে ২০২০ আৰু ২০২১ বৰ্ষত উক্ত অনুষ্ঠান অনুষ্ঠিত কৰিব পৰা নগ'ল । স্মৰ্তব্য, দেৱৰ্ষি নাৰদ জয়ন্তী বঁটা আৰু সম্বৰ্ধনাত নগদ ধনৰ লগতে মানপত্ৰ , কিতাপৰ টোপোলা আদি প্ৰদান কৰা হব বুলি বিশ্ব সংবাদ কেন্দ্ৰ, অসমৰ সম্পাদক কিশোৰ শিৱমে একেটা প্ৰেছ বিজ্ঞপ্তি যোগে জানিবলৈ দিছে।

# মুছলপুৰত ইউপিপিএলৰ এমচিএলএসহ সমিতিৰ সমূহীয়া পদত্যাগ


নেতাগৰাকীয়ে। অৱশ্যে ইউপিপিএলৰ নেতা প্ৰমোদ বড়োক শক্তিশালী নেতা বুলি মন্তব্য কৰে এম চি এল এ গৰাকীয়ে। ইফালে সমূহীয়া দল ত্যাগ অনুষ্ঠানত উপস্থিত থাকি ইউপিপিএল দলৰ শৰণীয়া কছাৰী কোষৰ মুছলপুৰ জিলা সমিতিৰ সভাপতি অজয় দাসে ইউ পি পি এল দলৰ বৰ্তমান শক্তিহীন হৈ পৰা বুলি মন্তব্য কৰে। শাসকীয় বিজেপি দলৰ লগত থাকি ৰাকেশ ব্ৰহ্মাক ৰাইজৰ সেৱা কৰি যোৱাত সহায় কৰিব বুলি মন্তব্য কৰে অজয় দাসে ।

# ৫-৬ লাখ টকা লৈ ২১৭ জনক দিছিল

যদিও মীন উন্নয়ন নিগমৰ অধ্যক্ষ তথা বিধায়ক ৰমাকান্ত দেউৰী আৰু অনুসূচিত জাতিৰ এটা পাৱত গজা সংগঠনৰ নেতাক গ্ৰেপ্তাৰৰ দাবী উত্থাপন কৰিছে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে। এক বিবৃতিযোগে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ সভাপতি সঞ্জীৱ দাসে কয় যে মীন বিভাগ তথা মীন উন্নয়ন নিগমত সংঘটিত দুৰ্নীতি, চাকৰি কেলেংকাৰীত কেৱল এইকেইজন বিষয়াই জৰিত নাছিল। বহু ৰৌ-বৰালিৰে লগলাগি এই বিয়াগোম কেলেংকাৰী সংঘটিত হৈছিল। মীন উন্নয়ন নিগমৰ অধ্যক্ষ ৰমাকান্ত দেউৰী, অনুসূচিত জাতিৰ সংগঠনৰ এজন পাৱত গজা নেতা আৰু মীন সঞ্চালকালয়ৰ বহু বিষয়া-কৰ্মচাৰী এই কেলেংকাৰীত জৰিত। অসমৰ কৈৱৰ্ত সমাজ তথা মৎস্য পালকৰ নাম লৈ কোটি কোটি টকা লুণ্ঠন কৰিছিল বৃহৎ চক্ৰটোৱে। বিশেষকৈ ঠিকাদাৰক ধন সৰকাই নিয়াত সহায় কৰিছিল অনুসূচিত জাতিৰ সংগঠনৰ একাংশ নেতা আৰু মীন উন্নয়ন নিগমৰ অধ্যক্ষ ৰমাকান্ত দেউৰীয়ে। শীঘ্ৰে অনুসূচিত জাতিৰ সংগঠনৰ নেতা আৰু মীন উন্নয়ন নিগমৰ অধ্যক্ষ ৰমাকান্ত দেউৰী তদন্তৰ আওতালৈ আনিব লাগে। ২০১৯ চনৰ পৰা ২০২১ চনলৈ মীন উন্নয়ন নিগমৰ অধ্যক্ষ আছিল খোদ ৰমাকান্ত দেউৰী। দেউৰীৰ কাৰ্যকালতে এই পৰ্বতসম দুৰ্নীতি সংঘটিত হৈছিল। ২০১৯ চনৰ পৰা ২০২১ চনলৈ বিল পৰিস্কাৰ, পাৰ বন্ধা আৰু মেটেকা আতৰোৱাৰ নামত সংঘটিত কৰা বৃহৎ কেলেংকাৰীত জৰিত খলনায়ক পদ্মকান্ত হাজৰিকা, মীন উন্নয়ন নিগমৰ প্ৰাক্তন পৰিচালন সঞ্চালক অনুৰাধা অধিকাৰী শৰ্মা, এচিএছ নৰেন চন্দ্ৰ বসুমতাৰী, প্ৰাক্তন কাৰ্যবাহী অভিযন্তা জ্যোতিষ শইকীয়া, প্ৰাক্তন কাৰ্যবাহী অভিযন্তা বিৰিঞ্চি অধিকাৰী, প্ৰাক্তন সহকাৰী কাৰ্যবাহী অভিযন্তা জ্যোতি প্ৰসাদ শইকীয়া, প্ৰাক্তন সহকাৰী অভিযন্তা চবুৰুদ্দিন আহমেদ, প্ৰাক্তন প্ৰকল্প প্ৰবন্ধক, ভগীৰথ দাস, প্ৰাক্তন সহকাৰী কাৰিকৰী বিষয়া ৰবীন্দ্ৰ নাৰায়ণ ডেকাক মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে গ্ৰেপ্তাৰ কৰিছে। মীন উন্নয়ন নিগমৰ অধ্যক্ষ ৰমাকান্ত দেউৰী আৰু অনুসূচিত জাতিৰ সংগঠনৰ একাংশ নেতাক গ্ৰেপ্তাৰ কৰা হওক। ২০১৯ চনৰ পৰা ২০২১ চনলৈ ৰমাকান্ত দেউৰী মীন উন্নয়ন নিগমৰ অধ্যক্ষ হৈ থকা কালত বৃহৎ অবৈধ নিযুক্তি দিয়া হৈছিল। ৫ৰ পৰা ৬ লাখ টকা লৈ প্ৰায় ২১৭গৰাকী লোকক অবৈধভাৱে নিযুক্তি দিয়া হৈছিল। এই নিযুক্তি কেলেংকাৰী পোনে পোনে জড়িত আছিল অনুসূচিত জাতিৰ এটা পাৱত গজা সংগঠনৰ এজন নেতা। নেতাজনে বহু প্ৰাৰ্থীৰ পৰা ৬ লাখ টকা পৰ্যন্ত উপঢৌকন লৈছিল। নেতাজনৰ অঙহী-বঙহী আৰু অধ্যক্ষ ৰমাকান্ত দেউৰীৰ ঘনিষ্ঠ লোকক চাকৰিত মকৰল কৰিছিল। এটা নিয়োগ কেলেংকাৰী ২০২২ চনতে পোহৰলৈ আহিছিল যদিও গাপ দি ৰখা হৈছিল। এতিয়া যিহেতু মীন বিভাগৰ কেলেংকাৰীৰ তদন্ত কৰি থকা হৈছে সেয়েহে নিয়োগ কেলেংকাৰীৰ তদন্ত কৰি অনুসূচিত জাতিৰ পাৱত গজা নেতাজন আৰু অধ্যক্ষ দেউৰীক তদন্তৰ আওতালৈ আনিব লাগে। যাতে নিয়োগ কেলেংকাৰীৰ ৰহস্য পোহৰলৈ আহে। এই নিযুক্তিৰ বাবে কোনো বিজ্ঞাপন দিয়া হোৱা নাছিল। নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰা হোৱা নাছিল। যাৰ বাবে এই নিযুক্তি আছিল অবৈধ বুলি কৈ বাতিল কৰা হৈছিল। কেৱল বিল পৰিস্কাৰ বা নিয়োগ কেলেংকাৰীয়ে সংঘটিত হোৱা নাছিল। ফীছফেডে মৎস্য পালকৰ বাবে ভ্ৰাম্যমান মাছ বিক্ৰী কেন্দ্ৰৰ বাবে বাহনৰ ব্যৱস্থা কৰিছিল। কিন্তু সেইবাহনসমূহ একাংশ ঘনিষ্ঠক অতি কম দৰতে ভাড়াত দিয়া হৈছিল। পিছত একেইকেইখন বাহন পানীৰ দৰত নিলাম কৰা হৈছিল। সমানে ফীছফেডত সংঘটিত হৈছিল নিয়োগ কেলেংকাৰী। এমডি ধ্ৰুৱজ্যোতি শৰ্মা থকাকালত ৰৰগৰাকী নিবনুৱাক অস্থায়ীভাৱে নিযুক্তি দিয়া হৈছিল। নিবনুৱাসকলক ১৮ হাজাৰকৈ টকা দৰমহা দিয়াৰ কথা আছিল যদিও মাথো মাহেকত ৯ হাজাৰ টকাকৈ আদায় দি বাকী ৯ হাজাৰকৈ টকা লুট কৰিছিল। পিছৰ পৰ্যায়ত ৰৰ নিবনুৱাই দৰমহা আদায় নোপোৱাকৈয়ে আছে। সঞ্জীৱ দাসে এই বিবৃতিযোগে মীন বিভাগৰ বিল পৰিস্কাৰৰ নামত সংঘটিত দুৰ্নীতিৰ তদন্তক আদৰণি জনাই তদ্ৰুপ অনুসূচিত জাতিৰ পাৱত গজা নেতাজন আৰু তেতিয়াৰ অধ্যক্ষ ৰমাকান্ত দেউৰীকো তদন্তৰ আওতাত লৈ নিয়োগ কেলেংকাৰীৰ তদন্তৰ দাবী উত্থাপন কৰিছে।

### অনলাইন স্নাতক কাৰ্যসূচীয়ে ৪০০ চহৰ আৰু ২৯ খন ৰাজ্যৰ ২০০০ শিক্ষাৰ্থীৰ মাজত উপনীত হয়

# ডিজিটেল বিজনেছ এণ্ড এণ্টাৰপ্ৰেনিউৰশ্বিপত বি বি এৰ তৃতীয় বেচৰ বাবে আই আই এম বাংগালুৰুৰ আবেদন মুকলি



**গুৱাহাটী, ১ জুন ঃ** ইণ্ডিয়ান ইনষ্টিটিউট অৱ মেনেজমেণ্ট বেংগালুৰু (আই আই এম বি)ৰ স্নাতক ডিগ্ৰী প্ৰগ্ৰেমৰ তৃতীয় বেটচ ডিজিটেল বিজনেছ এণ্ড এণ্টাৰপ্ৰেনিউৰশ্বিপৰ বি বি এৰ বাবে আবেদন পত্ৰ মুকলি কৰা হৈছে। অনলাইনত প্ৰদান কৰা বিবিএ (ডিবিই) কঠোৰ স্নাতক শিক্ষা বিচৰা শিক্ষাৰ্থীসকলৰ বাবে ডিজাইন কৰা হৈছে যিয়ে পৰিচালনাৰ ভেটি, উদ্যোগীকৰণৰ চিন্তাধাৰা আৰু প্ৰযুক্তি-নেতৃত্বাধীন দক্ষতাক একত্ৰিত কৰে, একে সময়তে শিক্ষাৰ্থীসকল ক'ত ভিত্তিহীন নহওক কিয় কাৰ্যসূচীৰ সৈতে জড়িত হোৱাৰ নমনীয়তা প্ৰদান কৰে। তৃতীয় বেচৰ বাবে আবেদন এতিয়া অফিচিয়েল প্ৰগ্ৰেম ৱেবছাইট- https://dbe.iimb.ac.in/ ৰ জৰিয়তে মুকলি কৰা হৈছে। ২০২৬ চনৰ ৩০ জুন তাৰিখে আবেদনৰ উইণ্ডো বন্ধ হোৱাৰ কথা। ইচ্ছুক প্ৰাৰ্থীসকলক আগতীয়াকৈ আবেদন কৰিবলৈ উৎসাহিত কৰা হৈছে। যি সময়ত উদীয়মান প্ৰযুক্তি, পৰিৱৰ্তিত ব্যৱসায়িক মডেল আৰু উদ্যোগ সৃষ্টিৰ বৃদ্ধিৰ দ্বাৰা কেৰিয়াৰ আৰু সংস্থাসমূহক পুনৰ গঢ় দিয়া হৈছে, এই কাৰ্যসূচীৰ লক্ষ্য হৈছে ছাত্ৰ-ছাত্ৰীসকলক এনে এখন পৃথিৱীৰ বাবে প্ৰস্তুত কৰা য'ত পৰিচালনাৰ জ্ঞান ব্যৱহাৰিক আৰু দ্ৰুত পৰিৱৰ্তিত প্ৰেক্ষাপটত প্ৰয়োগ কৰিব লাগিব। ভাৰতত এই মাত্ৰাসমূহক ব্যাপক আৰু গাঁথনিগতভাৱে একত্ৰিত কৰা স্নাতক কাৰ্যসূচী তুলনামূলকভাৱে সীমিত হৈয়েই আছে। কাৰ্যসূচীটোৱে আৰম্ভণিতে শক্তিশালী টান লাভ কৰিছে। প্ৰথম দুটা বেচৰ ভিতৰত ই ২৯খন ৰাজ্যৰ ৪০০ৰো অধিক চহৰৰ পৰা ২০০০ৰো অধিক শিক্ষাৰ্থীক নামভৰ্তি কৰিছে। শেহতীয়া গোটত ২৫.১ শতাংশ ছাত্ৰ-ছাত্ৰী টায়াৰ ৩ চহৰৰ, যিয়ে কাৰ্যসূচীটোৱে প্ৰধান মহানগৰ কেন্দ্ৰৰ বাহিৰত শিক্ষাৰ্থীসকলৰ ওচৰলৈ যোৱাৰ ক্ষমতাক আঙুলিয়াই দিয়ে। বৰ্তমানৰ গোটসমূহত ১৭ৰ পৰা ৫০ বছৰ বয়সৰ শিক্ষাৰ্থীসকলকো অন্তৰ্ভুক্ত কৰা হৈছে, য'ত বহুতেই আন এটা স্নাতক ডিগ্ৰীৰ সৈতে বা পেছাদাৰী দায়িত্ব পৰিচালনা কৰাৰ সময়ত এই কাৰ্যসূচী গ্ৰহণ কৰি আছে। আই আই এম বাংগালুৰুত ডিজিটেল ব্যৱসায় আৰু উদ্যোগীকৰণৰ বিবিএৰ সৈতে আমাৰ প্ৰচেষ্টা হৈছে কঠোৰতাক পাতল নকৰাকৈ উচ্চমানৰ পৰিচালনা শিক্ষাৰ প্ৰৱেশক গণতান্ত্ৰিক কৰা। যদিও এই কাৰ্যসূচী অনলাইনত প্ৰদান কৰা হয়, ইয়াক শৈক্ষিকভাৱে চাহিদাপূৰ্ণ আৰু গভীৰভাৱে ব্যৱহাৰিক হ'বলৈ ডিজাইন কৰা হৈছে বাংগালুৰু শিক্ষাৰ দাবী, বিবিএ (ডিবিই)ৰ অধ্যক্ষ আৰু আইআইএমবিৰ উদ্যোগীকৰণ এলেকাৰ অধ্যাপক অধ্যাপক সুৰেশ ভাগৱতুলাই কয়। ছাত্ৰ-ছাত্ৰীসকলে আই আই এম বি অধ্যাপকৰ পৰা শিকে আৰু ভৌগোলিক বাধাৰ দ্বাৰা সীমিত নোহোৱাকৈ, বিশ্বব্যাপী স্বীকৃতিপ্ৰাপ্ত পৰিচালনা প্ৰতিষ্ঠানৰ শৈক্ষিক পৰিৱেশ তন্ত্ৰৰ সৈতে জড়িত হয়। পাঠ্যক্ৰমত গাঁথনিগত পাঠ্যক্ৰম, মূল্যায়ন, লাইভ প্ৰকল্প, সমনীয়া শিক্ষণ আৰু অধ্যাপকৰ নেতৃত্বত ইনপুটসমূহ অন্তৰ্ভুক্ত কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলে ভেঞ্চাৰিং অন এ বাজেট, নিউ এজ বিজনেছ মডেল, ক্ৰিয়েটিভিটি মাইণ্ডছেট ফৰ ইনোভেচন, ডিজিটেল মাৰ্কেটিং, বিগ ডাটা এনালাইটিক্স, ইউআই/ইউএক্স ডিজাইন, আৰু এক্সপ'নেন্সিয়েল টেকন'লজিছ আদি বিষয়ৰ সৈতে জড়িত হয়। শিক্ষাৰ্থীসকলক ধাৰণাগত বুজাবুজিক ব্যৱহাৰিক প্ৰয়োগৰ সৈতে সংযোগ কৰিবলৈ সক্ষম কৰা আৰু কঠোৰ শৈক্ষিক কামৰ বাবে প্ৰয়োজনীয় অনুশাসন বিকশিত কৰাত গুৰুত্ব দিয়া হয়। বিবিএ (ডিবিই)ৰ এটা স্বকীয় বৈশিষ্ট্য হ'ল ইয়াৰ গুৰুত্ব 'কৰ্ম কৰি শিকিব'। ছাত্ৰ-ছাত্ৰীসকলে প্ৰকল্প, পৰীক্ষা আৰু উদ্যোগ নিৰ্মাণৰ অনুশীলন গ্ৰহণ কৰে যিয়ে তেওঁলোকক শ্ৰেণীকোঠাৰ অন্তৰ্দৃষ্টি বাস্তৱ জগতৰ সমস্যাসমূহত প্ৰয়োগ কৰিবলৈ সক্ষম কৰে। '২৫০ ভেঞ্চাৰ'ৰ দৰে পাঠ্যক্ৰমে ছাত্ৰ-ছাত্ৰীসকলক সুযোগ চিনাক্তকৰণ, পৰীক্ষা-নিৰীক্ষা, গ্ৰাহকৰ বুজাবুজি আৰু সম্পদশালী কাৰ্যৰ সৈতে পৰিচয় কৰাই দিয়ে। প্ৰগ্ৰেম ইক'চিষ্টেমত বৰ্তমান প্ৰযুক্তি আৰু এআই, বহনক্ষমতা, পৰামৰ্শ, ই-কমাৰ্চ, আৰু সৃষ্টিশীল গ্ৰাহক সামগ্ৰীৰ দৰে ডমেইনসমূহৰ প্ৰায় ২০০টা ছাত্ৰ-নেতৃত্বাধীন ষ্টাৰ্টআপ অন্তৰ্ভুক্ত কৰা হৈছে। আই আই এম বিয়ে অনলাইন পৰিৱেশত সমনীয়া শিক্ষণ আৰু সম্প্ৰদায় গঠনক সমৰ্থন কৰিবলৈ কেইবাটাও ব্যৱস্থাও স্থাপন কৰিছে। ছাত্ৰ-ছাত্ৰীসকলে শিক্ষণ পড, ছাত্ৰ-নেতৃত্বাধীন কোষ, চহৰৰ মিট-আপ আৰু অন্যান্য গাঁথনিগত নিয়োজিত কাৰ্যকলাপত অংশগ্ৰহণ কৰে। কেম্পাছ ইমাৰ্চন, নোভা আনপ্লাগড আৰু অন্যান্য কিউৰেট কৰা অন-কেম্পাছ এংগেজমেণ্টে সমনীয়াৰ সৈতে যোগাযোগ স্থাপন কৰাৰ সুযোগ প্ৰদান কৰে, আইআইএমবি পৰিৱেশতন্ত্ৰৰ সৈতে জড়িত হয় আৰু ভাৰ্চুৱেল শ্ৰেণীকোঠাৰ বাহিৰত সম্পৰ্ক গঢ়ি তোলে। এই উপাদানসমূহে ছাত্ৰ-ছাত্ৰীসকলক দূৰৱৰ্তী শিক্ষণৰ নমনীয়তা আৰু বাস্তৱ জগতৰ পাৰস্পৰিক ক্ৰিয়াৰ পৰা অহা গভীৰতা দুয়োটা অভিজ্ঞতা লাভ কৰাত সহায় কৰে। এই কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰীসকলক ষ্টাৰ্টআপ প্ৰতিষ্ঠাপক, প্ৰেকটিচনাৰ আৰু বহল পেছাদাৰী নেটৱৰ্কৰ সৈতেও পৰিচয় কৰাই দিয়ে। 'শ্বেড' এ ষ্টাৰ্টআপ ফাউণ্ডাৰ' আৰু ডেমো-ডে ষ্টাইল এংগেজমেণ্টৰ দৰে পদক্ষেপে শিক্ষাৰ্থীসকলক উদ্যোগ গঢ়ি তোলা আৰু পৰিচালনাৰ বাস্তৱতা বুজিবলৈ সক্ষম কৰিছে। ছাত্ৰ-ছাত্ৰীসকলে মেককিনজি, কেপিএমজি, উইপ্ৰ', আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দৰে সংস্থাৰ সৈতেও স্বতন্ত্ৰভাৱে ইন্টাৰশ্বিপ আৰু পেছাদাৰী সুযোগ লাভ কৰিছে।

## ৰাজ্যৰ ক্ৰীড়া আন্তঃগাঁথনিক লৈ আলোচনা

# নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মাণ্ডবীয়ৰ সৈতে বৈঠক মুখ্যমন্ত্ৰীৰ



**নতুন দিল্লী, ১ জুনঃ** দিল্লী ভ্ৰমণত আছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। মুখ্যমন্ত্ৰীৰূপে দ্বিতীয়বাৰলৈ দায়িত্ব গ্ৰহণ কৰি প্ৰথমবাৰলৈ দিল্লী ভ্ৰমণ আছে হিমন্ত বিশ্ব শৰ্মা। এই ভ্ৰমণৰ আৰম্ভনিতে তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। ইয়াৰ পিছত এজনৰ পিছত আন এজন কেন্দ্ৰীয় মন্ত্ৰীক সাক্ষাৎ কৰে। আজি অসমক দেশৰ ভিতৰতে এক অন্যতম ক্ৰীড়া কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মাণ্ডৱীয়াক সাক্ষাৎ কৰে আৰু বহু বিষয়ত আলোচনা কৰে। নতুন দিল্লীস্থিত কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মাণ্ডৱীয়াৰ চৰকাৰী আৱাসগৃহত অনুষ্ঠিত এই বৈঠকে অসমৰ ক্ৰীড়া আন্তঃগাঁথনি শক্তিশালী কৰাৰ দিশত বিশেষ গুৰুত্ব বহন কৰে। প্ৰায় এক ঘণ্টাতকৈও অধিক সময় ধৰি চলা এই বৈঠকত ক্ৰীড়াৰ উপৰি অসমৰ শ্ৰমিকসকলৰ কল্যাণৰ সৈতে জড়িত বিভিন্ন বিষয়ৰ ওপৰতো দুয়োগৰাকী নেতাই বিতংভাৱে আলোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ জন্মদিনৰ দিনাই অনুষ্ঠিত হোৱা এই বৈঠকৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী শৰ্মাই সামাজিক মাধ্যমত কয়- 'সেৱাই পৰম ধৰ্ম' হৈছে বিজেপিৰ প্ৰতিগৰাকী কাৰ্যকৰ্তাৰ মূল দৰ্শন। অসমৰ ক্ৰীড়া আন্তঃগাঁথনিৰ উন্নয়ন আৰু আমাৰ শ্ৰমজীৱীসকলৰ বাবে এক অনুকূল পৰিৱেশ সৃষ্টিৰ লক্ষ্যৰে বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰিবলৈ আজি পুৱা নিজৰ জন্মদিনৰ দিনাই সময় উলিয়াই দিয়াৰ বাবে মই সন্মানীয় কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মাণ্ডৱীয়া জীক ধন্যবাদ জ্ঞাপন কৰিছোঁ। এই বৈঠকখন এনে এক সময়ত অনুষ্ঠিত হৈছে, যাৰ এক বিশেষ গুৰুত্ব আছে। ২০২৭ চনত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলে ৩৯ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতা আয়োজন কৰাৰ বাবে প্ৰস্তুতি চলাই থকাৰ সময়তে এই আলোচনাই নতুন গতি লাভ কৰে। যদিওবা মেঘালয় এই প্ৰতিযোগিতাৰ মূল আয়োজক হ'ব, তথাপিও ভাৰতীয় ক্ৰীড়া জগতত পোনপ্ৰথমবাৰৰ বাবে এক আঞ্চলিক সহযোগিতাৰ সৃষ্টি কৰি উত্তৰ-পূৰ্বাঞ্চলৰ আন ৰাজ্যসমূহকো কিছুমান বিশেষ ক্ৰীড়া শাখাৰ খেল আয়োজন কৰাৰ ক্ষেত্ৰত অন্তৰ্ভুক্ত কৰাৰ বাবে বৰ্তমান আলোচনা চলি আছে।

## বিৰাট কোহলীক প্ৰসংশা শৈশৱৰ প্ৰশিক্ষক ৰাজকুমাৰ শৰ্মাৰ



**নতুন দিল্লী, ১ জুনঃ** বিৰাট কোহলীৰ শৈশৱৰ প্ৰশিক্ষক ৰাজকুমাৰ শৰ্মাই বিশ্বাস কৰে যে আই পি এলৰ ফাইনেলত তাৰকা বেটছমেনগৰাকীৰ আকৰ্ষণীয় প্ৰদৰ্শনে প্ৰমাণ কৰিছে যে চুটি ফৰ্মেটত পাৱাৰ হিটিঙৰ লগতে কৌশল আৰু ধৈয্যও সমানেই গুৰুত্বপূৰ্ণ। আই পি এলৰ ফাইনেলত গুজৰাট টাইটানছৰ বিৰুদ্ধে ৰয়েল চেলেঞ্জাৰছ বেংগালুৰুৰ ৫ উইকেটত জয়লাভ কৰি কোহলীয়ে ৪২টা বলত অপৰাজিত ৭৫ ৰান সংগ্ৰহ কৰে, য'ত ৯টা চাৰি আৰু তিনিটা ছয়কে ধৰি ৭৫ ৰান সংগ্ৰহ কৰে। ভিডিঅ'ৰ জৰিয়তে দিয়া এক সাক্ষাৎকাৰত শৰ্মাই কয় যে এয়া যুৱ খেলুৱৈৰ বাবে এটা শিক্ষা যে এই ফৰ্মেট কেৱল পাৱাৰ হিটিং বা ছয় হিটিং নহয়। যদি আপোনাৰ ভাল টেকনিক থাকে তেন্তে আপুনি ডাঙৰ স্ক'ৰ কৰিব পাৰে, আৰু বিৰাটে সেই কথা প্ৰমাণ কৰিলে। যদি আপোনাৰ ভাল কৌশল আৰু আবেগ থাকে, আৰু আপুনি ধৈয্য বজাই ৰাখিব পাৰে, তেন্তে আপুনি সফলতা পাব। বিৰাটে ইমান দিনে নিজৰ ফ্ৰেঞ্চাইজিৰ লগতে ভাৰতীয় ক্ৰিকেটৰ বাবেও এই কাম কৰি আহিছে। টি-২০ ক্ৰিকেট কেনেকৈ খেলিব লাগে তাৰ ওপৰত তেওঁ যুৱ খেলুৱৈৰ বাবে এক আদৰ্শ।

## উত্তৰ-পূব ভাৰতৰ ফুটবল প্ৰতিভাক চিনাক্ত কৰাত নৰ্থইষ্ট ইউনাইটেড এফ চিয়ে কাম কৰি আছেঃ সুৰক্ষা খাদছে

**শ্বিলং, ১ জুনঃ** কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া ৰাজ্য মন্ত্ৰী ৰক্ষা খাদছে নৰ্থইষ্ট ইউনাইটেড এফ চি ভ্ৰমণ কৰি ক্লাবৰ পৰিচালনা, প্ৰশিক্ষক কৰ্মচাৰী আৰু যুৱ ফুটবলাৰক সাক্ষাৎ কৰে। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা বিশেষকৈ উত্তৰ-পূব অঞ্চলৰ ফুটবল প্ৰতিভা চিনাক্ত আৰু বিকাশৰ বাবে ক্লাবটোৱে কৰা প্ৰচেষ্টাক তেওঁ প্ৰশংসা কৰে। এই অনুষ্ঠানত উপস্থিত থাকে নৰ্থইষ্ট ইউনাইটেড এফ চিৰ মুখ্য কাৰ্যবাহী বিষয়া শচি ই অ'প্ল মন্দৰ তামহানে, ৰোহিত থোৱাট, কাৰিকৰী সঞ্চালক তথা সংৰক্ষিত দলৰ মুখ্য প্ৰশিক্ষক নৌছাদ মুছাৰ লগতে ক্লাবৰ পৰিচালনা, প্ৰশিক্ষক কৰ্মচাৰী, আৰু যুৱ খেলুৱৈ। বৈঠকৰ সময়ত ক্লাবৰ নেতৃত্বই ৰক্ষা খাদছেক নৰ্থইষ্ট ইউনাইটেড এফ চিৰ যুৱ বিকাশ নীতি, প্ৰতিভা চিনাক্তকৰণ ব্যৱস্থা, আৰু যুৱ ফুটবলাৰৰ বাবে দীৰ্ঘম্যাদী উন্নয়নৰ পথ সৃষ্টিৰ কৌশলৰ বিষয়ে অৱগত কৰে। ক্লাবটোৱে উল্লেখ কৰে যে নৌছাদ মুছাৰ নেতৃত্বত এক ব্যাপক প্ৰতিভা অনুসন্ধান অভিযান চলোৱা হৈছিল, য'ত প্ৰশিক্ষকসকলে দেশৰ বিভিন্ন প্ৰান্ত ভ্ৰমণ কৰি উদীয়মান খেলুৱৈসকলক চিনাক্ত কৰিছিল। ক্লাবৰ প্ৰশিক্ষক আৰু প্ৰাক্তন খেলুৱৈৰ নেটৱৰ্ক, সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনে আয়োজন কৰা যুৱ প্ৰতিযোগিতা, ভাৰতীয় যুৱ জাতীয় দলসমূহক প্ৰতিনিধিত্ব কৰা খেলুৱৈসকলৰ নিৰন্তৰ মূল্যায়নৰ ভিত্তিত খেলুৱৈ নিৰ্বাচন কৰা হৈছিল। বাছনি প্ৰক্ৰিয়াৰ অন্তিম পৰ্যায়ত প্ৰায় ৬০ জন প্ৰতিভাৱান যুৱ খেলুৱৈক গুৱাহাটীত ট্ৰাইলৰ বাবে আমন্ত্ৰণ জনোৱা হৈছিল। নিৰ্বাচিত খেলুৱৈসকলে ক্লাবৰ ১৮ বছৰ অনুৰ্ধ আৰু সংৰক্ষিত দলৰ ভিত্তি গঠন কৰি ক্লাবৰ দীৰ্ঘম্যাদী খেলুৱৈ বিকাশ ব্যৱস্থা আৰু অধিক শক্তিশালী কৰাৰ পৰিকল্পনা কৰা হৈছে। ৰক্ষা খাদছেই প্ৰতিভা চিনাক্তকৰণ আৰু খেলুৱৈ বিকাশৰ ক্ষেত্ৰত ক্লাবৰ সুপৰিকল্পিত পদ্ধতিৰ প্ৰশংসা কৰি কয় যে তৃণমূল পৰ্যায়ৰ পৰা শীৰ্ষ পৰ্যায়লৈকে যুৱ খেলুৱৈসকলৰ বাবে সুযোগৰ এক শক্তিশালী পাইপলাইন সৃষ্টি কৰাটো অতি গুৰুত্বপূৰ্ণ।

## ফ্ৰেন্স অ'পেনৰ কোৱাৰ্টাৰ ফাইনেলত ৰোমানিয়াৰ ছ'ৰানা চিৰষ্টিয়া



**পেৰিছ, ১ জুনঃ** চীনৰ ৱাং জিউক ৬-৩, ৭-৬ (৪) ত পৰাস্ত কৰি দেওবাৰে ফ্ৰেন্স অ'পেনৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে ৰোমানিয়াৰ ছ'ৰানা চিৰষ্টিয়াই। ৱাং জিউৰ পৰা চিৰষ্টেয়াই কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব বুলি আশা কৰা হৈছিল। কিন্তু ৰোমানিয়ানগৰাকীৰ অভিজ্ঞতা নিৰ্ণায়ক বুলি প্ৰমাণিত হ'ল। মেচখনৰ এটা বৃহৎ অংশ তেওঁ নিয়ন্ত্ৰণ বজাই ৰাখিছিল, আৰু অৱশেষত যেতিয়া ৱাঙে এক প্ৰবল প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছিল, তেতিয়াও তেওঁৰ স্থিৰতা হেৰুৱাব পৰা নাছিল। আৰম্ভণিৰে পৰাই চিৰষ্টিয়াই আধিপত্য বিস্তাৰ কৰিছিল। শ্বটৰ গভীৰতা আৰু উচ্চমানৰ ক'ৰ্টৰ স্থান ব্যৱহাৰ কৰি ৩৬ বছৰীয়া তাৰকাগৰাকীয়ে প্ৰথম ছেটত দুবাৰকৈ চাৰ্ভ ব্ৰেক কৰি ৫-১ ত নিৰ্ণায়ক অগ্ৰগতি লাভ কৰে। কান্ধৰ দীঘলীয়া আঘাতৰ পিছত মাৰ্চ মাহতহে ছিজন পুনৰ আৰম্ভ হোৱা ৱাঙে অৱশেষত নিজৰ ফৰ্ম বিচাৰি পালে, হেৰুৱা চাৰ্ভিচ ব্ৰেকৰ ক্ষতিপূৰণ দি পইণ্টৰ ব্যৱধান কম কৰিলে। চিৰষ্টিয়াই দ্ৰুতগতিত নিজকে সংযোজন কৰি ৬-৩ ত উদ্বোধনী ছেটটো দখল কৰি ৱাঙৰ প্ৰত্যাৱৰ্তন কেতিয়াও সম্পূৰ্ণৰূপে গতি লাভ নকৰাটো নিশ্চিত কৰে। দ্বিতীয়টো ছেট বহুত বেছি তীব্ৰ বুলি প্ৰমাণিত হয়। দুটা চাৰ্ভিচ ব্ৰেক নিশ্চিত কৰি সহজ জয়ৰ দিশে আগবাঢ়িছিল চিৰষ্টেয়া। ৱাঙে বাহিৰ হোৱাৰ উপক্ৰম হৈছিল যেতিয়া তেওঁ নিজৰ কিছুমান শ্ৰেষ্ঠ টেনিছ প্ৰদৰ্শন কৰিছিল। একেৰাহে খেলত জয়লাভ কৰি ৫-৫ ত সমতা স্থাপন কৰি হঠাতে ৰোমানিয়ান খেলুৱৈগৰাকীৰ ওপৰত হেঁচা প্ৰয়োগ কৰে। যেতিয়া মেচখন নিৰ্ণায়ক ছেটৰ দিশে আগবাঢ়ি যোৱা যেন দেখা গ'ল, তেতিয়া চিৰষ্টিয়াই নিজৰ অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰিলে।

### এছ এ এফ মহিলা চেম্পিয়নশ্বিপৰ ছেমি ফাইনেলত ভাৰতীয় মহিলা ফুটবল দল

# কাইলৈ ছেমিত ভূটানৰ বিৰুদ্ধে খেলিব ভাৰতে

**মদগাঁও, ১ জুনঃ** ভাৰতীয় মহিলা ফুটবল দলে দেওবাৰে ইয়াত অনুষ্ঠিত হোৱা এছ এ এফ মহিলা চেম্পিয়নশ্বিপত সুন্দৰ প্ৰদৰ্শন কৰি বাংলাদেশক ৩-০ গ'লত পৰাস্ত কৰি গ্ৰুপ বি-ৰ শীৰ্ষস্থান দখল কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। 'ব্লু টাইগ্ৰেছ' নামেৰে পৰিচিত ভাৰতীয় দলটোৱে ৭ বছৰৰ ভিতৰত বাংলাদেশৰ বিৰুদ্ধে প্ৰথমটো জয়। প্ৰতিযোগিতাখনৰ ২০২২ আৰু ২০২৪ সংস্কৰণত বাংলাদেশৰ হাতত পৰাস্ত হৈছিল ভাৰত। ৩৬ মিনিটত প্যাৰী খাখাই ভাৰতক অগ্ৰগতি প্ৰদান কৰে। পাছত দ্বিতীয়াৰ্ধত ৭৮ মিনিটত লিণ্ডা কম ছেৰ্টোৱে গ'ল দি আঘাতৰ সময়ত (৯০+ৰ মিনিট) মালবিকা পিয়ে গ'ল দি ভাৰতৰ আকৰ্ষণীয় জয় নিশ্চিত কৰে। প্ৰথমখন খেলত মালদ্বীপৰ বিৰুদ্ধে ১১-০ গ'লত ব্যাপক জয়ৰ অন্তত ভাৰতে দুখন খেলৰ পৰা সম্পূৰ্ণ ছয় পইণ্ট লাভ কৰি গ্ৰুপ বি-ত শীৰ্ষস্থান দখল কৰে। এতিয়া ৩ জুনত ছেমি ফাইনেলত ভূটানৰ বিৰুদ্ধে ভাৰতে খেলিব। একেদিনাই দ্বিতীয় ছেমি ফাইনেলত নেপালৰ বিৰুদ্ধে খেলিব বাংলাদেশ।



## এদিনীয়া ত্ৰিদেশীয় ছিৰিজক লৈ ভাৰতীয় দল ঘোষণা

# ৰিয়ান পৰাগৰ ঠাইত ঋতুৰাজ গাইকৱাদক অন্তৰ্ভুক্ত



**নতুন দিল্লী, ১ জুনঃ** অহা ৯ জুনত শ্ৰীলংকাত অনুষ্ঠিত হ'বলগীয়া এদিনীয়া ত্ৰিদেশীয় ছিৰিজৰ ভাৰতীয় এ দলত সোঁহাতৰ অ'পেনাৰ ঋতুৰাজ গাইকৱাদক অন্তৰ্ভুক্ত কৰা হৈছে। হামষ্ট্ৰিঙৰ আঘাতৰ বাবে ৰিয়ান পৰাগক শৃংখলাৰ পৰা বাহিৰ কৰা হৈছে। দেওবাৰে বিচিচিআইৰ এক বিবৃতিত কোৱা হৈছে যে পুৰুষৰ বাছনি সমিতিয়ে শ্ৰীলংকাত অনুষ্ঠিত হ'বলগীয়া ট্ৰাই ছিৰিজৰ বাবে ইণ্ডিয়া এ দলত ঋতুৰাজ গাইকৱাদক অন্তৰ্ভুক্ত কৰিছে। তেওঁ উপ-অধিনায়ক ৰিয়ান পৰাগৰ ঠাইত খেলিব। হামষ্ট্ৰিঙৰ আঘাতৰ বাবে পৰাগক ছিৰিজৰ পৰা বাদ দিয়া হৈছে। পৰাগক ট্ৰাই ছিৰিজৰ ইণ্ডিয়া এ দলৰ উপ অধিনায়ক হিচাপে নিৰ্বাচিত কৰা হয়। ২০২৬ চনৰ আই পি এলত ৰাজস্থান ৰয়েলছৰ অধিনায়ক ৰিয়ান পৰাগে লীগৰ সময়ত হামষ্ট্ৰিং আঘাতৰ বাবে লক্ষ্ণৌ ছুপাৰ জায়েন্টছ আৰু গুজৰাট টাইটানছৰ বিৰুদ্ধে খেলত অংশ ল'ব নোৱাৰিলে। আৰ আৰৰ হৈ খেলা যোৱা কেইখনমান মেচত তেওঁৰ আঘাত স্পষ্টকৈ দেখা গৈছিল। শুকুৰবাৰে নিউ চণ্ডীগড়ত অনুষ্ঠিত হোৱা কোৱালিফায়াৰ ২ত জিটিৰ হাতত ৭ উইকেটত পৰাস্ত হৈ আৰ আৰ টুৰ্ণামেণ্টৰ পৰা বাহিৰ হয়। আৰ আৰৰ আই পি এল অভিযানৰ অন্ত পৰাৰ পাছত এতিয়া বেংগালুৰুৰ চি অ' ইত পুনৰ্বাসন কৰিব পৰাগে। ২০২৬ চনৰ আই পি এলত চেন্নাই ছুপাৰ কিংছ (চি এছ কে)ৰ অধিনায়কত্ব কৰা গাইকৱাদে নিজৰ বেটিং আৰু অধিনায়কত্বত হতাশ কৰে। গাইকৱাডে ১৪খন মেচত গড়ে ২৮.০৮ আৰু ষ্ট্ৰাইক ৰেট ১২৩.৪৪ৰে মুঠ ৩৩৭ ৰান সংগ্ৰহ কৰে। গাইকৱাদে ভাৰতীয় ছিনিয়ৰ দলৰ হৈ এদিনীয়া ফৰ্মেটত খেলিছে। ভাৰতীয় দলৰ হৈ অভিষেক ঘটোৱা তিলক বৰ্মা আৰু অংশুল কম্বোজৰ সৈতে ইণ্ডিয়া এ দলৰ তৃতীয়জন খেলুৱৈ হ'ব। ত্ৰিদেশীয় ছিৰিজত ইণ্ডিয়া এ, শ্ৰীলংকা এ আৰু আফগানিস্তান এও অন্তৰ্ভুক্ত কৰা হৈছে।

## মই কেতিয়াও সপোনতো ভবা নাছিলো যে মই আৰ চি বিৰ অধিনায়ক হৈ ট্ৰফী জিকিমঃ ৰজত পাটিদাৰ

**আহমেদাবাদ, ১ জুনঃ** আই পি এল ২০২৬ৰ খিতাপ দখল কৰিবলৈ সক্ষম হৈছে ৰয়েল চেলেঞ্জাৰছ বেংগালুৰু। দেওবাৰে খেলা চূড়ান্ত খেলখনত আৰ চি বিয়ে গুজৰাট টাইটানছ (জি টি)ক ৫ উইকেটত পৰাস্ত কৰি খিতাপ দখল কৰে। এইটো আৰচিবিৰ একেৰাহে দ্বিতীয়টো খিতাপ, আৰু দুয়োবাৰেই ইয়াৰ অধিনায়ক আছিল ৰজত পাটিদাৰ। আই পি এল ২০২৬ৰ খিতাপ দখল কৰি অতি আৱেগিক হৈ পৰে পাটিদাৰ। মেচৰ পিছৰ প্ৰেজেণ্টেচনৰ সময়ত আৰ চি বিৰ অধিনায়ক ৰজত পাটিদাৰে কয়-আচৰিত অনুভৱ কৰিছোঁ। ইয়ালৈ অহাৰ সময়ত যোৱা বছৰৰ বহু স্মৃতি বানৰ ঢল হৈ উভতি আহিছিল। মোৰ আৱেগ প্ৰকাশ কৰিবলৈ শব্দ নাই, কিন্তু বৰ ভাল লাগিছে। আমাৰ পৰিকল্পনা অতি স্পষ্ট আছিল। টছত জয়ী হোৱাৰ সময়ত আমাৰ বাবে টাৰ্গেট অনুসৰণ কৰিবলৈ সহজ হৈ পৰিছিল। যিদৰে ভুৱী, হেজলউড, ৰাছিক, ক্ৰুনাল, ছুয়াছ, আৰু শ্বেফাৰ্ডে গোটেই প্ৰতিযোগিতাখনত যি ধৰণে বলিং কৰিছিল সঁচাকৈয়ে প্ৰশংসনীয় আছিল। তেওঁ লগতে কয়-এইবাৰ আমাৰ আত্মবিশ্বাস যোৱা বছৰৰ তুলনাত অলপ বেছি আছিল। আমি য'তেই খেলো, অনুৰাগীৰ বাবে ঘৰৰ দৰে অনুভৱ হৈছিল। প্ৰতিযোগিতাখনৰ পূৰ্বে মোৰ প্ৰস্তুতি আছিল অতি উত্তম। মই বিশ্লেষণ কৰিবলৈ চেষ্টা কৰিছিলো যে মোৰ বাবে কোনবোৰ শ্বট সৰ্বোত্তম হ'ব। দীনেশ কাৰ্তিকৰ পৰা বহু মূল্যৱান পৰামৰ্শ পাইছিলোঁ, যিটোৱে অতি সহায়ক বুলি প্ৰমাণিত হৈছিল। তেওঁ দলৰ বাবে সদায় আছে। উল্লেখ্য যে চূড়ান্ত মেচখনত জিটিয়ে টছত পৰাস্ত হোৱাৰ পিছত প্ৰথমে বেটিং কৰি ৮ উইকেটত ১৫৫ ৰান সংগ্ৰহ কৰে।বিৰাট কোহলীৰ অপৰাজিত ৭৫ ৰানৰ বাবে ১৮ অ'ভাৰত ৫ উইকেটত ১৬১ ৰান সংগ্ৰহ কৰি আৰচিবিয়ে মেচখন জয় কৰি আইপিএল ২০২৬ৰ ট্ৰফী দখল কৰে।

# বিজয় শোভাযাত্ৰা নুলিয়াই আৰ চি বিয়ে



**আহমেদাবাদ, ১ জুনঃ** বিগত বৰ্ষত ১১ জন লোকৰ মৃত্যু হোৱাৰ বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখি ৰয়েল চেলেঞ্জাৰছ বেংগালুৰু (আৰ চি বি)য়ে ক্ৰমাগত দ্বিতীয়বাৰৰ বাবে ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ (আই পি এল) খিতাপ উদযাপনৰ বাবে বিজয় শোভাযাত্ৰা নলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। দেওবাৰে ইয়াত গুজৰাট টাইটানছক ৫ উইকেটত পৰাস্ত কৰি একেৰাহে দ্বিতীয়বাৰৰ বাবে আই পি এল খিতাপ দখল কৰে ৰয়েল চেলেঞ্জাৰছ বেংগালুৰে। লোকভৱনত অনুষ্ঠিত হ'বলগীয়া কৰ্ণাটকৰ নৱনিযুক্ত মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰৰ শপতগ্ৰহণৰ কথাও মনত ৰাখি আৰ চি বিয়ে এই সিদ্ধান্ত গ্ৰহণ কৰে। যোৱা বছৰৰ ৪ জুনত আয়োজন কৰা বিজয় শোভাযাত্ৰাৰ সময়ত চিন্নাস্বামী ষ্টেডিয়ামৰ সমীপত ১১ জন অনুৰাগী নিহত হৈছিল। আৰচিবিৰ এক সূত্ৰই জনোৱা মতে, বেংগালুৰুত কোনো ধৰণৰ উদযাপনৰ সম্ভাৱনা অতি কম। কিছুমান নিৰ্দিষ্ট নিৰ্দেশনা আছে আৰু আমি সেইবোৰ মানি চলিব লাগিব। ইফালে, বেংগালুৰু চহৰৰ আৰক্ষী আয়ুক্ত সীমান্ত কুমাৰ সিঙে কয়-আমি কোনো ধৰণৰ ৰাজহুৱা উদযাপনৰ অনুমতি নিদিওঁ। কোনোবাই যদি উদযাপন কৰিব বিচাৰে তেন্তে ঘৰৰ ভিতৰতে উদযাপন কৰিব পাৰে।

### ১১ বছৰত পাঁচটা ট্ৰফী লাভটো মোৰ বাবে অতি বিশেষ

# ৰয়েল চেলেঞ্জাৰছ বেংগালুৰু চেম্পিয়ন হোৱাক লৈ ক্ৰুনাল পাণ্ডিয়া

**আহমেদাবাদ, ১ জুন ঃ** ৰজত পাটিদাৰৰ অধিনায়কত্বত ৰয়েল চেলেঞ্জাৰছ বেংগালুৰু (আৰ চি বি)য়ে আই পি এল ২০২৬ খিতাপ দখল কৰে। ফাইনেলত গুজৰাট টাইটানছক ৫ উইকেটত পৰাস্ত কৰে আৰ চি বিয়ে। ক্ৰুনাল পাণ্ডিয়াই আই পি এলৰ সফল খিতাপ ৰক্ষাৰ বাবে আৰ চি বিয়ে বছৰ বছৰ ধৰি কৰা ধৈয্য আৰু পৰিকল্পনাৰ কাৰণ বুলি কয়। ক্ৰুনালে নিজৰ কেৰিয়াৰত পঞ্চমবাৰৰ বাবে আই পি এলৰ ট্ৰফী লাভ কৰাত আনন্দ প্ৰকাশ কৰি ইয়াক এক বৃহৎ সাফল্য বুলি অভিহিত কৰে। যোৱা দুটা ছিজনত আৰ চি বিৰ হৈ বেট আৰু বল দুয়োটাৰে সৈতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা ক্ৰুনালে স্বীকাৰ কৰে যে প্ৰতিটো চেম্পিয়নশ্বিপে তেওঁৰ কেৰিয়াৰত এক বিশেষ স্থান লাভ কৰে, আৰু ইয়াৰ তুলনা কৰাটো প্ৰায় অসম্ভৱ। জয়ৰ পিছত ক্ৰুনালে কয়-আই পি এলৰ প্ৰতিটো ট্ৰফী বিশেষ। ইয়াত কোনো সন্দেহ নাই। ৰবটা ছিজনত পঞ্চমবাৰৰ বাবে আই পি এলৰ ট্ৰফী তুলি লোৱাৰ পিছত নিজৰ ব্যক্তিগত কৃতিত্বৰ বিষয়ে কোৱাৰ সময়ত জ্যেষ্ঠ অলৰাউণ্ডাৰগৰাকীয়ে কয় যে ৰৰ বছৰত পাঁচটা ট্ৰফী লাভ কৰি মই অতি সুখী আৰু কৃতজ্ঞ, মোৰ বাবে ই অতি বিশেষ।ক্ৰুনালে কয় যে দলটোৰ অবিৰত সফলতাৰ বাবে এটা ডাঙৰ কৃতিত্ব ফ্ৰেঞ্চাইজিৰ পৰিচালনা আৰু প্ৰশিক্ষক কৰ্মচাৰীৰ বাবে। তেওঁ লগতে কয় যে মো বৱন, এণ্ডি ফ্লাৱাৰ, দীনেশ কাৰ্তিক, মালোলন ৰঙাৰাজন, আৰু ওমকাৰ ছালভিয়ে দলটোক শক্তিশালী কৰাৰ বাবে অতি কঠোৰ পৰিশ্ৰম কৰিছিল। তেওঁ কয় যে যোৱা বছৰৰ নিলামৰ পূৰ্বে পুংখানুপুংখ প্ৰস্তুতি কৰা হৈছিল, আৰু খেলুৱৈসকলক চিন্তাশীলভাৱে বাছনি কৰা হৈছিল। ইয়াৰ ফলত দলটোৰ ভিতৰত ভাল ভাৰসাম্যতা আহিছিল, যাৰ ফলত দলটোৱে ধাৰাবাহিকভাৱে ভাল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে।

এ বি পাব্লিকেশ্বনৰ হৈ অনিল বৰ্মনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, গুৱাহাটী-১৬ত মুদ্ৰিত। কাৰ্যালয় ঃ পেঞ্চনপাৰা ৰোড, গোস্বামী ছাৰ্ভিচ, গুৱাহাটী-৩, ফোন ঃ ২৬৬০২৬০, বিজ্ঞাপন ঃ লক্ষ্যধৰ ডেকা, ৯৮৬৪৪-৯১৫৯৫ কোকৰাঝাৰ কাৰ্যালয়, জে ডি ৰোড, ফোন ঃ ৯৪৩৫৪-৮৩৮৩৬। তেজপুৰ কাৰ্যালয় ঃ তুলিকা কাৰ্ফ, অপূৰ্ব বৰা ৯৮৫৪২-১১৩০৪, ৯০৮৫০-৭১৩০৪, চাৰ্কুলেচন ঃ অৰুণ শৰণীয়া (৯৭০৭৬-৮৩১১২)
Owner, Publisher & Printer Anil Barman, Published from Pension Para Road, Goswami Service, Silpukhuri, Guwahati-781003 and Printed at Pee Gee India, MIE, Kalapahar, Guwahati-781016. Editor: Anil Barman. Phone : 0361-2660260 Fax : 0361-2665919 batorikakot@rediffmail.com
মুখ্য সম্পাদক ঃ ভুৱনেশ্বৰ শৰ্মা সম্পাদকঃ অনিল বৰ্মন